# প্ৰান্তিক

৫ম বছৰ ২২শ সংখ্যা ১৬—৩১ অক্টোবৰ '৮৬




## অসমৰ প্লাইউড উদ্যোগ আৰু স্থানীয় স্বাৰ্থ



## কামেং নৈৰ পাৰত



OKDISCD




প্রান্তিক

৫ম বছৰ ২২শ সংখ্যা ১৬——৩১ অক্টোবৰ '৮৬ | মূল্য চাৰি টকা

ডাকঘৰ : শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩

## অহা সংখ্যাত

ৰেগিং কৰা ছাত্ৰ-ছাত্ৰীসকলৰ হতুৱাই কায়িক পৰিশ্ৰম কৰোৱাই, তাৰপৰা উপাৰ্জন হোৱা ধন তেওঁলোকৰ অপৰাধৰ জৰিমনা হিচাপে সংগ্ৰহ কৰিব নোৱাৰিনে?

**অনামিকা বড়াৰ বক্তব্য : ইয়ো এক নাৎছিবাদ**

আজি ডেৰকুৰি বছৰে এশাৰী-দুশাৰীকৈ মই যি কবিতা লিখিছোঁ, সেয়া হয়তো এটা কবিতাই—তুমি কেনে আছা?

"ভাৰতীয় বিদ্যাভৱন বঁটা" গ্ৰহণ কৰোঁতে **কবি হীৰেন ভট্টাচাৰ্যই** দিয়া **"ভাষণ"**

**(গকুল হাজৰিকাৰ সৌজন্যত)**

জ্যোতিষীয়ে কোনো বৈজ্ঞানিক গৱেষণা নকৰে, মাত্ৰ আগতে ঠিক কৰি ৰখা মডেল ফ'ৰকাষ্ট বা আঁহি ভৱিষ্যৎ-বাণীৰ তালিকা এখন ব্যৱহাৰহে কৰে। আৰু এই তালিকাখন মিছা কথাৰ তালিকাৰ বাহিৰে আন একো নহয়।

**দেৱকান্ত সন্দিকৈৰ প্ৰবন্ধ : নক্ষত্ৰ আমাৰ কোনো নহয়**

আমি "ইগিলা সিগিলা বাদ দি হাতীৰ পিঠিত ছাব দি" দিছপুৰ অধিকাৰ কৰিলো। কিন্তু ইয়াৰ পাছত নতুন ধাৰাৰ অসম আন্দোলন অতি সবলভাৱে চলাই যাব নোৱাৰিলে দিছপুৰ আমাৰ "পৈতৃক সম্পত্তি" হৈ নাথাকিব পাৰে।

**এতিয়া অসমক কেনেকৈ গঢ়িব? : চৈতন্য কাশ্যপ**

**শিশুৰ জন্মৰ পৰা ছবছৰ বয়সলৈকে** এই সময়ছোৱাত তাৰ মানসিক বিকাশৰ তাৎপৰ্য, এই সময়ছোৱাত মাক-দেউতাক, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আদিয়ে তাৰ কেনেধৰণৰ যত্ন লব লাগে, এই সম্পৰ্কীয় কেইটামান মৌলিক কথা আলোচনা কৰিছে **ডঃ হৰেন শৰ্মাই**

অসমৰ সৰ্ববৃহৎ গোচৰটোৰ বিষয়ে লিখিছে **সুৰেন্দ্ৰ নাথ বৰুৱাই।**

## এই সংখ্যাত

অৰুণাচল প্ৰদেশতো চিকিমৰ নাথুলাৰ দৰে কিছুমান ঠাই আছে য'ত ভাৰতীয় আৰু চীনা সৈন্য মুখামুখি হৈ আছে। এনেকুৱা কিছুমান অংশও আছে য'ত সীমান্তত পহৰা দি থকা লোকসকলৰ ইজনে সিজনক দেখি থাকে। কিন্তু সীমান্তবৰ্তী এই ঠাইবোৰৰ বেছিভাগেই এনেকুৱা যে দুয়োফালে বহু কিল'মিটাৰ দূৰলৈ ইউনিফৰ্মত থকা সৈন্য দেখা পোৱা নাযায়।

টাৱাং ভ্ৰমণ কৰি অহা **ঘনশ্যাম পৰদেশীৰ** প্ৰবন্ধ :

**মেকমাহন লাইনৰ ইপাৰে সিপাৰে** ।১৩।

বেটুপাতৰ আলোকচিত্ৰ : দীপক বেজবৰুৱা

ৰাজ্যখনৰ বৰ্তমানৰ আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কত **পৰাগ কুমাৰ দাসৰ** পৰ্যালোচনামূলক প্ৰবন্ধ : **গণতান্ত্ৰিক মূল্যবোধ আৰু ৰাজনৈতিক সহনশীলতা** ।২৯।

অসমৰ শিল্পজাত সামগ্ৰীসমূহৰ ভিতৰত চাহৰ পিছতে প্লাইউডৰ স্থান বুলি ক'ব পাৰি। ...ভাৰতৰ শতকৰা ৬০ ভাগ প্লাইউড উৎপন্ন কৰা অসমৰ এই বৃহৎ উদ্যোগ-খণ্ডৰপৰা ৰাজহৰ দিশতে হওক বা নিয়োগৰ দিশতে হওক এতিয়ালৈকে অসম উপকৃত হোৱা বিশেষ নজিৰ নাই।

**অসমৰ প্লাইউড আৰু স্থানীয় স্বাৰ্থ : ৰাণু বৰুৱা** ।১৮।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৭। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। বিশ্ব-পৰিক্ৰমা ।১১। মেকমাহন লাইনৰ ইপাৰে সিপাৰে ।১৩। ফিলিপাইনছৰ ডাক্তৰ ।১৬। প্লাইউড উদ্যোগ ।১৮। বিজ্ঞান ।২২। কামেং নৈৰ পাৰত ।২৩। গণতান্ত্ৰিক মূল্যবোধ ।২৯। চণ্ডীশতক স্তোত্ৰ ।৩২। সৰ্বভাৰতীয় প্ৰতিযোগিতা আৰু অসমীয়া ।৩৩। খোচা-বিন্ধা বুৰঞ্জী ।৩৫। ঘৰুৱা ।৩৭। দৈনন্দিন ।৪০। গল্প ।৪২। কবিতা ।৪৪। উপন্যাস ।৪৫। কলা-সংস্কৃতি ।৫২। ক্ৰীড়াংগন ।৫৫। শেষপৃষ্ঠা ।৫৮।

মুখ্য সম্পাদক : ডঃ ভবেন্দ্ৰনাথ শইকীয়া

নিবন্ধকাৰ : কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * অনিল বৰুৱা * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * গণেশ দাস * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

সহকাৰী সম্পাদক : ইমৰান হুছেইন

অংগসজ্জা দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা আলোকচিত্ৰ : দীপক বেজবৰুৱা

মুদ্ৰাংকন ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ

প্ৰদীপ বৰুৱাৰ দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

Prantik
The Assamese Fortnightly

Vol V No. 22 16 —— 31 October '86

P.O. Silpukhuri, Guwahati—781003 Phone 28751

OKDISCD

## সকলোৰে দায়িত্ব"

"ব্যক্তিৰ চিন্তা আৰু প্ৰত্যাশা"—শিতাৰত প্ৰকাশিত যোৰহাটৰ শ্ৰীমনোৰঞ্জন শইকীয়াৰ "সকলোৰেদায়িত্ব" শীৰ্ষক চিঠিখন পঢ়িলোঁ। চিঠিখন পঢ়ি এই 'সকলোৰে দায়িত্ব' সম্বন্ধে কিছু বক্তব্য পঢ়ুৱৈ সমাজত দাঙি ধৰাৰ ইচ্ছা হ'ল। চিঠিখনত শ্ৰীশইকীয়াই শিক্ষকসকলে অৱহেলা নকৰাকৈ শিকোৱাৰ কথা, ছাত্ৰ সমাজে নিজৰ উশৃংখল স্বভাৱ দমন কৰি পৰীক্ষাত নকল কৰাৰ প্ৰবৃত্তি সম্পূৰ্ণৰূপে পৰিহাৰ কৰাৰ প্ৰতি থকা সকলোৰে দায়িত্ব কথা সকিয়াই দিছে। অৱশ্যে এই দায়িত্ব দেশৰ এজন সুনাগৰিক হিচাপে চৰকাৰৰ ওপৰত ভাৱৰ্থা নকৰাকৈ সকলো সময়তে সকলোৰে থকা উচিত আছিল। কিন্তু সুদীৰ্ঘ ছবছৰীয়া আন্দোলন কালত অমানুষিক নিৰ্যাতন ভুগি নিজৰ মনঃপূত চৰকাৰখন পোৱাৰ পাছতো প্ৰায়ভাগ ছাত্ৰ-ছাত্ৰীৰ মাজত উশৃংখলতা, অশালীনতা পৰিহাৰ কৰাৰ দায়িত্বজ্ঞান এতিয়াও হোৱা নাই বুলি ধাৰণা হয়। মই এগৰাকী শিক্ষয়িত্ৰী হিচাপে আন বছৰৰ দৰে এই বছৰো যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত নিৰীক্ষক হোৱাৰ সুবিধা পাইছিলোঁ। এজনী ছোৱালীৰ নকল ধৰি শুনিব লগা হ'লো— মই অমুক জনগোষ্ঠীৰ পৰীক্ষাৰ্থী একো নকৰোঁ, অসমীয়াবোৰকহে কৰোঁ। আৰু' সেই জনগোষ্ঠীৰ পৰীক্ষাৰ্থীয়েও— অসমীয়াবোৰে ইমান নকল কৰে— তেওঁলোকক নেদেখে, আমাকহে দেখে। আন এদিন পৰীক্ষাত সতৰ্ক কৰি দি থকাৰ পাছত আৰু নকল কৰাৰ প্ৰচেষ্টাত তৃতীয়বাৰ ধৰা পৰাত উলিয়াই দিয়া বাবে পৰীক্ষা শেষ হোৱাৰ পাছত মই ঘৰলৈ যোৱাৰ পথত এজন ছোৱালীয়ে বাটত বৈ থাকি মোক ভাবুক,— "...(এজন মন্ত্ৰীৰ নাম) আমাৰ ভাই হয়। কমপ্লেইন কৰিম। কি কৰিব পাৰিব ?" আৰু' শেষৰ দিনা পৰীক্ষা হলৰ পৰা ওলায়েই নকল কৰিবলৈ সুবিধা নোপোৱাৰ বাবেই সেই মন্ত্ৰীৰ ওচৰত গোচৰ দিবলৈ ওলোৱা ছোৱালীদলেই মোৰ নাম ধৰি খ' বেক বুলি স্লোগান দি দি ওলাই গৈছিল। পৰীক্ষা চলি থকা সময়তো স্কুলৰ কাষৰ ৰাস্তাত ল'ৰাৰ জুম— নকল যোগান ধৰিবলৈ। তেওঁলোকে উকিয়ায়, চিঞৰে, —পৰীক্ষাৰ্থীৰ নাম ধৰি চিঞৰি মাতে নকল দিবলৈ। শিলত নকল মেৰিয়াই দলিয়াই পঠায়। অন্যায়, অবিচাৰ আৰু দুৰ্নীতিৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰি, সাম্য মৈত্ৰী আৰু প্ৰগতিৰ গান গাই শুনি অসম গঢ়াৰ প্ৰতিশ্ৰুতি দি যি যুৱশক্তিয়ে বিখ্যাত ভৱৰ সমাজে, সেই ছাত্ৰ-যুৱক-যুৱতীবে যদি এনে অশালীন আচৰণ কৰে, তেন্তে দেশৰ শান্তি আৰু প্ৰগতি সম্ভৱ হ'ব পাৰেনে ? আগতেও নকল ধৰা কাম কৰিছোঁ বা নকল যোগান ধৰিবলৈ অহাবোৰৰ উৎশুলি দেখিছোঁ। কিন্তু এতিয়া যিহেতু অসমখনৰ সৌভাগ্য, সাফল্য, সকলো যুৱশক্তিৰ নিয়ন্ত্ৰাধীন বুলি কাকতে-পত্ৰে, মেলে-মিটিঙে বাৰম্বাৰ সকিয়াই দিয়া দেখি-শুনি আছিছোঁ, গতিকে এই যুৱ নেতাসকলে মাত্ৰ কেইজনমান বিবেকশূন্য যুৱকৰ উৎশুলিক নিয়ন্ত্ৰণ কৰিব নোৱাৰেনে ? পৰীক্ষাৰ সময়ত যাতে এনে কোনো অপ্ৰিয় ঘটনা ঘটিব নোৱাৰে বা তেনে পৰিস্থিতিৰ উদ্ভৱ হ'ব নোৱাৰে তাৰ বাবে স্থানীয় বয়োবৃদ্ধ লোকৰ বা আঞ্চলিক নেতাসকলৰ সতৰ্কতামূলক ব্যৱস্থা লোৱাৰ উপায় নাই নে ? নে এইবোৰ চিন্তা কৰাৰ দায়িত্ব মাথো আমি শিক্ষক-শিক্ষয়িত্ৰী বা বিভাগীয় মন্ত্ৰী বিধায়কৰহে ? প্ৰত্যেকজন শিক্ষিত অসমবাসীয়ে যদি মনত ক্ষুদ্ৰ স্বাৰ্থপূৰণত বাধাগ্ৰস্ত হোৱাৰ শংকা নাৰাখি নৈতিক সাহস আৰু সত্তাৱে নিজৰ সমাজখনৰ সকলো প্ৰকাৰৰ দুৰ্নীতিৰ বিৰুদ্ধে থিয় দিদিয়ে, তেন্তে অসম গণ পৰিষদ চৰকাৰৰ মুষ্টিমেয় কেইজনমান লোকৰ সত্তাই সমগ্ৰ অসমবাসীলৈ কেতিয়াও ঐক্য আৰু শান্তি আনিব নোৱাৰিব।

—ৰূপালী বৰুৱাৰী,

## গোৱালপৰীয়া লোকৰ কথিত-ভাষা

গোৱালপৰীয়া থলুৱা লোকসকলৰ কথিত ভাষাৰ বাবেই তেওঁলোকৰ ছাত্ৰ-ছাত্ৰী চাকৰীয়াল, বিবাহিতা মহিলা আদিয়ে অসমৰ অন্যান্য ঠাইত নানান তিতা-কেঁহা অভিজ্ঞতা পাই আছিছে। গোৱালপাৰাৰ (বিশেষকৈ পশ্চিম অংশৰ) কথিত ভাষাটো ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশত উত্তৰ বংগৰ সংলগ্ন অঞ্চলসমূহৰ কথিত ভাষাৰ লগত সামঞ্জস্যপূৰ্ণ হোৱা বাবে, আৰু অসমীয়া অন্যান্য উপভাষাসমূহৰপৰা কিছু দূৰত হোৱা বাবে সেই উপভাষা সম্বন্ধে অজ্ঞ কিছুমান অসমীয়া লোকে গোৱালপাৰাৰ থলুৱা লোকসকলৰ বিষয়ে বহুতো ভুল ধাৰণা পোষণ কৰি আছিছে। কিছু সংখ্যক অসমীয়া লোকে গোৱালপাৰাৰ থলুৱা লোকসকলক বাঙালী বুলি কবলৈও কুণ্ঠাবোধ নকৰে। অথচ গোৱালপৰীয়া উপভাষাটো অসমীয়া ভাষাৰেই প্ৰাচীন উপভাষা আৰু ইয়াৰ অবিহনে অসমীয়া ভাষা সম্পূৰ্ণ হ'ব নোৱাৰে। এনেস্থলত গোৱালপৰীয়া থলুৱা লোকসকলৰ প্ৰতি কৰা এনেধৰণৰ অবিচাৰে মহান অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াত বিজুতি ঘটোৱাৰ সম্ভাৱনা বৃদ্ধি কৰে।

সেয়েহে 'প্ৰান্তিক'ৰ জৰিয়তে সমূহ সচেতন অসমীয়া ৰাইজক এই বিষয়ত সতৰ্ক দৃষ্টি ৰাখিবলৈ, আৰু সূক্ষ্ম অনুভূতিৰে সমূহ লেখক-লেখিকাসকলক গোৱালপৰীয়া ভাষা-সংস্কৃতিক শুদ্ধ ৰূপত ৰাইজৰ আগত উপস্থাপন কৰিবলৈ সবিনয় অনুৰোধ জনালো।

—অপন দাস, উমেশ ডেকা,
৩নং ছাত্ৰাবাস, অসম কৃষি বিশ্ববিদ্যালয়,
যোৰহাট

## বঙাইগাঁৱত পুথিভঁৰাল

বঙাইগাঁও চহৰখনৰ উন্নয়ন দিনক দিনে বৃদ্ধি পাইছে। ঔদ্যোগিক চহৰ হিচাপেও ই উল্লেখযোগ্য। কিন্তু আশ্চৰ্যৰ বিষয় এই যে এই চহৰত উকথা ছাল, কেঁচা মজিয়াবেও এটা পুথিভঁৰাল নাই। পিছে, হোৱাই নোহোৱাই দান-বৰঙণিৰ বচিদ বহী লৈ ক্লাবচালকৰপৰা আৰম্ভ কৰি বেংকৰ মেনেজাৰলৈকে নানান জনৰ লগত কাজিয়া কৰা বহুতো সচেতন, সমাজসেৱক (?) চকুত পৰে। কিন্তু পুথিভঁৰাল এটা অত্যুপীয়াকৈ ৰাইজৰ বৰঙণিৰেই স্থাপন কৰাৰ কথা ইয়াৰ ৰাইজ তথা শিক্ষিত চামে চিন্তাই নকৰে যেন লাগিছে। স্থানীয় বিধায়কৰে বৰি সমূহ ৰাইজলৈ বিষয়টোৰ প্ৰতি মনোযোগ দিবলৈ অনুৰোধ জনালোঁ।

—পাৰ্থপ্ৰতিম দাস,
অসম বিত্তীয় নিগম, বঙাইগাঁও

## কৃষি-বিষয়ালী

কিছুদিনৰ আগতে দেউতাই অফিচৰপৰা আহি মোক কলে, "বুইছ মাজনী, আজি অফিচলৈ তোৰে সমবয়সীয়া চাকৰিজনী ছোৱালী আহিছিল, বহাগী বিদায়ৰ বাবে চান্দা তুলিবলৈ। পিন্ধি আহিছিল চুৰিদাৰ। বিয়েই নিশিকক লাগে, অসমীয়া গাভৰু বুলিলে মাজতোল অলপ দিহিকৈ দিলে ভাল লাগে অ'।" মই সুধিলো, "কি কলেবা তেওঁলোকে ?" দেউতাই কলে যে— তেওঁলোকে দাবী কৰাৰ সমান পইচা দিব নোৱাৰিব বুলি কোৱাত, তেওঁলোকে দেউতাক কলে, "বিহুৰ বাবে পতা অনুষ্ঠান এটালৈও পইচা দিব নোৱাৰে যদি কিহৰ অসমীয়া ?" দেউতাই বৰ্তমান বজাৰৰ বস্তুৰ জুই-ছাই দামৰ দিনত নগৰত চলিবলৈ পইচাৰ টনাটনি বুলি কোৱাত তেওঁলোকে কলে, "খেতি কৰিব, খেতি।"

—দীপান্বিতা চাংমাই, ডিব্ৰুগড়



## উপকৃত

মই ভাৰিণী চৌধুৰী স্কুলৰ দশমমান শ্ৰেণীৰ ছাত্ৰী। ৩য় বছৰৰ ২৪শ সংখ্যাৰ প্ৰান্তিকত প্ৰকাশিত "শক্তিৰ বিকল্প উৎসৰ সন্ধান : সৌৰ শক্তি ব্যৱহাৰৰ সম্ভাৱনীয়তা" সম্বন্ধীয় বহুমূলীয়া প্ৰবন্ধটি পঢ়ি এই বিষয়ে জানিবৰ কাৰণে মই বৰ আগ্ৰহান্বিত হৈ আছিলো। তাৰ পাছত কলিকতাত অনুষ্ঠিত হোৱা ১৯৮৬ চনৰ পুব ভাৰত বিজ্ঞান শিবিৰত প্ৰদৰ্শন কৰিবৰ কাৰণে সেই প্ৰবন্ধটিৰ সহায় লৈ এটা সৌৰ চৌকা সাজিলো আৰু স্কুলৰ যোগেদি তাত যোগদান কৰিবলৈ সুযোগ পালো। ১৬ ফেব্ৰুৱাৰীৰপৰা ২১ ফেব্ৰুৱাৰী তাৰিখলৈ হোৱা এই প্ৰদৰ্শনীত যোগদান কৰি মই মাহেকত এশ টকাকৈ এবছৰলৈ এটা বৃত্তি লাভ কৰিবলৈ সক্ষম হলো। আপোনাৰ আলোচনীত প্ৰকাশিত এই প্ৰবন্ধটিৰপৰা বৰ উপকৃত হলো। তাৰ বাবে আপোনালৈ মোৰ অশেষ ধন্যবাদ জনালো। লগতে উক্ত প্ৰবন্ধটিৰ লেখক শ্ৰীঅচিন্ত্য নয়ন বেজবৰুৱাদেৱলৈও মোৰ অশেষ ধন্যবাদ জনালো।

—অৰুণীতা ফুকন,
ভাৰিণী চৌধুৰী স্কুল, গুৱাহাটী

## ভাষাজননীৰ সম্মানাৰ্থে

অসমীয়া আৰু অসমীয়া ভাষাৰ শত্ৰু বহুত। কথাটো আপুনিও জানে,ময়ো জানো। অসমীয়াৰ বহু ক্ষেত্ৰত শত্ৰু অসমীয়াই। অৱশ্যে ১৯৭৯-৮৫ চনৰ আন্দোলনৰ পাছৰ পৰা চকুচৰহা স্বভাৱটো কিছু পৰিমাণে কমাটো এই পত্ৰলেখকে লক্ষ্য কৰিছে। ঊনবিংশ শতিকাৰ তৃতীয় দশকত অসমীয়া ভাষাৰ পৰিবৰ্তে অসমত বাংলাভাষা প্ৰবৰ্তন কৰা কথাটো আমি ইতিহাসত পঢ়িছোঁ, আৰু জানো ১৯৬০ আৰু ১৯৭২ চনৰ ভাষা আন্দোলনৰ কথা। সমস্যা বহুত। অসমৰ চাৰিসীমাৰ ভিতৰত অসমীয়া বুলি নিজকে ভবা লোকসকললৈ জনৰ প্ৰস্তাৱ কেইটা দি তাক পূৰণ কৰিবলৈ টানি অনুৰোধ জনালো। ৰাজ্যভাষা প্ৰয়োগ কেৱল মন্ত্ৰীসভা, কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী, কাইল আৰু কলকতে আবদ্ধ নাথাকক।

(১) এজন অসমীয়া লোকে, আন এজন অসমীয়া লোকৰ লৈতে যিকোনো ঠাইত অসমীয়াতে কথা পাতক আৰু অনা-অসমীয়াজনক অসমীয়া কথা শিকাবলৈ যত্নপৰ হওক।

(২) অসমৰ চাৰিসীমাৰ ভিতৰত ডাকত দিয়া চিঠিপত্ৰৰ ঠিকনা অসমীয়াতে লিখক। পাৰ্যমানে অসমীয়া পৰিভাষা ব্যৱহাৰ কৰক।

(৩) অসম চৰকাৰৰ অধীনস্থ কাৰ্যালয়সমূহৰ লগত যোগাযোগ অসমীয়াতে কৰক। আকস্মিক ছুটিৰ আবেদনখনো আপোনাৰ ৰাজ্যিক ভাষাত লিখক।

(৪) আপোনাৰ দোকানৰ নামফলকখন অসমীয়াতে লিখক। যদিহে ব্যৱসায়িক কাৰণত ইংৰাজী বা হিন্দীৰ প্ৰয়োজন অনুভৱ কৰে, তেন্তে অসমীয়া আখৰখিনি ডাঙৰকৈ দি, ইংৰাজী/হিন্দী সৰুকৈ দিব।

(৫) আপোনাৰ সৰু ল'ৰা-ছোৱালী হালক ইংৰাজী মাধ্যমৰ স্কুলত দিছে ? দিয়ক আপত্তি নাই। সেইটো আপোনাৰ একান্ত ব্যক্তিগত কথা আৰু আপোনাৰ অধিকাৰৰ ভিতৰৰা কথা। কিন্তু আপুনি যদি এজন অসমীয়া, তেনেহলে অনুৰোধ দহোকুৰি, ফুলকুমলীয়া শিশুহালক অসমীয়া ভাষাৰ বিৰুদ্ধে উৎটাই নিদিব। নিজেই শিক্ষাগুৰু, —নিজ মাতৃভাষা ভালকৈ জানিলেহে, বেলেগ ভাষা ভালদৰে জানিব পাৰি। "ইহঁতে ইংলিছ মিডিয়ামত পঢ়িছেতো, ভালকৈ অসমীয়া ক'বই নোৱাৰে"—এনেধৰণৰ বাক্য ভুলতো নক'ব। যদি কেনোবাই কৈছেও, তেখেতক নিন্দা কৰক।

—শিশিৰ কুমাৰ দাস, গুৱাহাটী

## বস্তুমালা ব্যাকৰণৰ টীকাকাৰ

প্ৰাচীন কামৰূপৰ সংস্কৃতজ্ঞ পণ্ডিত মহেন্দ্ৰ ভট্টাচাৰ্য দেৱে প্ৰখ্যাত বস্তুমালা ব্যাকৰণৰ টীকা লিখাৰ বাবে আহোম ৰজাৰ পৰা তাম্ৰফলি সহ ব্ৰহ্মোত্তৰ মাটি লাভ কৰিছিল। ভট্টাচাৰ্যদেৱৰ বাসস্থান ভোজকুছি গাঁৱত সেই মাটি আজিও তেওঁৰ বংশধৰসকলে ভোগ কৰি আছে। তেওঁ ভোজকুছি গাঁৱত প্ৰথমে দৌল উৎসৱ আৰম্ভ কৰে আৰু এই উৎসৱ বংশধৰসকলে আজিও কৰি আছিছে। কিন্তু অতি পৰিতাপৰ কথা এই যে তেওঁৰ উত্তৰাধিকাৰীসকলে তেওঁৰ পাণ্ডিত্যৰ দলিলস্বৰূপে আহোম স্বৰ্গদেউ প্ৰদত্ত তাম্ৰ ফলিখন হেৰুৱাই পেলালে। লগে লগে তেওঁৰ স্মৃতি চিহ্নও যেন কালৰ গৰ্ভত জাহ গ'ল। এতিয়া তেওঁৰ বংশধৰসকল তেওঁৰ জীৱনী আনকি জন্ম-মৃত্যু তিথি আদিৰ বিষয়েও অজ্ঞ। মই ভট্টাচাৰ্যদেৱৰ বংশধৰ হিচাপে অনুৰোধ কৰিছো—তেওঁৰ বিষয়ে কোনোবাই যদি কিবা জানে তেনেহলে সেয়া যেন প্ৰান্তিকত প্ৰকাশ কৰে নাইবা মোৰ ঠিকনাত পঠাই দিয়ে।

—ৰঞ্জিৎ কুমাৰ ভট্টাচাৰ্য,
গাং আৰু ডাকঘৰ ভোজকুছি, (টিহু)
জিলা নলবাৰী

## বৰদোৱা আদি সত্ৰ

শ্ৰীচাৰুপ্ৰভা কাকতীৰ "বৰদোৱা আদি সত্ৰ" শীৰ্ষক চিঠিখনত (১৬।৩।৮৬) পাটবাউসী সত্ৰৰ বিষয়ে লিখা কথাখিনিৰ স্পষ্টীকৰণ হিচাপে সত্ৰবাসী ৰাইজৰ সিদ্ধান্ত মৰ্মে তলৰ কথাখিনি প্ৰকাশ কৰিলো।

প্ৰায় পাঁচশ বছৰ পুৰণি পাটবাউসী সত্ৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰ গুৰুৰ দ্বাৰা স্থাপিত অসমৰ প্ৰধান সত্ৰ। শ্ৰীকাকতীয়ে লিখাৰ দৰে বৰদোৱা আৰু পাটবাউসী দুয়োখন সত্ৰৰে সত্ৰাধিকাৰ একেজন হয়; কিন্তু দুয়োখন সত্ৰ একেখন পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত নহয়। সত্ৰাধিকাৰদেৱ বৰদোৱাতে থাকে আৰু কেতিয়াবাহে তেখেত পাটবাউসীলৈ আহে। কথমপি ৩০ ঘৰমান দুখীয়া লোকৰ বসতি থকা এই সত্ৰখনৰ লোকসকলে গাঁৱতে এখন কমিটি গঠন কৰি সত্ৰখনৰ দৈনন্দিন কামখিনি যথাসাধ্যে চলাই আছিছে। মহাপুৰুষ গুৰুজনাৰ তিথি উপলক্ষে বছৰত একাকৈ ৰাইজৰপৰা পোৱা মগু, চাউল, ধান, আৰু ভাগৰ টকা আদিৰ বৰঙণি গুৰুজনাৰ তিথিতে খৰচ কৰা হয় আৰু দাতা সকলকো সত্ৰীয়া প্ৰথাৰে প্ৰসাদ দিয়া হয়। তিথি আৰু অন্য উৎসৱপৰ্ব আদিৰ বাবে সেইখিনিয়ে যথেষ্ট নহয়। গুৰুজনাৰ তিথিত গাঁৱৰ ল'ৰাসকলে ৰাইজৰপৰা বৰঙণি তুলিহে সাংস্কৃতিক অনুষ্ঠান আদি পাতে। সত্ৰৰ যাৱতীয় উৎসৱপৰ্ব আদিৰ জমা-খৰচৰ হিচাপ ৰাইজৰ হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰাই লৈ সময়ত মুকলিকৈ ৰাইজৰ আগত দাঙি ধৰা হয়। সেৱকীয়াসকলৰ সেৱা কৰা পইচাখিনিও সত্ৰৰ কামতে খৰচ কৰা হয়। বৰপেটা সত্ৰৰপৰা সত্ৰৰ শলাবন্তিৰ বাবে মাহে অলপ তেল আহে। শলাবন্তিৰ বাবে প্ৰয়োজন হোৱা ওপৰঞ্চি তেলখিনি সত্ৰৰপৰা কিনা হয়। কীৰ্তন ঘৰটো সত্ৰবাসী ৰাইজৰ দ্বাৰা ব্যৱস্থা কৰি মচোৱা হয়।

এই সত্ৰই চৰকাৰৰপৰা কোনো বাৰ্ষিক অনুদান আদি নাপায়। সত্ৰৰ নিস্পিখেৰাজ মাটিৰ খাজনা সত্ৰাধিকাৰদেৱে মনোনীত আমুক্তিয়াৰৰ দ্বাৰা নিজা বৰীয়াকৈ আদায় কৰে। সেই টকা-পইচাৰ সত্ৰৰ লগত সম্পৰ্ক নাই। সত্ৰলৈ দান-বৰঙণি ইমানেই। গছগছনিৰে গাম্ভীৰ্যপূৰ্ণ পৰিবেশৰ সত্ৰ চৌহদত গছ-পাত পৰি লেতেৰা হোৱাটো স্বাভাৱিক। স্থানীয় ল'ৰাবোৰে মুকলি চৌহদটো প্ৰায়েই চাফা কৰে।

সত্ৰত থকা মঠ, দৌলগৃহ, ঘটঘৰ আদি ১৫-২০ বছৰমান আগতে চৰকাৰী অনুদান আৰু ৰাইজৰ বৰঙণিৰে নতুনকৈ সজোৱা হৈছে। শ্ৰীকাকতীয়ে কোৱাৰ দৰে শ্ৰীবিনাকৰ

এতিয়াও জৰাজীৰ্ণ অৱস্থা হোৱা নাই। এইখিনিতে উল্লেখ কৰিব পাৰি যে কীৰ্তন ঘৰটোৰ জৰাজীৰ্ণ অৱস্থা দেখি আজিৰপৰা ৯ বছৰমান আগতে ইয়াৰ পুনৰ নিৰ্মাণৰ বাবে বৰপেটা আৰু পাটবাউসীৰ কেইগৰাকীমান ধৰ্মপ্ৰাণ ব্যক্তিৰ উদ্যোগত তেতিয়াৰ বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া চন্দ্ৰকান্ত দেৱ মিশ্ৰক সভাপতি হিচাপে লৈ এখন সত্ৰ পুনৰ নিৰ্মাণ সমিতি গঠন কৰি, ৰচিদ বহী যোগে দান-বৰঙণিও কিছু সংগ্ৰহ কৰা হৈছিল। কিন্তু বৰদোৱাৰপৰা সত্ৰাধিকাৰদেৱ আহি সত্ৰ পুনৰ নিৰ্মাণ কাৰ্যত বৰপেটা ক'টত আপত্তি তোলাত উক্ত প্ৰচেষ্টাটো বন্ধ হৈ থাকে। নিৰ্মাণ সমিতিয়ে সংগৃহীত ধনখিনি সমিতিৰ হিচাপ-পৰীক্ষকৰ দ্বাৰা পৰীক্ষা কৰাই লৈ সম্পাদক কোষাধ্যক্ষকে লৈ তিনিজনে বেংকৰ লগত লেনদেন কৰিব পৰাকৈ কো-অপাৰেটিভ এপেক্স বেংকৰ বৰপেটা শাখাৰ ৪৬০৩/১৩ বি একাউণ্টত জমা ৰাখিছে। পাছত সমিতিৰ তৰফৰ পৰা ছবাৰো বৰদোৱালৈ সদস্য পঠাই সত্ৰাধিকাৰ প্ৰভুক মন্তাই অনাত তেখেতে নিজেই সত্ৰধমৰ পুনৰনিৰ্মাণৰ দায়িত্ব লোৱাত আমি সেইখিনিকে অপেক্ষা কৰি আছো।

পাটবাউসী সত্ৰৰ দান-বৰঙণি আৰু অনুদানবোৰ কলৈ যায় এই বিষয়ে যাতে ৰাইজৰ ভুল ধাৰণা নহয় তাৰ বাবে ৰাইজৰ ওচৰত বিতংভাৱে জনোৱাৰ লগতে ধৰ্মপ্ৰাণ ৰাইজৰ সত্ৰ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত গঠনমূলক সৎ পৰামৰ্শ সৰ্বান্তঃকৰণে কামনা কৰিলো, আৰু লগতে বিষয়টো পোহৰলৈ অনাৰ বাবে সম্পাদকলৈও ধন্যবাদ আগ বঢ়ালো।

—কমলা কান্ত দাস,
সম্পাদক,
শ্ৰীশ্ৰীশংকৰদেৱ সত্ৰ, নিজ পাটবাউসী

## শান্তি

হিচাপ কৰি লোৱা গৈছে যোৱা ৫,০০০ বছৰত আমাৰ এই পৃথিৱীত ১৪,৬৬০ খন ডাঙৰ আৰু সৰু যুদ্ধ হৈছে। তাত প্ৰায় ৩৫০ কোটি মানুহ নিহত হৈছে। কিন্তু আজিৰ এখন পাৰমাণৱিক যুদ্ধয়েই অনায়াসে সিমান জীৱন নিশ্চিহ্ন কৰিব পাৰে। বিশ্বযুদ্ধ কালত যিমান মানুহ নিহত হৈছিল তাৰে প্ৰতিজনৰ কাৰণে যদি এক মিনিটকৈ মৌনাৱলম্বন কৰা হয় তেনেহ'লে মানৱ জাতিয়ে এক শতাব্দী কাল জুৰি মনে মনে থাকিব লাগিব।

আজি পৃথিৱীত যিমান পাৰমাণৱিক অস্ত্ৰ জমা আছে, তাৰে পৃথিৱীখনক বহুবাৰ ধ্বংস কৰা যাব। তথাপি আমেৰিকাই সামৰিক ক্ষেত্ৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ অহৰহ চেষ্টা চলাই যুদ্ধৰ বিভীষিকাৰ সৃষ্টি কৰিছে। তাৰ ফলত বিশ্বশান্তি ভংগৰ উপক্ৰম হৈ তৃতীয় বিশ্বযুদ্ধৰ আশংকাই দেখা দিছে। তৃতীয় বিশ্বযুদ্ধ হ'লে মানৱ জাতিৰ অস্তিত্ব থাকিবনে সেইটো সন্দেহৰ বিষয়।

বিশ্বশান্তিৰ কাৰণে ছোভিয়েট ইউনিয়ন আজি উঠি-পৰি লাগিছে। বিশ্বযুদ্ধৰ প্ৰত্যক্ষ অভিজ্ঞতা তেওঁলোকৰ আছে। যুদ্ধৰ বিভীষিকা কি হ'ব পাৰে সেই কথা বিশ্বৰ যিকোনো দেশৰ জনসাধাৰণতকৈ ছোভিয়েট জনসাধাৰণে বেছিকৈ উপলব্ধি কৰিব পাৰে। দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত ছোভিয়েট ইউনিয়নৰ ক্ষতি আটাইতকৈ বেছি হৈছিল। তেওঁলোকৰ দুই কোটি মানুহ নিহত হৈছিল, হাজাৰ-হাজাৰ চহৰ-গাঁও, কল-কাৰখানা নিশ্চিহ্ন হৈ গৈছিল।

ছোভিয়েট ইউনিয়নে কেতিয়াও অস্ত্ৰ প্ৰতিযোগিতা আৰম্ভ কৰা নাছিল। নাইবা ই চলাই যোৱাও নাই। তেওঁলোক শান্তিপূৰ্ণ সহঅৱস্থানৰ নীতিত বিশ্বাসী। কেইটামান তথ্য বিবেচনা কৰা যাওক। আমেৰিকাই প্ৰথম পাৰমাণৱিক বোমা উৎপাদন কৰিছিল। আৰু কেৱল উৎপাদনতে ক্ষান্ত নাথাকি এনে বোমা ১৯৪৫ চনৰ আগষ্ট মাহত দুবাৰকৈ প্ৰয়োগ কৰি জাপানৰ হিৰোচিমা আৰু নাগাচাকি চহৰ দুখন ধ্বংস কৰিছিল। ছোভিয়েট ইউনিয়নে পাৰমাণৱিক অস্ত্ৰ নিষিদ্ধ কৰাৰ আৰু সেইবোৰ মজুত কৰি নাৰাখিবৰ বাবে প্ৰথমেই প্ৰস্তাৱ আগবঢ়াইছিল। আমেৰিকাই প্ৰথম কৌশলগত বোমা আৰু পাৰমাণৱিক ছাবমেৰিন উদ্ভাৱন কৰিছিল। আজিৰ বিশ্বক ভীতিগ্ৰস্ত কৰি তোলা প্ৰায় ৩০ বিধ নতুন মাৰণাস্ত্ৰৰ সকলোবোৰেই প্ৰথমে আমেৰিকাযুক্তৰাষ্ট্ৰত তৈয়াৰ কৰা হৈছিল। ইয়াৰ উপৰিও ১৯৮১ চনত আমেৰিকান প্ৰশাসনৰ ঘোষণাত নিউট্ৰন বোমা ব্যাপকভাৱে উৎপাদন কৰিবলৈ লোৱাৰ কথা কোৱা হৈছিল। ছোভিয়েট ইউনিয়নে ইতিমধ্যে ঘোষণা কৰিছে যে তেওঁলোকে কেতিয়াও আনদেশৰ বিৰুদ্ধে প্ৰথমে পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগ নকৰে।

ৰাষ্ট্ৰসংঘৰ পৰিসংখ্যা অনুযায়ী এই আন্তঃৰাষ্ট্ৰীয় মঞ্চটোত নিৰস্ত্ৰীকৰণৰ বিষয়ে এতিয়ালৈকে যিমানবোৰ প্ৰস্তাৱ উত্থাপিত হৈছে তাৰ এক-তৃতীয়াংশই আহিছে ছোভিয়েট ইউনিয়নৰপৰা। পাৰমাণৱিক অস্ত্ৰ সীমিত আৰু হ্ৰাস কৰাৰ আংশিক ব্যৱস্থাৰপৰা আৰম্ভ কৰি সম্পূৰ্ণ নিৰস্ত্ৰীকৰণ পৰ্যন্ত এই ধৰণৰ যিবোৰ সুনিৰ্দিষ্ট শান্তি উদ্যোগৰ প্ৰস্তাৱ ছোভিয়েট ইউনিয়নৰ পৰা আহিছে, তাৰ সংখ্যা এশতকৈ বেছি। আমেৰিকাই এতিয়ালৈকে ৮০০ টা পাৰমাণৱিক অস্ত্ৰৰ পৰীক্ষা-কাৰ্য চলাইছে। অথচ ছোভিয়েট ইউনিয়নে ইয়াৰ মাত্ৰ এক-তৃতীয়াংশ পৰিমাণৰহে পাৰমাণৱিক পৰীক্ষা চলাইছে।

এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত ভাৰতবৰ্ষৰ জনসাধাৰণে আমেৰিকাৰ পাৰমাণৱিক তথা নতুন কৌশলৰ অস্ত্ৰ প্ৰতিযোগিতাৰ চক্ৰান্ত ব্যৰ্থ কৰি সকলো ধৰণৰ পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰমুক্ত নতুন বিশ্ব এখন গঢ়ি তুলিবলৈ ছোভিয়েট ইউনিয়নৰ হাত সবল কৰি তোলা উচিত। —দেৱজিৎ তালুকদাৰ

ৰূপনগৰ, গুৱাহাটী

## বস্ত্ৰ শিল্পৰ কাৰিকৰী শিক্ষা

প্ৰযুক্তি বিদ্যাৰ ক্ষিপ্ৰ উন্নয়নৰ লগে লগে ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰদৰে অসমতো চৰকাৰী আৰু বেচৰকাৰী খণ্ডত কেইবাটাও সূতাকল গঢ়ি তোলাৰ আঁচনি লোৱা হৈছে। ইয়াৰ ভিতৰত অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধীনত ছিনটেক্স লিমিটেড (টিহুত), পলিটেক্স লিমিটেড (জাগীৰোডত), অসম ৰাজ্যিক বস্ত্ৰ নিগমৰ সূতাকল (বিজনীত), বঙাইগাঁও শোধনাগাৰ আৰু পেট্ৰ' ৰাসায়নিক প্ৰকল্প, সমবায় খণ্ডত নিৰ্মাণ কৰিব খোজা বৈতামাৰী (বঙিয়াত) আৰু শ্বহীদ কুশল কোঁৱৰ সূতাকলৰ (গোলাঘাট) কথা উল্লেখ কৰিব পাৰি। দুই-তিনি বছৰৰ ভিতৰতে এই কলসমূহৰ উৎপাদনৰ কাম আৰম্ভ হ'লে ইয়াত কম পক্ষেও ২০ হাজাৰ কাৰিকৰী-অকাৰিকৰী লোকে নিয়োগৰ সুবিধা পাব। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হোৱা বস্ত্ৰ শিল্পৰ কাৰিকৰী শিক্ষিত লোক ক'ত পাব এই সম্পৰ্কে চৰকাৰে কিবা ভাবিছেনে নাই কব নোৱাৰোঁ। গুৱাহাটীত থকা অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ একমাত্ৰ বস্ত্ৰ শিল্পৰ প্ৰযুক্তিবিদ্যাৰ (textile technology) শিক্ষা প্ৰতিষ্ঠান 'অসম টেক্সটাইল ইনষ্টিটিউটে' এই অভাৱ কেনেকৈ পূৰণ কৰিব, সেইটো গভীৰভাৱে চিন্তা কৰিব লগা বিষয়। কিয়নো ইয়াত ডিপ্ল'মা পাঠ্যক্ৰম পঢ়াৰ বাবে ২০খনহে আসন আছে। ইয়াৰপৰা প্ৰতি বছৰে গঢ় হিচাপত ১২-১৪ জনমানেহে ডিপ্ল'মা লৈ ওলাব পাৰে। তদুপৰি অসমত বস্ত্ৰ শিল্পৰ উচ্চ শিক্ষাৰ বাবে (স্নাতক পৰ্যায়ৰ) কোনো ব্যৱস্থা নাই। উল্লিখিত উদ্যোগসমূহৰ কাম আৰম্ভ হ'লে এটা ডাঙৰ সমস্যাৰ সৃষ্টি হ'ব। সেয়েহে চৰকাৰে এই শিক্ষাৰ উন্নতিৰ বাবে জৰুৰী কাৰ্য-ব্যৱস্থা লোৱাটো অতীৱ প্ৰয়োজনীয়। ১৯১০ চনতে স্থাপন কৰা অসম টেক্সটাইল ইনষ্টিটিউটখনত কি শিক্ষা দিয়া হয় এই শিক্ষানুষ্ঠানটোৰ গুৰুত্ব কি এই বিষয়ে অসমৰ ৰাইজ সচেতন নহয়। সৰ্বসাধাৰণৰ দৃষ্টিত এইখন এখন সাধাৰণ উইভিং ইনষ্টিটিউট ৰূপেই আজিও পৰিগণিত হৈ আছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে এই শিক্ষানুষ্ঠানৰ লগত বা ইয়াৰ পাছত স্থাপিত হোৱা ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ প্ৰায়বিলাক টেক্সটাইল শিক্ষানুষ্ঠানতে ডিপ্ল'মা পাঠ্যক্ৰমক কেতিয়াবাই স্নাতক পৰ্যায়লৈ উন্নীত কৰি তাৰ চৰকাৰসমূহে এই শিক্ষাৰ প্ৰতি অধিক মনোযোগ দিছে। আমাৰ চৰকাৰেও অচিৰেই এই ইনষ্টিটিউটখনক স্নাতক পৰ্যায়লৈ উন্নীত কৰাৰ লগতে ডিপ্ল'মা পাঠ্যক্ৰমৰ আসনৰ সংখ্যা বৰ্তমানৰ ২০অৰ পৰা বঢ়াই অন্ততঃ ৫০ কৰিব লাগে। কম সময়ৰ ভিতৰতে যাতে অন্ততঃ কিছু সংখ্যক ডিগ্ৰিধাৰী লোক পাব পৰা যায়, তাৰ বাবে বৰ্তমানৰ ডিপ্ল'মাধাৰী ছাত্ৰ-ছাত্ৰীসকলকে বিশেষ (condensed) পাঠ্যক্ৰমেৰে স্নাতক পৰ্যায়ৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

অসমত বস্ত্ৰ শিল্পৰ উন্নতিৰ বাবে কিবা কৰাৰ আগেয়ে ইয়াৰ একমাত্ৰ শিক্ষানুষ্ঠানখনৰ উন্নতিৰ বাবে চৰকাৰ আগবাঢ়ি আহিব বুলি আশা কৰিলো। —জয়ন্ত দেৱ শৰ্মা,
অসম টেক্সটাইল ইনষ্টিটিউট,
গুৱাহাটী

## অসমৰ হাবিত ভালুক

ভালুক অসমৰ হাবিৰ এবিধ আপুৰুগীয়া জন্তু। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান, মানাহ বাঘ পৰিকল্পনা অৰণ্য নাইবা অসমৰ কোনো অভয়াৰণ্যতে এইবিধ জন্তু দেখিবলৈ পোৱা নাযায় বুলিয়েই কব পাৰি। এইবিধ ক'লা ভালুক মাত্ৰ অসমৰ উত্তৰ কাছাৰ পাৰ্বত্য জিলাখনৰ হাবিতহে দেখা যায়। এই জিলাখনৰ লাংটিং, হাতীখালী, মান্দাদিষ্কালৈকে লামডিঙলৈ যোৱাৰ ৰেল লাইনৰ কাষত সংৰক্ষিত বনাঞ্চল আছে। ইয়াতেই ভালুকে হাবিৰে আহাৰ খাই বাস কৰে। সিইঁতে হাবিৰপৰা ওলাই আহি মানুহৰ অনিষ্ট কৰাৰ কথা শুনা নাযায়। এই হাবিত বিভিন্ন জাতৰ পহু আৰু অন্যান্য বনৰীয়া জন্তুও দেখিবলৈ পোৱা যায়। কিন্তু এই জন্তুবোৰৰ নিৰাপত্তা নাইবা সংৰক্ষণৰ কোনো ব্যৱস্থা নাই।

এই সংৰক্ষিত বনাঞ্চলত অবাধে দিনে-ৰাতিয়ে কান্ধত বন্দুক লৈ ঘূৰি ফুৰা চিকাৰী দেখিবলৈ পোৱা যায়। তেওঁলোকে বনৰীয়া প্ৰাণী পালেই মাৰি লৈ আহে আৰু খায়। সকলো মানুহে খোৱা মাংস হলে বজাৰত বিক্ৰি কৰে।

অসম বন আইনমতে সংৰক্ষিত বনাঞ্চলত অবাধে বন্যপ্ৰাণী মাৰিব আৰু বনজ সম্পদ ধ্বংস কৰিব নোৱাৰি। কিন্তু এই পাৰ্বত্য জিলাখনত কোনো আইনৰ কথা নাই। ইয়াৰ প্ৰায়বোৰেই শ্ৰমিক কৃষিজীৱী লোক। এওঁলোকৰ প্ৰধান কৃষি হৈছে ঝুম খেতি। এই খেতিৰ বাবে হাবিৰ গছ-বন কাটি, জুই লগাই চফা কৰা হয়। এবছৰ খেতি কৰাৰ পাছত সেইডোখৰ ঠাইত সাৰ নাইকিয়া বুলি খেতিয়কসকল পুনৰ নতুন ঠাইৰ সন্ধানত থাকে। এনেকৈ হাবি শেষ হোৱাৰ পাছত এতিয়া সংৰক্ষিত বনাঞ্চলৰ ভিতৰতে ঝুম খেতি কৰা হৈছে। জানুৱাৰী মাহৰপৰা মাৰ্চ মাহৰ ভিতৰত এই জিলাখনৰ হাবিবোৰত জুই লগাই দিয়া হয়। তেতিয়া বনৰীয়া জন্তুবোৰ থাকিবলৈ ঠাই নাইকিয়া হোৱাত মুকলিত ওলাই পৰে। তেতিয়া চিকাৰীয়ে নিৰ্বিঘ্নে এই জন্তুবোৰ মাৰি লৈ আহে। এই দৰে মাৰি অনা পহুৰ মাংস বনবিভাগৰ কলনিতে বিক্ৰি কৰা হয়।

ইয়াত অসম চৰকাৰৰ বন বিভাগে বনানীকৰণ আঁচনিৰ অধীনত নতুনকৈ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলত বনানীকৰণ কৰিছে। কিন্তু এই কামৰ বাবে ইয়াৰ জনজাতীয়লোকে মাটি এৰি নিদিয়ে। এওঁলোকৰ উদ্দেশ্য হৈছে ঝুম খেতি।

এইদৰে হাবি কাটি বনাঞ্চল ধ্বংস কৰিলে আৰু বনৰীয়া জন্তুবোৰ মাৰিবলৈ ধৰিলে অসমৰ হাবিত ভালুক নাইকিয়া হৈ যাব।

গতিকে এই জন্তুবোৰৰ সংৰক্ষণ আৰু নিৰাপত্তাৰ ব্যৱস্থা কৰিব লাগে। লগতে বনজ সম্পদবোৰৰ ৰক্ষাৰ ব্যৱস্থাও কৰিব লাগে। —নীলমণি ফুকন, উত্তৰ কাছাৰ

## খাদ্যৰ বাবে উপযোগী কাঠফুলা

কাঠফুলা খাই মৃত্যুবৰণ কৰা খবৰ, কাগজে-পত্ৰে প্ৰায়েই পোৱা যায়। কেইদিনমানৰ আগতে মৰানৰ ওচৰৰ এখন গাঁৱত কাঠফুলা খাই চাৰিজনৰ মৃত্যু হোৱাৰ বাতৰি পঢ়িছিলো। কাঠফুলা সকলোবোৰেই খাদ্যৰ বাবে উপযোগী নহয়। কিছুমান কাঠফুলা বিষাক্ত। গতিকে কাঠফুলা চিনি পাবলৈ কিছুমান লক্ষণ জানি থোৱাটো ভাল।

কাঠফুলা হ'ল এবিধ ভেকুঁৰ। ভেকুঁৰৰ বিষাক্ত আৰু অবিষাক্ত দুটা ভাগ আছে। বিষাক্ত কাঠফুলাবোৰত সাধাৰণতে এই কেইটা লক্ষণ পৰিলক্ষিত হয়: (১) উজ্জ্বল ৰং; (১) বৃন্তৰ অলপ তলত কাপৰ আকৃতিৰ একোটা আঙঠি থাকে; (৩) উত্তপ্ত; (৪) সাধাৰণতে এইবোৰ পচা বা শুকান কাঠৰ ওপৰত গজে, (৫) পোহৰ নপৰা ঠাইত গজে।

কাঁহৰ বাচনত কাঠফুলা থৈহি দিলে যদি নীলা বা তেনে ৰং এটাৰ সৃষ্টি হয় তেন্তে সি বিষাক্ত। বিষাক্ত ভেকুৰে মানুহৰ নানা ৰোগৰ সৃষ্টি কৰে।

কাঠফুলাৰদৰে কিছুমান ভেকুঁৰ পচা কাঠত বা জেকা মাটিত গজে। এইবোৰ মানুহৰ গাত লাগিলে কাঠ-আচিনাই আৰু টেমুনা ৰেমাৰ হয়। এনেদৰে আৰু বহুতো ভেকুঁৰৰপৰা বহুত ধৰণৰ মাৰাত্মক ৰোগৰ সৃষ্টি হয়।

অবিষাক্ত খাদ্য হিচাপে ব্যৱহাৰ কৰা কাঠফুলা বা তেনে ভেকুঁৰত যথেষ্ট প্ৰোটিন পোৱা যায়। ভিটামিন B আৰু D ও পোৱা যায়। মাংস, কণী আদিতকৈ অৱশ্যে কাঠফুলা বা ভেকুঁৰত প্ৰোটিন কম পোৱা যায়। তথাপি এনেজাতীয় ভেকুঁৰে মানুহক কিছুপৰিমাণে হ'লেও প্ৰোটিনৰ যোগান ধৰে।

গতিকে ভেকুঁৰ বা কাঠফুলা খাবলৈ বিচাৰিলে সেইবোৰ যথেষ্ট সাৱধানতাৰে সংগ্ৰহ কৰিব লাগে। —মুকুল বৰকাকতী,
তিনিচুকীয়া কলেজ

## অবিচাৰ-সুবিচাৰ

ধৰি লোৱা হওক কোনোবা এজন কৰ্মচাৰীৰ চাকৰি গৈছিল অসম আন্দোলনৰ বহু বছৰৰ আগতে। দুৰ্নীতি কিম্বা অফিচৰ টকা-পইচা আত্মসাৎ কৰাৰ অপৰাধত। আদালতত তেওঁ পৰাজিত হৈছে নতুবা উচ্চ ন্যায়ালয়ত এতিয়াও মকৰ্দমা চলি আছে। চৰকাৰখন সলনি হোৱাৰ লগে লগে পূৰ্বৰ চৰকাৰক দোষাৰোপ কৰি কৰ্মচাৰীজনে হেৰোৱা চাকৰি উদ্ধাৰ কৰাত ব্যস্ত হৈ পৰিছে। হয়তো পাইছে ইমান দিনে বন্ধ হৈ থকা তেওঁৰ দৰমহা আৰু চাকৰি। এতিয়া প্ৰশ্ন হ'ল,— যদি কোনো এখন চৰকাৰেই আদালতত নিলম্বিত চাকৰিয়ালৰ অপৰাধ সাব্যস্ত কৰিব নোৱাৰে (প্ৰায়ে দেখা যায় চৰকাৰ পক্ষ হাৰে), তেন্তে কি বিচাৰৰ এখন চৰকাৰে এজন কৰ্মচাৰীক চাকৰিতপৰা নিলম্বিত কৰে?

এখন বিদ্যালয়ত আজিৰপৰা প্ৰায় দহ বছৰৰ আগতে দুজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে দহ হাজাৰ টকা আত্মসাৎ কৰিলে। ফলত দুয়োৰে চাকৰি গ'ল; কিন্তু এতিয়া জানিব পৰা মতে আদালতত তেওঁলোক জয়ী হৈছে। ওভোতাই পাইছে চাকৰি আৰু সমুদায় টকা-পইচা। এই কথা শুনাৰ পাছত বিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে কৈছে, "তেওঁলোকে চাকৰি পোৱাত আপত্তি নাই, কিন্তু সেই টকা দহ হাজাৰ ক'লৈ গ'ল?"

এইবোৰ প্ৰশ্ন সদায় প্ৰশ্ন হৈয়ে থাকিবনে? নে আদালত নামৰ বস্তুটোৰ প্ৰয়োজন এদিন নোহোৱা হৈ যাব?

—ছেলিম হুছেইন, মৰিগাঁও



OKDISCD

# বন্দুকৰ গুলীৰ মুখত দেশৰ ভৱিষ্যত !

এগৰাকী প্ৰধানমন্ত্ৰী তেওঁৰ নিজৰে নিৰাপত্তাৰক্ষী হাতত নিহত হোৱাৰ ছুবছৰৰ ভিতৰতে পৰৱৰ্তী প্ৰধানমন্ত্ৰী গৰাকীৰ ওপৰতো নিৰাপত্তা ব্যৱস্থাৰ অতি ৰহস্যজনক স্নুৰুঙাইদি প্ৰাণ নাশৰ চেষ্টা চলিল। ৰাজঘাটত দুই অক্টোবৰত ঘটা ঘটনাটোৱে যি বাতৰি ওলাইছে তাৰপৰা দেখা যায় যে আমাৰ দেশখনৰ ভৱিষ্যতটো বাতৰি কাকতৰ ভাষাত মাত্ৰ এটা বন্দুকৰ গুলীৰ ওপৰত নিৰ্ভৰ কৰিছে; নিৰাপত্তা ৰক্ষাৰ নামত যিটো ব্যৱস্থা আছে সেইটো কোনো আধুনিক সভ্য-দেশৰ বাবে উপযুক্ত নহয়। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, মন্ত্ৰী, নিৰ্বাচিত প্ৰতিনিধি, বিভিন্ন ক্ষেত্ৰৰ আৰু বৃত্তিৰ বিশিষ্ট লোকসকলৰ নিৰাপত্তা ৰক্ষাৰ দায়িত্ব যিসকলক দিয়া হয় সেইসকলে নিৰীহ নিৰস্ত্ৰ, শান্তিপ্ৰিয় জনসাধাৰণ ওপৰত তেওঁলোকৰ বৃত্তিৰ মাহাত্ম্য আৰু কাৰ্যকুশলতা দেখুৱাতহে পাৰদৰ্শিতা লাভ কৰিছে। নিৰাপত্তা ৰক্ষাৰ দৰে বুদ্ধি আৰু মানসিক উৎকৰ্ষৰ প্ৰয়োজন হোৱা ক্ষেত্ৰত তেওঁলোক অপদাৰ্থ।

চৌৰাশীৰ নৱেম্বৰত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী তেওঁৰ নিৰাপত্তা ৰক্ষীৰ হাততে নিহত হ'ল আৰু তাৰ ন মাহৰ পাছতে নিৰাপত্তা 'বেষ্ট' ভেদ কৰি হত্যা কৰা হ'ল সন্ত হৰচান্দ সিং লংগোৱালক। চলিত বছৰৰ আগষ্টত নিহত হ'ল জেনেৰেল বৈদ্য। তেওঁৰ পৰিবাৰৰ অভিযোগমতে সন্ত্ৰাসবাদীৰ হত্যা কৰিব লগাসকলৰ তালিকাৰ শীৰ্ষস্থানত থকা বৈদ্যক চৰকাৰৰ ফালৰপৰা কোনো কাৰ্যকৰী নিৰাপত্তা ব্যৱস্থা দিয়াই নহ'ল। তাৰ ছুমাহৰ পাছতে দুই অক্টোবৰত হত্যাৰ চেষ্টা চলিল প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিকে ধৰি অন্যান্য বিশিষ্ট নেতৃবৰ্গৰ ওপৰত আৰু পাছদিনা চলিল পঞ্জাব পুলিছৰ প্ৰধান ৰিবেইৰ'ৰ ওপৰত।

বিশিষ্ট নেতৃবৰ্গৰ নিৰাপত্তাৰ দিশত কি ধৰণৰ ল'ৰা ধেমালি চলিছে তাৰ এটা উদাহৰণ হ'ল ৰাজঘাটৰ ঘটনাটো। এতিয়াকৈ প্ৰকাশিত বাতৰি মতে, সশস্ত্ৰ হত্যাকাৰী জোপোহা এটাৰ মাজত আগনিশাৰেপৰা লুকাই আছিল। পাছদিনা ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী উপস্থিত হ'ব লগা ঠাই এখনত নিৰাপত্তা ৰক্ষীৰ আগতীয়া পাৰিদৰ্শনৰ ব্যৱস্থা থকা সত্বেও অপৰাধীয়ে কাৰ্য সিদ্ধি কৰিবলৈ পানীৰ জগ আৰু টুথপেষ্ট-ব্ৰাছ লৈ ৰাতি খপিব পাৰিছিল। নেতৃবৰ্গ ওলোৱা-সোমোৱা বাটৰ মাত্ৰ ১০ মিটাৰ নিলগত হত্যাকাৰী লুকাই আছিল। হত্যাকাৰীয়ে প্ৰথমে প্ৰাৰ্থনা আৰম্ভ হোৱাৰ আগেয়ে দুটা গুলী মাৰে আৰু তাৰ ৪৫ মিনিটৰ পাছত তৃতীয়টো গুলী মাৰে। হয়তো গুলী চালনা দুজনে কৰিছিল, হয়তো হত্যাকাৰী প্ৰকৃতপক্ষে পগলা জাতীয় মানুহ; —প্ৰাৰ্থনা সভা আৰম্ভ হোৱাৰ আগেয়ে গুলী চলাই তেওঁ দৃষ্টি আকৰ্ষণ কৰিছিল। হয়তো পগলাই, আৰু সেই কাৰণে ঘৰত তৈয়াৰ কৰা বন্দুক লৈ গৈছিল। সেইবোৰ তদন্তত ওলাব, কাৰণ ইন্দিৰা গান্ধীৰ ক্ষেত্ৰত হোৱাৰ দৰে এই ক্ষেত্ৰত হত্যাকাৰীও নিহত নহ'ল— জীৱন্তে ভৰ্দ হৈছে। কিন্তু আচৰিত হ'ব লগা কথাটো হ'ল, প্ৰথম দুটা গুলীৰ শব্দ শুনি নিৰাপত্তা ৰক্ষীয়ে স্কুটাৰৰ বেকফায়াৰিং হোৱা বুলি ভাবিছিল।

এই প্ৰসংগত লণ্ডনৰ 'টাইমছ' কাকতে দিয়া এটা বাতৰিয়ে আন ধৰণৰ ইংগিত আৰু হত্যাকাৰীক পাগল বুলি উৰাই দিবলৈ টান হয়। ৰাজঘাটৰ ঘটনাটোৰ ২৪ ঘণ্টাৰ আগেয়েই হেনো কৰাচীৰ বাতৰি কাকত আৰু বাতৰি প্ৰতিষ্ঠানৰ কাৰ্যালয়বোৰলৈ ৰাজীৱ গান্ধীৰ ওপৰত হত্যাৰ চেষ্টা চলাৰ বাতৰিৰ চয়-নিচয় জানিবলৈ বিচাৰি অসংখ্য টেলিফোন কল হৈছিল। হয়তো ৰাজঘাটৰ ঘটনাটো এটা ষড়যন্ত্ৰ, হয়তো পাকিস্তানৰ কোনোৱা এটা মহল এই ষড়যন্ত্ৰৰ অংশীদাৰ বা গুৰি, হয়তো ঘটনাটো দুই অক্টোবৰৰ আগেয়েই হ'ব লগা আছিল আৰু ঘটনাৰ বিষয়ে বাতৰি নোলোৱাত ভাৰতে বাতৰি লুকুৱাই থোৱা বুলি সংবাদ মাধ্যমবোৰক সজাগ কৰি দিয়া হৈছিল আৰু হয়তো হত্যাকাৰীৰ আচৰণত আপাত-দৃষ্টিত ধৰা পৰাকৈ বিসংগতি ৰাখি চেষ্টা ব্যৰ্থ হ'লে বলিয়াৰ কাম বুলি উৰাই দিব পৰাকৈ আঁচনিখন কৰা হৈছিল।

ভাৰতৰ বাস্তৱ পৰিস্থিতিত ৰাজীৱ গান্ধীৰ অপৰিহাৰ্যতাত গুৰুত্ব দি লণ্ডনৰ 'গাৰ্ডিয়ান' কাকতে লিখিছে যে এজন মানুহ আৰু এটা নাম জীয়াই থকাৰ ওপৰতে ভাৰতবৰ্ষৰ সংহতিপূৰ্ণ ৰাষ্ট্ৰীয় ৰাজনীতিৰ অস্তিত্ব নিৰ্ভৰ কৰিছে। কংগ্ৰেছে ভৱিষ্যত নেতৃত্বৰ ভিত্তি বহলাবৰ সময় হৈছে, কাৰণ ভৱিষ্যতটোলৈ দূৰত্ব মাত্ৰ এটা বন্দুকৰ গুলীও হ'ব পাৰে।

শেহতীয়াভাৱে প্ৰকাশ পাইছে যে বন্দুকধাৰীজনে প্ৰথমটো গুলী মৰাৰ পাছত নিৰাপত্তাৰক্ষীয়ে অঞ্চলটো তালাচ কৰি খৰচ হোৱা বুলেটৰ খোলা এটা পায়, কিন্তু তাৰ কোনো গুৰুত্ব নাই বুলি আওকাণ কৰে। অষ্ট্ৰেলিয়াৰপৰা আমদানি কৰি অনা গোন্ধত সূত্ৰ ধৰিবপৰা কুকুৰো লগোৱা হয় গুলীৰ শব্দৰ লগত ওলোৱা ধোঁৱাখিনি পৰীক্ষা কৰিবলৈ; বন্দুকধাৰী লুকাই থকা জোপোহাটোৰ ওচৰত এটা কুকুৰ উত্তেজিতো হৈ পৰে। ৰাজ্যিক পুলিছৰ এজন উপপৰিদৰ্শকে বিষয়টো স্পেছিয়েল প্ৰটেক্সন গ্ৰুপৰ এজন বিষয়াক জনায়ো; কিন্তু বিষয়াজনে বিষয়টো অৱজ্ঞা কৰে।

* এটা অধ্যয়নৰ মতে সৰহ ভাগ যঁজা সন্তানৰ জন্ম হয় দিনৰ ভাগত; —পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজাৰ ভিতৰত। তাৰে ভিতৰত দুপৰীয়া ১২ বজাৰ পৰা আবেলি ৩ বজাৰ ভিতৰত যঁজা সন্তান জন্মৰ হাৰ সৰ্বাধিক. গৱৰ্ণমেণ্ট ৰাজাজী হস্পিটেল আৰু মাতুৰাই মেডিকেল কলেজৰ চিকিৎসকসকলে এই অধ্যয়ন চলায়।



* ইজৰাইলে গোপনে পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণ কৰি আছে আৰু তেওঁলোকে হেনো এই দিশত ইমান অগ্ৰগতি লাভ কৰিছে যে অধিক শক্তিশালী তাপ-পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰাটোও প্ৰায় নিশ্চিত। এই চাঞ্চল্যকৰ খবৰ দিছে লণ্ডনৰ 'দি ছানডে টাইমছ' কাকতে। নেগেভ মৰুভূমিৰ বুকুত সকলোৱে দেখাকৈ এটা নিৰীহ চেহেৰাৰ ঘৰৰ ঢাকনি লৈ মাটিৰ একেবাৰে গভীৰত যোৱা ২০ বছৰ ধৰি এই অস্ত্ৰ নিৰ্মাণকাৰ্য চলোৱা হৈছে, যাতে ওপৰৰ পৰা চোৰাংচোৱা উপগ্ৰহে ধৰা পেলাব নোৱাৰে। অৱশ্যে কাৰখানাটোত দহ বছৰ কাম কৰাৰ মূৰত চাকৰি যোৱা এজন টেকনিছিয়ানে দিয়া সাক্ষ্য আৰু ছবিৰ ওপৰত ভিত্তি কৰি বাতৰিটো দিয়া হৈছে। পাৰমাণৱিক বৈজ্ঞানিকসকলে এই বাতৰি সঠিক বুলিছে কিন্তু ইজৰাইলে চাকৰিৰ পৰা বৰখাস্ত কৰা কাৰণে আখেজত কৰ্মীজনে এইবোৰ অপপ্ৰচাৰ কৰা বুলি কৈছে।

* বোম্বাই উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পি. বি. সামন্ত আৰু বি. জি. ক'লচে পাটিলে অলপতে দিয়া এটা ৰায়ত আত্মহত্যা কৰিবলৈ চেষ্টা চলোৱা লোকক দোষী সাব্যস্ত কৰা ভাৰতীয় দণ্ডবিধিৰ ৩০৯ ধাৰাটোক ভাৰতীয় সংবিধানৰ বৰ্হিভূত এক ব্যৱস্থা বুলি অভিহিত কৰে।

আত্মহত্যা কৰিবলৈ চেষ্টা কৰাৰ অপৰাধত বিচাৰৰ সন্মুখীন হোৱা মানসিকভাৱে অসুস্থ এজন পুলিছ কনিষ্টবলৰ পত্নীয়ে জনোৱা এখন ৰিট আবেদনৰ পৰিপ্ৰেক্ষিতত ন্যায়াধীশদ্বয়ে এই ৰায়টো দিয়ে।

ন্যায়াধীশদ্বয়ে কনিষ্টবলজনৰ বিৰুদ্ধে উত্থাপিত গোচৰটো বাতিল কৰাৰ লগতে সমগ্ৰ মহাৰাষ্ট্ৰতে আত্মহত্যাৰ চেষ্টা চলোৱা লোকৰ বিৰুদ্ধে মোকৰ্দমা চলোৱাটো নিষিদ্ধ কৰিবলৈ নিৰ্দেশ দিছে।

* প্ৰায় ডেৰ হাজাৰ মানুহৰ উপস্থিতিত আৰু জয় ধ্বনিৰ মাজত এগৰাকী ২৫ বছৰীয়া নৱবিবাহিতা তিৰোতা জব্বলপুৰৰ ওচৰৰ এখন গাঁৱত 'সতী' গৈছে। তেওঁ অলপতে ঢুকুৱা কৃষক স্বামীৰ দ্বিতীয় পক্ষ আছিল। মাত্ৰ কেই কিল'মিটাৰমান নিলগতে এখন পুলিছ থানা থকা সত্বেও এই মধ্যযুগীয় ঘটনাটোত কোনো ফালৰপৰাই বাধা দিয়া নহ'ল বুলি বাতৰিটোত প্ৰকাশ।

* বাংলাদেশৰ শেখ মুজিবুৰ ৰহমানক ১৯৭৫ চনৰ ১৫ আগষ্টত হত্যা কৰি এটা উত্থানৰ সূত্ৰপাত কৰা ঘটনাটোৰ গুৰি ধৰা লে. কৰ্ণেল ফাৰুক ৰহমানে এই ১৫ অক্টোবৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। তেওঁ অলপতে সাংবাদিকৰ আগত কেতবোৰ চাঞ্চল্যকৰ কথা কৈছে। তেওঁ মতে মুজিব চৰকাৰক ক্ষমতাচ্যুত কৰাৰ আগলৈকে বাংলাদেশখন ভাৰতীয় প্ৰভুত্বৰ অধীনত আছিল। ভাৰতৰ লগত মুজিব চৰকাৰৰ ২৫ বছৰীয়া শান্তি চুক্তি বাংলাদেশৰ স্বাধীনতাৰ ওপৰত এটা 'প্ৰত্যক্ষ আঘাত'। পাছৰ চৰকাৰ এটায়ো এই চুক্তিখন ৰদ কৰিব নোৱাৰিলে বুলি তেওঁ খেদ প্ৰকাশ কৰে। তেওঁ ক্ষমতা পালে বাংলাদেশক প্ৰকৃত অৰ্থত স্বাধীন কৰিব। উল্লেখযোগ্য যে তেওঁ ১৯৭৫ চনৰ নৱেম্বৰৰপৰা লিবিয়াত আছিল।

* স্বাস্থ্য-ৰক্ষাৰ প্ৰণালী উন্নত কৰাৰ লগতে এই সম্পৰ্কে অধ্যয়ন কৰাৰ অৰ্থে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিচিগান প্ৰাদেশিক বিশ্ববিদ্যালয়ৰ তিনি বছৰীয়া "কেল'গ ফেল'শ্বিপ" দুগৰাকী ভাৰতীয়লৈও আগবঢ়োৱা হৈছে। ভাৰতীয় চিকিৎসালয় সন্থাৰ সম্পাদিকা শ্ৰীমতী প্ৰমীলা ঘেইয়ে খণ্ড পৰ্যায়ৰ চিকিৎসালয়ত প্ৰাথমিক চিকিৎসা ব্যৱস্থাৰ উন্নয়নৰ বাবে, আৰু ভাৰতীয় স্বেচ্ছাসেৱী স্বাস্থ্য সন্থাৰ ড° মীৰা শিৱই দৰবৰ উপযুক্ত ব্যৱহাৰ সম্পৰ্কত অধ্যয়ন চলোৱাৰ অৰ্থে এই ফেল'শ্বিপ লাভ কৰিছে। ডব্লিউ. কে. কেল'গ ফাউণ্ডেশ্যনে আগবঢ়োৱা ৪·২ নিযুত ডলাৰৰ এই মঞ্জুৰীৰ ফলত ১৮খন দেশৰ স্বাস্থ্য-সেৱাৰ ক্ষেত্ৰত নেতৃত্ব দিয়া লোক উপকৃত হ'ব।

* ই-কংগ্ৰেছ দল সম্পৰ্কীয় দুটা গুৰুত্বপূৰ্ণ বাতৰি হ'ল : দলৰ সাংগঠনিক নিৰ্বাচন অহা কেইমাহমানৰ ভিতৰত পতাটো সম্ভৱপৰ নহ'ব বুলি সাধাৰণ সম্পাদক জি. কে. মুপানৰে কৈছে। আনহাতে দিল্লী প্ৰদেশ কংগ্ৰেছ কমিটিৰ (যাৰ নেতা হৰকিষণ লাল ভগত) শ্ৰমিক 'ছেল'এ ছোনিয়া গান্ধীক কংগ্ৰেছ সভাপতি নিযুক্ত কৰিবলৈ দাবী জনাইছে।

* খ্যাতি আৰু প্ৰভাৱৰ ফালৰ পৰা অৰ্থনীতিবিদ হিচাপে বৃটেইনত যাৰ স্থান কেইনছৰ পাছতে, সেই নিক'লাছ কালডৰৰ মৃত্যু হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছৰ পৰা বৃটিছ চৰকাৰৰ ওপৰত তেওঁৰ প্ৰভাৱেই আন সকলো অৰ্থনীতিবিদতকৈ বেছি আছিল বুলি কোৱা হয়।

* অহাবছৰ এপ্ৰিলৰপৰা দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত প্ৰচাৰ হ'বলগীয়া 'সত্যজিৎ ৰায় প্ৰেজেণ্টছ' শীৰ্ষক এলানি ছবিৰ মূল চৰিত্ৰ ৰূপায়ণ কৰিবলৈ প্ৰখ্যাত অভিনেতা শশী কাপুৰ চুক্তিবদ্ধ হৈছে। সত্যজিৎ-পুত্ৰ সন্দীপ ৰায়ে পৰিচালনা কৰা এইলানি ছবিত শশী কাপুৰে বিখ্যাত ডিটেক্টিভ ফেলুদাৰ চৰিত্ৰত অভিনয় কৰিব।



OKDISCD



# কুলদীপ নায়াৰৰ

## বিশেষ প্ৰবন্ধ

দুই অক্টোবৰ মহাত্মা গান্ধীৰ জন্ম বাৰ্ষিকী ; লালবাহাদুৰ শাস্ত্ৰীৰো জন্ম বাৰ্ষিকী, যিটো কথা চৰকাৰে পাহৰি থাকিব খোজে। শাস্ত্ৰীক তেওঁৰ প্ৰাপ্য সন্মান ইন্দিৰা গান্ধীৰ শাসন কালত কেতিয়াও দিয়া নহ'ল। তেওঁৰ প্ৰতি অন্যায় কৰা হৈছিল, কিন্তু সেইটো বোধগম্য, কাৰণ জৱাহৰলাল নেহৰুৰ মৃত্যুৰ পাছত শাস্ত্ৰীকহে প্ৰধানমন্ত্ৰী হিচাপে বাছনি কৰা হ'ল— ইন্দিৰা গান্ধীক নহয়। ইন্দিৰা গান্ধীয়ে আনকি শাস্ত্ৰীৰ মৃতদেহ গান্ধী আৰু নেহৰুৰ সমাধিস্থানৰ কাষত দাহ কৰিবলৈ দিব খোজাও নাছিল।

আৰু ললিতা শাস্ত্ৰীয়ে ৰাজহুৱা বিতৰ্কৰ বিষয় কৰিব বুলি ভয় নেদেখুউৱা হ'লে শাস্ত্ৰীৰ সমাধিত 'জয় যোৱান জয় কিষাণ' ধ্বনিটো খোদিত কৰিবলৈ ইন্দিৰা গান্ধীয়ে সন্মতি নিদিলেইহেঁতেন (শাস্ত্ৰীৰ এই ধ্বনিটোক ইন্দিৰা গান্ধীয়ে 'অৰ্থহীন' বুলি অভিহিত কৰিছিল, কিন্তু দেশৰ জনসাধাৰণে এই ধ্বনিটোৰেই শাস্ত্ৰীক সোঁৱৰে)।

ইন্দিৰা গান্ধীয়ে সচাকৈয়ে বিশ্বাস কৰিছিল যে তেওঁৰ দেউতাক নেহৰুৰ তেওঁহে ন্যায্য উত্তৰাধিকাৰী। কিন্তু তেওঁ প্ৰধানমন্ত্ৰী হোৱাৰ পথত শাস্ত্ৰী প্ৰতিবন্ধক হৈ থিয় দিয়া নাছিল— দিছিল মোৰাৰজী দেশাইহে। দৰাচলতে শাস্ত্ৰীয়ে এই বুলি দেশাইলৈ এটা বাৰ্তা পঠিয়াইছিল যে যদি ইন্দিৰা গান্ধী সৰ্বসন্মত প্ৰাৰ্থী হয় তেতিয়াহলে তেওঁ ইন্দিৰাৰ অনুকূলে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিব— যদিহে দেশায়েও অনুৰূপ ধৰণে কৰে। দেশায়ে অৱজ্ঞাৰে সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে আৰু ওলোৰামতে হেনো কয় যে ইন্দিৰা গান্ধীতকৈ বৰং শাস্ত্ৰীকে তেওঁ প্ৰধানমন্ত্ৰী হিচাপে মানি ল'ব।

যিহেতু ইন্দিৰা গান্ধী বৰ তীব্ৰ বিষৰ পচন্দ-অপচন্দ থকা মানুহ আছিল আৰু যিহেতু তেওঁৰ প্ৰতিক্ৰিয়াবোৰ ৰাজনৈতিক যোগ-বিয়োগৰ ভিত্তিত ঘটিছিল, গতিকে তেওঁৰ কথা-কাণ্ডবোৰত শাস্ত্ৰী মানুহজন খাপ নাখাইছিল। অৱশ্য পাছৰ কালত এইটো স্পষ্ট হৈ পৰিল যে তেওঁ শাস্ত্ৰীৰ পৰিয়াল-

## বিস্মৃত প্ৰধানমন্ত্ৰীজন

টোৰ বিৰোধী নহয়, শাস্ত্ৰীৰ ভাৱমূৰ্তিটোৰহে বিৰোধী, কাৰণ তেওঁ শাস্ত্ৰীৰ এজন পুতেক হৰি শাস্ত্ৰীক এখন লোকসভা আসন দিলে আৰু আন এজন পুতেকক উত্তৰ প্ৰদেশত মন্ত্ৰীপদ দিলে।

যাক অতীতৰ শৃংখল ভাঙিবলৈ আগ্ৰহী বুলি ধৰা হয় সেই ৰাজীৱ গান্ধীয়ে মাক ইন্দিৰা গান্ধীৰ পচন্দ-অপচন্দবোৰ নহ'লেও তেওঁৰ প্ৰতিকূল ধাৰণা, পক্ষপাতবোৰ উত্তৰাধিকাৰ সূত্ৰে লোৱা যেন লাগে। গতিকেই শাস্ত্ৰীৰ অবমাননা হ'ব লাগিছে। প্ৰতিটো গণৰাজ্য দিবস আৰু স্বাধীনতা দিবসতে তেওঁ ঢোলে-ডগৰে কৰা প্ৰচাৰ সহকাৰে যথাক্ৰমে মহাত্মা গান্ধী, নেহৰু আৰু ইন্দিৰা গান্ধীৰ সমাধিস্থল ৰাজঘাট, শান্তিবন আৰু শক্তিস্থললৈ যায়, কিন্তু নেহৰু আৰু ইন্দিৰাৰ সমাধিৰ মাজতে অৱস্থিত শাস্ত্ৰীৰ সমাধি বিজয়ঘাটক উপেক্ষা কৰি যায়। বিদেশৰপৰা অহা বিশিষ্ট ব্যক্তিসকলেও এই প্ৰথাকে অনুসৰণ কৰিবলৈ লৈছে। অকল সেয়ে নহয় ; কংগ্ৰেছ (আই)ৰ সভাসমিতিবোৰতো মহাত্মা গান্ধী, নেহৰু, ইন্দিৰা গান্ধী আৰু আনকি ৰাজীৱ গান্ধীৰো প্ৰতিকৃতি আৰি থোৱা হয়, কিন্তু শাস্ত্ৰীৰ নহয়।

তাৰ এটা ব্যতিক্ৰম ঘটিল অলপতে হৈ যোৱা কংগ্ৰেছ (আই)ৰ শতবাৰ্ষিকী সমাৰোহত, শাস্ত্ৰীৰ ছবি এখন আছিল, কিন্তু চকুত নপৰা এচুকত। অপচয়মূলক ব্যয়েৰে ছপাই উলিওৱা কংগ্ৰেছৰ ১০০ বছৰ সম্পৰ্কীয় কিতাপখনত শাস্ত্ৰীক ইচ্ছাপূৰ্বক বাদ দি থোৱা হয়। মহাত্মা গান্ধীক কোনেও উপেক্ষা কৰিব নোৱাৰে গতিকে মহাত্মা গান্ধীক ৰাখিব লগা হয়, তেওঁত বাদে কেৱল নেহৰু পৰিয়ালৰ নেহৰু, ইন্দিৰা আৰু ৰাজীৱ গান্ধীকহে হিচাপত ধৰা হয়— পাৰ্টিৰ ইতিহাসতো, স্বাধীনতাৰ পৰৱৰ্তী দেশৰ ইতিহাসতো, শাসক চক্ৰতো।

আনকি সিদিনা ৰাজীৱ গান্ধীয়ে ভাষা সমস্যাটো সমধান কৰাৰ কৃতিত্ব শাস্ত্ৰীক নিদিবৰ বাবে প্ৰকৃত তথ্যকে বিকৃত কৰি দাঙি ধৰিলে। সকলো ৰাজ্যৰ বিধানমণ্ডলসমূহ আৰু সংসদৰ দুয়োখন সদনে ইংৰাজী ব্যৱহাৰ ৰদ কৰিবলৈ এটা প্ৰস্তাৱ গ্ৰহণ নকৰালৈকে ইংৰাজীক এটা সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰিবলৈ দি চৰকাৰী ভাষা আইনৰ এটা সংশোধনৰ প্ৰস্তাৱটো দিয়ে শাস্ত্ৰীয়েহে, ইন্দিৰা গান্ধীয়ে নহয়। সংশোধনীটো ১৯৬৫ চনৰ ফেব্ৰুৱাৰীত সংসদৰ বাজেট অধিবেশনতে গৃহীত হৈ গ'লহেঁতেন। কিন্তু তেতিয়ালৈ শাস্ত্ৰী আৰু দেশখনে গুজৰাটৰ কচ্ছৰ ৰান অঞ্চলত হোৱা পাকিস্তানৰ আক্ৰমণাত্মক অভিযান চন্তালাৰ দৰে এটা অধিক গুৰুত্বপূৰ্ণ সমস্যাৰ প্ৰতি মনোযোগ দিব লগা হৈছিল।

শাস্ত্ৰীয়ে ৰাজীৱ গান্ধীৰটোতকৈ বেলেগ এটা আত্মিক বৈশিষ্ট্যৰ প্ৰতিনিধিত্ব কৰিছিল। শাস্ত্ৰীয়ে ডুন স্কুলত পঢ়া নাছিল— যিটো বৰ্তমান চৰকাৰটোৰ বাবে প্ৰয়োজনীয় প্ৰত্যয়-পত্ৰ হৈ পৰা যেন লাগে। তেওঁ বিদেশী প্ৰযুক্তিবিদ্যাৰ কথাও কোৱা নাছিল, কাৰণ তেওঁৰটো পুৰুষে ভাৰতক নিম্নস্তৰৰপৰা দাঙি উদ্ধাৰ কৰিবলৈ কাম কৰি গৈছিল। তেওঁৰ মানত প্ৰশাসনীয় বিষয়াৰ প্ৰশিক্ষণ কাৰ্য পৰিচালনা প্ৰক্ৰিয়াৰ এটা কিতাপী দৃষ্টিভংগী নাছিল— গাঁও আৰু পঞ্চায়ত পৰ্যায়ত কাম কৰি হাতেকামে শিকাটোহে আছিল অধিক পৰিমাণে।

মোৰ মনত পৰে, প্ৰধানমন্ত্ৰী হিচাপে প্ৰথমখন সাংবাদিক মেলত শাস্ত্ৰীয়ে কৈছিল যে মূল্য হ্ৰাস কৰা আৰু চাকৰি সৃষ্টি কৰাটো তেওঁৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ পোৱা কাৰ্যসূচী। তেওঁ সেইবোৰ পৰিকল্পনা আয়োগত দাখিল কৰে আৰু যেতিয়া দেখা পালে যে সৰহভাগ অৰ্থনীতিবিদৰে যিটো বেমাৰ, সেই বাগাড়ম্বৰপূৰ্ণ তত্ত্বৰ মাজত আয়োগটো হেৰাই গৈছে, তেতিয়া তেওঁ তাক পুনৰ্গঠিত কৰে। (তেওঁ পৰিকল্পনা আয়োগক 'বুদ্ধিজীৱীসকলৰ বুদ্ধি জাহিৰ কৰা বৈঠক' বুলি অভিহিত কৰিছিল)।

ৰাজীৱ গান্ধী চৰকাৰৰ বাবে কয়লা, তীখা, বিদ্যুৎ, ৰন্ধন গেছ বা পেট্ৰলৰ দাম বৃদ্ধি কৰাটো কেৱল এটা প্ৰশাসনীয় ব্যৱস্থা। এই ব্যৱস্থাবোৰৰ যুক্তিযুক্ততা সাব্যস্ত কৰি কেন্দ্ৰৰপৰা অন্তহীনভাৱে যোৱা টোকাবোৰ মই দেখিছো, সেইবোৰত কোৱা হৈছে যে ব্যয় বাঢ়িছে বা পেট্ৰলৰ দৰে সামগ্ৰীৰ ব্যৱহাৰ কৰ্তন কৰিবই লাগিব। কিন্তু এইবোৰে সৰ্বসাধাৰণ মানুহক কেনেকৈ ভোগাব সেই বিষয়ে পুৰি খাবলৈ এষাৰ কথাও মই সেইবোৰ টোকাত দেখা নাই। ব্যৱসায়-উদ্যোগৰ প্ৰাক্তন পৰিচালকেৰে গঠিত চৰকাৰ এটাই নিত্য-বৰ্ধমান মূল্য ৰেখাই সৰ্বসাধাৰণ মানুহক কিদৰে নিকাৰ ভুঞ্জাব সেই কথা দেখাতেই উপলব্ধি কৰিব নোৱাৰে। ৰাজীৱ গান্ধীয়ে শাসন ক্ষমতা গ্ৰহণ কৰাৰ পাছৰেপৰা গড় হিচাপত ৩০ৰ পৰা ৪০ শতাংশ মূল্য বৃদ্ধি ঘটিছে আৰু কেতবোৰ সামগ্ৰীৰ ক্ষেত্ৰত বৃদ্ধিৰ হাৰ তাতোকৈ বেছি।

নিবনুৱা সমস্যাৰ ক্ষেত্ৰত একো প্ৰভাৱ পেলাব পৰা নাই ; বেংকৰপৰা ঋণৰ যোগাৰ ধৰা নাটকীয় আঁচনি কিছুমান আৰু উচ্চ বিনিয়োগ থকা প্ৰজেক্ট কিছুমান মাজে সময়ে ঘোষণা কৰি থকা হয়, কিন্তু তাৰে প্ৰথমটো হ'ল কংগ্ৰেছী লোক আৰু তেওঁলোকৰ সমৰ্থক কিছুমানৰ মাজত টকা বিলোৱাৰ এটা ফন্দী আৰু প্ৰজেক্টবোৰ উমনি দিয়াৰ কাল ইমান দীঘলীয়া যে অহা কিছু বছৰৰ ভিতৰত সেইবোৰৰপৰা একোৱেই দৃশ্যমান নহ'বগৈ।

শাস্ত্ৰীয়ে তেওঁৰ মন্ত্ৰীসভাৰ প্ৰথমখন বৈঠকত সতীৰ্থসকলক কৈছিল, "মই এজন সৰু মানুহ আৰু কম ব্যয়ৰ সৰু-সুৰা প্ৰজেক্টত বিশ্বাস কৰো যাতে আমি সোনকালে ফল পাওঁ।" তেওঁ বিয়াগোম আকাৰৰ, যন্ত্ৰচালিত উদ্যোগবোৰৰ বিৰোধিতা কৰিছিল, কাৰণ সেইবোৰে বিনিয়োগৰ বাবে বুজন পৰিমাণৰ পুজি "গ্ৰাস কৰি লয়", শ্ৰমশক্তি নামমাত্ৰ ব্যৱহাৰ কৰে আৰু মুৰকত যিকণ উপকাৰ দিবগৈ হয়তো তাক দিওঁতে বেছি কৰে। ৰাজীৱ গান্ধীয়ে যিখিনি কৈছে— কৰাতো নায়েই— তাৰ লগত আনকি বিন্দুমাত্ৰ বাস্তৱৰো সংগতি নাই। মন্ত্ৰীসভাৰ সতীৰ্থসকলৰ লগত তেওঁৰ প্ৰথমখন সভা ইন্দিৰা গান্ধীৰ হত্যাই ছায়াচ্ছন্ন কৰি থৈছিল, কিন্তু পাছত যেতিয়া তেওঁ ভাৰতৰ অৰ্থনৈতিক লক্ষ্যৰ বিষয়ে ক'লে তেতিয়া দেখা গ'ল সেইবোৰ কথা ভাৰততকৈ অমিতব্যয়ী পশ্চিমৰ দেশবোৰৰ ক্ষেত্ৰতহে অধিক প্ৰযোজ্য।

শাস্ত্ৰী যেতিয়া প্ৰধানমন্ত্ৰী হৈছিল তেতিয়া এনে লাগিছিল যেন নিমাখিত নিৰ্জন পৃথিৱীৰ গৰাকী হৈছে। দাৰিদ্ৰ্যক্লিষ্ট জনসাধাৰণৰ এনে এটা ধাৰণা হৈছিল যে আনকি এজন সাধাৰণ মানুহো দেশখনৰ প্ৰধানমন্ত্ৰী হ'ব পাৰে আৰু প্ৰধানমন্ত্ৰী পদটো ধনী পৰিয়াল এটাৰ এজনলৈকে যে যাব লাগিব তেনে কথা নহয়। দুখৰ বিষয় যে তেওঁৰ শাসন কাল অতি চমু হ'ল —স্থায়ী চিন থৈ যাব পৰাকৈ নহ'ল; তথাপি এনে এটা ধাৰণা হয় যে তেওঁ প্ৰতিনিধিত্ব কৰা ভাৰতীয়ত্বটো হয়তো দেশৰ সমস্যাবোৰ সমাধান কৰাৰ এটা চাবিকাঠি হ'ব পাৰে।

শাস্ত্ৰী যি কালৰ মানুহ আছিল সেই কালছোৱাত দেশখনত নিয়মনীতিৰ কথা, মানদণ্ডৰ কথা চলিছিল। তেতিয়াও সৰলতাৰ প্ৰতি শ্ৰদ্ধা আছিল আৰু চৰকাৰে জড়বাদৰ উৰ্ধত উঠি প্ৰমূল্যবোৰৰ ওপৰত গুৰুত্ব স্থাপন কৰিছিল। এতিয়া কথাবাৰ্তা চলে কৰ্মজীৱনৰ উন্নতিৰ বিষয় লৈ, কম্পিউটাৰ আৰু পুজিবাদ লৈ। কেনেকৈ কিছু টকা-পইচা ততাতৈয়াকৈ ঘটি ল'ব পাৰি সেইটোহে এতিয়া গুৰুত্বপূৰ্ণ কথা ; কি পথেৰে ঘটিলে সেইটো নহয়। আৰু ৰাজীৱ গান্ধী চৰকাৰে সকলো সন্মান আৰু পদমৰ্যাদা ধনীসকলৰ কাৰণে সংৰক্ষিত কৰি ৰাখিছে। দেখিলে আচৰিত হ'ব লগা হয় যে এহাতে এজন উদ্যোগপতিক 'ফেৰা' (বৈদেশিক মুদ্ৰা নিয়ন্ত্ৰণ আইন) উলংঘা কৰাৰ অভিযোগত আদালতত আচামী হিচাপে থিয় কৰোৱা হৈছে আৰু আনহাতে তেওঁকে দেশৰ অভ্যন্তৰীণ এয়াৰলাইনছৰ শীৰ্ষ পদত বহুউৱা হৈছে।

খুব সম্ভৱতঃ শাস্ত্ৰীৰ বৃহত্তম অৱিহণাটো আছিল দুৰ্নীতিৰ বিৰুদ্ধে তেওঁ তীব্ৰতাপূৰ্ণ সংগ্ৰাম। তেওঁ অস্ত্ৰ-শস্ত্ৰ, বিমান, তেল আৰু তেনে ধৰণৰ আন সামগ্ৰী কিনাৰ পৰা চান কঢ়া ধন (kick backs) লোৱাটোত বাধা দিবলৈ চেষ্টা কৰিছিল। আজি কালি এনে চান কঢ়া ধন শাসক দলৰ সৰহভাগ কাম কাজত খটুৱা হয়। ৰাজীৱ গান্ধীয়ে অন্ততঃ কেন্দ্ৰীয় স্তৰত দেশৰ উদ্যোপতি আৰু ব্যৱসায় প্ৰতিষ্ঠানৰপৰা কংগ্ৰেছ পাৰ্টিয়ে বৰঙণি লোৱাটো বন্ধ

৫৪ পৃষ্ঠাত চাওক

OKDISCD



তেওঁৰ প্ৰাণৰক্ষা কৰা দেহ-ৰক্ষী বাহিনীৰ প্ৰতি জেনেৰেল পিন'চেটৰ কৃতজ্ঞতা জ্ঞাপন

## স্বৈৰতন্ত্ৰৰ প্ৰতীক

# পিন'চেটৰ চিলি

ডঃ সুনীল পৱন বৰুৱা

স্বৈৰাচাৰী শাসনেৰে লেটিন আমেৰিকাত অভিলেখৰ সৃষ্টি কৰা চিলিৰ প্ৰেছিডেণ্ট জেনেৰেল অগাষ্ট' পিন'চেটক (Augusto Pinochet) হত্যা কৰিবলৈ যোৱা মাহৰ প্ৰথম সপ্তাহত চলোৱা এক দুঃসাহসিক প্ৰচেষ্টাত তেওঁ কাণে কাণ মাৰিহে ৰক্ষা পৰে। ৰাজধানী ছাণ্টিয়াগোলৈ প্ৰত্যাবৰ্তন কৰা অৱস্থাত প্ৰেছিডেণ্টৰ গাড়ীক বাওঁপন্থী গেৰিলা বাহিনীয়ে মেছিন গান আৰু ৰকেটেৰে আক্ৰমণ কৰাৰ ফলত তেওঁৰ ৰক্ষী বাহিনীৰ ছজন নিহত আৰু দহ জন লোক আহত হয়। চিলিত ডঃ ছালভাডোৰ এলেণ্ডিৰ (Salvador Allende) বৈধভাৱে নিৰ্বাচিত মাক্স'বাদী চৰকাৰক ওফৰাই এক সামৰিক গোষ্ঠীয়ে দেশখনত ক্ষমতা দখল কৰাৰ ত্ৰয়োদশ বাৰ্ষিকী উদযাপনৰ বাবে প্ৰস্তুতি চলোৱাৰ মাত্ৰ চাৰিদিনৰ পূৰ্বে এই ঘটনা ঘটিবলৈ পালে। উল্লেখযোগ্য যে যোৱা তেৰ বছৰত চিলিত সন্ত্ৰাসৰ ৰাজত্ব চলোৱা সত্তৰ বছৰীয়া জেনেৰেল পিন'চেটৰ জীৱনৰ ওপৰত পোনপটীয়াভাৱে চলোৱা এইটো প্ৰথম আক্ৰমণ। বলপূৰ্বকভাৱে ক্ষমতা দখল কৰা একনায়কতাবাদী নেতা এজনক হত্যা কৰিবলৈ চলোৱা এনে গতানুগতিক চেষ্টাক সাধাৰণ ঘটনা বুলি নাকচ কৰাৰ থল থাকিলেও ইয়াৰ লগত জড়িত আনুষংগিক বিষয়সমূহে দেশখনৰ অভ্যন্তৰীণ পৰিস্থিতিৰ লগতে অন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰতো নতুন দিশ মুকলি কৰাৰ ইংগিত বহন কৰিছে।

যোৱা দশকত বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰা সমসাময়িক ঘটনাৱলীৰ ভিতৰত এক সামৰিক অভ্যুত্থানত চিলিৰ প্ৰথম মাক্স'বাদী প্ৰেছিডেণ্ট ডঃ এলেণ্ডিৰ সমাজবাদী চৰকাৰৰ পতন ঘটাৰ বাতৰিটো আছিল অন্যতম ঘটনা। অৱশ্যে সামৰিক শক্তিয়েই ৰাষ্ট্ৰ পৰিচালনাত একমাত্ৰ শক্তি হিচাপে গণ্য হোৱা দক্ষিণ আমেৰিকাত চিলিৰ সামৰিক বাহিনীৰ বিদ্ৰোহক এক অপৰিচিত ঘটনা বুলি কব নোৱাৰি; কিয়নো চিলিত গণতান্ত্ৰিক চৰকাৰৰ পতন ঘটাৰ আগে-পিছে কাষৰীয়া দেশ ব্ৰাজিল (১৯৬৪), পেৰু (১৯৬৮), বলিভিয়া (১৯৬৯), ইকুৱেডৰ (১৯৭২), উৰুগুৱে (১৯৭৩) আৰু নিচেই ওচৰৰ আৰ্জেনটিনাত (১৯৭৬) সামৰিক বাহিনীয়ে ক্ষমতা দখল কৰিছিল। কিন্তু চিলিৰ ক্ষেত্ৰত মন কৰিবলগীয়া বিষয়টো হ'ল, —সৈন্য বাহিনীয়ে ক্ষমতা দখল কৰাৰ পাছত দেশখনত এক অভূতপূৰ্ব সন্ত্ৰাসৰ ৰাজত্ব আৰম্ভ হ'ল। তেনে ব্যৱস্থা সাধাৰণতে বিদেশী দখলকাৰী বাহিনীয়েহে সংশ্লিষ্ট দেশখনৰ নাগৰিকসকলৰ ক্ষেত্ৰত গ্ৰহণ কৰা দেখা যায়। ইয়াৰ লগতে শাসনৰ গাদীত বহা চাৰিদফীয়া সামৰিক গোষ্ঠী এটাই এক নতুন সংবিধানৰ যোগেদি ১৮ বছৰৰ বাবে, অৰ্থাৎ ১৯৯১ চনলৈকে ক্ষমতাত অধিষ্ঠিত থাকিব বুলি পোনপটীয়াভাৱে ঘোষণা কৰিলে। এই সন্দৰ্ভত বিশেষভাৱে মনকৰিবলগীয়া বিষয়টো হৈছে; —লেটিন আমেৰিকাৰ আন আন দেশৰ তুলনাত চিলিত সুপ্ৰতিষ্ঠিত সাংবিধানিক গণতন্ত্ৰৰ এক গৌৰৱপূৰ্ণ ইতিহাস আছে। একেৰাহে ভালেমানদিন চলি থকা সংবিধানৰ যোগেদি দেশখনত এক সুস্থ গণতান্ত্ৰিক পৰিবেশৰ সৃষ্টি কৰা হৈছিল, —যাৰ ফলত ১৯৭০ চনত ভোটৰ বাকচৰ মাধ্যমত প্ৰথম বাৰৰ বাবে মাক্স'বাদী প্ৰাৰ্থী ডঃ এলেণ্ডি চিলিৰ প্ৰেছিডেণ্টৰূপে নিৰ্বাচিত হ'ব পাৰিছিল। সংবিধানসন্মতভাৱে নিৰ্বাচিত মাক্স'বাদী প্ৰেছিডেণ্টৰ নেতৃত্বত কমিউনিষ্ট আৰু ছছিলিয়েষ্টসকলৰ যুটীয়া সহযোগত দেশত এক নিয়মতান্ত্ৰিক প্ৰগতিবাদী শাসন আৰম্ভ হ'ল। চিলিৰ নিজস্ব আহিৰে দেশখনক প্ৰগতিবাদী ৰাষ্ট্ৰত পৰিণত কৰিবলৈ আৰ্থ-সামাজিক দিশত নতুন বাঁওপন্থী চৰকাৰে এক ব্যাপক বৈপ্লৱিক আঁচনি গ্ৰহণ কৰিলে। ইয়াৰ সমান্তৰালভাৱে সমাজৰ নিম্নবৰ্গৰ বৈষয়িক স্বাৰ্থ আৰু শ্ৰেণী সচেতনাৰ প্ৰতি আবেদনেৰে ৰাজনৈতিক দিশত শাসনাধিষ্ঠ নৰম বাঁওপন্থী সম্মিলিত মৰ্চাৰ

পৃষ্ঠাত চাওক ৫২



# মেকমাহন লাইনৰ ইপাৰে সিপাৰে

ঘনশ্যাম পৰদেশী

আজি পচিছ বছৰ আগলৈকে টাৱাং চীনৰ কমুউনিষ্ট শাসনৰ হাত সাৰিব পৰা নাছিল। সেয়েহে, আজিও পশ্চিম নেপালৰ মাষ্টাং ৰাজ্যৰ দৰে, —য'ত তিব্বতীয় সংস্কৃতি আৰু জীৱনধাৰা প্ৰকৃত ৰূপত বিৰাজমান। পিপলছ লিবাৰেশ্যন আৰ্মিয়ে তিব্বতক মুক্ত কৰিবলৈ লোৱাৰ তিনিবছৰৰ আগতে, ১৯৫১ চনত, মি. ৰবাৰ্ট খাটিং নামৰ এজন টাংখুল নগা (তেওঁ সেই সময়ত আসাম ৰাইফলছৰ মেজৰ আছিল) আসাম ৰাইফলছৰ এটা সৈন্যদল লৈ টাৱাং অভিমুখে ৰাওনা হৈছিল আৰু তাত প্ৰথম ভাৰতীয় প'ষ্ট স্থাপন কৰিছিল। তেৱেঁই পোন প্ৰথমবাৰৰ বাবে তাতে ভাৰতীয় পতাকা উৰুৱাইছিল। সেই সময়ত অসম সমভূমিৰ স'তে বমডিলা আৰু টাৱাঙক সংযোগকাৰী কোনো ৰাস্তা নাছিল। বব্ খাটিঙে (বব্— ৰবাৰ্টৰ সংক্ষিপ্ত ৰূপ। ৰবাৰ্ট খাটিং বব্ খাটিং নামেৰে জনাজাত আছিল) টাৱাং পোৱাৰ আগতে বহুতো নদ-নদী, জান-জুৰি, গিৰিগুহা, গিৰিপথ আদি পাৰ হ'ব লগা হৈছিল। টাৱাং পোৱাৰ আগতে পোৱা এনে এটা বিখ্যাত গিৰিপথ— "চেলা গিৰিপথ"ৰ নামেৰে তেওঁ এজনী জীয়েকৰ নামো চেলা ৰাখিছিল। স্বাধীনতাৰ চাৰিবছৰৰ ভিতৰত এনেদৰে ভাৰতবৰ্ষ আন্তঃৰাষ্ট্ৰীয় সীমা ঠেলিবলৈ সক্ষম হৈছিল।

১৯৫১ চনলৈকে টাৱাং কিছুপৰিমাণে তিব্বতৰ শাসনাধীন আছিল। টাৱাঙৰ উত্তৰৰ চোনাত ষ্টেছন কৰি থকা (চোনা বৰ্তমান চীনত) কৰ বিভাগৰ বিষয়াসকল প্ৰত্যেক বছৰে কৰ আদায় কৰিবলৈ টাৱাঙলৈ আহিছিল। টাৱাঙৰপৰা ১১ কি. মি. দক্ষিণৰ গাংচেনত তেওঁলোকৰ এটা স্থায়ী অফিছো আছিল। বিষয়াসকলে প্ৰথমতে বমডিলালৈ আহি টাৱাঙৰ পৰা তেওঁলোকৰ বয়বস্তু কঢ়িয়াবলৈ বহুৱা নহা পৰ্যন্ত অপেক্ষা কৰিছিল। বমডিলা টাৱাঙৰ উত্তৰে ৩,০০০ মিটাৰ উচ্চতাত অৱস্থিত। সেইকালত খচ্চৰৰ পিঠিত বহি যাতায়ত কৰিলে ৩—৪ দিনৰ ৰাস্তা। বৰ্তমান বমডিলালৈ এটা মটৰ গাড়ী যাব পৰা ৰাস্তা আছে। ১৯৬২ চনত চীনাসকলে টাৱাং পাবলৈ এই ৰাস্তাটোকে ব্যৱহাৰ কৰিছিল। এনেদৰে টাৱাংবাসীয়ে তিব্বতীয় বিষয়াৰ সেৱা-শুশ্ৰূষা কৰি কৰৰ যোগান ধৰিছিল। তেওঁলোকে টাৱাং গোম্পাকো (monastery) কৰ দিব লাগিছিল।

টাৱাংবাসীয়ে বব্ খাটিঙক স্বাগতম জনাইছিল। লগতে ভাৰতীয় শাসনকো। খাটিঙে বহুৱা বা কৰ নিবিচৰা দেখি তেওঁলোক আচৰিত হৈছিল। সেয়ে নহয়, ভাৰত চৰকাৰে টাৱাং গোম্পাৰ মেৰামতৰ বাবে চৰকাৰী অনুদানো আগবঢ়াইছিল। এই সাহায্যৰ বাবেই তিনিশ বছৰীয়া এই গোম্পা আজি পৃথিৱীৰ ভিতৰতে এক অন্যতম বৌদ্ধ বিহাৰ। তাৰ পাছত এই টাৱাংবাসীয়ে যোৱা পঁচিছ বছৰত তিব্বতৰ বাকী অংশত যি হৈছে তালৈ লক্ষ্য কৰি ভাৰতীয় শাসনকে মানি ল'লে আৰু তেওঁলোক আজি ভাৰতীয় হিচাপে গৰ্ৱিত।

আমি যি সময়ত ভাৰতে সীমা ঠেলাৰ কথা কৈছোঁ, সেই সময়ত চীন শক্তিশালী নাছিল। তিব্বতত ইয়াৰ কোনো কৰ্তৃত্ব নচলিছিল। দৰাচলতে কমুউনিষ্টসকল ক্ষমতালৈ অহাৰ পাছত লাছাত থকা কিছু চীনা বিষয়া পলাই গৈ কলিকাতা পায়হি আৰু ইয়াতে নিগাজিকৈ থাকিবলৈ লয়। তাৰ পাছত কোৰিয়ান যুদ্ধতো চীন লিপ্ত হৈছিল। গতিকে সেয়াই আছিল ভাৰতৰ বাবে উত্তৰাংশৰ এই অঞ্চল দখল কৰাৰ সুবৰ্ণ সুযোগ। আচলতে ভাৰতে বিচৰা হেঁতেন লাছালৈকে আগুৱাব পাৰিলেহেঁতেন; কিয়নো সেই সময়ত তিব্বতীয়সকলৰ প্ৰতিৰোধৰ ক্ষমতা নাছিল।

সম্প্ৰতি অৰুণাচলত চীনৰ অনাধিকাৰ প্ৰৱেশৰ বিষয়ে কাগজে-পত্ৰই লিখালিখি চলা হেতুকে আচলতে তাত কি হৈছে সেয়া চাবলৈ অৰুণাচল চৰকাৰৰপৰা লিখিত অনুমতি পোৱাটো মোৰ বাবে সৌভাগ্যই বুলিব লাগিব। কিয়নো অৰুণাচল চৰকাৰ কোনো বাহিৰা মানুহক তেওঁলোকৰ ৰাজ্যত সোমোৱাৰ অনুমতি দিয়াৰ ক্ষেত্ৰত বৰ কঠোৰ। সৌভাগ্যক্ৰমে মই একেবাৰে টাৱাঙলৈ যোৱাৰ অনুমতি পাইছিলো। যোৱা ৯ ছেপ্টেম্বৰৰ দিনা তেজপুৰত থকা সম্পৰ্কৰক্ষী বিষয়া শ্ৰী জে. ছি. ভট্টাচাৰ্যই বেতাঁৰ বাৰ্তাৰ জৰিয়তে মোক তালৈ যাবলৈ দিবলৈ চৰকাৰী অনুমতি পালে। অৱশ্যে এটা চৰ্ত্তত। চৰ্ত্তটো হ'ল— এজন দায়িত্বশীল বিষয়া মোৰ লগত যাব আৰু তেওঁ বমডিলা আৰু টাৱাঙৰ ডেপুটি কমিশ্যনাৰৰ নিৰ্দেশ মানি চলিব। ১৩ ছেপ্টেম্বৰতহে মই বমডিলা পাইছিলোগৈ।

পূব খণ্ডত ছিক্কিমৰ নাথুলাৰ দৰে কিছুমান ঠাই আছে য'ত ভাৰতীয় আৰু চীনা সৈন্য মুখামুখি হৈ আছে। এনেকুৱা কিছুমান অংশও আছে য'ত সীমান্তত পহৰা দি থকা লোকসকলৰ ইজনে সিজনক দেখি থাকে। কিন্তু সীমাবৰ্তী এই ঠাইবোৰৰ বেছিভাগেই এনেকুৱা যে দুয়োফালে বহু কিল'মিটাৰ দূৰলৈ ইউনিফৰ্মত থকা সৈন্য দেখা পোৱা নাযায়।

এই অঞ্চলৰ ভৌগোলিক অৱস্থিতি এনেকুৱা যে মানচিত্ৰৰ লাইন বা মেকমাহন লাইনৰ দৰে কাল্পনিক ৰেখাৰে প্ৰকৃত সীমা নিৰ্ধাৰণ কৰা সহজ নহয়; কিয়নো উপত্যকা, সৰু-



OKDISCD

সৰু টিলা, নদী বা জুৰি, চাৰি-পাঁচ হাজাৰ মিটাৰ উচ্চতাৰ গিৰিপথ—এইবোৰে সীমা নিৰ্ধাৰণত মুখ্য ভূমিকা লব পাৰে।

যিহেতু ১৯৬২ চনত চীনৰ স'তে এবাৰ আমাৰ যুদ্ধ হৈ গৈছেই, গতিকে সেপৰ সীমান্তকৈ A. L. C. য়েহে (actual line of control) বৰ্তমানৰ সীমাটো কিছু ঠিককৈ লব পাৰে। A.L.C. ও অৰণ্যে অৰ্থহীন; কিয়নো দুয়োপক্ষই A. L. C. ৰ বাহিৰতো নিজৰ সীমা দাবী কৰিছে। Subsidiary Intelligene Bureau (S. I. B) আৰু Subsidiary Security Branch (S.S.B.) মানুহৰ দ্বাৰা A. L. C ৰ প'ষ্টবোৰ চেক্ কৰোৱা হয়। চীনৰ ফালৰ অংশত গুপ্তচৰ আৰু ৰাজনৈতিক বিষয়া দুয়োবিধে motivationৰ বাবে কাম কৰি আছে। উদাহৰণ স্বৰূপে, মই জানিবলৈ পাইছিলো যে বিবাদৰ সীমান্ত অংশত তেওঁলোকে বিনা পইচাই চিকিৎসা সেৱা আগবঢ়াই আছে। ১৯৫১ চনলৈকে ইয়াত কোনো সীমা বিবাদ নাছিল (চোনা আৰু টাৱাঙৰ মাজত) আৰু মানুহে বিনা দ্বিধাই চলাচল কৰিছিল। আজিও টাৱাং আৰু ভাৰতৰ মানুহৰ সদভাৱ আছে। টাৱাং আৰু দক্ষিণ তিব্বতৰ গাওঁবোৰৰ মাজত আজিও বেহা-বেপাৰ চলে।

১৯৬২ চনত চীনে টাৱাং আৰু বমডিলা দখল কৰিলে আৰু অসম সমভূমিলৈও গতি কৰিলে। তেওঁলোকে অসমো জয় কৰিব পাৰিলেহেঁতেন। ভাৰতীয় সৈন্য থানবান হৈ গৈছিল আৰু তেজপুৰৰ পৰা উপায়ুক্তয়েই প্ৰথমতে পলাই গৈছিল। চহৰৰ মাজ মজিয়াত থকা এটা সৰোবৰত জিলা কোষাগাৰ উদং কৰা হৈছিল। অনাঅসমীয়া প্ৰায় সকলো সদাগৰ পইচা লৈ পলাইছিল। মানসিক চিকিৎসালয়ৰ গেট খোলা গৈছিল আৰু ৰলিয়াসকলে ৰাস্তাত ঘূৰি ফুৰিছিল। অৱশ্যে হস্পিটেলৰ অধীক্ষকে হস্পিটেলৰ চৌহদ নেৰে বুলি দৃঢ়প্ৰতিজ্ঞ হৈছিল আৰু এই সাহসৰ বাবে পাচত তেওঁ ভাৰত চৰকাৰৰ দ্বাৰা সন্মানিত হৈছিল। এয়া কিছুমান অভিজ্ঞতাৰ কথা যাক আজিও অসমৰ, বিশেষকৈ তেজপুৰৰ মানুহে পাহৰা নাই।

টাৱাং তেজপুৰৰ পৰা চাৰিশ কিল'মিটাৰ উত্তৰৰ পাহাৰীয়া ঠাই। প্ৰায় ৫০ কি. মি. মান ৰাস্তা বাদ দি বাকীখিনি ৰাস্তা অতি ওখ পৰ্বতৰ মাজেৰে। বমডি-লা (লা মানে গিৰি-পথ) ৩,০০০ মিটাৰ উচ্চতাত। ই আধা বাটতে পৰে। বমডিলা পৰ্বত শ্ৰেণীৰ পাছত থাগ্লা পৰ্বত শ্ৰেণী। এই থাগ্লা পৰ্বতৰ মাজেৰে বিখ্যাত ছেলা গিৰিপথ। ছেলা প্ৰায় ৪৩০০ মিটাৰ ওখত। ছেলাৰ পৰা নাতিদূৰত টাৱাঙলৈ যোৱা ৰাস্তাতে চীনা সৈন্যক আগবাঢ়িবলৈ নিদিবলৈ নিজৰ চকীত দৃঢ় হৈ থাকি শেষ মুহূৰ্তলৈকে যুদ্ধ কৰি মৃত্যু বৰণ কৰা এজন সৈন্যৰ স্মৃতিবিজড়িত 'যশৱন্তগড়' আছে।

টাৱাং আৰু বমডিলাৰ মানুহৰ মুখ্য গ্ৰুপ হ'ল মন-পা। তিব্বতীয় ভাষাত মন মানে হ'ল কম উচ্চতাৰ ঠাই আৰু পা মানে হ'ল মানুহ। তিব্বতীয়সকলে সাধাৰণতে প্ৰায় ৩০০০ মিটাৰ তলত থাকিবলৈ ভাল নাপায়। মধ্য তিব্বতৰ মানুহবোৰক ভো-পা বোলা হয় (ভো মানে তিব্বত আৰু পা মানে মানুহ)। পুব তিব্বতৰ মানুহক খাম-পা বোলা হয় (খাম মানে পুব)। মনপাসকল এটা মুখ্য তিব্বতীয় গোষ্ঠী আৰু তেওঁলোকে তিব্বতীয় উপভাষা ব্যৱহাৰ কৰে। অৱশ্যে মনপা শিশুসকলে তিব্বতীয় ভাষা বুজি নাপায়। তেওঁলোকে হিন্দী কয়। হিন্দী অৰুণাচলৰ সংযোগী ভাষা (link language)। মনপাসকলে সাধাৰণতে জন্তু চৰায় আৰু খেতি কৰে। কিন্তু তেওঁলোক ভাল বেপাৰীও। তেওঁলোকৰ গ্ৰাম্য জীৱন একেবাৰে তিব্বতীয়; ঘৰ-দুৱাৰ বন্ধাৰ ধৰণ আদিও।

মনপাসকলক তিব্বতীয় বুলি কলে, তেওঁলোকে জোৰ দি কয় যে তেওঁলোক তিব্বতীয় নহয়, মনপাহে। হ'ব পাৰে,— তেওঁলোকক এনেদৰে কবলৈ motivated কৰোৱা হৈছে। আনহাতে ইও সঁচা যে তেওঁলোকক প্ৰকৃতাৰ্থত তিব্বতীয় (Tibetan) বুলি কোৱা সহজ নহয়। কাৰণ পৃথিৱীৰ বিভিন্ন প্ৰান্তত থকা তিব্বতীয়সকলক বেলেগ বেলেগ নামেৰে জনা যায়। তেওঁলোক আটাইৰে বাবে কোনো সমূহীয়া নাম নাই। কিন্তু ধৰ্মীয়, সাংস্কৃতিক, গোষ্ঠীগত আদি বিভিন্ন দিশৰপৰা তেওঁলোক সকলো এক বৃহৎ তিব্বতীয়ৰ ঠাল-ঠেঙুলি।

টাৱাং আৰু নেপালৰ মাষ্টাং বাদ দি আজি তিব্বতৰ এক বৃহৎ অংশ চীনৰ তলতীয়া। মাষ্টাং অৱশ্যে টাৱাঙৰ নিচিনাকৈ কেতিয়াও তিব্বতৰ ভিতৰত নাছিল। চোম ডোৰোং চু (Sum dorong chu) টাৱাঙৰে এটা অংশ। টাৱাং বৰ্তমান এখন সুকীয়া জিলা। নতুনকৈ গঠিত হৈছে। আগেয়ে ই কামেং জিলাৰ অন্তৰ্ভুক্ত আছিল। চীনাসকলে টাৱাঙক বাদ দি অৰুণাচলৰ সীমাৰ ৯০,০০০ বৰ্গ কি. মি. ঠাই দাবী কৰিছে।

অৰুণাচল প্ৰদেশ বিধান সভাত বৰ্তমান ৩০ জন সদস্য আছে। তাৰে তিনিজন বমডিলা আৰু টাৱাঙৰ। শ্ৰীকাৰ্মা ৱাংচুৱে টাৱাঙৰ প্ৰতিনিধিত্ব কৰিছে। দ্বিতীয়জন প্ৰতিনিধি হ'ল ছেৰিং টাছি। তেওঁ ৰাজ্যখনৰ বিত্তমন্ত্ৰীও। গতিকে বিধান সভাত টাৱাঙৰ প্ৰতিনিধিত্ব কটকটীয়া। টাৱাঙৰ বহুত ল'ৰাই আজি সৰ্বভাৰতীয় সেৱা আগবঢ়াইছে।

টাৱাং বৰ্তমান এখন সাৰ্বজনীন চহৰ। মই যেতিয়া তাত আছিলো তেতিয়া কেৰালাৰ 'ওনাম' উৎসৱ পালন কৰা হৈছিল। টাৱাং আৰু বমডিলাত বুজন সংখ্যক কেৰালাৰ লোক থাকে। ডেপুটি কমিশ্যনাৰ শ্ৰীলেনধুপ চিকিমৰ। আকাশবাণীৰ সহকাৰী কেন্দ্ৰ সঞ্চালকগৰাকী ওড়িয়া। এগৰাকী এছিষ্টেণ্ট কমিশ্যনাৰ মিজো। স্থানীয় হাইস্কুলখনৰ প্ৰিন্সিপালগৰাকী কেৰালাৰ। ছিকিউৰিটি এজেণ্টসকল হ'ল মালয়ালম ভাষী বা বাংলাভাষী। দোকানীসকল হ'ল অসমীয়া।

এই সীমান্তত, মই আগেয়ে কৈ আহিছোঁ, SIB আৰু SSB দুয়োটাই একেলগে কাম কৰে। SIBৰ মানুহে সীমান্তত বিনানুমতিত ঘূৰি ফুৰা যি কোনো মানুহক গ্ৰেপ্তাৰ কৰিব পাৰে। SIB-এ বিবাদৰ শংকা থকা এই অঞ্চলটো চীনে দখল কৰাৰ মতলবৰ কথাটো জানি আহিছিল। চোম ডোৰোং চু মানে তিব্বতীয় ভাষাত তিনিখন উপত্যকাৰ পানী। (চোম— তিনি, ডোৰোং— উপত্যকা, চু— পানী)। টাৱাঙৰপৰা জীপ যাব পৰা ৰাস্তাৰে এই ঠাইলৈ দুদিনৰ বাস্তা হ'ব পায়। দুটা ৰাস্তাৰে ইয়ালৈ যাব পাৰি। লুম লা হৈ গ'লে দূৰত্ব মাথোন ৪৭ কি. মি.। লুম লা ভূটান সীমান্তত। লুম লাৰ পৰা এটা ৰাস্তা উত্তৰে জিমিথাঙলৈ গৈছে। জিমিথাং টাৱাঙৰে এখন তহচিল। চোম ডোৰোং চু এই এই তহচিলৰে এটা অংশ। জিমিথাঙৰপৰা আৰু কেই কি. মি.মান পুবলৈ গ'লে এখন সৰু ঠাই 'কিঞ্জেমানি' পোৱা যায়। চোম ডোৰোং চু ইয়াৰে ওচৰত। কিঞ্জেমানিপৰা আৰু কেই কি. মি.মান পুবলৈ গ'লে চুজি লা আৰু তাৰ পাছত বুম লা পোৱা যায়। বুম লাৰ পৰা টাৱাঙলৈ নিতৌ অহা যোৱা চলে। চীনাসকলে এই ৰাস্তাটো ভালদৰে জানে। ভাৰতীয় সকলেহে মানুহক সুধি সুধি যাব লাগে।

মোক জনোৱামতে ১৯৮৪ চনলৈকে এই অঞ্চলত আমাৰ কোনো চকী নাছিল। ১৯৬২ চনৰ কলম্বো চুক্তি মতে যুদ্ধৰ পাছত উভয় পক্ষৰে তাত কোনো চকী নাছিল। ১৯৮৪ চনৰপৰা তাত আমাৰ নিৰীক্ষণ চকী হৈছে। ইয়াৰ বাবে কোনো স্থায়ী ব্যৱস্থা নাছিল। মানুহ সোমাই থাকিব পৰাকৈ সৰু বাঁহৰ জুপুৰীহে মাথোন। এই গোটেই ঠাই ডোখৰ ৩০০০ মিটাৰৰ পৰা ৪২৭০ মিটাৰ উচ্চতাৰ পৰ্বতেৰে ভৰা। এনেকুৱা ঠাইলৈ যাবলৈ আমাৰ মানুহৰ সা-সৰঞ্জামৰ অভাৱ। কিন্তু চীনাসকল টপতৈয়াৰ। গতিকে ১৯৮৪ চনৰপৰা ভাৰতে প'ষ্ট নিৰ্মাণ কৰিছে। প্ৰত্যেক বছৰে বৰফ গলাৰ লগেলগে কেৰালা আৰু পশ্চিমবংগৰ ডেকাহঁতে তালৈ গৈ চোম্ ডোৰোং চু চাই আহেগৈ। এইবাৰ তেওঁলোক মে' মাহতে গৈছিল। কিছুদিন লক্ষ্য কৰাৰ পাছত তেওঁলোকে দেখিলে যে চীনাসকলে উপত্যকাটোত বিচৰণ কৰি আছে। এইকথা তৎক্ষণাত দিল্লীলৈ ৰিপ'ৰ্ট কৰা হৈছিল। পৰ্যবেক্ষণ কৰি থকা হৈছিল আৰু ৰিপ'ৰ্ট প্ৰতিদিনে দিল্লীলৈ পঠোৱা হৈছিল। চীনাসকলৰ মতলব বুজিবলৈ বহুদিন লাগিছিল। কাৰণ উভয়পক্ষই সীমাত এনেয়েও ঘূৰি ফুৰে। ইয়াক অনধিকাৰ প্ৰৱেশ নোবোলে। যদিহে আমাৰ তাত কোনো স্থায়ী ব্যৱস্থা থাকিলেহেঁতেন তেন্তে চীনাসকলৰ সেই কামক অনধিকাৰ প্ৰৱেশ বুলিব পৰা গ'লহেঁতেন।

ইয়াৰ মানুহে বিশ্বাস কৰে যে চোম ডোৰোংচু মেকমাহন লাইনৰ উত্তৰে। টাৱাংৰ ডি. ছি. ৰ অফিছত জিলাৰ মেপখন চাব খোজোতে মোক কোৱা হল,— মেপ কেৱল মিলিটেৰিক্হে দিব পাৰি। তেওঁলোকে চোম ডোৰোং চু ৰ পৰা কিবা কব লয় নেকি বুলি সোধোঁতেও ডি. ছি. নিৰৱে ৰ'ল। ডি. ছি. য়ে মোক কেৱল ইয়াকে কলে: আপুনি ভাৰতৰ বাকী অংশত কৈ দিয়কগৈ যে আমি ভাৰতীয় চৰকাৰৰ সৈতে আছোঁ। ইয়াৰ দুটা মুখ্য কাৰণ হ'ল— ভাৰত চৰকাৰৰ কল্যাণমূলক আঁচনি আৰু ধৰ্ম নিৰপেক্ষতা। টাৱাঙত বৰ সজাৰ ধুম উঠিছে আৰু সৈন্য বাহিনীৰ প্ৰচুৰ সমাগম হোৱা সত্বেও চহৰখনৰ জীৱনযাত্ৰা স্বাভাৱিক হৈ আছে।

অনুবাদ: দীপিকা পৰদেশী


অসমীয়া সাহিত্যলৈ আমাৰ সশ্ৰদ্ধ নিবেদন:


ড° হীৰেণ গোহাঁইৰ—
উপন্যাসৰ আধুনিক সমালোচনা— ৬ টকা

নৱকান্ত বৰুৱাৰ—
ককাইদেউতাৰ হাড়— ১২ টকা
কপিলাপৰীয়া সাধু— ১২ টকা
হে অৰণ্য হে মহানগৰ— ৫.৫০ টকা

হেমবৰুৱাৰ—
ৰঙা কবৰীৰ ফুল— ১২ টকা
কন্যকী— ১০ টকা
বহাগতে পাতি যাওঁ বিয়া— ২৫ টকা
The Red River and the Blue Hill— Rs. 40/-

ভবেন্দ্ৰ নাথ শইকীয়াৰ—
অন্তৰীপ— ৩৫ টকা

এলবিএছ পাব্লিকেশ্যন
আমবাৰী : গুৱাহাটী-১





OKDISCD

# ফিলিপাইনৰ ডাক্তৰ

ড. উত্তম চন্দ্ৰ দাস

আপোনাৰ ১৬-৩১ আগষ্ট তাৰিখৰ প্ৰান্তিকত শ্ৰীবিনয় কুমাৰ নাথৰ "ফিলিপাইনৰ সেই আচৰিত ডাক্তৰ জন : অবিশ্বাস্য হলেও সত্য" বুলি লিখা কাহিনীটো পঢ়ি প্ৰকাশৰ বাবে আমাৰ মতামত তলত দিলো আৰু অসমৰ ৰাইজক ফিলিপাইনী বেজৰ চাতুৰীত ভোল নাযাবলৈ অনুৰোধ কৰিলো।

ফিলিপাইনী বেজৰ উক্ত চিকিৎসা পদ্ধতি অবিশ্বাস্য। বৰ্তমান পৃথিৱীত ই অবৈজ্ঞানিক আৰু গোকাট অসত্য। ই হ'ল দূৰ দেশৰপৰা যোৱা ভ্ৰমণকাৰীসকলক ঠগোৱা এক ভুৱাবাজি বুলি প্ৰমাণিত ঘটনা। ছোভিয়েট চিকিৎসক ড. মিখাইল গেৰচানভিচ (এম. ডি.)-এ ফিলিপাইন বেজৰ অপাৰেশ্যন-কৌশল চাবলৈ গৈ নিজৰ চকুৰ কাষত হোৱা এটা টিউমাৰ, ভৰিত হোৱা ভেৰিকোছভেইন আৰু পেটৰ ভিতৰত হোৱা গলব্লাডাৰ ষ্টʼনৰ (পিত্তকোষত হোৱা পাথৰ) অপাৰেশ্যন তিনিজন বেলেগ বেলেগ ফিলিপাইনী বেজৰ দ্বাৰা কৰাই যি বৰ্ণনা দিছে, দিবাকৰক কৰা চিকিৎসা প্ৰণালীৰ লগত তাৰ মিল আছে। শ্ৰীনাথে লিখিছে : "শ্ৰীৰায়ৰ পেটটো ফালি পেলোৱা অংশত ডুবাৰমান হাত ফুৰাই দিয়াত পেটটো আকৌ আগৰ দৰে হৈ উঠিল। যিখিনি বেয়া বস্তু (তেজ, পেটৰ ভিতৰৰপৰা ছিঙি অনা অলাগতিয়াল অংশ আদি) ডাক্তৰজনৰ সহকাৰীজনে মচি দিলে আৰু পেলাই দিলে।" কিন্তু ছোভিয়েট ডাক্তৰজনৰ ওপৰত কৰা পেটৰ অপাৰেশ্যনৰ বেয়া বস্তুখিনি (তেজ আৰু গʼলব্লাডাৰৰ ভিতৰৰপৰা ছিঙি অনা বেমাৰী বস্তু বুলি দেখুউৱা তেজ লগা থোপা এটা) ছোভিয়েট ডাক্তৰজনৰ বৈণীয়েক ডাক্তৰণীয়ে সাৱধানে সংগ্ৰহ কৰিলে। ডাক্তৰণী গৰাকীয়ে— তেওঁৰ গিৰিয়েকক ফিলিপাইনী বেজে অস্ত্ৰ নোহোৱাকৈ অপাৰেশ্যন কৰি থাকোঁতে বেজৰ আঙুলিৰ হেঁচাত গিৰিয়েকৰ পেটটোত এটা দ খাল হোৱা দেখিলে আৰু দাঁতিত অলপমান তেজ ওলোৱা দেখিলে; কিন্তু পেট কাটিলে ওলাব লগা নাৰী-ভুৰি একো নেদেখিলে। ইফালে গিৰিয়েক ডাক্তৰেও ফিলিপাইনী বেজৰ লোৰ ৰʼডৰ দৰে কঠিন আঙুলিয়ে পেটটো সমুখ ফালৰ পৰা জোৰেৰে হেঁচি পিছ ফালৰ হাড়ত লগাই পিটিকি থকা গম পালে আৰু বিষ অনুভৱ কৰিলে; কিন্তু তেওঁ পেটটো যে ফলা যোৱা নাই, এইটো সঠিক জানিলে। ফিলিপাইনী ডাক্তৰে অপাৰেশ্যনৰ পাছত পেটটোত ডুবাৰ হাত ফুৰাই ভাল হৈ গʼল বুলি কৈ, মৰমসূচক বাণী দি আৰু পিঠিত থপৰিয়াই সাহস দি ছোভিয়েট ডাক্তৰ আৰু পত্নীক বিদায় দিলে। ডাক্তৰৰ এটা বেমাৰো কিন্তু ভাল নহʼল; বৰং টিউমাৰটো বাঢ়িছে গʼল আৰু ভৰিখন উখহি গʼল।

অপাৰেশ্যনৰ শেষত সাৱধানে সংগ্ৰহ কৰা তেজ আৰু তেজলগা থোপাটো মস্কো লেবৰেটৰিত পৰীক্ষা কৰি পোৱা গʼল যে সেই তেজ ছোভিয়েট ডাক্তৰজনৰ নহয়; আন কিবা জন্তুৰহে। বেমাৰী গলব্লাডাৰৰ অংশ বুলি দেখুউৱা তেজৰ থোপাটো জন্তুৰ তেজত ভিজোৱা একপ্ৰকাৰ ঘাঁহৰ থোপা বুলি প্ৰমাণিত হʼল।

বৃটিছ ফৰেনছিক ডাক্তৰ পি. লিংকন আৰু এন উডে ফিলিপাইনী বেজবোৰৰ এনে ধৰণৰ অস্ত্ৰহীন অস্ত্ৰোপচাৰৰ বিষয়ে অধ্যয়ন কৰিছে। অষ্টম ৱৰ্ল্ড কংগ্ৰেছ অৱ ফৰেনছিক্ হিমাটোলজিষ্ট আৰু হিমাটোজেনিটিক্‌ছত তেওঁলোকে ঘোষণা কৰে যে ফিলিপাইনী বেজৰ অপাৰেশ্যনৰপৰা সংগ্ৰহ কৰা তেজৰ চেকাবোৰ পৰীক্ষা কৰি পোৱা গৈছে যে সেই তেজবোৰ আছিল হয় গাহৰিৰ, নহয় বলধৰ, নতুবা কষ্টাৰৰ (Rooster); কাচিৎহে মানুহৰ তেজৰ চিন পোৱা গৈছিল; আৰু পালেও সেই তেজ অপাৰেশ্যন কৰা বেমাৰীজনৰ তেজৰ গ্ৰুপৰ লগত মিলা নাছিল।

শ্ৰীনাথে লিখিছে যে বছৰেকত বেজজনে ছমাহ ৰোগী চায় আৰু বাকী ছমাহ তেওঁ কলৈ যায় কোনেও নাজানে। শ্ৰীৰায়ে কোৱা মতে তেওঁ হেনো ধ্যানত বহে। ইয়াৰ উত্তৰত আমি কওঁ যে ফিলিপাইনৰ সেই বেজ জনৰ দৰে তাত থকা শ শ বেজৰ জীৱিকাৰ বাবে প্ৰধান ব্যৱসায় বেলেগ আছে। ছোভিয়েটৰ ডাক্তৰজনে কয় যে এই বেজবোৰ আচলতে লক্‌স্মিথ, মেকানিক, ৰাজমিস্ত্ৰি বা পাথৰ কটা মিস্ত্ৰি। অৱশৰ সময়ত তেওঁলোকে বেমাৰী চায়।

ফিলিপাইনৰ নাগইন আৰু বাগুই নামৰ ঠাই দুখন তুলনামূলকভাৱে শীতল। তালৈ পৃথিৱীৰ নানা দেশৰ ভ্ৰমণকাৰী আহে। ভ্ৰমণকাৰীক আকৰ্ষণ কৰিবলৈ কিছুমান স্বাৰ্থজড়িত দালালে পকেট জোখৰ বুকলেট ছপাই ফিলিপাইনী বেজৰ অবিশ্বাস্য ৰোগ নিৰাময় কৰিব পৰা ক্ষমতাৰ কথা প্ৰচাৰ কৰে।

ফিলিপাইন এখন দ্বীপৰ দেশ। ইয়াৰ মাটিকালি ১,১৬,০০০ বৰ্গমাইল; লোকসংখ্যা (১৯৮০ৰ মতে) ৫,২০,০০,০০০। দেশখনৰ কোনো কোনো অংশই সভ্যতাৰ উচ্চ শিখৰ পাইছে; কিন্তু কোনো কোনো অংশৰ অধিবাসীসকল প্ৰায় আদিম যুগৰ মানুহৰ দৰে আছে। ফিলিপাইন চৰকাৰ দেশখনৰ সকলো লোকৰ বাবে মেডিকেল সেৱা আগবঢ়াবলৈ অপাৰগ। সেয়ে ইয়াৰ বেজবোৰে সহজ ৰোগ, যেনে বিষ হোৱা, দাঁত উঠোৱা, ভগা-হাড় টানি আনুষংগিক চিকিৎসা কৰা, কঁকালৰ বিষ মালিচ কৰি উপশম কৰা ইত্যাদি কামত দেশখনলৈ ভাল অৱিহণা যোগায়। সেয়ে তেওঁলোকে কৰা চাতুৰি চিকিৎসাই কৰিব পৰা অপকাৰলৈ ফিলিপাইন চৰকাৰে মন দিব নোৱাৰে।



যি বেমাৰৰ আচল কাৰণ অৰ্গেনিক (organic) নহৈ মানসিক (psychic) হয়, তেনে বেমাৰৰ ৰোগীক মাজে-সময়ে ফিলিপাইনী বেজে দিয়া ধৰণৰ ছাইকোথেৰাপিয়ে (psychotherapy) ভাল কাম দিয়ে। গেষ্ট্ৰিক-জাতীয় বেমাৰৰ প্ৰধান কাৰণ কেৱল বেয়া আহাৰেই নহয়, ইয়াৰ বাবে মানুহৰ শাৰীৰিক, (জেনিটিক), মানসিক, আৰ্থিক, ব্যৱসায়িক আৰু পাৰিপাৰ্শ্বিক অৱস্থাবোৰো দায়ী। সেয়ে এনে বেমাৰত ঔষধ খাই ভাগৰি পৰা ৰোগীয়ে চিকিৎসা লʼবলৈ এৰি মনে ভাল পোৱা ঠাইলৈ ভ্ৰমণ কৰিলেও বহু ক্ষেত্ৰত বেমাৰ ভাল হোৱা দেখা যায়।

শ্ৰীদিবাকৰে ফিলিপাইনৰ বেজে দিয়া ঔষধটো অসম বা ভাৰতত নোপোৱাৰ কাৰণ হʼল সেইটো ঔষধ এটা প্লেছবো (placebo), যাৰ বিষয়ে মেডিকেল বিজ্ঞানে তলত দিয়া ধৰণে কয় : "The placebo···traditionally is "THE LIE THAT HEALS." But the clear understanding of the placebo effect will reveal that the healing comes not from the lie itself but from the relationship between the healer and the patient."

"An active drug given with skepticion will produce little or no result, but a placebo given with an encouraging pat and confident smile can produce more than the desired results. Charging the normal fee would further help to consolidate the patient's faith in the drug." "A fairly large number of scientists and research workers are of the opinian that PLACEBOS make life easier for the unintelligent, Neurotic and inadequate patients. Also setting a fee prescribing a Placebo could pose problems. Too low fee might make the patient suspecious, and if too high, the physician would be making an unjustified profit out of the decription. (Current Medical Science. A CIPLA UPDATE ON THERAPOTICS—Volm 1 No. 3 P. 2)

সেয়ে দাসগুপ্তৰপৰা লোৱা ৫০০ পাউণ্ড আৰু দিবাকৰৰপৰা লোৱা ২০০ পাউণ্ডৰ তাৎপৰ্যও একে। অবিশ্বাস্য ভেল্কি দেখুৱাব পৰা বেজজন অসমৰ মানুহৰ দৰে অজলা কেতিয়াও নহয়। তেওঁলোকে কোনো বেমাৰৰ ডায়গ্নোছিছ নকৰে বা কৰিব নাজানে। ৰোগীয়ে যি কয় বা কʼব খোজে সেইমতে কৰি যায়। ফিলিপাইনৰ ৮৫% লোক হʼল ৰোমান কেথলিক; সেয়ে এই বেজবোৰৰ সকলো ক্লিনিকতে ক্ৰছটো মেজৰ ওপৰত থাকেই আৰু সকলো ৰোগী চোৱাৰ আগতে তেওঁলোকে নিয়ম অনুসৰি ৰোগীজনকে লৈ প্ৰাৰ্থনা কৰে। প্ৰাৰ্থনা সঁচাকৈয়ে কৰে নে ৰোগীজনক বিশ্বাস জন্মাবলৈ কৰে সেইটো ঈশ্বৰহে জানে; কিন্তু তেওঁলোকে অস্ত্ৰ নোহোৱাকৈ যে অপাৰেশ্যন কৰি তেজ-পুঁজ উলিয়াই ৰোগীৰ লগত যোৱা মানুহক দেখুৱাই ভণ্ডামি কৰে, এইটো কথা আধুনিক যুগৰ চিকিৎসক আৰু বুদ্ধি থকা আন আন মানুহে জানে।

সেয়ে আমি কওঁ যে প্ৰান্তিকৰ দৰে বৈজ্ঞানিক দৃষ্টিভংগীৰে সকলো কথা আলোচনা কৰি নতুন অসম গঢ়াত গুৰু দায়িত্ব লোৱা আলোচনী এখনত শ্ৰীযুত বিনয় নাথে লিখা উক্ত অবৈজ্ঞানিক চিকিৎসা প্ৰণালীৰ প্ৰকাশন অতি অশোভনীয়। ভুৱাবাজি অস্ত্ৰোপচাৰৰ ছবিসহ প্ৰকাশ; সিও প্ৰান্তিকৰ পাতত,— অসমৰ বাবে এক মৰ্মান্তিক অন্যায়। আশাকৰোঁ এনে ভুল আৰু ভৱিষ্যতে নহয়।

ফিলিপাইনৰ বেজৰ কথা বিশদভাৱে জানিব খুজিলে পঢ়ুৱৈসকলে September 1986ৰ SPUTNIK অৰ ১১৮-১২৩ পৃষ্ঠাত থকা প্ৰবন্ধ "SEEING IS DISBELIEVING (লেখক : DR. MIKHAIL GERSHANOVICH, M.D.— A Physician and Scholar from Laningrad) পঢ়ক।

আমাৰ প্ৰকাশিত নতুন তিনিখন গ্ৰন্থ :
ৰাস্না বৰুৱাৰ উপন্যাস
**সেউজী পাতৰ কাহিনী**—২৫·০০ টকা
(ড° হীৰেণ গোহাঁইৰ পাতনি সম্বলিত)
ভবেশ্বৰ ৰাজখোৱাৰ উপন্যাস
**ৰক্ষ**—৭·০০ টকা
বসন্ত কুমাৰ ভট্টাচাৰ্যৰ গল্প সংকলন
**দুষ্ট প্ৰজাপতি**—৮·০০
*জাৰ্ণাল এম্পʼৰিয়াম*
পি.. এম. চি. ৰʼড
নলবাৰী—৭৮১৩৩৫



OKDISCD

# অসমৰ প্লাইউড উদ্যোগ আৰু স্থানীয় স্বাৰ্থ

ৰাণু বৰুৱা

অসমৰ শিল্পজাত সামগ্ৰীসমূহৰ ভিতৰত চাহৰ পিছতে প্লাইউডৰ স্থান বুলি কব পাৰি। এককথাত ই অসমৰ দ্বিতীয় বৃহৎ শিল্প উদ্যোগ। বৰ্তমান যুগত সমগ্ৰ বিশ্বতেই প্লাইউডৰ চাহিদা আৰু জনপ্ৰিয়তা অত্যধিকভাৱে বৃদ্ধি পাইছে। ভাৰতত উৎপাদন হোৱা মুঠ প্লাইউডৰ শতকৰা ৬০ ভাগতকৈ বেছি অসমেই উৎপাদন কৰে। ভাৰতৰ শতকৰা ৬০ ভাগ প্লাইউড উৎপন্ন কৰা এই বৃহৎ প্লাইউড উদ্যোগ-খণ্ডৰ পৰা ৰাজহৰ দিশতে হওক বা নিয়োগ ব্যৱস্থাৰ দিশতে হওক অসম উপকৃত হোৱাৰ যথেষ্ট থল থকা সত্বেও বৰ্তমান এনে এটা অৱস্থা হৈছেগৈ যে, এই প্ৰচুৰ লাভজনক উদ্যোগটো বন্ধ কৰি দিলেও অসমৰ অৰ্থনীতিত বিশেষ ক্ষতিকৰ প্ৰভাৱ নপৰে। কথাষাৰ অলপ বিভ্ৰান্তিজনক যদিও সঁচা। গতিকে এনে এটা বৃহৎ শিল্প উদ্যোগৰপৰা আমাৰ ৰাজ্যখন উপকৃত হ'ব নোৱাৰা কথাটো যথাৰ্থ-তেই অলপ বিচাৰ কৰিবলগীয়া। অসমৰ, বিশেষকৈ উজনি অসমৰ ডিব্ৰুগড় জিলাতে কেন্দ্ৰীভূত হোৱা এই প্লাইউড উদ্যোগবোৰৰ সম্বন্ধে আমি অসমীয়া মানুহবোৰে এতিয়াও বৰ আওকণীয়া মনোভাৱ লৈ আছোঁ। অসমৰে হাবিৰ গছ-গছনি কাটি অসমতে প্লাইউড প্ৰস্তুত কৰা এই উদ্যোগটোত কেইজন থলুৱা অসমীয়াই কৰ্মসংস্থান পাইছে? বা অসমৰ ৰাজ্যিক কোষা-গাৰলৈ এই উদ্যোগে কিমান ধনহে যোগাইছে আদি প্ৰশ্নৰ উত্তৰ চৰ-কাৰেই হওক বা ৰাইজেই হওক নিবিচৰা বাবেই পৰিস্থিতি আজি নিয়ন্ত্ৰণৰ বাহিৰত। আমাৰ নিৰ্বিকাৰ মনোভাৱৰ বাবেই প্লাইউড ব্যৱসায়ী গোষ্ঠীটোৰ লুণ্ঠন প্ৰক্ৰিয়াত অসমৰ বনাঞ্চল আজি ধ্বংসপ্ৰায়।

যোৱা শতিকাৰ শেষভাগত উজনি অসমত বৃটিছসকলে স্থাপন কৰা চাহ-বাগিচাৰ উৎপাদিত চাহ কঢ়িয়াবৰ বাবে প্ৰয়োজন হৈছিল কিছুমান বাকচৰ। প্ৰথম অৱস্থাত এনে বাকচ সাজিবলৈ প্ৰয়োজন হোৱা প্লাইউড বিদেশৰপৰাহে অনা হৈছিল। কিন্তু প্ৰথম মহাসমৰৰ সময়ত দেখা দিয়া কিছুমান অসুবিধাৰ বাবে উপায়ান্তৰ হৈ বৃটিছসকলে অসমৰ হাবিৰ কাঠৰ-পৰাই চাহ বাকচৰ বাবে প্লাইউড তৈয়াৰ কৰিবলৈ ল'লে। ১৯১৭ চনত স্থাপিত হোৱা কাছাৰৰ সুৰমা ভেলি ছ মিল, ১৯১৮ চনত স্থাপিত হোৱা অৰুণাচলৰ অসম ছ মিল এণ্ড টিম্বাৰ কোম্পেনি আৰু ১৯২২ চনত স্থাপিত হোৱা এম. এছ. বাৰ্ড এণ্ড কোম্পেনিয়ে তেতিয়া কেৱল মাত্ৰ চাহ বাকচৰ উপযোগী প্লাইউডহে উৎপাদন কৰি-ছিল। অসম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পেনিয়ে ১৯২৪ চনত প্ৰথমবাৰৰ বাবে মাৰ্ঘেৰিটাত ব্যৱসায়িক ভিত্তিত প্লাইউড উৎপাদন আৰম্ভ কৰে।

ভাৰত স্বাধীন হোৱাৰ আগলৈকে ব্যৱসায়িক ভিত্তিৰ প্লাইউডৰ চাহিদা বৃদ্ধি পোৱা নাছিল; সেয়ে তেতিয়া মাত্ৰ চাহ বাকচৰ উপযোগী প্লাইউডহে বজাৰত পোৱা গৈছিল। দেশ স্বাধীন হোৱাৰ পাছত অসমৰ চাহ উদ্যোগখণ্ডটো কমবেছি পৰিমাণে বৃটিছসকলৰ হাতৰ পৰা ভাৰতীয় পুঁজিপতি গোষ্ঠীৰ বিৰলা, টাটা, জালান আদিৰ হাতলৈ যায়। চাহ উদ্যোগত জড়িত হৈ এই ভাৰতীয় ব্যৱসায়ী গোষ্ঠীটোৱে চাহবাকচ তৈয়াৰ কৰা প্লাইউডৰ ওপৰতো নজৰ দিবলৈ ধৰিলে। কেইবছৰমানৰ পাছতেই তেওঁলোকে আৱিষ্কাৰ কৰিলে যে অসমৰ হাবিৰ এক শ্ৰেণীৰ বিশেষ কাঠৰপৰা অতি উৎকৃষ্ট ধৰণৰ প্লাইউড প্ৰস্তুত কৰিব পৰা যায়। তৰা মতেই কাম। স্বাধীনতাৰ পাছত উদ্যোগী-কৰণৰ নামত চৰকাৰে এই পুঁজিপতি-সকলক অসমত প্লাইউড উদ্যোগ গঢ়ি তুলিবৰ বাবে এক বুজন সংখ্যক অনু-মতি-পত্ৰ প্ৰদান কৰিলে। প্ৰথম অৱস্থাত ৰাজ্য চৰকাৰে কেৱল চাহ-পাতৰ বাকচ তৈয়াৰ কৰিবৰ বাবেহে এনে অনুমতি পত্ৰ দিছিল; কিন্তু ঐই পুঁজিপতি ব্যৱসায়ীসকলে চাহ-বাকচৰ প্লাইউড তৈয়াৰ কৰাতেই ক্ষান্ত নাথাকি নানা বিলাসিতাপূৰ্ণ সামগ্ৰী প্ৰস্তুত কৰাৰ বাবে তৈয়াৰ কৰিলে উৎকৃষ্ট মানৰ এবিধ প্লাইউড, —কৰ্মাছিয়েল বা ডেকৰেটিভ (decorative) প্লাইউড। অসমৰ হাবিত পৰ্যাপ্ত পৰিমাণে পোৱা হলং আৰু মেকাই কাঠৰপৰা প্ৰস্তুত হোৱা এইবিধ প্লাইউড বিশ্বৰ বজাৰত অচিৰেই অতি মূল্যবান বুলি পৰিগণিত হ'ল।

এইবিধ প্লাইউডৰ পৰা অবিশ্বাস্য-ভাৱে লাভ হোৱা দেখি প্লাইউড মিলৰ মালিকসকলে ৰাজ্য চৰকাৰৰ সোপাটিলা নীতিৰ সুযোগ লৈ চাহ-বাকচৰ প্লাইউড উৎপাদন যথেষ্ট পৰি-মাণে হ্ৰাস কৰি ডেকৰেটিভ প্লাইউড পূৰ্ণ গতিত উৎপাদন কৰিবলৈ ধৰিলে। উদাহৰণস্বৰূপে ১৯৭৭ চনত অসমত মুঠ উৎপন্ন ২৯ নিযুত ৩১৫ হাজাৰ ৬৯৬ বৰ্গমিটাৰ প্লাইউডৰ ভিতৰত চাহবাকচৰ বাবে তৈয়াৰী প্লাইউড আছিল মাত্ৰ ৪ নিযুত ৬২২ হাজাৰ ৩৩৭ বৰ্গ মিটাৰ; অৰ্থাৎ মুঠ উৎপন্নৰ সতকৰা ১৫.৭ ভাগ। বৰ্তমানৰ বছৰ কেইটাত অৱস্থা এনেকুৱা হৈছেগৈ যে, অসমৰ চাহপাত বাকচৰ বাবে প্ৰয়ো-জনীয় প্লাইউডৰ আধা অংশ অসমৰ বাহিৰৰপৰাহে আনিব লাগে। অসমৰ বাহিৰৰপৰা অনা, বিশেষকৈ পশ্চিমবংগৰপৰা অনা চাহবাকচৰ প্লাইউড আম, কঠাল আদি নিম্নমানৰ কাঠেৰে তৈয়াৰ কৰা বাবে বিদেশলৈ পঠোৱা চাহৰ গুণাগুণ হ্ৰাস পোৱাৰ অভিযোগ উঠিছে। এইটো অৱস্থা চলি থাকিলে আৰু কিছুবছৰৰ পাছতেই ভাৰতৰ চাহে আন্তঃৰাষ্ট্ৰীয় বজাৰত



ঘাটি খাব যেন ধাৰণা হয়। আমি এতিয়া সাৱধানেৰে লক্ষ্য কৰিব লাগিব, —প্লাইউড উদ্যোগ গোষ্ঠীটোৰ কুচক্ৰান্তত যাতে অসমৰ চাহ উদ্যোগ-টোৰ সংকট ঘনীভূত নহয়।

জানিবলৈ পোৱা মতে, অসমৰ বনবিভাগে অসমৰ হাবিৰ হলং, মেকাই আদি কাঠ কটাৰ অনুমতি দিওঁতে প্লাইউড মিলৰ মালিকসকলক এই কাঠেৰে কেৱল চাহপাতৰ বাকচৰ প্লাইউডহে তৈয়াৰ কৰা হ'ব বুলি এটা বিশেষ চৰ্তত হেনো মান্তি কৰাই লয়। কিন্তু এই গোষ্ঠীটোৱে চৰকাৰক প্ৰৱঞ্চনা কৰি নাম মাত্ৰ চাহবাকচ বনোৱা প্লাইউড উৎপন্ন কৰি দেখুৱায়। মিলসমূহ পৰিদৰ্শনৰ ব্যৱস্থা চৰকাৰৰ আছে যদিও এই ক্ষেত্ৰত পৰিদৰ্শনকাৰী বিষয়াকে ধৰি ৰাজনৈতিক নেতাসকলৰ মুখ বন্ধ কৰি ৰখাৰ উপায় এওঁলোকৰ জনা আছে। তেতিয়া এওঁলোকক আৰু পাই কোনে?

অসমত বৰ্তমানে থকা ৫২ টা প্লাইউড মিলৰ ভিতৰৰে ১৪ টা প্লাই-উড মিলে মুঠ উৎপাদিত প্লাইউডৰ শতকৰা ৭০ ভাগৰো অধিক প্লাইউড উৎপন্ন কৰে। তদুপৰি এইবোৰে ৯৫ ভাগ প্লাইউডেই ডেকৰেটিভ পৰ্যায়ৰ কৰে। এই ডেকৰেটিভ প্লাইউদৰ বাবেই বিদেশ, বিশেষকৈ মধ্য প্ৰাচ্যৰপৰা মিলবোৰে বহু কোটি টকাৰ কৰমাচ লাভ কৰে। অসমৰ উল্লেখযোগ্য মিল কেইটামান হৈছে:

(১) উড ক্ৰাফট, মৰিয়নী, (২) কেলকাতা প্লাইউড, লিডু, (৩) আসাম ভিনিয়াৰ কোম্পেনি, মাৰ্ঘেৰিটা, (৪) ভিনিয়াৰ মিলছ প্ৰাইভেট লিমিটেড, তিনিচুকীয়া, (৫) আচাম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পেনি, মাৰ্ঘেৰিটা, (৬) মিকিৰ হিলছ ছ এণ্ড প্লাইউড লিমিটেড, ডিফু, (৭) উডক্ৰাফ্ট প্ৰডাক্টছ, জয়পুৰ, (৮) নেশ্যনেল প্লাইউড ইণ্ডাষ্ট্ৰিজ, তিনিচুকীয়া, (৯) সাবৰা প্লাইউড ইণ্ডাষ্ট্ৰিজ জয়পুৰ, (১০) আচাম ভেলি প্লাইউদ প্ৰাইভেট লিমিটেড, তিনি-চুকীয়া, (১১) আচাম ভিনিয়াৰ ছ মিল, মাকুম, (১২) হিমালয়ান প্লাইউড ইণ্ডাষ্ট্ৰিজ, তিনিচুকীয়া, (১৩) ধুবুৰী প্লাইউড কেইছিজ, ধুবুৰী, আৰু (১৪) আচাম প্লাইউড প্ৰডাক্টছ, জয়পুৰ।

আগতেই উল্লেখ কৰা হৈছে যে, অসমত উৎপাদিত প্লাইউডৰ বাহিৰৰ বজাৰত সুনাম আছে। কিন্তু অসমতে উৎপাদিত চাহৰ বজাৰখন যেনেকৈ অসমৰ বাহিৰত, তেনেকৈ প্লাইউডৰ বজাৰখনো অসমৰ বাহিৰতহে আছে। প্লাইউড উদ্যোগবোৰৰ বিক্ৰীকেন্দ্ৰ-বোৰ অসমৰ বাহিৰৰ কলিকাতা, ধানবাদ; ইন্দোৰ, জয়পুৰ, দিল্লী, বোম্বাই, চণ্ডীগড় মাদ্ৰাজ আদিত হোৱাত তাতেই অসমৰ প্ৰায় ৮০% প্লাইউড বিক্ৰি হয়। ইয়াৰ ফলত অসম চৰকাৰে বিক্ৰি কৰ বাবদ বছৰি প্ৰায় ২ কোটিতকৈ অধিক টকাৰ ৰাজহ হেৰুৱাবলগীয়া হয়। এইবোৰ প্লাইউড অসমতে বিক্ৰি হোৱাহেঁতেন অসম চৰকাৰৰ ৰাজহ ভৰাললৈ এক বুজন পৰিমাণৰ অৰ্থ আহিলহেঁতেন। কিন্তু এই বাহিৰা ব্যৱ-সায়ী চক্ৰটোৱে অসমৰে প্লাইউডেৰে নিজ নিজ ৰাজ্য চৰকাৰক ধনী কৰিছেগৈ। অসমৰ ক্ষেত্ৰত হোৱা হ'লে ই নিশ্চয় সংকীৰ্ণমনা আঞ্চলিকতাবাদ হ'ল-হেঁতেন। আমাৰ ৰাজ্য চৰকাৰে এই সকলোবোৰ কথা জানি শুনিও কোনো কাৰ্যব্যৱস্থা নোলোৱাৰ অন্তৰালত কথাটো আছিল, —চৰকাৰৰ দায়িত্বত থকা ৰাজনৈতিক দলটোৰ পুঁজিলৈ এই উদ্যোগগোষ্ঠীটোৱে এক বুজন

> আৰু দুটামান দশকৰ ভিতৰতেই আমাৰ এই অঞ্চলৰ প্ৰাকৃতিক ভাৰসাম্য হেৰাই যাব; আমি সন্মুখীন হ'বলগীয়া হ'ব ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ!

পৰিমাণৰ অৰ্থৰ যোগান ধৰে। জন-সাধাৰণৰ অজ্ঞাতে আৰু চৰকাৰৰ পূৰ্ণ-সহযোগিতাত এই পুঁজিপতি গোষ্ঠীটোৱে আমাৰ ওপৰত অৰ্থনৈতিকভাৱে শোষণ চলাই আছে। উদাহৰণৰূপে, ১৯৭৭ চনত মুঠ ৩৬ টা প্লাইউড মিলৰপৰা উৎপাদিত প্লাইউডৰ বাবদ অসম চৰকাৰে কৰ পায় ৩৫ লাখ ৯ হাজাৰ ৯৬৫ টকা, আনহাতে কেন্দ্ৰীয় চৰকাৰে কৰ পায় ৬ কোটি ১৭ লাখ ৮ হাজাৰ ৩৮৬ টকা! এইদৰে বছৰি অসম চৰকাৰে কিমান কোটি টকাৰ ৰাজহ হেৰুৱাইছে হিচাপ কৰক।

প্লাইউড বিক্ৰি ব্যৱস্থাত এতিয়া-লৈকে কোনো চৰকাৰী নিয়ন্ত্ৰণ ব্যৱস্থা আৰোপ কৰা দেখা নাই। ৰাজহুৱা খণ্ডত এনে এটা বিতৰণ আৰু বিক্ৰিৰ ব্যৱস্থা অসম চৰকাৰে গঢ়ি তোলা হ'লে এই প্ৰচুৰ লাভজনক ব্যৱসায়-টোৰপৰা ৰাজ্যখনৰ ৰাজহৰ ভঁৰাললৈ যথেষ্ট অৰ্থ অহাৰ পথ সুগম হ'লহেঁতেন। আগৰ কেইখন ৰাজ্য চৰকাৰৰ এই ব্যৱসায়ী গোষ্ঠীটোৰ লগত স্বাৰ্থ জড়িত থকাত এনে ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰে বিচৰা নাছিল। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এনে এটা ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ কথা চিন্তা কৰিব পাৰে।

প্লাইউড উদ্যোগটোৱে আমাক ৰাজহৰ দিশত ক্ষতিগ্ৰস্ততো কৰিছেই, আনহাতে নিয়োগ ব্যৱস্থাতো ই ৰাজ্যখনৰ যুৱক-যুৱতীসকলক সহায় কৰা নাই।

অসমৰ এই প্লাইউড উদ্যোগত কিমান সংখ্যক লোকে নিযুক্তি পাইছে তাৰ সঠিক পৰিসংখ্যা পোৱাটো অতি টান কাম। প্লাইউড মেনুফেকচাৰাছ এছোছিয়েশ্যনৰ মতে প্ৰায় ২০ হাজাৰ লোকে প্ৰত্যক্ষভাৱে আৰু ২৫ হাজাৰ লোকে পৰোক্ষভাৱে এই শিল্প উদ্যোগৰ পৰা কৰ্মসংস্থান পাইছে। এই তথ্য প্ৰকৃততে ভুল বুলিহে আমাৰ ধাৰণা। তালিকা ১-অত ১৯৮১ চনলৈকে মিলৰ বিপৰীতে নিয়োজিত শ্ৰমিকৰ সংখ্যা দেখুওৱা হৈছে। ইয়াত অনিয়মিত



OKDISCO

# অসমৰ প্লাইউড উদ্যোগ আৰু স্থানীয় স্বাৰ্থ

ৰাণু বৰুৱা

অসমৰ শিল্পজাত সামগ্ৰীসমূহৰ ভিতৰত চাহৰ পিছতে প্লাইউডৰ স্থান বুলি কব পাৰি। এককথাত ই অসমৰ দ্বিতীয় বৃহৎ শিল্প উদ্যোগ। বৰ্তমান যুগত সমগ্ৰ বিশ্বতেই প্লাইউডৰ চাহিদা আৰু জনপ্ৰিয়তা অত্যধিকভাৱে বৃদ্ধি পাইছে। ভাৰতত উৎপাদন হোৱা মুঠ প্লাইউডৰ শতকৰা ৬০ ভাগতকৈ বেছি অসমেই উৎপাদন কৰে। ভাৰতৰ শতকৰা ৬০ ভাগ প্লাইউড উৎপন্ন কৰা এই বৃহৎ প্লাইউড উদ্যোগ-খণ্ডৰ পৰা ৰাজহৰ দিশতে হওক বা নিয়োগ ব্যৱস্থাৰ দিশতে হওক অসম উপকৃত হোৱাৰ যথেষ্ট থল থকা সত্বেও বৰ্তমান এনে এটা অৱস্থা হৈছেগৈ যে, এই প্ৰচুৰ লাভজনক উদ্যোগটো বন্ধ কৰি দিলেও অসমৰ অৰ্থনীতিত বিশেষ ক্ষতিকৰ প্ৰভাৱ নপৰে। কথাষাৰ অলপ বিভ্ৰান্তিজনক যদিও সঁচা। গতিকে এনে এটা বৃহৎ শিল্প উদ্যোগৰপৰা আমাৰ ৰাজ্যখন উপকৃত হ'ব নোৱৰা কথাটো যথাৰ্থ-তেই অলপ বিচাৰ কৰিবলগীয়া। অসমৰ, বিশেষকৈ উজনি অসমৰ ডিব্ৰুগড় জিলাতে কেন্দ্ৰীভূত হোৱা এই প্লাইউড উদ্যোগবোৰৰ সম্বন্ধে আমি অসমীয়া মানুহবোৰে এতিয়াও বৰ আওকণীয়া মনোভাৱ লৈ আছোঁ। অসমৰে হাবিৰ গছ-গছনি কাটি অসমতে প্লাইউড প্ৰস্তুত কৰা এই উদ্যোগটোত কেইজন থলুৱা অসমীয়াই কৰ্মসংস্থান পাইছে? বা অসমৰ বাণিজ্যক কোনো-গাৱলৈ এই উদ্যোগে কিমান ধনগুণি যোগাইছে আদি প্ৰশ্নৰ উত্তৰ চৰ-কাৰেই হওক বা বাইজেই হওক নিবিচৰা বাবেই পৰিস্থিতি আজি নিয়ন্ত্ৰণৰ বাহিৰত। আমাৰ নিৰ্বিকাৰ মনোভাৱৰ বাবেই প্লাইউড ব্যৱসায়ী গোষ্ঠীটোৰ লুণ্ঠন প্ৰক্ৰিয়াত অসমৰ বনাঞ্চল আজি ধ্বংসপ্ৰায়।

যোৱা শতিকাৰ শেষভাগত উজনি অসমত বৃটিছসকলে স্থাপন কৰা চাহ-বাগিচাৰ উৎপাদিত চাহ কঢ়িয়াবৰ বাবে প্ৰয়োজন হৈছিল কিছুমান বাকচৰ। প্ৰথম অৱস্থাত এনে বাকচ সাজিবলৈ প্ৰয়োজন হোৱা প্লাইউড বিদেশৰপৰাহে অনা হৈছিল। কিন্তু প্ৰথম মহাসমৰৰ সময়ত দেখা দিয়া কিছুমান অসুবিধাৰ বাবে উপায়ান্তৰ হৈ বৃটিছসকলে অসমৰ হাবিৰ কাঠৰ-পৰাই চাহ বাকচৰ বাবে প্লাইউড তৈয়াৰ কৰিবলৈ ল'লে। ১৯১৭ চনত স্থাপিত হোৱা কাছাৰৰ সুৰমা ভেলি ছ মিল, ১৯১৮ চনত স্থাপিত হোৱা অৰুণাচলৰ অসম ছ মিল এণ্ড টিম্বাৰ কোম্পেনি আৰু ১৯২২ চনত স্থাপিত হোৱা এম. এছ. বাৰ্ড এণ্ড কোম্পেনিয়ে তেতিয়া কেৱল মাত্ৰ চাহ বাকচৰ উপযোগী প্লাইউডহে উৎপাদন কৰি-ছিল। অসম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পেনিয়ে ১৯২৪ চনত প্ৰথমবাৰৰ বাবে মাৰ্ঘেৰিটাত ব্যৱসায়িক ভিত্তিত প্লাইউড উৎপাদন আৰম্ভ কৰে।

ভাৰত স্বাধীন হোৱাৰ আগলৈকে ব্যৱসায়িক ভিত্তিৰ প্লাইউডৰ চাহিদা বৃদ্ধি পোৱা নাছিল; সেয়ে তেতিয়া মাত্ৰ চাহ বাকচৰ উপযোগী প্লাইউডহে বজাৰত পোৱা গৈছিল। দেশ স্বাধীন হোৱাৰ পাছত অসমৰ চাহ উদ্যোগখণ্ডটো কমবেছি পৰিমাণে বৃটিছসকলৰ হাতৰ পৰা ভাৰতীয় পুঁজিপতি গোষ্ঠীৰ বিৰলা, টাটা, জালান আদিৰ হাতলৈ যায়। চাহ উদ্যোগত জড়িত হৈ এই ভাৰতীয় ব্যৱসায়ী গোষ্ঠীটোৱে চাহবাকচ তৈয়াৰ কৰা প্লাইউডৰ ওপৰতো নজৰ দিবলৈ ধৰিলে। কেইবছৰমানৰ পাছতেই তেওঁলোকে আৱিষ্কাৰ কৰিলে যে অসমৰ হাবিৰ এক শ্ৰেণীৰ বিশেষ কাঠৰপৰা অতি উৎকৃষ্ট ধৰণৰ প্লাইউড প্ৰস্তুত কৰিব পৰা যায়। তথা মতেই কাম। স্বাধীনতাৰ পাছত উদ্যোগী-কৰণৰ নামত চৰকাৰে এই পুঁজিপতি-সকলক অসমত প্লাইউড উদ্যোগ গঢ়ি তুলিবৰ বাবে এক বুজন সংখ্যক অনু-মতি-পত্ৰ প্ৰদান কৰিলে। প্ৰথম অৱস্থাত ৰাজ্য চৰকাৰে কেৱল চাহ-পাতৰ বাকচ তৈয়াৰ কৰিবৰ বাবেহে এনে অনুমতি পত্ৰ দিছিল; কিন্তু এই পুঁজিপতি ব্যৱসায়ীসকলে চাহ-বাকচৰ প্লাইউড তৈয়াৰ কৰাতেই ক্ষান্ত নাথাকি নানা বিলাসিতাপূৰ্ণ সামগ্ৰী প্ৰস্তুত কৰাৰ বাবে তৈয়াৰ কৰিলে উৎকৃষ্ট মানৰ এবিধ প্লাইউড, —কৰ্মাছিয়েল বা ডেকৰেটিভ (decorative) প্লাইউড। অসমৰ হাবিত পৰ্যাপ্ত পৰিমাণে পোৱা হলং আৰু মেকাই কাঠৰপৰা প্ৰস্তুত হোৱা এইবিধ প্লাইউড বিশ্বৰ বজাৰত অচিৰেই অতি মূল্যবান বুলি পৰিগণিত হ'ল।

এইবিধ প্লাইউডৰ পৰা অবিশ্বাস্য-ভাৱে লাভ হোৱা দেখি প্লাইউড মিলৰ মালিকসকলে ৰাজ্য চৰকাৰৰ সোপাটিলা নীতিৰ সুযোগ লৈ চাহ-বাকচৰ প্লাইউড উৎপাদন যথেষ্ট পৰি-মাণে হ্ৰাস কৰি ডেকৰেটিভ প্লাইউড পূৰ্ণ গতিত উৎপাদন কৰিবলৈ ধৰিলে। উদাহৰণস্বৰূপে ১৯৭৭ চনত অসমত মুঠ উৎপন্ন ২৯ নিযুত ৩১৫ হাজাৰ ৬৯৬ বৰ্গমিটাৰ প্লাইউডৰ ভিতৰত চাহবাকচৰ বাবে তৈয়াৰী প্লাইউড আছিল মাত্ৰ ৪ নিযুত ৬২২ হাজাৰ ৩৩৭ বৰ্গ মিটাৰ; অৰ্থাৎ মুঠ উৎপন্নৰ সতকৰা ১৫.৭ ভাগ। বৰ্তমানৰ বছৰ কেইটাত অৱস্থা এনেকুৱা হৈছেগৈ যে, অসমৰ চাহপাত বাকচৰ বাবে প্ৰয়ো-জনীয় প্লাইউডৰ আধা অংশ অসমৰ বাহিৰৰপৰাহে আনিব লাগে। অসমৰ বাহিৰৰপৰা অনা, বিশেষকৈ পশ্চিমবংগৰপৰা অনা চাহবাকচৰ প্লাইউড আম, কঠাল আদি নিম্নমানৰ কাঠেৰে তৈয়াৰ কৰা বাবে বিদেশলৈ পঠোৱা চাহৰ গুণাগুণ হ্ৰাস পোৱাৰ অভিযোগ উঠিছে। এইটো অৱস্থা চলি থাকিলে আৰু কিছুবছৰৰ পাছতেই ভাৰতৰ চাহে আন্তঃৰাষ্ট্ৰীয় বজাৰত ঘাটি খাব যেন ধাৰণা হয়। আমি এতিয়া সাৱধানেৰে লক্ষ্য কৰিব লাগিব,—প্লাইউড উদ্যোগ গোষ্ঠীটোৰ কুচক্ৰান্তত যাতে অসমৰ চাহ উদ্যোগ-টোৰ সংকট ঘনীভূত নহয়।

জানিবলৈ পোৱা মতে, অসমৰ বনবিভাগে অসমৰ হাবিৰ হলং, মেকাই আদি কাঠ কটাৰ অনুমতি দিওঁতে প্লাইউড মিলৰ মালিকসকলক এই কাঠেৰে কেৱল চাহপাতৰ বাকচৰ প্লাইউডহে তৈয়াৰ কৰা হ'ব বুলি এটা বিশেষ চৰ্তত হেনো মান্তি কৰাই লয়। কিন্তু এই গোষ্ঠীটোৱে চৰকাৰক প্ৰৱঞ্চনা কৰি নাম মাত্ৰ চাহবাকচ বনোৱা প্লাইউড উৎপন্ন কৰি দেখুৱায়। মিলসমূহ পৰিদৰ্শনৰ ব্যৱস্থা চৰকাৰৰ আছে যদিও এই ক্ষেত্ৰত পৰিদৰ্শনকাৰী বিষয়াক ধৰি ৰাজনৈতিক নেতাসকলৰ মুখ বন্ধ কৰি ৰখাৰ উপায় এওঁলোকৰ জনা আছে। তেতিয়া এওঁলোকক আৰু পাই কোনে?

অসমত বৰ্তমানে থকা ৫২ টা প্লাইউড মিলৰ ভিতৰৰে ১৪ টা প্লাই-উড মিলে মুঠ উৎপাদিত প্লাইউডৰ শতকৰা ৭০ ভাগৰো অধিক প্লাইউড উৎপন্ন কৰে। তদুপৰি এইবোৰে ৯৫ ভাগ প্লাইউডেই ডেকৰেটিভ পৰ্যায়ৰ কৰে। এই ডেকৰেটিভ প্লাইউদৰ বাবেই বিদেশ, বিশেষকৈ মধ্য প্ৰাচ্যৰপৰা মিলবোৰে বহু কোটি টকাৰ কৰমাচ লাভ কৰে। অসমৰ উল্লেখযোগ্য মিল কেইটামান হৈছে:

(১) উড ক্ৰাফট, মৰিয়নী, (২) কেলকাত্তা প্লাইউড, লিডু, (৩) আসাম ভিনিয়াৰ কোম্পেনি, মাৰ্ঘেৰিটা, (৪) ভিনিয়াৰ মিলছ প্ৰাইভেট লিমিটেড, তিনিচুকীয়া, (৫) আচাম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পেনি, মাৰ্ঘেৰিটা, (৬) মিৰিষ হিলছ ছ এণ্ড প্লাইউড লিমিটেড, ডিব্ৰু, (৭) উডক্ৰাফ্ট প্ৰডাক্টছ, জয়পুৰ, (৮) নেশ্যনেল প্লাইউড ইণ্ডাষ্ট্ৰিজ, তিনিচুকীয়া, (৯) সাৰদা প্লাইউড ইণ্ডাষ্ট্ৰিজ জয়পুৰ, (১০) আচাম ভেলি প্লাইউদ প্ৰাইভেট লিমিটেড, তিনি-চুকীয়া, (১১) আচাম ভিনিয়াৰ ছ মিল, মাকুম, (১২) হিমালয়ান প্লাইউড ইণ্ডাষ্ট্ৰিজ, তিনিচুকীয়া, (১৩) ধুবুৰী প্লাইউড ফেক্টৰিজ, ধুবুৰী, আৰু (১৪) আচাম প্লাইউড প্ৰডাক্টছ, জয়পুৰ।

আগতেই উল্লেখ কৰা হৈছে যে, অসমত উৎপাদিত প্লাইউডৰ বাহিৰৰ বজাৰত সুনাম আছে। কিন্তু অসমতে উৎপাদিত চাহৰ বজাৰখন যেনেকৈ অসমৰ বাহিৰত, তেনেকৈ প্লাইউডৰ বজাৰখনো অসমৰ বাহিৰতহে আছে। প্লাইউড উদ্যোগবোৰৰ বিক্ৰীকেন্দ্ৰ-বোৰ অসমৰ বাহিৰৰ কলিকাতা, ধানবাদ, ইন্দোৰ, জয়পুৰ, দিল্লী, বোম্বাই, চণ্ডীগড়, মাদ্ৰাজ আদিত হোৱাত তাতেই অসমৰ প্ৰায় ৮০% প্লাইউড বিক্ৰি হয়। ইয়াৰ ফলত অসম চৰকাৰে বিভিন্ন কৰ বাবদ বছৰি প্ৰায় ২ কোটিতকৈ অধিক টকাৰ ৰাজহ হেৰুৱাবলগীয়া হয়। এইবোৰ প্লাইউড অসমতে বিক্ৰি হোৱাহেঁতেন অসম চৰকাৰৰ ৰাজহ ভৰাললৈ এক বুজন পৰিমাণৰ অৰ্থ আহিলহেঁতেন। কিন্তু এই বাহিৰা ব্যৱ-সায়ী চক্ৰটোৱে অসমৰে প্লাইউড নি নিজ নিজ ৰাজ্য চৰকাৰক ধনী কৰিছেগৈ। অসমৰ ক্ষেত্ৰত হোৱা হ'লে ই নিশ্চয় সংকীৰ্ণমনা আঞ্চলিকতাবাদ হ'ল-হেঁতেন। আমাৰ ৰাজ্য চৰকাৰে এই সকলোবোৰ কথা জানি শুনিও কোনো কাৰ্যব্যৱস্থা নোলোৱাৰ অন্তৰালৰ কথাটো আছিল,—চৰকাৰৰ দায়িত্বত থকা ৰাজনৈতিক দলটোৰ পুঁজিলৈ এই উদ্যোগগোষ্ঠীটোৱে এক বুজন পৰিমাণৰ অৰ্থৰ যোগান ধৰে। জন-সাধাৰণৰ অজ্ঞাতে আৰু চৰকাৰৰ পূৰ্ণ-সহযোগিতাত এই পুঁজিপতি গোষ্ঠীটোৱে আমাৰ ওপৰত অৰ্থনৈতিকভাৱে শোষণ চলাই আছে। উদাহৰণৰূপে, ১৯৭৭ চনত মুঠ ৩৬ টা প্লাইউড মিলৰপৰা উৎপাদিত প্লাইউডৰ বাবদ অসম চৰকাৰে কৰ পায় ৩৫ লাখ ৯ হাজাৰ ৯৬৫ টকা, আনহাতে কেন্দ্ৰীয় চৰকাৰে কৰ পায় ৬ কোটি ১৭ লাখ ৮ হাজাৰ ৩৮৬ টকা! এইদৰে বছৰি অসম চৰকাৰে কিমান কোটি টকাৰ ৰাজহ হেৰুৱাইছে হিচাপ কৰক।

> আৰু দুটামান দশকৰ ভিতৰতেই আমাৰ এই অসমৰ প্ৰাকৃতিক ভাৱসাম্য হেৰাই যাব; আমি সন্মুখীন হ'বলগীয়া হ'ব ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ !

প্লাইউড বিক্ৰি ব্যৱস্থাত এতিয়া-লৈকে কোনো চৰকাৰী নিয়ন্ত্ৰণ ব্যৱস্থা আৰোপ কৰা দেখা নাই। ৰাজহুৱা খণ্ডত এনে এটা বিতৰণ আৰু বিক্ৰিৰ ব্যৱস্থা অসম চৰকাৰে গঢ়ি তোলা হ'লে এই প্ৰচুৰ লাভজনক ব্যৱসায়-টোৰপৰা ৰাজ্যখনৰ ৰাজহৰ ভঁৰাললৈ যথেষ্ট অৰ্থ অহাৰ পথ সুগম হ'লহেঁতেন। আগৰ কেইখন ৰাজ্য চৰকাৰৰ এই ব্যৱসায়ী গোষ্ঠীটোৰ লগত স্বাৰ্থ জড়িত থকাত এনে ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ চৰকাৰে বিচৰা নাছিল। কিন্তু বৰ্তমানৰ ৰাজ্য চৰকাৰখনে এনে এটা ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ কথা চিন্তা কৰিব পাৰে।

প্লাইউড উদ্যোগটোৱে আমাক ৰাজহৰ দিশত ক্ষতিগ্ৰস্ততো কৰিছেই, আনহাতে নিয়োগ ব্যৱস্থাতো ই ৰাজ্যখনৰ যুৱক-যুৱতীসকলক সহায় কৰা নাই।

অসমৰ এই প্লাইউড উদ্যোগত কিমান সংখ্যক লোকে নিযুক্তি পাইছে তাৰ সঠিক পৰিসংখ্যা পোৱাটো অতি টান কাম। প্লাইউড মেনুফেকচাৰাৰ্ছ এছোছিয়েশ্যনৰ মতে প্ৰায় ২০ হাজাৰ লোকে প্ৰত্যক্ষভাৱে আৰু ২৫ হাজাৰ লোকে পৰোক্ষভাৱে এই শিল্প উদ্যোগৰ পৰা কৰ্মসংস্থান পাইছে। এই তথ্য প্ৰকৃততে ভুল বুলিহে আমাৰ ধাৰণা। জানুৱাৰী ১-অত ১৯৮১ চনলৈকে মিলৰ বিপৰীতে নিয়োজিত শ্ৰমিকৰ সংখ্যা দেখুওৱা হৈছে। ইয়াত অনিয়মিত



OKDISCD

শ্ৰমিকৰ (casual labour) সংখ্যা ধৰা হোৱা নাই।

১৯৭৯ চনৰ বিধানসভাৰ নিয়োগ পৰ্যালোচনা কমিটিয়ে (Employment Review Committee) দিয়া প্ৰতিবেদন অনুযায়ী প্লাইউড উদ্যোগত মুঠ পঞ্জীবদ্ধ কৰ্মচাৰী-বিষয়াৰ সংখ্যা আছিল ৬,৪৮৯ জন। ইয়াৰে মাত্ৰ ৭৪ জনহে নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি আহিছিল। বাকী ৬,৪১৫ জন লোকে অন্য পন্থাৰে প্লাইউড উদ্যোগত নিযুক্তি লবলৈ সক্ষম হৈছিল। আৰু আচৰিত কথা, যে, মুঠ ৬,৪৮৯ জনৰ ভিতৰত ২,৮৮০ জন (শতকৰা ৪৪%) লোকেই ৰাজ্যখনৰ বাহিৰৰ লোক। বাকী শতকৰা ৫৬ জনৰ ঘৰ অসমতে বুলি দেখুউৱা হৈছে যদিও ইয়াৰ ভিতৰত থলুৱা অসমীয়া লোকৰ হাৰ শতকৰা ৩০ মানহে হ'ব। তেনেদৰে প্লাইউড মিলবিলাকৰ উচ্চপদস্থ বিষয়া যেনে, মেনেজাৰ, এছিষ্টেণ্ট মেনেজাৰ, একাউনটেণ্ট, প্ৰডাকশ্যন মেনেজাৰ, ফেক্টৰি ইঞ্জিনিয়াৰ আদিৰ মুঠ ৮৭ জনৰ ভিতৰত ৬৬ জনেই বাহিৰৰ লোক আছিল। বাকী ২১ জনক অসমৰ বুলি কোৱা হৈছে যদিও এওঁলোকৰ ভিতৰত দুই-এজনহে অসমীয়া; বাকীসকল অসমতে বাসস্থান বুলি দেখুউৱা অনা অসমীয়া। বাহিৰৰপৰা অহা এই বিষয়া-শ্ৰেণীৰ লোকসকলৰো বিশেষ তেনে উচ্চশিক্ষা বা অৰ্হতা নাই। বাহিৰৰপৰা অহা বিষয়া শ্ৰেণী আৰু থলুৱা অসমীয়া বিষয়াসকলৰ ক্ষেত্ৰত থকা দৰমহাৰ বৈষম্যমূলক নীতিটো কিছু মন কৰিবলগীয়া। প্লাইউড মিল দুই-এটাত অতি সাধাৰণ শিক্ষাগত অৰ্হতাৰ এজন বিষয়াই বছৰি ৫৫ হাজাৰ টকা দৰমহা পোৱাৰ বিপৰীতে থলুৱা উচ্চশিক্ষিত অসমীয়া এজনে মাহে ৪০০ টকা পোৱাৰো দৃষ্টান্ত আছে। যথাৰ্থতেই মানসিক হেঁচাত বাধ্য হৈ আমাৰ থলুৱা উচ্চশিক্ষিত এজনে এনে চাকৰি এৰিবলগীয়া হয় আৰু সেই ঠাই অধিকাৰ কৰেহি বিহাৰ, ৰাজস্থানৰ কোনোবা অৰ্ধশিক্ষিত এজনে।

**তালিকা—১**

| বছৰ | মিলৰ সংখ্যা | শ্ৰমিকৰ সংখ্যা |
|---|---|---|
| ১৯৫৬ | ৯ | — |
| ১৯৬০ | ২৪ | ২৩৪১ |
| ১৯৭৮ | ৩৭ | ৫৪৯৯ |
| ১৯৭৯ | ৩৮ | ৬০০৫ |
| ১৯৮১ | ৩৯ | ৫৭৯২ |

উৎস : মুখ্য পৰিদৰ্শক, উদ্যোগ, গুৱাহাটী

আন এটা গুৰুতৰ অভিযোগ মতে, প্লাইউড মিলবিলাকে নিয়োগৰ ক্ষেত্ৰত কোনো নিৰ্দিষ্ট চৰকাৰী নীতি-নিয়ম পালন নকৰে। আনকি বাতৰি কাকতৰ যোগেদিও বিজ্ঞাপন প্ৰচাৰ নকৰে; কৰিবলগীয়া হ'লেও অসমৰ বাহিৰৰ বাতৰি কাকতহে কৰা দেখা যায়। ফলত অসমৰ যুবক-যুৱতীসকলে প্লাইউড উদ্যোগৰ কাম খালী হোৱাৰ কোনো খবৰেই নাপায়।

প্ৰচলিত নিয়ম অনুসৰি চাকৰি খালী হ'লে স্থানীয় নিয়োগ বিনিময় কেন্দ্ৰৰ যোগেদি সকলোৰে জ্ঞাতাৰ্থে জাননী জাৰি কৰিব লাগে। যদি পদটোৰ বাবে উপযুক্ত প্ৰাৰ্থী উক্ত কেন্দ্ৰত নাথাকে, তেতিয়া নিয়োগ বিনিময় কেন্দ্ৰৰপৰা প্ৰমাণপত্ৰ পালেহে আনৰ পৰা কৰ্মী নিযুক্তি দিব পাৰে। কিন্তু এই ধুৰন্ধৰ প্লাইউড ব্যৱসায়ী গোষ্ঠীটোৱে নিয়োগ বিনিময় কেন্দ্ৰক দিয়া জাননীত উচ্চ শিক্ষাগত অৰ্হতাৰ বিপৰীতে অতি কম নিৰিখৰ দৰমহা দেখুৱাই প্ৰাৰ্থী বিচাৰে। স্বাভাৱিকতেই আমাৰ স্থানীয় যুৱক-যুৱতী এনে কামৰ বাবে আকৰ্ষিত নহয়। আৰু ফলত নিয়োগ বিনিময় কেন্দ্ৰৰপৰা উপযুক্ত (?) প্ৰাৰ্থী নথকাৰ প্ৰমাণ পত্ৰ লৈ অসমৰ বাহিৰৰপৰা পাইকাৰী হাৰত অতিকম অৰ্হতাৰ লোকক এই উদ্যোগত নিযুক্তি দিয়েহি। জানিব পৰা মতে, নিয়োগ বিনিময় কেন্দ্ৰৰ কৰ্মসীমা হেনো চৰকাৰী আৰু অৰ্দ্ধ চৰকাৰী প্ৰতিষ্ঠানবোৰতহে। প্লাইউড উদ্যোগকে ধৰি আন ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানবোৰে নিয়োগ সংক্ৰান্তত নিয়োগ বিনিময় কেন্দ্ৰৰ লগত যোগাযোগ নকৰাকৈয়ে প্ৰাৰ্থী নিয়োগ কৰিলে চৰকাৰৰ হেনো একো কৰাৰ উপায় নাই।

বিধান সভাৰ নিয়োগ পৰ্যালোচনা কমিটিয়ে তথ্যসহ সকলো ফহিয়াই দেখুউৱা সত্ত্বেও আগৰ কেইখন ৰাজ্য-চৰকাৰে কোনো দৃঢ় পদক্ষেপ নোলোৱাত আমাৰ সন্দেহ হয় ৰাজ্যখনৰ এনেবোৰ স্বাৰ্থবিৰোধী কামত চৰকাৰৰো হয়তো সমৰ্থন আছিল। আশাকৰোঁ এতিয়াৰ নতুন ৰাজ্য চৰকাৰৰ এই ব্যৱসায়ী গোষ্ঠীটোৰ প্ৰতি কোনো দুৰ্বলতা নাই আৰু সেয়ে এই চৰকাৰে এই উদ্যোগটোৰ নিয়োগ সম্বন্ধীয় সকলো তথ্যপাতি পৰ্যালোচনা কৰি থলুৱা প্ৰাৰ্থীৰ নিযুক্তিৰ পথটো মুকলি কৰিব।

অসমৰে কাঠ লৈ অসমতে প্লাইউড উৎপাদন কৰা এই প্লাইউড মিলবিলাকৰ দুই এটাৰ বাহিৰে প্ৰায়বোৰৰে মুখ্য কাৰ্যালয় কলিকাতাত। প্লাইউড এজেঞ্চি বিলাকৰ ভিতৰত এজনো থলুৱা অসমীয়া নাই। এই সকলোবোৰ ব্যৱসায় উদ্যোগবোৰৰ মালিক গোষ্ঠীৰ পৰিয়ালৰে ভিতৰতেই আবদ্ধ থাকে। আনকি প্লাইউড উদ্যোগবোৰৰ আশেপাশে গঢ় লৈ উঠা সৰুসুৰা দোকান, হোটেলবোৰো এওঁলোকৰে অংহী-বংহীৰ।

প্লাইউড শিল্পত সকলো প্ৰকাৰ কাঠ ব্যৱহাৰ কৰিব নোৱাৰি। ইয়াৰ কাৰণে বিশেষ কিছুমান জাতৰ কাঠৰ প্ৰয়োজন। অসমৰ হাবিত পোৱা হলং আৰু মেকাই কাঠ প্লাইউড শিল্পৰ বাবে অতি উপযোগী। এইবিলাক গছ অসমৰ ডিব্ৰুগড় জিলা— অৰুণাচল প্ৰদেশ, আৰু শিৱসাগৰ জিলা— নাগালেণ্ড সীমান্ত অঞ্চলৰ হাবিত প্ৰচুৰ পৰিমাণে পোৱা যায়। এই দুয়োবিধ গছ প্ৰায় ১২০ ফুট পৰ্যন্ত ওখ হয়। গছবিলাকৰ ডালপাত তেনেকৈ নাথাকে। আপেক্ষিকভাৱে এই দুবিধ কাঠৰ ওজনো যথেষ্ট কম। ইয়াৰ উপৰিও চম্পা, শলখ, জুটুলি, বৰপাত, গোগৰা গছৰ কাঠৰপৰাও কিছু নিম্নমানৰ প্লাইউড তৈয়াৰ হয়।

প্লাইউড উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচাসামগ্ৰী অৰ্থাৎ কাঠ অসমৰ বনাঞ্চলৰপৰাই প্ৰধানকৈ আহৰণ কৰা হয়। চৰকাৰে এইবোৰ মিললৈ কিছু ৰেহাই মূল্যতো কাঠৰ যোগান ধৰে। বজাৰত যি কাঠৰ দাম ঘনমিটাৰত ১৪৮৫ টকা, সেই কাঠ অসমত চাহ-বাকচৰ প্লাইউডৰ বাবে বেচা হয় মাত্ৰ ৫০০ টকাত আৰু ডেক'ৰেটিভ প্লাইউডৰ বাবে বেচা হয় ৭৪০ টকাত! ১৯৫৬ চনলৈকে প্লাইউড মিলবিলাকে অসমৰ কাঠেৰেই নিজৰ চাহিদা পূৰণ কৰিব পাৰিছিল, কিন্তু লাহে লাহে সংখ্যা বৃদ্ধি পোৱাত প্লাইউড মিলবিলাকে কাষৰীয়া নাগালেণ্ড, অৰুণাচলৰ কাঠৰ ওপৰতো নিৰ্ভৰ কৰিব লগা হ'ল। অসমৰ বনবিভাগে এই প্লাইউড মিলবিলাকলৈ শতকৰা মাত্ৰ ২০ ৰপৰা ৩৫ ভাগহে কাঠৰ যোগান ধৰে। কিছু বছৰৰ আগৰ এটা তথ্য মতে ৪০টা প্লাইউড মিলৰ মুঠ প্ৰয়োজনীয় বছৰি ৩লাখ ১ হাজাৰ ৪৩৩ ঘনমিটাৰ কাঠৰ ভিতৰত অসমৰ বনবিভাগৰ পৰা পোৱা গৈছিল ৫০ হাজাৰ ৬১৪ ঘনমিটাৰ অৰ্থাৎ, ১৭ শতাংশ। তেন্তে বাকী ৮৩% কাঠ প্লাইউড মিলবিলাকে ক'ৰপৰা সংগ্ৰহ কৰিছিল? প্লাইউড মিলবিলাকে স্বীকাৰ কৰা মতে, "তেওঁলোকে ৩৫% কাঠ হেনো অসমৰ মুকলি বজাৰৰপৰা কিনে! আমি জনাত অসমৰ কোনো ঠাইত এনেদৰে কাঠৰ বৃহৎ মুকলি বজাৰ নাই। আচলতে এই ব্যৱসায়ী গোষ্ঠীটোৰ লগত একেলগ হৈ বনবিভাগৰ কিছুমান লোকেই এক বৃহৎ পৰিমাণৰ কাঠ চুৰ কৰি মুকলি বজাৰৰ নামত বিক্ৰি কৰেহি। চৰকাৰী অনুজ্ঞাপত্ৰ অনুসৰি যিমান কাঠ কটা হয়, তাৰ দুগুণ পৰিমাণৰ কাঠ বনবিভাগৰ বিষয়াসকলৰ সহযোগত কটা হয়। বৰ্তমান এই কেইমাহত এনে কাৰবাৰ কিছু হ্ৰাস পাইছে যদিও আগৰ বছৰ কেইটাত এই চক্ৰটোৱে অসমৰ অৰণ্যৰ ওপৰত অতি নিৰ্মমভাৱে অত্যাচাৰ চলাইছিল।

আনহাতে বাকী থকা ৪৫% কাঠো অৰুণাচল, নাগালেণ্ডৰপৰা অনা বুলি কোৱা হয় যদিও প্ৰকৃততে ইয়াৰ সৰহ সংখ্যকেই অসমৰ হাবিৰ কাঠ! আগতেই কোৱা হৈছে যে, প্লাইউড শিল্পৰ বাবে প্ৰয়োজনীয় হলং, মেকাই আদিৰ হাবি অসমৰ অৰুণাচল আৰু নাগালেণ্ডৰ সীমান্তত অৱস্থিত। সেয়ে কাঠৰ মহলদাৰে নাগালেণ্ড বা অৰুণাচলৰ কাঠ কটাৰ 'পাৰমিট' এখন হাতত লৈ অসমৰে কাঠ কাটি তহিলং কৰিছে। অসমৰ বনবিভাগক ভুৱা দিবৰ বাবে এনে 'পাৰমিট' হেনো কিনিবলৈ পোৱা যায়। অসমৰ অৰুণাচল আৰু নাগালেণ্ডৰ লগত সীমাৰ কোনো চিহ্ন আদি নথকাত তিনিওখন ৰাজ্যৰ অৰণ্য একাকাৰ হৈ পৰিছে; ফলত বেছিকৈ ক্ষতিগ্ৰস্ত হৈছে আমাৰ অসমৰ অৰণ্য। যোৱা কেইবছৰমানত অসমৰ শিৱসাগৰ-নাগালেণ্ড সীমান্তত চোৰাং কাঠ ব্যৱসায়ীসকলৰ লগত অসমৰ বনবিভাগৰ কৰ্মীসকলৰ প্ৰায়েই খণ্ডযুদ্ধৰ বাতৰি পোৱা গৈছিল। যোৱা বছৰতে সীমান্তৰ সোণাৰী-অভয়পুৰ অঞ্চলত চোৰাং কাঠ ব্যৱসায়ীসকলক কাঠ কটাত বাধা দিবলৈ যাওঁতে কেইবাজনো সৎ বনকৰ্মচাৰী মৃত্যুৰ মুখতো পৰিবলগীয়া হয়। এইদৰে অসমৰ অৰণ্য আৰু কিমান দিন থাকিব? ৰাষ্ট্ৰীয় বননীতি অনুসৰি মুঠ মাটিকালিৰ শতকৰা ৩৩ ভাগ বনাঞ্চল হ'ব লগাৰ বিপৰীতে অসমৰ মাত্ৰ ২২.৭% হে বনাঞ্চল। এটা চৰকাৰী সমীক্ষাৰ পৰাই দেখা যায় এই বনাঞ্চল বছৰি ১.২৪% হাৰত হ্ৰাসহে পাইছে! বিশেষকৈ ৰাজ্য চৰকাৰৰ অদূৰদৰ্শী নীতি, বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ দুৰ্নীতি আৰু জনসাধাৰণৰ অজ্ঞতাৰ বাবেই আৰু দুটামান দশকৰ ভিতৰতেই আমাৰ এই অঞ্চলৰ প্ৰাকৃতিক ভাৰসাম্য হেৰাই যাব; আমি সন্মুখীন হ'বলগীয়া হ'ব ভয়াবহ প্ৰাকৃতিক দুৰ্যোগৰ!

এতিয়া নাগালেণ্ড আৰু অৰুণাচলে ৰাজ্যৰ বাহিৰলৈ কাঠ যোগান ধৰাত বাধা দিয়া বাবে অসমৰ প্লাইউড উদ্যোগত কেঁচামালৰ কিছু সংকটে দেখা দিছে। আজি কেইবছৰ মানৰ আগৰে পৰা এই প্লাইউড উদ্যোগসমূহ জাতীয়কৰণ কৰিব লাগে বুলিও এটা দাবী সঘনাই উচ্চাৰিত হৈছিল। কিন্তু সঁচাকৈয়ে যদি কাঠৰ অভাৱ হৈছে তেন্তে জাতীয়কৰণ কৰি এই প্লাইউড উদ্যোগৰ যন্ত্ৰপাতিখিনি চৰকাৰৰ অধীনলৈ আনিলে কাৰ লাভ হ'ব? জাতীয়কৰণ কৰিলেই প্লাইউড উদ্যোগটোৱে আমাৰ থলুৱা স্বাৰ্থ ৰক্ষা কৰিব পাৰিবনে? জাতীয়কৰণৰ সলনি সম্ভৱপৰ হ'লে পূৰ্বাঞ্চলৰ আটাইকেউখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ প্লাইউড মিলবিলাকক এটা প্লাইউড নিগমৰ (Plywood Corporation) অধীনলৈ আনি পৰিকল্পিতভাৱে পূৰ্বাঞ্চলৰ বনজ সম্পদৰ সংৰক্ষণ কৰিব পৰা যায়।

বৰ্তমানৰ জটিল পৰিস্থিতিৰ এই সময়ছোৱাত এই সমস্যাবোৰ আমাৰ নতুন চৰকাৰখনে সাৱধানেৰে বিচাৰ কৰি থলুৱা স্বাৰ্থ সম্পূৰ্ণভাৱে ৰক্ষিত কৰিব বুলি আমি নিশ্চয় আশা কৰিব পাৰোঁ।




OKDISCD

# ধূমকেতুৰ দীঘল নেজডাল সৰে কিয় ?

ড° অখিল কুমাৰ ডেকা

এইবাৰ হেলিৰ ধূমকেতু সম্পৰ্কে বিশ্ব জুৰি প্ৰচাৰ কাৰ্য চলা কাৰণে ধূমকেতু সম্পৰ্কে বিজ্ঞানৰ বহু কথা সাধাৰণ মানুহেও জানিব পাৰিছে আৰু এই সংক্ৰান্তত অন্ধবিশ্বাস আৰু অজ্ঞানতা কিছু পৰিমাণে আঁতৰিছে। বিভিন্ন দেশে গোটোৱা বৈজ্ঞানিক তথ্যপাতিবিলাক লাহে লাহে প্ৰকাশ হৈ থাকিব। আকাশৰ বিষয়ে জানিবলৈ আমাৰ এই অঞ্চলৰ মানুহৰো যে আগ্ৰহ বৃদ্ধি হ'ল, সেই বিষয়ে সন্দেহ নাই। আমাৰ অঞ্চলত আকাশ নিৰীক্ষণ কাৰ্যও আৰম্ভ হোৱাৰ প্ৰয়োজন আছে। অসম চৰকাৰে অলপতে স্কুল-কলেজত দিয়া দূৰবীন যন্ত্ৰৰ ব্যৱহাৰ হ'লে আকাশ নিৰীক্ষণৰ পৰিৱেশ এটাৰ আমাৰ ইয়াতো সৃষ্টি হ'ব।

ধূমকেতুৰ বিষয়ে জানিবলৈ মানুহৰ আগ্ৰহ যে যথেষ্ট, সেই কথা কেইবাখনো সভাত পৰিলক্ষিত হৈছিল। ধূমকেতুৰ সম্পৰ্কে প্ৰায়ে সোধা আমোদজনক প্ৰশ্ন এটাৰ বিষয়ে অলপ তথ্য প্ৰান্তিকৰ পাঠকলৈ আগবঢ়ালো।

ধূমকেতুৰ দীঘল নেজডালৰ কি হয়? ধূমকেতু সূৰ্যৰপৰা দূৰলৈ আঁতৰি যাওঁতে ক্ৰমে চুটি হৈ অহা নেজডাল সৰি যায়নে? নে সেইডাল ধূমকেতুতে পৰি জাহ যায়?

বৰ্তমান হেলিৰ ধূমকেতু সূৰ্য আৰু পৃথিৱীৰপৰা আঁতৰি গৈ আছে। ধূমকেতু এটা বৰফৰ পিণ্ডহে মাত্ৰ। সূৰ্যৰ ওচৰলৈ আহি থাকোঁতে প্ৰায় চল্লিছ কোটি কিল'মিটাৰমান আঁতৰৰপৰা প্ৰথমতে পানীৰ বৰফ আৰু পাছলৈ মিথেন, এম'নিয়া আৰু কাৰ্বন-ডাই-অক্সাইডৰ বৰফ, আৰু শেষত ধাতৱীয় পদাৰ্থসমূহো গলি গৈ প্ৰচুৰ বাষ্পৰ সৃষ্টি হ'বলৈ ধৰে। গোটেই ধূমকেতুটোতে এই কাম সুষমভাৱে চলে; কাৰণ ধূমকেতুৰ আবৰ্তন গতি আছে আৰু ক্ৰমে সকলো অংশ সূৰ্যৰ পিনলৈ আহে! (হেলিৰ ধূমকেতুৰ আবৰ্তন কাল প্ৰায় ২ ঘণ্টা) ধূমকেতুৰ লগত মিহলি হৈ থকা মহাকাশজাতীয় (চিলিকা) ঘূণুলা বা ধূলিও ওলাই আহি গেছৰ মিহলি হৈ ধূমকেতুৰ চাৰিওপিনে গেছ-ধূলিৰ বায়বীয় মণ্ডল এটাৰ সৃষ্টি হয়। সূৰ্যৰ ওচৰত মণ্ডলটোৱে অতিপাতভাৱে উত্তপ্ত হৈ পোহৰ বিলাবলৈ ধৰে আৰু এনেদৰে কেন্দ্ৰীয় অংশ বা নিউক্লিয়াছটোৰ চাৰিওপিনে এটা ঘন উজ্জ্বল বলয় বা ক'মাৰ সৃষ্টি হয়। সূৰ্যৰ তীব্ৰ পোহৰৰ চাপে সম্মুখৰ গেছ-ধূলিৰ মণ্ডলটোক ঠেলি বিপৰীত পিনে কোটি কোটি কিল'মিটাৰ দীঘল কৰি পাতল নেজডালৰ সৃষ্টি কৰে। সৌৰ বতাহেও (সূৰ্যৰ পৰা ওলোৱা বেগী ইলেকট্ৰন আৰু প্ৰ'টন) মণ্ডলটোক (আয়নবিলাকক) নেজৰ পিনে টানি লৈ যায়। এটা গেছ বা ধূলিকণাক ধূমকেতুৰ মহাকৰ্ষণ বলে নিজৰ কেন্দ্ৰৰ পিনলৈ টানি বান্ধি ৰাখিবলৈ বিচাৰে, কিন্তু পোহৰ ৰশ্মি বা বিকিৰণে ইয়াক আঁতৰলৈ ঠেলি পঠাবলৈ বিচাৰে। মন কৰিবলগীয়া কথা হ'ল যে ধূমকেতুৰ মহাকৰ্ষণ বল বৰ দুৰ্বল কাৰণেহে পোহৰৰ বিকৰ্ষণমূলক চাপে গেছীয় মণ্ডলটোৰ ওপৰত শক্তিশালী প্ৰভাৱ পেলাবলৈ সমৰ্থ হয়। উদাহৰণ স্বৰূপে, ৫ কিল'মিটাৰ মান ব্যাসৰ নিউক্লিয়াছৰ ধূমকেতু (যেনে, হেলিৰ) এটাৰ মহাকৰ্ষণ বল পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিতকৈ প্ৰায় ১৪,০০০ ভাগতকৈও কম। আকৌ, অৱস্থাবিশেষে পোহৰৰ চাপ ধূমকেতুৰ মহাকৰ্ষণ বলতকৈ কেইবাহাজাৰ গুণে ডাঙৰ হ'ব পাৰে। এনে অৱস্থাত পোহৰৰ চাপে মহাকৰ্ষণৰ বিপৰীত দিশে ধূমকেতুৰ নেজ ডালক অতিপাত দীঘল কৰি পেলায়। প্ৰথমতে সূৰ্যৰ পিনলৈ ওলাই অহা গেছখিনিও পাছত পোহৰে নেজডালৰ পিনে থেলি লৈ যায়। ধূমকেতুৰ নেজ সেই কাৰণে সদায় পিছপিনে থাকে। ক'মা আৰু নেজৰ বহু আঁতৰৰ পদাৰ্থবিলাকক দুৰ্বল মহাকৰ্ষণে বান্ধি ৰাখিব নোৱৰা হেতুকে ক্ৰমে পদাৰ্থখিনি মহাকাশত হেৰাই যায়।

ইয়াৰ উপৰিও, এটা আমোদজনক কথা হ'ল যে এবাৰ বাষ্পীভূত হৈ যি গেছীয় মণ্ডলটোৰ সৃষ্টি হয়, পোহৰে চাপ দিয়ক বা নিদিয়ক ধূমকেতুৱে তাক ধৰি ৰাখিব নোৱাৰে। ইয়াৰ কাৰণ হ'ল একেবাৰে কম বেগৰ বস্তুৱেও ধূমকেতুৰ মহাকৰ্ষণ বল অতিক্ৰম কৰি মহাকাশৰ বুকুলৈ গুচি যাব পাৰে। হেলিৰ ধূমকেতুৰ ক্ষেত্ৰত এই নিম্নতম বেগৰ মান বা পলায়নবেগ মাত্ৰ প্ৰায় ১'৮ মিটাৰ প্ৰতি ছেকেণ্ডত। পৃথিৱীৰ ক্ষেত্ৰত এই বেগ বৰ বেছি ১১,২০০ মিটাৰ প্ৰতি ছেকেণ্ডত। উত্তপ্ত গেছীয় মণ্ডলটোৰ অধিকাংশ পৰামাণু আৰু আয়নে এই বেগতকৈ বহুগুণে বেছি বেগ লৈ গতি কৰি থাকে কাৰণে গেছ-ধূলিৰ মণ্ডলটো সৃষ্টি হোৱাৰ লগে লগে বিস্তাৰিত হৈ লক্ষ লক্ষ কিল'মিটাৰ দূৰত্বলৈ বেগেৰে ওফন্দি উঠে আৰু গেছ ধূলিৰ গোটেই মণ্ডলটো অৱশিষ্ট কঠিন সাহ বা নিউক্লিয়াছটোৰ পৰা বিচ্ছিন্ন হৈ কালক্ৰমত মহাকাশত হেৰাই যায়। ধূমকেতুৰ লেহেকা ধূনীয়া দীঘল নেজডালো মহাশূন্যত হেৰাই যায় বা বিচ্ছিন্ন হৈ পৰে। সূৰ্যৰ ওচৰত থকা অৱস্থাত নতুন বাষ্প সৃষ্টি হৈ থাকে কাৰণে নেজডাল অনবৰতে নতুন পদাৰ্থৰে ভৰি থাকে যদিও, পদাৰ্থ হেৰুউৱা উক্ত প্ৰক্ৰিয়াটো অবিচ্ছিন্নভাৱে চলি থাকে। এনেদৰে প্ৰতিবাৰে সূৰ্যক প্ৰদক্ষিণ কৰাৰ পাছত অলপ অলপ পদাৰ্থ হেৰুৱাই ধূমকেতু সৰু হৈ পৰে।



# কামেং নৈৰ পাৰত

সমুদ্ৰ গুপ্ত কাশ্যপ

অৰুণাচল প্ৰদেশ চৰকাৰৰ পৰ্যটন বিভাগৰ এখনেই বাছ। তেজপুৰ আৰু ব'মডিলাৰ মাজত চলে। এদিন যদি তেজপুৰলৈ নামে, তেন্তে পাছদিনা পুৱা ব'মডিলালৈ উঠে। জীয়া ভৰলীৰ কাষেকাষে অকোৰা-পকোৰা পাহাৰীয়া বাট। বনভোজৰ ঠাই ভালুকপুঙত আন্তঃৰাজ্যিক তালাছী চকী; সশস্ত্ৰ প্ৰহৰীয়ে ইনাৰ-লাইন পাৰ্মিট চায়। চাৰিঘণ্টা যাত্ৰাৰ পাছত জামিৰি পইণ্ট ;—গুৱাহাটী শ্বিলং পথৰ নংপোৰ দৰে, কিন্তু আকাৰত সৰু। ভালে-বেয়াই তিনিখন ভাতৰ দোকান; দুখন তামোল-পাণ-ছিগাৰেটৰ।

বাটত অইন গাড়ী-মটৰ তেনেকৈ নাই। কাচিৎ কেতিয়াবা একোখন ট্ৰাক,—ভৈয়ামৰপৰা চাউল-দাইল-নিমখ কঢ়িউৱা। হয়তো এখন-দুখন জিপ-গাড়ী, পাহাৰত কাম লোৱা অনা-অসমীয়া (অনা-উত্তৰ-পূৰ্বী ?) ঠিকাদাৰৰ। আৰু দুই-চাৰিখন মিলিটেৰিৰ গাড়ী।

আমাৰ যাত্ৰাত অৱশ্যে মিলিটেৰিৰ গাড়ীৰ সংখ্যা আন সময়তকৈ বেছি চলিছিল। টাৱাঙলৈ গৈছে। সীমান্তত চীনা সৈন্যই হাৰি চিকুণাই হেলিকপ্টাৰ নমোৱাৰ বাতৰি শিৰোনামাত আছিল।

জামিৰি পইণ্টৰপৰা চল্লিছ মিনিট উঠিলেই টেঙা ভেলি। ভাৰতীয় সৈন্যৰ ডাঙৰ ঘাটি। টিনপাতৰ, তম্বুৰ বা পকীবেৰৰ জলফাইৰ দৰে সেউজীয়া শাৰী শাৰী ঘৰ,— শিবিৰ। শাৰী শাৰী ট্ৰাক, জিপ। পাহাৰী নিজৰাৰ ওপৰত ওলমা দলং। বিভিন্ন বেশত জোৱানসকলৰ নিত্য-নৈমিত্তিক কুচ-কাৱাজ আৰু ব্যায়াম।

সুউচ্চ পৰ্বতৰপৰা নামি অহা কুলু কুলু নিজৰা ;— দুখন-চাৰিখনকৈ মিলি য'ৰপৰা কামেং নৈ আৰম্ভ হৈছে, তাতে কণমানি চহৰ ৰূপা। ঠিক চহৰ নহয়, চাৰিওকাষৰ মিলিটেৰি কেম্পক কেন্দ্ৰ কৰি গঢ়ি উঠিব খোজা দহ-বাৰখন দোকানৰ সমষ্টি।

আৰু ডেৰ-দুঘণ্টা উঠিয়েই ব'মডিলা। স্থানীয় মনপা দোৱান মতে —সুন্দৰী গাভৰুৰ পৰ্বত! ৩০০০ মিটাৰ উচ্চতাত সৰু চহৰ। শিমলু তুলাহেন ডাৱৰৰ মাজত এই লুকায়, এই ওলায়।



মনপা গাভৰুৰ হাঁহি : আনুষ্ঠানিক শিক্ষাৰ প্ৰতি জনজাতিসকলৰ আগ্ৰহ বৃদ্ধি পাইছে

চহৰখনৰ জনসংখ্যা পাঁচ হাজাৰৰ বেছি নহ'ব। যিকোনো মানুহৰ সৈতে অসমীয়াত কথা পাতিব পাৰি ;— ভগা ভগা অসমীয়া; তাতে দুই-চাৰিটা হিন্দী শব্দ। অকোৰা-পকোৰাকৈ টিলাবোৰত পাক খাই থকা পকী বাটটোৰ দুয়োকাষে টিনৰ চালৰ আছাম-টাইপ চৰকাৰী ঘৰ,— অফিচ আৰু বাসগৃহ।

পৰ্যটন বিষয়া ন্যিকেন ললিনে গুৱাহাটী বিশ্ববিদ্যালয়ত আইন পঢ়িছিল। তেৱেঁই প্ৰথমে ক'লে চৰকাৰী চাকৰিয়ালৰ ভিতৰত সৰহখিনিয়েই অসমীয়া। উপায়ুক্তৰ কাৰ্যালয়, পুলিছ অধীক্ষকৰ কাৰ্যালয়, হস্পিটেল— সকলোতে যথেষ্ট ভৈয়ামৰ লোকে কাম কৰে। বিষয়াৰপৰা কেৰাণীলৈকে বিভিন্ন পদত।

স্কুল চাৰিখন— এখন হায়াৰ ছেকেণ্ডেৰি, দুখন প্ৰাইমেৰি আৰু এখন কিণ্ডাৰ-গাৰ্টেন। হায়াৰ ছেকেণ্ডেৰি স্কুলখনত কলা আৰু বিজ্ঞান দুয়োটা বিভাগেই আছে। জিলাখনৰ ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীও ইয়াত পঢ়িবলৈ আহিছে। ল'ৰা আৰু ছোৱালীৰ বাবে হোষ্টেল আছে। জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰচুৰ স্কলাৰশ্বিপ আছে; —হোষ্টেলত থকা-খোৱাৰ খৰচ এই স্কলাৰশ্বিপৰ পৰাই মিলি যায়।

স্কুলীয়া ছাত্ৰ-ছাত্ৰীবোৰৰ মুখতো সাধাৰণতে অসমীয়াই শুনি;— সেই হিন্দী আৰু ভগা-ভগা অসমীয়া। অষ্টম শ্ৰেণীলৈকে হিন্দী আৰু অসমীয়া বাধ্যতামূলক বিষয়। তাতে অসমীয়া, বাঙালী আৰু জনজাতি ছাত্ৰ-ছাত্ৰীৰ সংখ্যা প্ৰায় সমান-সমান।

চৰকাৰী কাৰ্যালয়বোৰত কিন্তু বেছিভাগ কেৰাণীয়েই অসমীয়া বা বাঙালী। কাৰণটোও বেছ মন কৰিব



OKDISCD

লগীয়া: এতিয়াও অৰুণাচলত মাত্ৰ দুখনহে কলেজ আছে। তাৰপৰা বছৰেকত যিকেইজন জনজাতিৰ স্নাতক ওলায় তেওঁলোক ৰাজ্যৰ নিয়মানুসাৰে পোনেপোনেই বিষয়াৰ চাকৰিত মকৰল হয়। আৰু যিসকল স্কুল পাৰ হৈ কলেজত সোমায়, তেওঁলোকৰো মোটামুটি বেছিভাগেই স্নাতক হৈহে ওলায়। তেনেস্থলত থলুৱা লোকৰ মাজত কেৰাণীৰ পদ পূৰাব পৰাকৈ প্ৰচুৰ স্নাতক এতিয়াও ওলাবলৈ বাকী; আৰু তাৰ পৰিণাম—ভৈয়ামৰ লোকৰ সংখ্যা বৃদ্ধি।

এজনে আৰু এটা মন কৰিবলগীয়া কথা ক'লে: ৰাজ্যখনৰ উপৰাজ্যপালজন, আন বিষয়াসকল যিখন ৰাজ্যৰ পৰা আহে, তেওঁৰ সময়ত সেইখন ৰাজ্যৰ লোকেৰে অৰুণাচল ভৰি পৰে!

মনপাসকলেই ব'মডিলাৰ (পশ্চিম কামেং জিলাৰ) প্ৰধান বাসিন্দা। শান্ত, ধাৰ্মিক এওঁলোক। ধৰ্মত বেছি সংখ্যকেই বৌদ্ধ। লামা-নেতৃত্বৰ মহাযান বৌদ্ধ। তাতে অদ্ভুতভাৱে সংমিশ্ৰিত হৈছে থলুৱা জনজাতিৰ পৰম্পৰাগত জনবিশ্বাস আৰু কিঞ্চিত হিন্দুধৰ্মৰ প্ৰভাৱ।

ব'মডিলা চহৰখনত যেন ভগবান বুদ্ধই অনবৰতে চকু ৰাখে; টিলাবোৰৰ টিঙত আৰু নামনিত দুটা গোম্পা—বৌদ্ধ-মন্দিৰ— চহৰখনৰ যিকোনো ঠাইৰপৰা জিলিকি থাকে। নামনিৰ গোম্পাটো কিছু পুৰণি;— সঠিককৈ বছৰৰ হিচাপ এটা কোনেও দিব নোৱাৰিলে। খেনোৰ মতে পঞ্চাছ বছৰ, খেনোৰ মতে চল্লিছ। ওপৰৰটো চীনা-যুদ্ধৰ সময়ৰ। সীমান্তইদি চীনা সোমাই আহোঁতে ত্ৰাসত ভাগি অহা লামাসকলক তাত চৰকাৰে মাটি পট্টন দি বহুৱাইছিল।

লামাসকলো বিচিত্ৰ লোক। ভৈয়ামৰ বৌদ্ধ পুৰোহিতৰ দেখিয়াকৈ এওঁলোকে হালধীয়া কাপোৰ নিপিন্ধে—; এওঁলোকৰ পোছাক ডাঠ ৰঙা বা চকলেট ৰঙৰ। কাপোৰৰ ডিজাইনটোও তিব্বতীয়। যুৰ থুকুৰা। এওঁলোক ধৰ্ম-প্ৰচাৰক আৰু পুৰোহিত। লামাৰ বিবাহ নিষিদ্ধ।

লামাৰ বাছনিও বিচিত্ৰ। কোনখন গাঁৱত কাৰ ঘৰত ভৱিষ্যতে লামা হ'বলগীয়া ল'ৰা জন্মিব, সেই কথা দলই লামাই আগতীয়াকৈ কৈ দিয়ে। কোনো কোনো ক্ষেত্ৰত বোলে কাৰোবাৰ ঘৰত ল'ৰা জন্মিলে শংখ-ঘণ্টাও বাজে। তেনেকুৱা হ'লে সেই ল'ৰাক গোম্পালৈ দি দিব লাগে। সত্ৰলৈ গোঁসাই-ভকত দিয়াৰ দৰে।

ডাঙৰ হ'লে লামা হ'বলগীয়া ল'ৰাবোৰক গোম্পাৰ লগতে থকা বিদ্যালয়ত ধৰ্ম-শিক্ষা দিয়া হয়। এটা বয়সত এওঁলোক গোম্পাৰ লামা হয়গৈ। টাৱাঙৰ দৰে ডাঙৰ গোম্পাত লামা হোৱাসকলক কিছুদিন ধৰমশালাত (হিমাচল প্ৰদেশ) থকা দলই লামাৰ ওচৰলৈ পঠোৱা হয়। একোটা গোম্পাত দুইৰপৰা চাৰিজন পৰ্যন্ত লামা থাকে। এওঁলোকৰ খৰচ-পাতি-সমূহ ৰাইজে কৰা দান-দক্ষিণাৰপৰা সংগ্ৰহ কৰি একোখন কমিটিয়ে বিতৰণ কৰে। লামাসকলে ভক্তৰপৰা পূজা-পাতলৰ বাবদ ধন সংগ্ৰহ নকৰে; ভক্তই দক্ষিণাৰ বাকছত নিজে ধন ভৰাই থৈ আহিব লাগে।

চহৰখনৰ বজাৰ বুলিবলৈ দুশাৰী-মান দোকান। একেখন দোকানতে চাউল-দাইল, বিস্কুট-'মেগি', চাহপানী, শাক-পাছলি সকলো পোৱা যায়।

চাউল-দাইল আদি ৰেছন-সামগ্ৰী ভৈয়ামৰপৰা যায়। পাহাৰৰ লোকে কিন্তু আলু, কবি, গোমধানৰ প্ৰচুৰ খেতি কৰে। বন্ধাকবিৰ মূল্য প্ৰতি কেজিত এটকাৰপৰা ডেৰটকা। আলুৰো একেই দৰ।

নৱেম্বৰৰ মাজভাগৰপৰা বৰফ পৰে। মাৰ্চ পৰ্যন্ত। প্ৰতিঘৰতে, প্ৰতিটো অফিছতে কাঠৰ ভুচি বা কয়লাৰ চুলা বা বুখাৰি আছে।

বজাৰ-দোকানত আৰু এটা আচৰিত কথা দেখিলো: দোকানৰ বেছিভাগেই মহিলাই চলায়। পোছাকৰপৰাই ধৰিব পাৰি এই মহিলাসকল অৰুণাচলৰ থলুৱা নহয়, তিব্বতী লোকহে। আৰু সেয়ে হ'বলা ব'মডিলাৰ দেৱালত দেখিলো— Go back refugees to settlement colonies.

## দলই লামাৰ মতে

চীনে বলপূৰ্বকভাৱে তিব্বত অধিকাৰ কৰিবৰ ৩০ বছৰেো বেছি হ'ল। এই কালছোৱাত আমাৰ ধৰ্ম আৰু সংস্কৃতি বিনষ্ট কৰা হৈছে। তিব্বতৰ জনসাধাৰণ কায়িক আৰু অৰ্থনৈতিকভাৱে বঞ্চিত হৈছে। বলপূৰ্বক অধিকাৰৰ ফলত ১·২ নিযুত লোকৰ মৃত্যু ঘটিল। তথাপি তিব্বতীয়সকলে বৈশিষ্ট্যপূৰ্ণ জাতীয়তা নেহেৰুৱাকৈ থাকিবলৈ চেষ্টা চলাইছে। আমাৰ সীমান্তৰ সিপাৰৰপৰা চীনা অনুপ্ৰবেশৰ যি ঢল বৈছে তাত মিলি যোৱাৰ বা তাৰ দ্বাৰা নিশ্চিহ্ন হৈ যোৱাৰ আতংকই আমাক খুলি খুলি খাইছে।

এই শতিকাৰ আৰম্ভণিতে নিজস্ব সংস্কৃতি আৰু পৰম্পৰাৰে মাঞ্চুসকল এটা বেলেগ জাতি আছিল। বৰ্তমান মাঞ্চুৰিয়াত দুইৰপৰা তিনি নিযুতমানহে মাঞ্চুৰিয়ান আছেগৈ; প্ৰায় ৭৫ নিযুত চীনা লোকে সেই ঠাই ছানি পেলাইছে। পূব তুৰ্কিস্তানত (যাক চীনে আজিকালি ছিংকিয়াং বোলে) ১৯৪৯ চনত ২ লাখ চীনা সোমাইছিল। আজি তাত তেওঁলোকৰ সংখ্যা সাত নিযুত হৈছে। ইনাৰ মংগোলিয়া অধিকাৰ কৰাৰ পাছত তাত এতিয়া চীনাৰ সংখ্যা ৮·৫ নিযুত; মংগোলৰ সংখ্যা মাত্ৰ ২·৫ নিযুত।

উত্তৰ-পূব তিব্বতৰ কক'নৰ নামে যি অঞ্চলত মোৰ জন্ম হৈছিল, তাত বৰ্তমান ৭ লাখ তিব্বতীয়ৰ বিপৰীতে ২৫ লাখ চীনা লোকে বাস কৰে। এইটো হিচাপ চীনা কাকত এখনতে ওলাইছে। তথাকথিত স্বায়ত্ত শাসিত তিব্বতত চীনাসকলে বিশেষ মনোযোগ দিয়া বুলি দাবী কৰে। অথচ আমাৰ এই এলেকালৈ নিতৌ নতুন নতুন চীনা সৈন্যৰ দল আহিয়েই আছে।

অমূল্য ধৰ্মীয় মূৰ্তিবোৰ, পেইন্টিং, প্ৰাচীন আ-অলংকাৰেৰে সজ্জিত আমাৰ মন্দিৰবোৰ লুটি নিয়া হৈছে। সৰু-ডাঙৰ প্ৰায় ৬,২০০ টা মন্দিৰ ধ্বংস কৰা হৈছে। সংস্কৃত, পালি আৰু তিব্বতীয় ভাষাত লিখা প্ৰাচীন ধৰ্ম-পুথিবোৰৰ কোনো চিন-চাবেই নাইকিয়া হৈছে।

চীনাৰ হাতত তিব্বতীয়সকলে ভোগা কষ্টৰ সীমা নাই। অথচ যোৱা তিনিটা দশকত তিব্বতৰ উন্নয়নৰ বাবে হেনো চীনে ১৭০ কোটি ডলাৰ ধন খৰচ কৰিছে! তেওঁলোকে যে এই ধন ২,৫০,০০০ চীনা সৈন্যৰ ভৰণ-পোষণত খৰচ কৰিছে সেই কথা কিন্তু কাহানিও উল্লেখ নকৰে।

কোনোবাই কাৰোবাৰ ব্যক্তিগত সম্পত্তি চুৰ কৰাটো সকলো সমাজ, নীতি, ধৰ্ম বা আইনৰ দৃষ্টিতে দণ্ডনীয়। কিন্তু আমাৰ সকলো জাতীয় সম্পদেই যে আন এটা জাতিয়ে লুটি নিছে!

...তিব্বতৰ প্ৰশ্নটো কেৱল তিব্বতীয়সকলৰে প্ৰশ্ন নহয়। চুবুৰীয়া জাতিসমূহৰ সৈতে তিব্বতৰ প্ৰাচীন সম্পৰ্ক আছে। মহাদেশখনৰ আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত তিব্বতৰ অৱস্থিতি অতি গুৰুত্বপূৰ্ণ। তিব্বতত যি ঘটে, তাৰ ভিত্তিত অঞ্চলটোৰ আনবোৰ দেশৰ অৰ্থনীতিও প্ৰভাৱিত হয়। সেয়ে তিব্বতৰ ভৱিষ্যত নিৰূপণ একমাত্ৰ চীনদেশৰ ইচ্ছাতে হ'ব নোৱাৰে।

[১৯৮৫ ৰ আগষ্টত 'ইন্টাৰনেশ্যনেল হেৰল্ড ট্ৰিবিউন' কাকতত প্ৰকাশিত এটা প্ৰবন্ধৰপৰা।]

চীনা-যুদ্ধৰ সময়ত সীমান্তৰপৰা বমডিলালৈ স্থানান্তৰ হোৱা বৌদ্ধ গোমপা। শৈশৱকালতে মকৰল কৰা ল'ৰাবোৰে পাছলৈ লামাৰ কাৰ্যভাৰ গ্ৰহণ কৰে।



OKDISCD

লগীয়া : এতিয়াও অৰুণাচলত মাত্ৰ দুখনহে কলেজ আছে। তাৰপৰা বছৰে-কত যিকেইজন জনজাতিৰ স্নাতক ওলায় তেওঁলোক ৰাজ্যৰ নিয়মানুসাৰে পোনেপোনেই বিষয়াৰ চাকৰিত মকৰল হয়। আৰু যিসকল স্কুল পাৰ হৈ কলেজত সোমায়, তেওঁলোকৰো মোটা-মুটি বেছিভাগেই স্নাতক হৈহে ওলায়। তেনেস্থলত থলুৱা লোকৰ মাজত কেৰাণীৰ পদ পূৰাব পৰাকৈ প্ৰচুৰ স্নাতক এতিয়াও ওলাবলৈ বাকী; আৰু তাৰ পৰিণাম—ভৈয়ামৰ লোকৰ সংখ্যা বৃদ্ধি।

এজনে আৰু এটা মন কৰিবলগীয়া কথা ক'লে : ৰাজ্যখনৰ উপৰাজ্যপাল-জন, আন বিষয়াসকল যিখন ৰাজ্যৰ পৰা আহে, তেওঁৰ সময়ত সেইখন ৰাজ্যৰ লোকেৰে অৰুণাচল ভৰি পৰে!

মনপাসকলেই ব'মডিলাৰ (পশ্চিম কামেং জিলাৰ) প্ৰধান বাসিন্দা। শান্ত; ধাৰ্মিক এওঁলোক। ধৰ্মত বেছি সংখ্যকেই বৌদ্ধ। লামা-নেতৃত্বৰ মহাযান বৌদ্ধ। তাতে অদ্ভুতভাৱে সংমিশ্ৰিত হৈছে থলুৱা জনজাতিৰ পৰম্পৰাগত জনবিশ্বাস আৰু কিঞ্চিত হিন্দুধৰ্মৰ প্ৰভাৱ।

ব'মডিলা চহৰখনত যেন ভগবান বুদ্ধই অনবৰতে চকু ৰাখে; টিলাবোৰৰ টিঙত আৰু নামনিত দুটা গোম্পা—বৌদ্ধ-মন্দিৰ— চহৰখনৰ যিকোনো ঠাইৰপৰা জিলিকি থাকে। নামনিৰ গোম্পাটো কিছু পুৰণি;— সঠিককৈ বছৰৰ হিচাপ এটা কোনেও দিব নোৱাৰিলে। খেনোৰ মতে পঞ্চাছ বছৰ, খেনোৰ মতে চল্লিছ। ওপৰৰটো চীনা-যুদ্ধৰ সময়ৰ। সীমান্তইদি চীনা সোমাই আহোঁতে ত্ৰাসত ভাগি অহা লামাসকলক তাত চৰকাৰে মাটি পট্টন দি বহুৱাইছিল।

লামাসকলো বিচিত্ৰ লোক। ভৈয়ামৰ বৌদ্ধ পুৰোহিতৰ লেখিয়াকৈ এওঁলোকে হালধীয়া কাপোৰ নিপিন্ধে—; এওঁলোকৰ পোছাক ডাঠ ৰঙা বা চকলেট ৰঙৰ। কাপোৰৰ ডিজাইনটোও তিব্বতীয়। মূৰ খুৰুৱা। এওঁলোক ধৰ্ম-প্ৰচাৰক আৰু পুৰোহিত। লামাৰ বিবাহ নিষিদ্ধ।

লামাৰ বাছনিও বিচিত্ৰ। কোন-খন গাঁৱত কাৰ ঘৰত ভৱিষ্যতে লামা হ'বলগীয়া ল'ৰা জন্মিব, সেই কথা দলই লামাই আগতীয়াকৈ কৈ দিয়ে। কোনো কোনো ক্ষেত্ৰত বোলে কাৰোবাৰ ঘৰত ল'ৰা জন্মিলে শংখ-

## দলই লামাৰ মতে

চীনে বলপূৰ্বকভাৱে তিব্বত অধিকাৰ কৰিবৰ ৩০ বছৰৰো বেছি হ'ল। এই কালছোৱাত আমাৰ ধৰ্ম আৰু সংস্কৃতি বিনষ্ট কৰা হৈছে। তিব্বতৰ জনসাধাৰণ কায়িক আৰু অৰ্থনৈতিকভাৱে বঞ্চিত হৈছে। বলপূৰ্বক অধি-কাৰৰ ফলত ১·২ নিযুত লোকৰ মৃত্যু ঘটিল। তথাপি তিব্বতীয়সকলে বৈশিষ্ট্যপূৰ্ণ জাতীয়তা নেহেৰুৱাকৈ থাকিবলৈ চেষ্টা চলাইছে। আমাৰ সীমান্তৰ সিপাৰৰপৰা চীনা অনুপ্ৰৱেশৰ যি ঢল বৈছে তাত মিলি যোৱাৰ বা তাৰ দ্বাৰা নিশ্চিহ্ন হৈ যোৱাৰ আতংকই আমাক খুলি খুলি খাইছে।

এই শতিকাৰ আৰম্ভণিতে নিজস্ব সংস্কৃতি আৰু পৰম্পৰাৰে মাঞ্চু-সকল এটা বেলেগ জাতি আছিল। বৰ্তমান মাঞ্চুৰিয়াত দুইৰপৰা তিনি নিযুতমানহে মাঞ্চুৰিয়ান আছেগৈ; প্ৰায় ৭৫ নিযুত চীনা লোকে সেই ঠাই ছানি পেলাইছে। পূব তুৰ্কিস্তানত (যাক চীনে আজিকালি ছিংকিয়াং বোলে) ১৯৪৯ চনত ২ লাখ চীনা সোমাইছিল। আজি তাত তেওঁলোকৰ সংখ্যা সাত নিযুত হৈছে। ইনাৰ মংগোলিয়া অধিকাৰ কৰাৰ পাছত তাত এতিয়া চীনাৰ সংখ্যা ৮·৫ নিযুত; মংগোলৰ সংখ্যা মাত্ৰ ২·৫ নিযুত।

উত্তৰ-পূব তিব্বতৰ কক'ন'ৰ নামে যি অঞ্চলত মোৰ জন্ম হৈছিল, তাত বৰ্তমান ৭ লাখ তিব্বতীয়ৰ বিপৰীতে ২৫ লাখ চীনা লোকে বাস কৰে। এইটো হিচাপ চীনা কাকত এখনতে ওলাইছে। তথাকথিত স্বায়ত্ত শাসিত তিব্বতত চীনাসকলে বিশেষ মনোযোগ দিয়া বুলি দাবী কৰে। অথচ আমাৰ এই এলেকালৈ নিতৌ নতুন নতুন চীনা সৈন্যৰ দল আহিয়েই আছে।

অমূল্য ধৰ্মীয় মূৰ্তিবোৰ, পেইণ্টিং, প্ৰাচীন আ-অলংকাৰেৰে সজ্জিত আমাৰ মন্দিৰবোৰ লুটি নিয়া হৈছে। সৰু-ডাঙৰ প্ৰায় ৬,২০০ টা মন্দিৰ ধ্বংস কৰা হৈছে। সংস্কৃত, পালি আৰু তিব্বতীয় ভাষাত লিখা প্ৰাচীন ধৰ্ম-পুথিবোৰৰ কোনো চিন-চাবেই নাইকিয়া হৈছে।

চীনাৰ হাতত তিব্বতীয়সকলে ভোগা কষ্টৰ সীমা নাই। অথচ যোৱা তিনিটা দশকত তিব্বতৰ উন্নয়নৰ বাবে হেনো চীনে ১৭০ কোটি ডলাৰ ধন খৰচ কৰিছে! তেওঁলোকে যে এই ধন ২,৫০,০০০ চীনা সৈন্যৰ ভৰণ-পোষণত খৰচ কৰিছে সেই কথা কিন্তু কাহানিও উল্লেখ নকৰে।

কোনোবাই কাৰোবাৰ ব্যক্তিগত সম্পত্তি চুৰ কৰাটো সকলো সমাজ, নীতি, ধৰ্ম বা আইনৰ দৃষ্টিতে দণ্ডনীয়। কিন্তু আমাৰ সকলো জাতীয় সম্পদেই যে আন এটা জাতিয়ে লুটি নিছে!

...তিব্বতৰ প্ৰশ্নটো কেৱল তিব্বতীয়সকলৰে প্ৰশ্ন নহয়। চুবুৰীয়া জাতিসমূহৰ সৈতে তিব্বতৰ প্ৰাচীন সম্পৰ্ক আছে। মহাদেশখনৰ আন্তঃ-ৰাষ্ট্ৰীয় ৰাজনীতিত তিব্বতৰ অৱস্থিতি অতি গুৰুত্বপূৰ্ণ। তিব্বতত যি ঘটে, তাৰ ভিত্তিত অঞ্চলটোৰ আনবোৰ দেশৰ অৰ্থনীতিও প্ৰভাৱিত হয়। সেয়ে তিব্বতৰ ভৱিষ্যত নিৰূপণ একমাত্ৰ চীনদেশৰ ইচ্ছাতে হ'ব নোৱাৰে।

[১৯৮৫ ৰ আগষ্টত 'ইণ্টাৰনেশ্যনেল হেৰল্ড ট্ৰিবিউন' কাকতত প্ৰকাশিত এটা প্ৰবন্ধৰপৰা।]



ঘণ্টাও বাজে। তেনেকুৱা হ'লে সেই ল'ৰাক গোম্পালৈ দি দিব লাগে। সত্ৰলৈ গোঁসাই-ভকত দিয়াৰ দৰে।

ডাঙৰ হ'লে লামা হ'বলগীয়া ল'ৰাবোৰক গোম্পাৰ লগতে থকা বিদ্যালয়ত ধৰ্ম-শিক্ষা দিয়া হয়। এটা বয়সত এওঁলোক গোম্পাৰ লামা হয়গৈ। টাৱাঙৰ দৰে ডাঙৰ গোম্পাত লামা হোৱাসকলক কিছুদিন ধৰমশালাত (হিমাচল প্ৰদেশ) থকা দলই লামাৰ ওচৰলৈ পঠোৱা হয়। একোটা গোম্পাত দুইৰপৰা চাৰিজন পৰ্যন্ত লামা থাকে। এওঁলোকৰ খৰচ-পাতি-সমূহ ৰাইজে কৰা দান-দক্ষিণাৰপৰা সংগ্ৰহ কৰি একোখন কমিটিয়ে বিতৰণ কৰে। লামাসকলে ভক্তৰপৰা পূজা-পাতলৰ বাবদ ধন সংগ্ৰহ নকৰে; ভক্তই দক্ষিণাৰ বাকছত নিজে ধন ভৰাই থৈ আহিব লাগে।

চহৰখনৰ বজাৰ বুলিবলৈ দুশাৰী-মান দোকান। একেখন দোকানতে চাউল-দাইল, বিস্কুট-'মেগি', চাহপানী, শাক-পাছলি সকলো পোৱা যায়।

চাউল-দাইল আদি ৰেছন-সামগ্ৰী ভৈয়ামৰপৰা যায়। পাহাৰৰ লোকে কিন্তু আলু, কবি, গোমধানৰ প্ৰচুৰ খেতি কৰে। বন্ধাকবিৰ মূল্য প্ৰতি কেজিত এটকাৰপৰা ডেৰটকা। আলুৰো একেই দৰ।

নৱেম্বৰৰ মাজভাগৰপৰা বৰফ পৰে। মাৰ্চ পৰ্যন্ত। প্ৰতিঘৰতে, প্ৰতিটো অফিছতে কাঠৰ ভুচি বা কয়লাৰ চুলা বা বুখাৰি আছে।

বজাৰ-দোকানত আৰু এটা আচৰিত কথা দেখিলো : দোকানৰ বেছিভাগেই মহিলাই চলায়। পোছাকৰপৰাই ধৰিব পাৰি এই মহিলাসকল অৰুণা-চলৰ থলুৱা নহয়, তিব্বতী লোকহে। আৰু সেয়ে হ'বলা ব'মডিলাৰ দেৱালত দেখিলো— Go back refugees to settlement colonies.

চীনা-যুদ্ধৰ সময়ত সীমান্তৰপৰা বমডিলালৈ স্থানান্তৰ হোৱা বৌদ্ধ গোমপা। শৈশৱকালতে মকৰল কৰা ল'ৰাবোৰে পাছলৈ লামাৰ কাৰ্যভাৰ গ্ৰহণ কৰে।





OKDISCD



ছিয়াঙৰ উত্তৰফালৰ পৰ্বতৰ কোনোবা ক্ষুদ্ৰ জনগোষ্ঠীৰ পৰম্পৰাগত পোছাক

তিব্বত চীনে অধিগ্ৰহণ কৰাত ভাৰতলৈ পলাই অহা তিব্বতীসকলক শৰণাৰ্থী আখ্যা দি ভাৰত চৰকাৰে অৰুণাচলত (তেতিয়াৰ নেফা) কিছুমান শৰণাৰ্থী শিবিৰ নিৰ্দিষ্ট কৰি দিছিল। কামেং (পূব আৰু পশ্চিম) আৰু টাৱাং জিলাতেই এনে শিবিৰ বেছি আছিল। এটা সময়ত এনে এটা কঢ়া নিয়ম আছিল— শৰণাৰ্থীসকলে কৰ্তৃপক্ষৰ অনুমতি বিনে শিবিৰ বা ৰিফিউজি এলেকাৰপৰা বাহিৰলৈ ওলাব নোৱাৰিছিল। বৰ্তমান কিন্তু ব'মডিলাই হওক বা আন ঠাইতে হওক, বজাৰ-সমাৰ ব্যৱসায় এনে শৰণাৰ্থীৰ হাতলৈ গুছি গৈছে। অল অৰুণাচল প্ৰদেশ ষ্টুডেণ্টছ ইউনিয়নে এই শৰাণাৰ্থীসকলক ৰিফিউজি এলেকালৈ ঘূৰাই নিব লাগে বুলি দাবী তুলি আহিছে।

ব'মডিলাত ছিনেমা হল মাত্ৰ এটা; একেলগে ৩০০ দৰ্শক বহিব পাৰে। কিন্তু ভিডিঅ'ত ছবি দেখুউৱাটো তাত আইনসংগত। চৰকাৰে ভিডিঅ'ৰ বাবে সৰু সৰু (৪০/৫০ জন বহিব পৰা) হলৰ অনুমতি দিছে। এনে হ'ল মুঠ ছটা আছে। নিতৌ তিনিটা প্ৰদৰ্শন। হিন্দী ছিনেমা, তিনি টকাৰ টিকট, হাউছ ফুল!

চৰকাৰী চাকৰিয়ালসকলৰ বাবে আছে এটা ক্লাব। সপ্তাহৰ দুদিন তাত হাউছি বা টাম্বোলা খেল হয়। তদুপৰি নিতৌ তাছৰ আড্ডা। বিনোদনৰ বা সময় কটাবৰ উপায় ইমানেই।

দূৰদৰ্শনৰ নেটৱৰ্কে অৱশ্যে ব'মডিলাকো চুইছে। সৰু ট্ৰেন্সমিটাৰ ৰিলে ষ্টেছন। কিন্তু গুৱাহাটী কেন্দ্ৰৰ অনুষ্ঠানো ধৰে।

মন্‌পা সমাজত নাৰী-পুৰুষৰ মৰ্যদা সমান। নাৰীসকলে চৰকাৰী উদ্যোগ বিভাগৰ সহযোগত পৰম্পৰাগত হস্তশিল্পৰপৰা আধুনিক উল-গোঠা মেছিনলৈকে বিভিন্ন কামৰ প্ৰশিক্ষণ লাভ কৰিছে





জিলা পুথিভঁৰালটোত ১২,০০০ মান কিতাপ আছে;— তাৰে প্ৰায় আধাখিনিয়েই অসমীয়া। বাকীখিনি ইংৰাজী, বাংলা, হিন্দী আৰু মালায়ালম। কিন্তু পুথিভঁৰালটো অফিছৰ সময়তহে খোলা থাকে; সেয়ে কামৰ ফাঁকে-ফাঁকে গৈ কিতাপ সংগ্ৰহ কৰাটোৱেই প্ৰচলিত নিয়ম।

বাতৰিকাকতো যথেষ্ট পলমকৈ গৈ পায়। গুৱাহাটীৰপৰা তেজপুৰ, তাৰপৰা ব'মডিলা। অৰ্থাৎ আজিৰ কাকত তৃতীয়দিনাহে পায়গৈ। তাৰ মাজতো আগ্ৰহীসকলে প্ৰান্তিক, বিস্ময় আদি ডাকযোগে নি পঢ়ে।

অসমীয়া বাসিন্দাসকলৰ এটা সংগঠনো আছে। বিহু-হুচৰি-ভোজ, শংকৰদেৱৰ তিথি আদি পাতে। এটা সময়ত ব'মডিলাত ডাঙৰকৈয়ে বিহু (ফাংছন!) পতা হৈছিল। আজিকালি নহয়।

কামেং নৈৰে উজাব নোৱাৰি। শিলৰ পাহাৰৰ মাজে মাজে সৰু-ডাঙৰ জলপ্ৰপাত। ৪০০০ মিটাৰ উচ্চতাত কামেং সীমান্ত। তাৰ সিপাৰে বিশাল চীনদেশ। মেকমাহন ৰেখাই দুই দেশৰ বিবদমান সীমা নিৰ্ধাৰণ কৰিছে। সীমাৰে সোমাই আহি চীনা সৈন্যই আমাৰ দেশত হেলিকপ্টাৰ নমাবপৰা পেড নিৰ্মাণ কৰাৰ বাতৰি ওলাইছে।

ব'মডিলাৰপৰা ১৮১ কিল'মিটাৰ পশ্চিমে আগুৱাই টাৱাং। বৌদ্ধসকলৰ পবিত্ৰ তীৰ্থস্থান। তাৰেই বেৰৰ কোনোবা ফাঁকত হেনো পলৰীয়া তিব্বতী লামাই ছাংগ্ৰিলালৈ যোৱাৰ মানচিত্ৰ লুকুৱাই থৈছিল। ছাংগ্ৰিলালৈ গ'লে হেনো চিৰদিনৰ বাবে যৌৱন প্ৰাপ্তি হয়।

ব'মডিলা টাৱাং পথৰ সোঁ-মাজতে ছেলা গিৰিপথ। চীনা সীমান্তত উত্তেজনা হোৱা বাবে তালৈ অসামৰিক বাহিৰা লোকৰ যাতায়াত নিষেধ।

উভতি আহোঁতে টেঙা ভেলিত সৈন্য বাহিনীৰ জোৱানসকলে কুচকাৱাজ আৰু ব্যায়াম কৰা দেখিছিলো। শিবিৰটোৰ নাম 'তাগ্‌ৰা ৰহো'।

দেৱতা ঃ ডনি-পল'

পূব কামেং জিলাৰপৰা দিবাং ভেলি জিলালৈকে এই সুবিস্তৃত এলেকাত বাস কৰা অৰুণাচল প্ৰদেশৰ প্ৰধান জনগোষ্ঠীসমূহৰ মূল আৰাধ্য দেৱতাৰ নাম ডনি আৰু পল'। সাধাৰণ দৃষ্টিত ডনি মানে সূৰ্য আৰু পল' মানে চন্দ্ৰ। বিভিন্ন জনবিশ্বাস আৰু লোক-কথাৰে আবৃত ডনি আৰু পল'—বিশেষকৈ ডনি-শক্তিৰ প্ৰতীক।

কামেং তথা অৰুণাচল প্ৰদেশৰ হস্তশিল্পই দেশজোৰা সমাদৰ পাবলৈ ধৰিছে। এই হস্তশিল্প সামগ্ৰীসমূহ ৰাজ্যিক এম্পৰিয়াম, উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত উন্নয়ন নিগম আদিৰ জৰিয়তে দেশৰ বিভিন্ন ঠাইত বিক্ৰি কৰা হয়



জনগোষ্ঠীসমূহৰ বিশ্বাস,— সমগ্ৰ জীৱ-জগত আৰু বিশ্ব-ব্ৰহ্মাণ্ড এই দুই দেৱ-দেৱীয়ে ধাৰণ কৰি আছে। বিশেষকৈ ডনি্যৰ প্ৰতি থকা বিশ্বাস, ভক্তি, আৰু এই প্ৰতীকী শক্তিৰ অন্যান্য বৈশিষ্ট্যলৈ চাই ইয়াক হিন্দু, বৌদ্ধ আদি ধৰ্মৰ সূৰ্যৰ লগত তুলনা কৰিব পাৰি।

জনগোষ্ঠীসমূহে ডনি্য পল'ক সত্য, ন্যায়, সৌন্দৰ্য, নৈতিকতা, প্ৰেম আৰু সততাৰ উৎস বুলি ধাৰণা কৰে। এক কথাত ডনি্য-পল'ৰ আধ্যাত্মিক অস্তিত্বই ৰাজ্যখনৰ জনগোষ্ঠীসমূহৰ ভগবান, আৰু ইয়াৰ ভিত্তিতেই গঢ় লৈ উঠিছে ডনি্য-পল'বাদ ধৰ্ম।

ডনি্য-পল'ৰ উপাসনাৰ বাবে কোনো নিৰ্দিষ্ট মন্দিৰ নাই, কাৰণ এই দুই প্ৰতীকৰ কোনো কায়িক আকৃতি বা মূৰ্তি নাই। জনগোষ্ঠী-সমূহৰ গাঁৱৰ গোচৰ আদিৰ নিষ্পত্তি কৰা স্থানতে ডনি্য-পল'ৰ উপাসনা কৰা হয়। আদিসকলে 'মুচুপ' নামৰ ৰাজহুৱা সভা ঘৰত এই ধৰ্মৰ মূল কাৰ্য সমাপন কৰে।



ব'মডিলাৰ ওপৰ-গোম্পাৰ এটা সৌধ

পুৰুষাণুক্ৰমে মুখে-মুখে চলি অহা মন্ত্ৰ বা ধৰ্ম-কথাৰে ডনি্য-পল'ৰ উপাসনা কৰা হয়। (আদিসকলে এনে কথাক 'আবং' বোলে।) এনে ধৰ্ম-কথা, নীতি কথা, সততা, পাপ-পুণ্য আদিৰে ভৰা। জীৱ-জগতৰ বিৱৰ্তন, ৰায়ু, অগ্নি আৰু পানীৰ ভিত্তিত জীৱন-ধাৰণ,— এনে প্ৰসংগত ডনি্য-পল'বাদৰ অন্যতম অংগ।

মন্ত্ৰ-গীতৰ উপৰিও কৰ্ম (আৰু কৰ্মৰ ভিত্তিত অৰ্থনীতিৰ জ্ঞান), জন-গোষ্ঠীসমূহৰ বুৰঞ্জী ইত্যাদি বিষয়ত ডনি্য-পল'ৰাদ যথেষ্ট চহকী।

ডনি্য-পল'ত বাদেও এই ধৰ্মত বিষয়-ভেদে আন কিছুমান দেৱ-দেৱী আছে। এওঁলোকৰ ভিতৰত লেখৰ হ'ল কংকি কমাং (জীৱন-ধাৰণৰ দেৱতা), গুমিন ছয়িন (গৃহস্থালিৰ দেৱতা), ডাডি ব'টে (পোহনীয়া জন্তুৰ দেৱতা), কিনে-নানে (ধন আৰু শস্যৰ দেৱতা), ডয়িং ব'টে (বৰষুণৰ দেৱতা), কাৰপুং আৰু কাৰডুক (কলা আৰু সংগীতৰ দেৱতা) ইত্যাদি।

নীতি কথাত ডনি্য-পল'বাদ অতি চহকী। এই ধৰ্মই ভক্তসকলক চুৰি, হিংসা, দুৰ্নীতি, আনকি ভিক্ষাও মহাপাপ বুলি কৈছে। নীতি কথাই ভক্তসকলক আত্মনিৰ্ভৰ হ'বলৈও উপ-দেশ দিছে।

গোমপাত বিভিন্ন আকাৰৰ বুদ্ধমূৰ্তিৰ উপৰিও দেৱীৰ দৰে মূৰ্তিও আছে



অৰুণাচলৰ জনগোষ্ঠীসমূহৰ প্ৰধান উৎসৱবিলাকতো ডনি্য-পল'ৰ প্ৰভাৱ প্ৰচুৰ। আদিসকলৰ মপিন বা চলুং উৎসৱ, টাগিনসকলৰ ছি-ডনি্য উৎসৱ, আপাটানিসকলৰ ড্ৰি আৰু ম্যক' উৎ-সৱ, মিছমিৰ ৰেহ আৰু টামলাডু উৎসৱ— প্ৰত্যেকতে ডনি্য-পল'ৰ আৰাধনা কৰা আৰু তাৰ জৰিয়তে মানৱ-জাতিৰ মংগলৰ হকে প্ৰাৰ্থনা কৰা হয়।

ডনি্য-পল'বাদত জন্মান্তৰ আৰু পৰজন্মৰ কথাও আছে। ধৰ্মত কোৱা কৈছে— এই জন্মত দুখ ভোগাসকলে আগৰ জন্মত পাপ কৰিছিল, এই জন্মত পাপ কৰাসকলে পাছৰ জন্মত দুখ ভুগিব।

আলোকচিত্ৰঃ দীপক বেজবৰুৱা।



# গণতান্ত্ৰিক মূল্যবোধ আৰু ৰাজনৈতিক সহনশীলতা

পৰাগ কুমাৰ দাস

ৰাজ্যখনৰ ক'ৰবাত এটা ৰাজ-নৈতিক হত্যাকাণ্ড সংঘটিত হ'ল। যোৱা কেইটা মাহত আমাৰ নিমিত্তে হৈ পৰা এটা যেন সাধাৰণ নৈত্য-নিমিত্তিক ঘটনা—কাৰোবাৰ সৈতে ৰাজনৈতিক আদৰ্শৰ অমিল ঘটা অথবা এটা সময়ত ছবছৰীয়া আন্দোলনটোৰ বিৰোধিতা কৰা কোনোবা ব্যক্তিক বা তেওঁৰ পৰিয়ালৰ কাৰোবাক আত-তায়ীয়ে গুলীয়াই হত্যা কৰিলে। চৰকাৰে লগে লগে তদন্তৰ ঘোষণা কৰিলে, অচিৰেই প্ৰকৃত দোষীক বিচাৰি উলিয়াই শাস্তি বিহা হ'ব বুলি আশ্বাস দিলে। বিভিন্ন সংগঠনে গতানু-গতিকভাৱে সমূহীয়াকৈ শোক প্ৰকাশ কৰিলে, হিংসাত্মক কাৰ্যৰ নিন্দা কৰিলে। কিন্তু লাহে লাহে ভাব হৈছে, আমি অনেকেই যেন অৱচেতন মনত ক্ৰমান্বয়ে এই কাৰ্যবোৰৰ সমৰ্থন কৰি-বলৈ লৈছোঁ— "আমাৰ বিৰোধিতা কৰিছিলা নহয়, এতিয়া ফলটো পালা!"

—ঠিক এনেকুৱা এটা যেন ভাব। ৰাজনৈতিক হত্যাকাণ্ড এটাক আমি আগতকৈ বহুত সহজভাৱে ল'ব পৰা হ'লো;— আমি ক'ব নোৱৰাকৈয়ে জাতীয় জীৱনত হিংসাক যেন লাহে লাহে প্ৰশ্ৰয় দিবলৈ আৰম্ভ কৰিছোঁ। কিন্তু প্ৰশ্ন হ'ল, এইবোৰৰ শেষ ক'ত? আজি আমি গঢ়ি তোলা হিংসাৰ পৰিৱেশটোৱে কাইলৈ আমাৰেই অনিষ্ট নাসাধিব জানো? এইটো এটা সমস্যাৰ সমাধানৰ পথ হ'ব পাৰে জানো? আমাৰ সৈতে ৰাজনৈতিক মতভেদ হোৱা ফুল কুমলীয়া যুৱক এজনক, বয়োবৃদ্ধ এজনক হত্যা কৰিলো যেনিবা; কিন্তু তেওঁৰ আদৰ্শক? কোনোবা এটা গোটৰ সৈতে ভাবৰ অমিল ঘটিলেই যদি প্ৰাণ দিব লগীয়া হয়, তেন্তে দেশখনৰ এটা চামে ইমান ত্যাগৰ বিনিময়ত গণতন্ত্ৰক প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজনেই বা কি আছিল? স্বৈৰতন্ত্ৰৰ সৈতে আমাৰ পাৰ্থক্যই বা থাকিল কি?

পূৰ্ববৰ্তী কংগ্ৰেছী কুশাসনৰ আমোলত প্ৰবল প্ৰতাপী চৰকাৰী যন্ত্ৰটোৱে সৰ্বসাধাৰণ ৰাইজৰ ব্যক্তি-গত স্বাধীনতা তথা ৰাজনৈতিক মতা-মত বিনিময়ৰ সাংবিধানিক অধিকাৰ-সমূহৰ প্ৰতি সামান্যতমো সৌজন্য নেদেখুৱাই ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধিৰ নিমিত্তে ৰাজ্যখনত সৃষ্টি কৰা সন্ত্ৰাস আৰু অৰাজকতাৰ পৰিৱেশটো বিভিন্ন মহলত গণতন্ত্ৰপ্ৰেমী ব্যক্তি তথা গোষ্ঠীৰ দ্বাৰা কঠোৰভাৱে সমা-লোচিত হোৱাটো পৰিলক্ষিত হৈছিল। চৰকাৰত থকা দলটোৰ ৰাজনৈতিক অভিলাষ পূৰণৰ নিমিত্তেই সমস্ত আৰক্ষী বিভাগটোৰ অপব্যৱহাৰেৰে ৰাজনৈতিক প্ৰতিদ্বন্দ্বীবিলাকক মচিমূৰ কৰি পেলোৱাৰ যি এক বিভ্ৰান্ত মানসিকতা দিছপুৰত ফুটি উঠিছিল, তাৰ শীঘ্ৰেই অৱসান ঘটাটো তেতিয়া আমি সকলোৱে মনে-প্ৰাণে কামনা কৰিছিলো। কাৰণ, শাসনত থকা-সকলৰ মাজত তেনে এটা মনোবৃত্তি অব্যাহত থাকিলে ৰাজ্যখনৰ গণতান্ত্ৰিক পৰিৱেশ নষ্ট হৈ বিহাৰ আদিৰ দৰে সন্ত্ৰাসযুক্ত ৰাজনৈতিক মূল্যবোধ এটাৰ গৰাহত পৰাৰ আশংকা সকলোৱে কৰিছিলো। অৱশ্যে, সময়ত গৈ কংগ্ৰেছী চৰকাৰখনে তেনে এক সন্ত্ৰাসযুক্ত পৰিৱেশৰ সংপৃক্ত অৱস্থা এটাৰ সৃষ্টি কৰি নিজৰ মৃত্যু নিজেই চপাই আনিলে;— পৰিকল্পিতভাৱে আৰক্ষী বিভাগটোৰ অপব্যৱহাৰেৰে ৰাজ্যখনত গঢ়ি তোলা অৰাজকতাৰ প্ৰতিক্ৰিয়াই অৱশেষত স্ৰষ্টাকেই মচি-মূৰ কৰি পেলালে। যোৱা বছৰৰ সাধা-ৰণ নিৰ্বাচনত কংগ্ৰেছী শাসনৰ অন্ত পেলাই গণ পৰিষদৰ চৰকাৰ গঠিত হোৱাৰ মুহূৰ্তত আমি সকলোৱে অন্ততঃ এইটো আশা কৰিছিলো যে, পূৰ্ববৰ্তী চৰকাৰৰ অগণতান্ত্ৰিক দমন নীতিৰ সোৱাদ পোৱা নতুন নেতৃবৰ্গই নিজৰ তিক্ত অভিজ্ঞতাৰ ভিত্তিতেই এইবাৰ নিশ্চয় ৰাজ্যখনত গণতান্ত্ৰিক মূল্যবোধ পুনৰায় প্ৰতিষ্ঠা কৰিবলৈ যৎপৰো-নাস্তি চেষ্টা কৰিব;—আইন-শৃংখলাৰ পৰিৱেশ বজাই ৰাখি প্ৰতিজন নাগৰি-কৰে ব্যক্তি স্বাধীনতা আৰু ৰাজ-নৈতিক চিন্তা-চৰ্চাৰ অধিকাৰ সাব্যস্ত কৰি ৰাজ্যখনৰ ৰাজনীতিত বহু-আকাং-ক্ষিত সহনশীলতাৰ খেলুৱৈসুলভ মনো-বৃত্তি এটাৰ জন্ম দিব। নতুন নেতৃবৰ্গৰ-পৰা আমি ইমানখিনি আশা কৰি-ছিলো এইবাবেই যে তেওঁলোকৰ ৰাজ-নৈতিক জন্মই হৈছিল সংগ্ৰাম আৰু শাসকগোষ্ঠীৰ স্বেচ্ছাচাৰিতাৰ মাজত। কিন্তু পৰিতাপৰ বিষয় এয়ে যে, যোৱা দহটা মাহত নতুন চৰকাৰখনৰ এক অন্যতম বিফলতা হৈছে ৰাজ্যখনত গণতান্ত্ৰিক মূল্যবোধ আৰু আইন-শৃংখলা বজাই ৰখাৰ ব্যৰ্থতা। ইটোৰ পাছত সিটোকৈ হোৱা ৰাজনৈতিক হত্যাকাণ্ডবোৰ, শাসনত থকা দলটোৰ ৰাজনৈতিক দৰ্শনৰ সৈতে নিমিলা-সকলৰ ওপৰত বিভিন্ন জোৰ-জুলুম আৰু এই সকলোবোৰ ক্ষেত্ৰতেই দিছপুৰৰ নিষ্ক্ৰিয়তাই ৰাজ্যখনৰ গণতন্ত্ৰ প্ৰেমী ৰাইজক আজি সচকিত কৰি তুলিছে। ৰাজ্যখনত ইমান ডাঙৰ এটা ৰাজনৈতিক পৰিৱৰ্তন হোৱাৰ পাছতো জনতাৰ মাজৰপৰাই শাসনলৈ অহা-সকলে গণতান্ত্ৰিক মূল্যবোধক পুনৰায় প্ৰতিষ্ঠা কৰিব নোৱৰাটো সঁচাকৈয়ে এক অবুজ সাঁথৰ। ৰাইজৰ মাজৰপৰা ওলাই অহা নেতৃবৰ্গয়ে আজি গণ-তান্ত্ৰিক মূল্যবোধৰ প্ৰতি যিদৰে অৱ-হেলাসূচক মনোবৃত্তি প্ৰদৰ্শন কৰিছে, সিয়েই আমাৰ জাতীয় জীৱনলৈ সন্ত্ৰাস-যুক্ত ৰাজনৈতিক সংস্কৃতিৰ আমদানিৰ পথ লাহে লাহে অধিক সুচল কৰি পেলাইছে। এই ধাৰা অব্যাহত হৈ



OKDISCD

থাকিলে ভৱিষ্যতে হয়তো এদিন গোটেই জাতিটোৰ পৰিবৰ্তনৰ অন্তৰ্নিহিত শক্তি চিৰদিনলৈ নিঃশেষ হৈ যাব।

গণতান্ত্ৰিক প্ৰক্ৰিয়া এটাত, বিভিন্ন বিষয়ৰ ওপৰত ব্যক্তিবিশেষে ভিন্নমত প্ৰতিষ্ঠা হোৱাটো তেনেই স্বাভাৱিক কথা। আমাৰ জাতীয় জীৱনত লাহে লাহে গা কৰি উঠা দুৰ্নীতিৰ পৰিৱেশ-টোৱে ক্ষুদ্ৰ স্বাৰ্থৰ খাতিৰত সমাজ-বিৰোধী কৰি তোলা ব্যক্তিবিশেষক নিয়ন্ত্ৰণত ৰখাৰ কথাটো অইন বিষয়, কিন্তু প্ৰত্যেক ব্যক্তিৰে নিজস্ব আদৰ্শ তথা মতামত নিৰ্ভীকভাৱে প্ৰকাশ কৰাৰ যি গণতান্ত্ৰিক অধিকাৰ, তাক নিশ্চয় আমি কোনেও মুই কৰিব নোৱাৰোঁ। কিন্তু, যোৱা ছবছৰীয়া গণ আন্দোলনটোৰ মাজেৰে জন্ম হোৱা নেতৃবৰ্গৰ, বিশেষকৈ তেওঁলোকৰ দ্বিতীয় শ্ৰেণীটোৰ আচৰণত এনে এটা ভাৱ স্পষ্ট হৈ উঠিছিল যেন পাঠ্যপুথিত আলোচিত গণতান্ত্ৰিক অধিকাৰবোৰ কেৱল তেওঁলোকৰ মতৰ সৈতে মিল থকাসকলৰ নিমিত্তেহে প্ৰযোজ্য;— আৰু সেইখিনি মানুহৰ গণতান্ত্ৰিক অধিকাৰৰ হকে মাত মতাটোৱেই তেওঁলোকৰ একমাত্ৰ কৰ্তব্য। সেই সময়ত দিছপুৰৰ শাসকবৰ্গই চলোৱা অগণতান্ত্ৰিক কাৰ্যকালাপৰ বিৰুদ্ধে আমাৰ নেতৃবৰ্গই অতি সফলতাৰেই প্ৰতিবাদ জনাইছিল; কিন্তু ৰাইজক তথা উঠি অহা চামটোক গণতান্ত্ৰিক মূল্যবোধ আৰু ৰাজনৈতিক সহনশীল-তাৰ শিক্ষা দিয়াৰ প্ৰয়োজনীয়তা এওঁ-লোকৰ কোনেও উপলব্ধি নকৰিলে। জাতীয় আন্দোলনটো মষিমূৰ কৰিবৰ নিমিত্তে দিছপুৰে তেতিয়া চলোৱা দমন-নীতিত অতিষ্ঠ হৈ পৰা সৰ্বসাধাৰণ ৰাইজে আন্দোলনৰ বিৰোধিতা কৰা সকলৰ বিৰুদ্ধে এক বিৰূপসূচক মনো-বৃত্তি গ্ৰহণ কৰাটো হয়তো স্বাভাৱিক আছিল; এই পৰিপ্ৰেক্ষিতত ৰাইজক নেতৃত্ব দিয়াসকলৰ কৰ্তব্য আছিল সেই মনোবৃত্তিক হিংসাত্মক আক্ৰো-শলৈ পৰিৱৰ্তিত হ'বলৈ নিদি শান্তি-

> **আছাম পুলিছ ছাৰ্ভিচ এছ'ছিয়েশ্যনৰ সভাত**
>
> **২৭ ছেপ্টেম্বৰ, ১৯৮৬**
>
> **মুখ্যমন্ত্ৰীয়ে** ৰাজ্যখনত শান্তি-পূৰ্ণ পৰিৱেশ নিশ্চিত কৰাৰ উদ্দেশ্যে, সন্ত্ৰাসবাদী শক্তিসমূহক অংকুৰতে বিনাশ কৰিবলৈ পুলিছ বিভাগৰ প্ৰতি আহ্বান জনায়।
>
> **গৃহমন্ত্ৰীয়ে** কয় যে ডকাইতি, হত্যাকাণ্ড আদি চন্তালিবলৈ স্পেছি-য়েল টাস্কফ'ৰ্চ গঠনৰ ব্যৱস্থা কৰিছে। এই টাস্কফ'ৰ্চটো সংগঠন কৰাত দায়িত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ তেওঁ পুলিছ এছ'ছিয়ে-শ্যনৰ প্ৰতি আহ্বান জনায়।

পূৰ্ণ আৰু গণতান্ত্ৰিক প্ৰক্ৰিয়াৰে তাক বহিভূ'ত কৰাটো। কিন্তু, আন্দোলনৰ নেতৃত্বত থকা জনাবুজা মানুহখিনিৰ আশ্চৰ্যজনক নিৰৱতা আৰু পাবত গজা দ্বিতীয় শ্ৰেণীৰ নেতৃবৰ্গৰ উচটনিত তাৰ সম্পূৰ্ণ ওলোটাটোহে কাৰ্যত পৰিণত হ'ল। সেই সময়ছোৱাত শাসক গোষ্ঠী-টোৱে চলোৱা বিভিন্ন অগণতান্ত্ৰিক কাৰ্যকলাপৰ লগতে আমাৰ নিজৰো অনেক অগণতান্ত্ৰিক কাৰ্যই বিভিন্ন সম-য়ত গান্ধীবাদী আন্দোলনটোৰ গাত চেকা পেলাইছিল। তথাপিতো, আন্দো-লনৰ নেতৃত্বৰ শীৰ্ষস্থানত থকাসকলৰ উদাৰ দৃষ্টিভংগীৰ ওপৰতে ভাৰসা কৰি যোৱা বছৰ নতুন চৰকাৰ গঠন হোৱাৰ সময়ত আমি সকলোৱে আশা কৰি-ছিলো যে এওঁলোকে নিশ্চয় অচিৰেই চৰকাৰী পৰ্যায়ত ৰাজনৈতিক সহন-শীলতা আৰু গণতান্ত্ৰিক আদৰ্শ প্ৰদৰ্শন কৰি আৰু ৰাজ্যখনত আইন-শৃংখলা অটুট ৰাখি জনজীৱনলৈ সেই আদৰ্শ-বোৰ সম্প্ৰসাৰিত কৰিব। কিন্তু পৰি-তাপৰ বিষয় এয়ে যে ক্ষমতালৈ অহাৰ পাছত এওঁলোকৰ অনেকেই এতিয়া পূৰ্বৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাক আক্ৰোশসূচক মনোবৃত্তিৰে গ্ৰহণ কৰা যেনহে পৰিলক্ষিত হৈছে। তেনেদৰে, যোৱাবছৰৰ নিৰ্বাচনত কোনো এটা বিশেষ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰি পৰাস্ত হৈ পূৰ্বৰ কৰ্মক্ষেত্ৰলৈ উভতি যোৱাজনক আমি সাদৰেৰে গ্ৰহণ কৰিছোঁ, কিন্তু অইন কোনোবা দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰি পৰাস্ত হোৱা জনক পূৰ্বৰ কৰ্মক্ষেত্ৰত গ্ৰহণ কৰা-টোতো দূৰৈৰ কথা, সামাজিক জীৱ-নতে তেওঁক পুনৰ স্থান দিবলৈ কুণ্ঠা-বোধ কৰিছোঁ। প্ৰকৃতপক্ষে সামাজিক-ভাৱে অনিষ্টকাৰী লোক এজনক এনে-দৰে বৰ্জন কৰাৰ কথাটো বেলেগ, কিন্তু 'সুস্থ' গণতান্ত্ৰিক নিৰ্বাচন এটাত আমি সমৰ্থন কৰা দল এটাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰা বাবেই কাৰোবাক সামাজিক জীৱনত গ্ৰহণ নকৰাটো এক ল'ৰামতীয়া বিভ্ৰান্ত মানসিকতাৰহে পৰিচয় মাথোন। যোৱা বছৰৰ নিৰ্বা-চনত অংশ গ্ৰহণ কৰাটোও যদি সামা-জিক অপৰাধ হ'ব পাৰে, তেন্তে সেই নিৰ্বাচনটোও বৈধ আৰু গণতান্ত্ৰিক হ'ব নোৱাৰে; —ৰাইজক কথাবোৰ এনেদৰে বুজাব পৰা মানুহৰো আজি প্ৰয়োজন হৈছে।

পূৰ্ববৰ্তী কংগ্ৰেছ চৰকাৰৰ দিনত বিভিন্ন পৰ্যায়ত সমস্ত আৰক্ষী বিভাগ-টোৰ সক্ৰিয় অপব্যৱহাৰেৰে ৰাজ্যখনত এক অৰাজকতাৰ পৰিৱেশ গঢ়ি তোলা হৈছিল; —বিভিন্ন অঞ্চলৰ আৰক্ষী চকীবোৰত নিযুক্ত বিষয়া-সকলে কাৰ্যতঃ চৰকাৰত থকা ৰাজনৈতিক দলটোৰ অভিকৰ্তা (agent) হিচাপে কাৰ্যনিৰ্বাহ কৰি বিৰোধী ৰাজ-নৈতিক মতাৱলম্বী সকলৰ জীৱন দুৰ্বহ কৰি পেলাইছিল। তাৰ বিপৰীতে, বৰ্তমানৰ চৰকাৰটোৰ দিনত আৰক্ষী বিভাগটোক একেবাৰে নিষ্ক্ৰিয় আৰু নিস্তেজ কৰি ৰাখি সমাজবিৰোধী শক্তিবোৰক অৰাজক অৱস্থা এটাৰ সৃষ্টি কৰিবলৈ সুবিধা কৰি দিয়াৰ নিচিনাহে হৈছেগৈ। দিছপুৰত ৰাইজৰ শাসন প্ৰবৰ্তন হোৱা কথাটোৰে ওলোটা অৰ্থ বুজি লৈ ৰাইজৰ মাজৰ এটা অংশই আইন-শৃংখলা পৰ্যন্ত নিজৰ হাতলৈ অনাৰ যি মানসিকতা ক্ৰমান্বয়ে স্পষ্ট হৈ উঠিছে, সেইয়া কেতিয়াও কোনো



গণতন্ত্ৰপ্ৰেমীৰ নিমিত্তেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। দিছপুৰত নতুন চৰকাৰ এটা গঠন হোৱাৰ পাছত ছবছৰীয়া আন্দোলনটোৰ সময়ত স্বেচ্ছাচাৰিতাৰ শীৰ্ষ বিন্দুত উপনীত হোৱা আৰক্ষী বিভাগটো আপোনা-আপুনি নিস্তেজ আৰু সংযত হৈ পৰাটো তেনেই স্বাভা-ৱিক আছিল। সেই পৰিপ্ৰেক্ষিতত নতুন চৰকাৰৰ প্ৰথম কৰ্তব্য আছিল তৎপৰতাৰে বিভাগটোক পুনৰায় সুস্থ আৰু সক্ৰিয় কৰি তুলি তাক প্ৰণালী-বদ্ধ প্ৰক্ৰিয়া এটাৰ মাজত ৰখা, —যাতে ভৱিষ্যতে কোনেও ৰাজনৈতিক উদ্দে-শ্যত বিভাগটোৰ অপব্যৱহাৰ কৰিব নোৱাৰে। কিন্তু আৰম্ভণিৰেপৰাই পাবত গজা দ্বিতীয় শ্ৰেণীৰ নেতৃবৰ্গৰ উচটনি আৰু আক্ৰোশসূচক মনোবৃত্তিৰ প্ৰভাৱতে হয়তো চৰকাৰৰ তৰফৰপৰা আৰক্ষী বিভাগটোক পুনৰায় সুস্থকৈ গঢ়ি তোলাৰ কোনো প্ৰচেষ্টা চলোৱা নহ'ল। আন্দোলনটোৰ সময়ছোৱাত কিছুমান বিষয়াৰ স্বেচ্ছাচাৰিতাৰ নিমিত্তেই এতিয়া গোটেই আৰক্ষী বিভাগটোকে পূৰ্ববৰ্তী শাসক দলটোৰ অংশ হিচাপে গণ্য কৰি সকলো ক্ষেত্ৰতে তাৰ অস্তিত্ব উলাই কৰাৰ প্ৰবৃত্তি এটা জনমানসত গঢ়ি তুলিবলৈ সমাজ-বিৰোধী শক্তি কিছুমানে চলোৱা প্ৰচে-ষ্টাত চৰকাৰে নিৰৱতা অৱলম্বন কৰা যেনহে পৰিলক্ষিত হৈছে। চৰকাৰী দলটোৰ স্থানীয় পৰ্যায়ৰ নেতা আৰু পালি-পহৰীয়াসকলৰ মইমতালিৰ বিৰুদ্ধে মাত মাতিবলৈ কোনো নোহোৱা হ'ল। আন্দোলনটো চলি থকা সময়ত কেৱলমাত্ৰ আন্দোলনকাৰীসকলৰে গণ-তান্ত্ৰিক অধিকাৰৰ কথা চিন্তা কৰাতেই হয়তো নেতৃবৰ্গই দায়িত্ব সীমাবদ্ধ কৰি লৈছিল; কিন্তু সেই নেতৃবৰ্গয়েই চৰকাৰ গঠন কৰাৰ পাছত এতিয়া আৰু কেৱল এটা বিশেষ গোটৰ ৰাজ-নৈতিক তথা গণতান্ত্ৰিক স্বাধীনতাৰ কথা ভাবিলেই নহ'ব; —শাসনত থকা দলটোৰ আদৰ্শক সমৰ্থন কৰা-নকৰা সকলোৰে বাক স্বাধীনতাকে আদি কৰি বিভিন্ন মৌলিক অধিকাৰবোৰ অক্ষুণ্ণ ৰাখিব পৰাটোতহে প্ৰকৃত গণ-তান্ত্ৰিক চৰকাৰৰ সফলতা নিৰ্ভৰ কৰিছে। হিংস আৰু প্ৰতিশোধৰ পৰিৱেশৰ মাজত গণতন্ত্ৰ কেতিয়াও জীয়াই থাকিব নোৱাৰে। চৰকাৰত থকা দলটোৰ ভাবাদৰ্শৰ সৈতে কাৰোবাৰ মতৰ অমিল ঘটিলেই যদি তেওঁ প্ৰাণৰ সংশয় লৈ দিন কটাব লগীয়া হয়, সেই পৰিৱেশে চৰকাৰৰ বিফলতাৰহে নিৰ্দেশ দিয়ে। কোনোবা ৰাজনৈতিক দলৰ ভাবাদৰ্শ আমাৰ চকুত অনিষ্টকাৰী যেন লাগিব পাৰে; —কিন্তু গণতন্ত্ৰত তাৰ প্ৰত্যুত্তৰ হিংসা হ'ব নোৱাৰে। ক্ষমতাত থকাসকলৰ ৰাজনৈতিক সহনশীলতা অইনতকৈ বেছি হোৱাহে উচিত; কাৰণ তাৰ অন্যথাই ক্ষমতাৰ অপব্যৱ-হাৰেৰে গণতান্ত্ৰিক পৰিৱেশ অধিক কলুষিত হোৱাৰ সম্ভাৱনা। ৰাজ্য-খনত যোৱা কেইমাহত ইটোৰ পাছত সিটোকৈ সংঘটিত হোৱা ৰাজনৈতিক হত্যাকাণ্ডবিলাক আৰু প্ৰতিটো ক্ষেত্ৰতে আৰক্ষী বিভাগৰ নিষ্ক্ৰিয়তাৰ ফলত প্ৰকৃত দোষী বিচাৰি উলিওৱাৰ ব্যৰ্থতাই নতুন চৰকাৰটোৰ শুভাকাংক্ষীসকলক সঁচাকৈয়ে চিন্তিত কৰি তুলিছে। সিদিনাখন গুৱাহাটীত সংঘটিত হৈ যোৱা ৰাজনৈতিক হত্যাকাণ্ডটোৰ তদন্ত সম্পৰ্কত বিভিন্ন মহলে ৰাজ্য চৰকাৰৰ আৰক্ষী বিভাগৰ পৰিবৰ্তে কেন্দ্ৰীয় চোৰাংচোৱা বিভাগৰ হস্তক্ষেপ দাবী কৰিছে। তেওঁলোকৰ এই দাবীত যদি কিবা ৰাজনৈতিক অভিপ্ৰায় নিহিত হৈ আছে সেইটো বেলেগ কথা, কিন্তু এই যে ৰাজ্যখনৰ একাংশ লোকৰ ক্ৰমান্বয়ে চৰকাৰ তথা আৰক্ষী বিভাগটোৰ ওপৰত আস্থা নোহোৱা হৈ যাবলৈ ধৰিছে সেইয়া দৰাচলতে এটা অশুভ লক্ষণ। নতুন চৰকাৰৰ নেতৃত্বত থকাসকলে নিজৰ স্বাৰ্থৰ খাতিৰতে এই দিশটো গুৰুত্ব সহকাৰে বিবেচনা কৰি চোৱা উচিত বুলি ভাবোঁ।

প্ৰান্তিকৰ আগৰ এটা সংখ্যাত (১৬।১।৮৬) আমি সংযুক্ত সংখ্যালঘু মৰ্চাক সম্পূৰ্ণৰূপে নাকচ কৰি দিবলৈ জনসাধাৰণক আহ্বান জনাইছিলো; মৰ্চাৰ ভাবধাৰাক কঠোৰ ভাষাৰে সমালোচনা কৰিছিলো। আৰু আজি আমি সেই একে কঠোৰ ভাষাৰেই মৰ্চাৰ সভাপতি গৰাকীৰ হত্যাকাণ্ডৰ নিন্দা কৰিব খুজিছোঁ, শান্তিৰক্ষকৰ বিফলতাক গৰিহণা দিব খুজিছোঁ। এশ এবুৰি সমস্যাৰে জৰ্জৰিত ৰাজ্য-খনৰ দীৰ্ঘকালীন স্বাৰ্থৰ খাতিৰতে ৰাইজ আৰু চৰকাৰ উভয়ে আজি গণতান্ত্ৰিক মূল্যবোধ তথা ৰাজনৈতিক সহনশীল-তাক অগ্ৰাধিকাৰ দিয়াৰ সময় আহিছে।




অসমীয়া ক্ৰীড়া সাহিত্যলৈ—

পুলক লাহিড়ীৰ
নৱতম সংযোজন

**খেলজগতৰ তৰকা**

মূল্য : সাত টকা

'৮৬-ৰ বিশ্ব কাপ ফুটবলৰ মহানায়ক মাৰাদোনা, বিৰল প্ৰতিভাৰ প্লাতিনি, বিতৰ্কিত ছক্ৰেটিছ, জিকো, সংগ্ৰামী মহীন্দৰ অমৰ নাথ, দুৰ্বাৰ ৰিচাৰ্ড হেডলী, দুৰন্ত বথাম, ফ্লাইং শিখ মিলখা সিং, যন্ত্ৰ মানৱ, জেটোপেক ইত্যাদিৰ জীৱনী লগতে বৰদলৈ ট্ৰফিৰ ইতিহাস।

এলবিএছ পাব্লিকেশ্যন
জি. এন. বৰদলৈ ৰ'ড
আমবাৰী, গুৱাহাটী - ১

# চণ্ডীশতক, স্তোত্ৰ আৰু বিদ্ৰূপ

যজ্ঞেশ্বৰ শৰ্মা

এইখন আমি জনা চণ্ডী নহয়, বাণভট্টৰ চণ্ডীশতক। বাণভট্টৰ চণ্ডীশতক এখন আচৰিত ধৰণৰ গ্ৰন্থ। ভক্তই আনসময়তো চণ্ডীপাঠ কৰে বা কৰোৱায়; কিন্তু দুৰ্গাপূজাত চণ্ডীপাঠ অৱশ্য কৰ্তব্য। চণ্ডী মাৰ্কণ্ডেয়পুৰাণৰ অন্তৰ্গত সাত শ শ্লোকৰ সমষ্টি। বাণভট্টৰ চণ্ডীশতক এশ শ্লোকৰ সমষ্টি। চণ্ডীশতকৰ নাম বহুতে শুনা নাই, আনকি সংস্কৃত সাহিত্যৰ অনেক ছাত্ৰই ইয়াৰ নাম শুনিলেও এই গ্ৰন্থৰ বিষয়ে নাজানে। চণ্ডীশতক বিৰল গ্ৰন্থ—ইয়াত স্তোত্ৰ, ঠাট্টা, ব্যংগ, বিদ্ৰূপ, উপহাস সকলোবোৰ সোমাই আছে। সংস্কৃত সাহিত্যৰ ভৰ্তৃহাৰত তিনিশতক, অমৰুৰ অমৰুশতক, ময়ূৰৰ সূৰ্যশতক আদিশতক কাব্য আছে (Century of Verses) চণ্ডীশতক এই শতকৰ ঐতিহ্যতে ৰচিত। অলংকাৰ শাস্ত্ৰৰ ছাত্ৰৰ কাৰণে এই গ্ৰন্থৰ যথেষ্ট আকৰ্ষণ আছে। অসমত অংকীয়া ভাওনাই পৰিচিত কৰি দিয়া স্ৰগ্ধা আৰু শাৰ্দুলবিক্ৰীড়িত ছন্দও ইয়াৰ আন এটা আকৰ্ষণ।

চণ্ডীশতকৰ চণ্ডী মহিষমৰ্দিনী গোসানীয়েই যদিও মাৰ্কণ্ডেয় পুৰাণত বৰ্ণনাকৰা মতে এয়া চণ্ডী সৰ্বদেৱতাৰ তেজসম্ভূতা দেৱী নহয়। এওঁ শিৱৰ ভাৰ্যা পাৰ্বতী হিমালয়ৰ দুহিতা। এওঁ অসুৰৰ হাতত পৰাজিত হৈ স্বৰ্গচ্যুত হোৱা দেৱতাসকলক মহিষাসুৰৰ দৌৰাত্ম্যৰপৰা ৰক্ষা কৰিছে। চণ্ডীশতকৰ এশ শ্লোকত (১০২?) চণ্ডীৰ মহিমাকে কীৰ্তন কৰা হৈছে। ইয়াৰ কিছুমান শ্লোকত দেৱীয়ে বেচেৰা নিৰ্জিত দেৱতাসকলক উপহাস-তাচ্ছিল্য কৰিছে; কিছুমান শ্লোকত মহিষাসুৰে পদচ্যুত দেৱতাবিলাকৰ ক্লৈব্য-দীনতাক বিদ্ৰূপ কৰিছে; কেইটামানত দেৱীৰ সহচৰীয়ে দেৱতাসকলৰ দুৰৱস্থাক হাঁহিছে। কিন্তু প্ৰত্যেক শ্লোকৰ শেষত কবিয়ে দেৱী চণ্ডীকাৰেই গুণকীৰ্তন কৰিছে।

ৰণ-পলৰীয়া ব্ৰহ্মাক এঠাইত মহিষাসুৰে কৈছে— ব্ৰহ্মা, তুমি নাভিজাত অৰ্থাৎ বিষ্ণুৰ নাভিকমলৰপৰা জাত, কিন্তু যুদ্ধ এৰি পলায়ন কৰা বাবে তুমি ন অভিজাত, অৰ্থাৎ তোমাৰ আভিজাত্য আঁতৰিল। কাপুৰুষৰ আভিজাত্য ক'ত? কবিয়ে শেষত কৈছে, এনেদৰে ব্ৰহ্মাক উপহাস কৰা মহিষাসুৰক নিমিষতে ধ্বংস কৰা চণ্ডিকাই সকলোৰে মংগল বিধান কৰোক।

আন এটা শ্লোকত আছে—নৃসিংহ মূৰ্তিধাৰী বিষ্ণুৱে হাতৰ দহোটা নখেৰেহে হিৰণ্যকশিপুৰ হিয়া বিদাৰণ কৰিছিল; কিন্তু কোমল বয়সীয়া গোসানীৰ চৰণৰ পাঁচোটা নখৰ পৰশতে মহিষাসুৰ নিহত হ'ল। বিষ্ণুক উপহাস কৰা পাঁচোটা নখৰ কান্তিয়ে জগতৰ শ্ৰীবৃদ্ধি সম্পাদন কৰোক।

আন এটা শ্লোকত আছে—হে অনশন ইন্দ্ৰ, তুমি যুদ্ধত পৰাজিত হৈ লাজতে অনশন নকৰিবা। (এটা অনশনৰ অৰ্থ বজ্ৰৰহিত, আনটো অনশনৰ অৰ্থ লঘোণ দিয়া)। হে অগদ কুবেৰ (যুদ্ধত যাৰ গদা ভাগিল) তুমি অগদ (ঔষধ) প্ৰয়োগ কৰি শিৱৰ কণ্ঠকে আৰোগ্য কৰা। হে চক্ৰপাণি বিষ্ণু, তুমি মহিষাসুৰৰ হাতত বিচক্ৰ (সৈন্যহীন) হৈছা। যুদ্ধত অস্ত্ৰ লোপ হোৱা দেৱতাসকলক যি ভৱানীৰ সহচৰীয়ে উপহাস কৰিছিল, সেই জগজ্জননীয়ে অসুৰ নাশ কৰি বিজয়া হৈছে।

আন এটা শ্লোকত কৈছে—মহিষাসুৰ দেৱীৰ হাতত অনায়াসে নিহত হোৱাত গোসানীয়ে স্বৰ্গৰ দেৱীসকলক সান্ত্বনা দি কৈছে, ইন্দ্ৰানী তুমি চিন্তা নকৰিবা। স্বাহা, তুমি তোমাৰ স্বামীয়ে যজ্ঞাহুতি ভক্ষণ কৰা দেখিবলৈ পাবা। ৰোহিণী, তুমি মিছাতে কন্দা-কটা নকৰিবা। লক্ষ্মীআই, তুমিও বিষ্ণুৰ শ্ৰীবৎসযুক্ত বহল বক্ষস্থলত শান্তি লাভ কৰিবলৈ শীঘ্ৰে পাবা। মহিষাসুৰৰ মৃত্যুত সকলো স্বাভাৱিক অৱস্থালৈ আহিল।

চণ্ডীশতকৰ এশটা শ্লোকৰ কিছুমান মহিষাসুৰৰ মুখত, কিছুমান দেৱীৰ মুখত আৰু কেইটিমান গোসানীৰ সহচৰীৰ মুখত দি দেৱতাসকলৰ প্ৰতি বিদ্ৰূপ কৰিলেও প্ৰত্যেক শ্লোক মহিষমৰ্দিনীৰ মাহাত্ম্য কীৰ্তনত শেষ হৈছে।

দক্ষযজ্ঞত প্ৰাণত্যাগ কৰা গোসানী, হিমালয়ৰ কন্যাৰূপে জন্মলোৱা আৰু শিৱক পতি লাভ কৰা গোসানীৰ কল্পনা যে মাৰ্কণ্ডেয়পুৰাণৰ গোসানীৰপৰা পৃথক, এইটো সকলোৱে নিশ্চয় বুজে। চণ্ডীশতকৰ গোসানী পৰৱৰ্তী পুৰাণকাব্যৰ নায়িকা গোসানী। বাণভট্টৰ কাব্যত হিমালয়ৰ দুহিতাৰূপেহে দেৱীক স্তুতি কৰা হৈছে। বাণভট্টৰ কাব্যই কোনো দিনেই সপ্তশতীৰ স্থান লব পৰা নাই, নোৱাৰিবও। অথচ চণ্ডীশতকে স্তোত্ৰৰ কাপোৰ এখন গাত দি আছে।

চণ্ডীশতকত গোসানীৰ পূজাত মহ-ছাগলী বলি দিয়াৰ উল্লেখ আছে। এই কাব্য একাদশ-দ্বাদশ শতাব্দীৰ আগতে ৰচিত হোৱা নাই যেন লাগে। কাব্য ৰচনাৰ ৰীতিয়েও অৱক্ষয় যুগৰ প্ৰভাৱ সূচনা কৰে। কাদম্বৰীৰচক বাণভট্টয়েই যে চণ্ডীশতকৰো কবি তাকেই বা সম্পূৰ্ণ সমৰ্থন কেনেকৈ কৰিব পাৰি?

অসমীয়া সাহিত্যত কোচবেহাৰৰ পীতাম্বৰ কবিৰপৰা আৰম্ভ কৰি বৰ্তমান যুগৰ পণ্ডিত কীৰ্তিচন্দ্ৰ গোস্বামীলৈকে অনেক সাধক কবিয়ে সপ্তসতীৰ অনুবাদ কৰিছে। কিন্তু বাণভট্টৰ শতকৰ অসমীয়া অনুবাদ ওলোৱাৰ আশা নাই। চণ্ডীশতকৰ হিন্দী

৩৬ পৃষ্ঠাত চাওক



# সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা আৰু অসমীয়া প্ৰতিযোগী

জগন্নাথ তালুকদাৰ

কিছুদিনৰ আগতে প্ৰান্তিকত শ্ৰীপৰাগ কুমাৰ দাসৰ প্ৰবন্ধ এটা চকুত পৰিছিল। শিক্ষাৰ ক্ষেত্ৰত আমাৰ অভিভাৱকসকল কোন কিমান সচেতন, আমাৰ অসমৰ উঠি অহা শিক্ষিত চামৰ শিক্ষা আৰু কৰ্মৰ পৰিসৰ কিমান— ইত্যাদি বিষয়ে তেখেতে লিখিছিল। পিছে সেই কথাবোৰ কোনে কিমান কামত লগাবলৈ চেষ্টা কৰিছে সেইটোহে মূল কথা।

সৰ্বভাৰতীয় ভিত্তিত আমাৰ অসমীয়া চাকৰিয়ালৰ সংখ্যা হতাশজনক। I.A.S, I.P.S. Probationary Officer, Management trainee আদি প্ৰথম শ্ৰেণীৰ চাকৰিত পৰে। এনে বিধৰ চাকৰিত উপযুক্ত মৰ্যাদা, দায়িত্ব আদিৰ উপৰিও সম্ভাৱনাপূৰ্ণ ভৱিষ্যত জড়িত থাকে। কিন্তু এনেকুৱা ভাল চাকৰিত অসমীয়া লোক বৰ কম। কাৰণ কি?

এটা প্ৰধান কাৰণ হ'ল,— বেছিভাগ অভিভাৱকৰে নিজৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত কৰ্মক্ষেত্ৰ নিৰ্ধাৰণৰ প্ৰতি উদাসীনতা। স্কুল-কলেজত পঢ়ুৱাব লাগে পঢ়ুৱায়, কিন্তু তাৰ পাছত কি হ'ব সেই ল'ৰা-ছোৱালীৰ ওপৰতে এৰি দিয়ে। ফলত কলেজ বা বিশ্ববিদ্যালয়ৰ ডিগ্ৰীটো লোৱাৰ পাছত প্ৰায় ভাগ ল'ৰা-ছোৱালীয়ে চাকৰি বিচাৰি হাবাথুৰি খাব লগাত পৰে। তাৰ পাছত নিৰাশা, হতাশা। এইবিলাক কথা হৈয়েই আছে।

শিক্ষাৰ মানৰ হিচাপত গুৱাহাটী বিশ্ববিদ্যালয়খন ভাৰতৰ প্ৰথম দহখনৰ ভিতৰৰে এখন হ'ব। পিছে যিটো অৱস্থাত দিল্লী বিশ্ববিদ্যালয়ে বছৰি I.A.S, I.P.Sঅত মুঠ সংখ্যাৰ আধাতকৈও বেছি পূৰণ কৰিব পাৰে, তেনে ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ে দুজন বা তিনিজন প্ৰাৰ্থীক আগবঢ়াই দিয়াটো কম পৰিতাপৰ কথা নহয়। দিল্লী বিশ্ববিদ্যালয়, বোম্বাই বিশ্ববিদ্যালয়— এইবোৰৰ অধীনত I.A.S, I.F.S, Management trainee আৰু অন্যান্য বহুতো সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে বিশেষভাৱে প্ৰতিষ্ঠা কৰা study circle, carreer consultancy course আদি আছে। তাৰ ফলতে ইচ্ছুক ছাত্ৰ-ছাত্ৰীসকল বহুতো উপকৃত হ'ব পাৰে। কিন্তু আমাৰ তাত এইবোৰৰ ব্যৱস্থাৰ আঁৰত কাৰো আশাশুধীয়া প্ৰচেষ্টা নাই।

আন এটা সমস্যা হ'ল কিতাপ-আলোচনীৰ অভাৱ। প্ৰতিযোগিতামূলক পৰীক্ষাবোৰ কলেজ বা বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰতকৈ সাধাৰণতে বেলেগ হয়। অসমখন হ'ল বাকীবোৰ প্ৰদেশৰ লগত প্ৰায় বিচ্ছিন্ন। যাতায়াতৰ অসুবিধাতেই হওক বা চাহিদাৰ অভাৱতেই হওক গুৱাহাটীৰ প্ৰধান প্ৰধান কিতাপৰ দোকানবোৰতো উপযুক্তভাৱে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে কিতাপ পোৱা নাযায়। অসমীয়া ভাষাততো নায়েই। 'যুগ' নামৰ আলোচনী এখন ওলাইছিল। সেইখনত কিছু হলেও বিশ্বৰ ঘটনা প্ৰবাহৰ আভাস এটা পোৱা গৈছিল। বৰ্তমান প্ৰান্তিকখনতো অলপ হ'লেও এনেকুৱা ঘটনা প্ৰবাহৰ বিৱৰণ পোৱা যায়। অলপ অলপকৈ হ'লেও সঞ্চয় কৰি ৰাখিব পাৰিলেও সময়ত বহুতো সম্পদ গোট খায়। সাধাৰণতে এইবোৰ পৰীক্ষাৰ বাবে বিশ্বৰ ঘটনাপ্ৰবাহৰ বিষয়ে সম্যক জ্ঞান থকাটো নিতান্তই আৱশ্যক। ইংৰাজী ভাষাত এনেধৰণৰ কিতাপ-আলোচনী প্ৰচুৰ পৰিমাণে পোৱা যায়।

এই ধৰণৰ বহুতো এৰাব নোৱৰা সমস্যা থাকিলেও প্ৰধান দোষ হ'ল আমাৰ উঠি অহা শিক্ষিত চামৰ। বহুতেই এই ধৰণৰ পৰীক্ষাৰ নাম শুনিলেই ভাবে— "পাৰিম জানো?" কিন্তু ভাবটো এনেকুৱা নহৈ "কিয় নোৱাৰিম?" —ধৰণৰ হলে নিশ্চয় সি কামত নহাকৈ নাথাকে। যি কেইজন এনেকুৱা পৰীক্ষাত বহে (I.A.S. বাদেই দিছোঁ Probarionary officer অৰ লিখিত পৰীক্ষাৰ কথাকে ধৰক) তেওঁলোকৰ প্ৰায়বোৰেই উদাসীন। সাধাৰণতে এইবোৰ পৰীক্ষা দেওবাৰেই হয়। গুৱাহাটীখন অলপ ফুৰি অহাই হওক,— এনেধৰণৰ একোটা ভাবত আহি ৰেলৰে ষ্টেছনৰ হুইলাৰৰ দোকান বা তেনে কোনো দোকানৰপৰা Compotition Success Review বা Adviser একোখন কিনি তাক তিনি চাৰি পাকমানকৈ মেৰিয়াই লৈ মাত্ৰ পৰীক্ষা হলত বহি— Namibia ক'ত? Greneda কি? Nuclear Pakistan and India's Security, আদি ধৰণৰ বিষয়বোৰৰ উধাই-মুধাই পাত লুটিয়াবলৈ ধৰে। ফলত দেখা যায় চাৰি-পাঁচ হাজাৰ পৰীক্ষাৰ্থীৰ মাজত বৰ বেছি চাৰি-পাঁচ জনহে উত্তীৰ্ণ হৈছে। নাই বুলিও গুৱাহাটীলৈ অহা যোৱা খৰচ, ছল্লিছ টকা পৰীক্ষা মাচুল, খোৱা-বোৱাকে ধৰি মুঠতে কেইশমান টকা খৰচ কৰি ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰি গৈছে। মুঠতে এনেধৰণৰ উদাসীনতাৰ ফলতেই আমাৰ এই অৱস্থা। বঙাইগাঁও ৰিফাইনেৰি, গুৱাহাটী ৰিফাইনেৰি, অয়ল ইণ্ডিয়া, অ'.এন. জি. ছি. বোকাজান ছিমেণ্ট কাৰখানা বা তেনে ধৰণৰ চকুত পৰা উদ্যোগ প্ৰতিষ্ঠানবোৰতো দেখা যায় যে সেইবোৰৰ ওখ খাপৰ চাকৰিত অসমীয়া নায়েই। শিক্ষা-দীক্ষা বা বুদ্ধিবৃত্তি আমাৰ কোনো গুণে কম নহয়। মূল কথা হ'ল প্ৰকৃতভাৱে আমি নিজকে খটুৱাব পৰা নাই। প্ৰকৃত দিশটো আমি চিনিব পৰা নাই।



OKDISCD

আলোচনা দীঘলীয়া নকৰি ব্যক্তিগত অভিজ্ঞতাৰপৰা সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক বেংকৰ প্ৰবেশ্যনাৰি অফিছাৰ পদৰ লিখিত আৰু মৌখিক পৰীক্ষাত কেনেকৈ কৃতকাৰ্যতা লাভ কৰিব পাৰি সেই বিষয়ে কওঁ। আশা কৰোঁ ইচ্ছুক পৰীক্ষাৰ্থীসকল কিছু পৰিমাণে হ'লেও উপাকৃত হ'ব।

বৰ্তমানলৈ ভাৰতত ২০টা বেংকৰ ৰাষ্ট্ৰীয়কৰণ হৈছে। ৰাষ্ট্ৰীয়কৰণ হোৱাৰ পাছৰপৰা জনসাধাৰণৰ সঞ্চয়ৰ স্পৃহাও বৃদ্ধি পাবলৈ ধৰিছে। ফলত বেংক উদ্যোগটোৰ দ্ৰুতগতিত সম্প্ৰসাৰণ ঘটিবলৈ ধৰিছে। গতিকে বিভিন্ন ব'ৰ্ডে বছৰি অতি কমেও ১,৫০০ জনমান প্ৰবেশ্যনাৰি অফিছাৰ নিযুক্ত কৰিবলগীয়া হয়। এই পৰীক্ষা বছৰি দুবাৰকৈ হয়। সময়ত প্ৰধান প্ৰধান বাতৰি কাকতত বিজ্ঞাপন দিয়া হয়। নিম্নতম শিক্ষাগত অৰ্হতা স্নাতক। দৰমহাৰ নিৰিখ বৰ্তমানৰ হিচাপত দুহেজাৰৰ ওপৰত। প্ৰাৰ্থী বৰবেছি চোকা বুদ্ধিৰ নহ'লেও হয়। মোটামুটি মধ্যমীয়া হলেই হয়।

পৰীক্ষালৈ আবেদন কৰাৰ পাছতে হ'ল প্ৰস্তুতিৰ কথা। আবেদন কৰাৰ পৰা পৰীক্ষালৈ কম পক্ষেও তিনিমাহ মান সময় পোৱা যায়। এইখিনি সময়ত অলপ নিয়মীয়াকৈ অধ্যয়ন কৰিলেই হৈ যায়। পইচা-পাতি থাকিলে National School of Banking অৰ পৰা ডাকযোগে পাঠ (Postal coaching) ল'বও পাৰে। ইয়াৰ ফিজ পিছে অলপ বেছি। নললেও কোনো কথা নাই। তাৰ সলনি ভাল ভাল কিতাপ কিছুমান সংগ্ৰহ কৰি লৈ পঢ়িলেই হয়। প্ৰবেশ্যনাৰি অফিছাৰৰ পৰীক্ষাৰ বাবে বিভিন্ন প্ৰকাশন প্ৰতিষ্ঠানে কিতাপ উলিয়াইছে। তুলনামূলকভাৱে ভাল কিতাপখন হ'ল Bookhive's—

"Bank Probationary officer Exam. Guide." লেখক— Dr. Ravi Chopra. গুৱাহাটীত যদি কিতাপখন প্ৰচুৰ পৰিমাণে পোৱা নাযায় তেনেহলে পোৱাৰ ঠিকনা হ'ল—Bookhive, CB-231, Ring Road Naraina, New Delhi-110028। কিতাপখনৰ শেষৰ পিনে যথেষ্ট অনুশীলন কৰিবলৈ দিয়া আছে। পৰীক্ষাতো এই ধৰণৰ প্ৰশ্নই আহে। সময় হলে সকলোৱে এইবোৰ কৰিব পাৰে। পৰীক্ষা হলত সকলোৰে সমস্যা পিছে সেইখিনিতে। সেয়েহে পৰীক্ষাৰ আগে আগে এইবোৰ ঘৰতে ঘড়িৰ লগত সময় ঠিক কৰি চৰ্চা কৰিব লাগে। এবাৰ দুবাৰ এনেকৈ চৰ্চা কৰিলে মোটামুটিভাৱে অভ্যাস হৈ যায়। বিশ্বৰ ঘটনাৱলী আৰু সাধাৰণজ্ঞানৰ বাবে কামত অহা আলোচনী হ'ল—Competition Master, Career's & Competition Times, Competition Adviser আদি। মানবিশিষ্ট ৰচনাৰ বাবে Competition Success Review খন ব্যৱহাৰ কৰিব পাৰি। প্ৰত্যেক মাহতে ইয়াত একোখন মান বিশিষ্ট ৰচনা থাকেই। ভাৰতবৰ্ষৰ বিষয়ে খুতিনাতি জানিবলৈ হ'লে সকলোৰে ওপৰত হ'ল Publication Division এ প্ৰকাশ কৰা Year Book খন। এইখন পোৱাৰ বাবে দিল্লীলৈ "Publication Division, Ministry of Home affairs, New Delhi, N. C. E. R. T, Sir Aurobind Marg, New Delhi-16 এই ঠিকনাত লিখিব লাগিব। ইংৰাজী ব্যাকৰণ আৰু কম্প'জিশ্যনৰ বাবে হাইস্কুল পৰ্যায়ৰ ভাল ইংৰাজী ব্যাকৰণ এখন পঢ়িলেই হৈ যায়। তথাপি F. T. Woodৰ A Remidial English Grammar for Foreign Students কিতাপখন বৰ ভাল। কিতাপখনৰ দামো কম। উপন্যাস পঢ়াদি পঢ়িব পাৰি। গুৱাহাটীৰ প্ৰায় কিতাপৰ দোকানতে এইখন পোৱা যায়। লিখিত পৰীক্ষাৰ বাবে এইকেইখন কিতাপ তথা আলোচনী পঢ়িলেই মোটামুটিভাৱে হৈ যায়।

লিখিত পৰীক্ষাৰপৰা বৰ বেছি শতকৰা ০.০৫ ভাগহে মৌখিক পৰীক্ষালৈ উত্তীৰ্ণ হয়। সাধাৰণতে কলেজ বা বিশ্ববিদ্যালয়ৰ পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ইয়াতকৈ বহু বেছি। ৫০% বা ৬০% নম্বৰৰ উত্তৰ কৰিয়েই নিৰ্বাচিত হবলৈ আশা কৰিব নোৱাৰি। নিৰ্বাচনৰ ক্ষেত্ৰত সৰ্বভাৰতীয় ভিত্তিত merit list তৈয়াৰ কৰা হয়। গতিকে প্ৰতিযোগিতা কিমান তীব্ৰ সেইটো সহজে অনুমেয়। সেয়েহে এই ক্ষেত্ৰত Slow and steady wins the race অৰ সলনি speed and accuracy wins the race হে বেছি প্ৰযোজ্য যেন লাগে।

দ্বিতীয় পৰ্যায়টো হ'ল মৌখিক পৰীক্ষা। লিখিত পৰীক্ষাত উত্তীৰ্ণ হৈ মৌখিকত ঠেকেচা খোৱাৰো উদাহৰণ যথেষ্ট আছে। সাক্ষাৎকাৰৰ সময়ত শুদ্ধ আৰু শুৱলাকৈ ইংৰাজী কব পৰা হ'ব লাগে। পিছে আমাৰ ৰাজ্যখনত ইংৰাজী শিক্ষাৰ অৱস্থা বৰ দুখলগা। কলা বিষয়ৰ ছাত্ৰ-ছাত্ৰীয়ে কিছু পৰিমাণে হ'লেও ইংৰাজী চৰ্চা কৰাৰ সুযোগ পায়; কিন্তু বিজ্ঞান বা বাণিজ্য শাখাৰ বাবে ইংৰাজী বিষয়টো যেনিবা এটা গলগ্ৰহহে। ডিগ্ৰি পৰ্যায়ত নিয়মিতভাৱে ইংৰাজী ক্লাছ কৰাটো দুৰৰ কথা, বিজ্ঞান শাখাৰ বেছিভাগ ল'ৰা-ছোৱালীয়ে ফাইনেল পৰীক্ষাৰ বৰ বেছি এদিন বা দুদিন আগতে "Topics and Opinion" নোট এখন কিনি লৈ আহি তাকে পঢ়িয়েই পাছ কৰাৰ ব্যৱস্থাটো কৰে। মূল কিতাপখন বহুতে দেখাই নাপায়। যিসকলে সকতে কনভেণ্ট বা তেনে কোনো ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ি আহে, তেওঁলোকৰ কথা অৱশ্যে সুকীয়া। কিন্তু বহুতো ছাত্ৰ-ছাত্ৰীয়ে ভিতৰুৱা ঠাইৰ ছাল-বেৰ নোহোৱা স্কুলত পঢ়ি আহিও কলেজ-বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰত ভাল ফল দেখুৱায়। ইংৰাজী চৰ্চাৰ সুযোগ-সুবিধা বা পৰিবেশ সেইবোৰ ঠাইত নোহোৱাটো স্বাভা-

৩৬ পৃষ্ঠাত চাওক



# খোঁচা-বিন্ধা বুৰঞ্জীৰ একাংশ

ডঃ দিলীপ কুমাৰ দত্ত

মই ১৯৮৬ চনৰ জানুৱাৰী মাহৰ পৰা মে মাহৰ সাত তাৰিখলৈকে ভাৰতত (ঘাইকৈ অসমত) থকা দিন কেইটাৰ অভিজ্ঞতাৰ আলমতে এখন বুৰঞ্জী লিখিবলৈ লৈছোঁ। "খোঁচা-বিন্ধা বুৰঞ্জী।" সেই কালছোৱাত অসমত বহু ঘটনা দেখিলোঁ, বহু মানুহ লগ পালোঁ যদিও ইয়াত বিশেষ কিছুমান ঘটনাকহে এক বিশেষ দৃষ্টি-ভংগীৰে লিখিছোঁ।

সেই কেইদিনত অসমীয়া জাতিয়ে এক নতুন ৰূপত গঢ় লোৱাৰ এক বিশেষ প্ৰতিশ্ৰুতি আৰু সম্ভাৱনা দেখিবলৈ পালোঁ। সেই প্ৰতিশ্ৰুতিক সফল কৰিবলৈ বহুতেই বহু প্ৰকাৰে বৰঙণি যোগাইছে। আমাৰো দেখাক দেখি উঠিল গা— জাতি ভাইৰ কাৰণে কিবা এটা কৰিবৰ মন গ'ল। কিন্তু কৰোঁ কি ? —দান দিবলৈ আমাৰ লাখ লাখ টকা নাই, সমাজ সেৱা কৰিবলৈ আমাৰ অৱসৰ নাই, ৰাজনীতি কৰিবলৈ আমাৰ শিয়াল-বুদ্ধি নাই আৰু ধৰ্ম প্ৰচাৰ কৰিবলৈ আমাৰ সুমতি নাই। হেন জানি কৃষ্ণক চিন্তি কলমটোকে তুলি লৈছোঁ, বোলো দুই চাৰিক খুঁচি চাওঁ।

ইয়াত সেই কাৰণে আনক খোঁচা-বিন্ধা কৰিব পৰা কথাবিলাকহে লিখিছোঁ, আন কথাবিলাক একপ্ৰকাৰ বাদ দিছোঁ। সেই কাৰণে ৰাইজে যেন এইটো নাভাবে যে মই অসমত একো ভাল নেদেখিলোঁ। দৰাচলতে, সেই কেইদিন মই দেশৰ বহু ভাল লক্ষণ দেখিলোঁ আৰু সেইবিলাক দেখি মোৰ ইমান আনন্দ লাগিল যে সেই আনন্দতহে এই বুৰঞ্জীৰ সৃষ্টি হ'ল। এইবিলাক দুখ-বেজাৰৰ খোচনি নহয়, আনন্দৰহে খোচনি, এইবিলাক বিদ্বেষৰ খোচনি নহয়, শুভ ইচ্ছাৰহে খোচনি। ইয়াৰ ফলাফল ভাল হওক, মই খোঁচা-বিন্ধা কৰাসকল সষ্টম হওক আৰু সজ পথত চলিব পৰা হওক এয়েই মোৰ কামনা। লগতে মই পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়াইছোঁ, আৰু মোৰ বিবেচনা মতে সজ পথ আৰু সৎ পথৰ প্ৰতি আঙুলিয়াইছোঁ।

## টেলিভিছনৰ কথা

আমি মাঘৰ বিহুৰ দিনাখনেই গুৱাহাটী পাইছিলোগৈ। মনৰ উলাহত ঘৰ সোমায়েই, ছুটকেছকেইটা দলিয়াই মিতিৰ কুটুম, বন্ধু-বান্ধৱৰ ঘৰে-ঘৰে ঘূৰিলোঁ, বোলো আটায়ে বিহুৰ দিনাখন আমাক পাই উলাহেৰে সাৰটি ধৰিব আৰু আমাক নানা তৰহৰ পিঠা-পনা, দৈ-জলপান আদি খুৱাব। কিন্তু আমি সম্পূৰ্ণ নিৰাশ হ'ব লগীয়া হ'ল। কাৰো আমাৰ পিনে মূৰ তুলি চাবৰ সময় নাই। গুৱাহাটীত ঘৰে ঘৰে ৰঙীন টেলিভিছন হ'ল। ল'ৰা-বুঢ়া আটায়ে টেলিভিছনত মূৰ চকু গুজি বহি থাকে, আমাৰ পিনে চোৱা দূৰৈত থাওক, ইকাটি সিকাটি কৰিবলৈকে সময় নাই। ঘৰৰ ভিতৰলৈ সোমাই গ'লে মূৰ নোতোলাকৈ সোধে বোলে 'কোন' ?। কোন ক'লে কয় বোলে "বহঁা, টেলিভিছন চোৱা," "চোৱা, আজি নতুন হিন্দী ছিনেমা দেখুৱাইছে," "আহঁা, আজি পুৰণা হিন্দী ছিনেমা দেখুৱাইছে," "চাওক আজি ইণ্ডিয়াই নিউজিলেণ্ডক হৰুৱাবই" (আজিকালি বহুতে ভাৰতক ইণ্ডিয়া বোলা হয়), "চাওক আজি আমাৰ ম'হ যুঁজ দেখুৱাব" ইত্যাদি, ইত্যাদি। কিন্তু আমিনো চাওঁ কেনেকৈ ? ঘৰৰ মানুহ আৰু ওচৰ-চুবুৰীয়াই টেলিভিছনটো এনেদৰে আগুৰি থাকে যে আমি কাৰোবাৰ পিঠি বা চুলি দেখাৰ বাহিৰে আন একো দেখাৰ সম্ভাৱনা নাথাকে। বাটে-ঘাটেও সকলো কথা-বতৰা টেলিভিছনক কেন্দ্ৰ কৰিয়েই শুনিলোঁ; যেনে—এখন গাড়ীৰ ভিতৰৰপৰা ল'ৰা-ছোৱালীয়ে সিখন গাড়ীৰ ল'ৰা-ছোৱালীক সুধিলে, "তোমালোকৰ টেলিভিছন আহিল নে নাই" ? তেতিয়া ইখন গাড়ীৰ ছোৱালী এজনীয়ে হিয়া ভাগি যোৱা দুখেৰে ক'লে, নাই, কেইদিনমান দেৰী হ'ব।" এঘৰত টেলিভিছন চাবলৈ অহা বন্ধু এজনক "আজি আমাৰ টেলিভিছনটো বেয়া হ'ল" বুলি জনোৱাত মানুহজন বজ্ৰপাত পৰাৰ নিচিনাকৈ বহু দেৰী থৰ হৈ আছিল। এঘৰলৈ যাওঁতে আমাক দূৰৈতে দেখি দৌৰি অহা ল'ৰা-ছোৱালী এহালৰ আনন্দ দেখি মনটো ভাল লাগিছিল যদিও সিহঁতে "আমিও এটা কালাৰ-টেলিভিছন কিনিলোঁ, চাওকহি" বুলি প্ৰথমেই কোৱাৰ লগে লগে মোৰ ভাল লগাখিনি দূৰ হ'ল।

আমেৰিকাত থাকোঁ যদিও আৰু নিজৰ সামৰ্থ্য আছে যদিও আমাৰ ৰঙীন টেলিভিছন নাই। পুৰণা ক'লা-বগা টেলিভিছন এটা আছে যদিও সেইটো আমি মাহেকে-পষেকে কেতিয়াবাহে চাওঁ। আমেৰিকাত আমাৰ নিচিনাকৈ ৰঙীন টেলিভিছন বা আন ধৰণৰ টেলিভিছন নথকা মানুহ বহুত আছে। সেইদৰে আমাৰ দৰে কেতিয়াবা কাচিৎহে টেলিভিছন চোৱা মানুহৰ সংখ্যাও বহুত। ইয়াৰ প্ৰধান কাৰণ হৈছে টেলিভিছন এটা পৰিয়ালৰ কাৰণে বৰ অনিষ্টকাৰী। বিশেষকৈ, কণ কণ ল'ৰা-ছোৱালীৰ ওপৰত আৰু ছাত্ৰ-ছাত্ৰীৰ ওপৰত টেলিভিছনৰ প্ৰভাৱ সাধাৰণতে বৰ বেয়া। সেয়েহে গুৱাহাটীৰ টেলিভিছন-প্ৰিয় ৰাইজ দুই এক নানা প্ৰকাৰেৰে সতৰ্ক কৰি দিবলৈ চেষ্টা কৰিলোঁ। আমেৰিকাৰ ৰাইজে অভিজ্ঞতা আৰু বহু গৱেষণা কৰি পোৱা নানান তথ্য মই তেওঁলোকক জনালোঁ। যেনে :

"টেলিভিছনটো বৰ বেয়া বস্তু। ই মানুহক বৰ এলেহুৱা কৰে।"

"ল'ৰা-ছোৱালীয়ে টেলিভিছন চাই দুই-এটা ভাল কথা শিকিব পাৰে যদিও সেইবিলাক আন প্ৰকাৰেও



OKDISCD

অতি সহজে শিকিব পাৰে। জ্ঞান আহৰণ কৰিবলৈ টেলিভিছন এক প্ৰয়োজনীয় আহিলা নহয়। আমেৰিকাৰ স্কুল-কলেজত টেলিভিছনৰ ব্যৱহাৰ সম্পূৰ্ণ বিসৰ্জন দিয়া হৈছে।"

"টেলিভিছনে ল'ৰা-ছোৱালীৰ স্বভাৱ-চৰিত্ৰও নষ্ট কৰে। বেছিকৈ টেলিভিছন চোৱা ল'ৰা-ছোৱালী অসন্তোষীয়া আৰু বৰ উতনুৱা হয়। তেনে ল'ৰা-ছোৱালী মাক-দেউতাকৰ অবাধ্য হোৱাৰ উপৰিও তেওঁলোকে মাক-দেউতাকক আৰু গুৰুজনক বেয়া ব্যৱহাৰ কৰা হয়।"

"আটাইতকৈ দুখৰ কথা এয়েই যে টেলিভিছনৰ যোগেদি মানুহে মানৱ-জীৱনৰ এক অতি কৃত্ৰিম আৰু অবাস্তৱ ছবিহে পাবলৈ ধৰে।—সেয়েহে বেছিকৈ টেলিভিছন চোৱা লোকৰ জ্ঞান, ধাৰণা আৰু বিচাৰ-বুদ্ধি উপকৰা আৰু অবাস্তৱ হৈ পৰে।" ইত্যাদি, ইত্যাদি।

কিন্তু, মোৰ কথা শুনে কোনে? "টেলিভিছনে মানুহক বৰ অভদ্ৰ কৰে" আৰু "সভ্য দেশৰ মানুহে আলহী আহিলে টেলিভিছনটো বন্ধ" কৰি দিয়ে বুলি মই এঘৰত এটা চেষ্টা দিছিলো,—কিজানি তেওঁলোকে থস্তেক টেলিভিছনটো বন্ধ কৰি দি আমাৰ সোধ-পোচ কৰেই! কিন্তু আটায়ে মোৰ কথা শুনি একেবাৰে ঘেঁৎঘেঁতাই উঠিলে। আন এঘৰত মই তেনেকুৱা এটা প্ৰস্তাৱ দিওঁতে তেওঁলোকৰ কুকুৰটোৱেও ভুকভুকাই মোক মনে মনে থাকিবলৈ ক'লে যেন লাগিল।

ঘৰলৈ উভতি আহি পাকঘৰত খোৱা-বস্তু বিচাৰি ঘুটমুটোৱা দেখি মায়ে মোক সুধিলে বোলে "তোক কোনেও বিছু সুখুৱালে নেকি?" মই আন একো নকৈ মাক জনালো, "অসমত ঘৰে ঘৰে টেলিভিছন সোমাইছে যেতিয়া দেশৰ ভৱিষ্যত বৰ বেয়া।" মায়ে আকৌ বাংলাদেশীৰ নিচিনা কিবা অমংগলীয়া বস্তু আমাৰ ঘৰ-ঘৰ সোমোৱা বুলি ভাবি ক'লে, "কথা ইমানেই বেয়া যদি প্ৰফুল্লকে ক'গৈ, সময় থাকোঁতেই সিহে যদি কিবা এটা কৰিব পাৰে।

৩২ পৃষ্ঠাৰ পিছৰ পৰা

অনুবাদ পোৱা গৈছে। ইংৰাজীও ওলাইছে, ৰামকৃষ্ণ মিছনৰপৰা বাংলা অনুবাদো ওলাইছে। চণ্ডীশতক কাব্য দ্ব্যৰ্থক শ্লেষপূৰ্ণ—ইয়াৰ অনুবাদ কঠিন। যিদৰে ভাগৱতৰ "প্ৰতিযাত ব্ৰজং নেহ স্বেয়ং স্ত্ৰীভিঃ"ৰ ভাঙনি হ'ব পৰা নাই।

সপ্তশতী ভক্তিপ্ৰধান স্তোত্ৰ, চণ্ডীশতক বুদ্ধিৰসাশ্ৰিত কাব্য— এখন থাপনাৰ, এখন পঢ়া মেজৰ।

চণ্ডীশতকৰ শ্লেষৰ কাঁইট চোবালেও অৱশ্যে মজা বা 'মজ্জা' পায়; কিন্তু এনে অনুশীলনত বহুতে আগ নাবাঢ়ে। ব্ৰাউনিং (Browning) obscure আৰু আভজা হ'লেও আমি কিন্তু পঢ়োঁ। শমীধৰ কোমল কাঁইটৰ দৰে বৈদিক সাহিত্যতো satire আছে, শকুন্তলাৰ একাংশ As you like it অৰ দৰেই satire, তথাপি ভাৰতীয় সাহিত্যত satire (বিদ্ৰূপ) বুলি এটা বেলেগ জাত নাই, হাস্যৰসেই ইয়াক সামৰে। আনৰ দোষ আৰু দুৰ্বলতাক হঁহাটো ভাৰতীয় মনে বৰ ভাল নাপাইছিল হবলা। পশ্চিমৰ দেশৰ ৰাজনৈতিক আৰু সামাজিক কাৰণত satire এটা বিশেষ জাতি বুলি প্ৰতিষ্ঠিত হ'ল; তাৰ তীক্ষ্ণ আৰু মৃদু—দুটা ঐতিহ্যৰো সৃষ্টি হ'ল। হাস্যৰস উপাদান, satire সামগ্ৰিক অনুভূতি।

চণ্ডীশতক অকল ভাৰতীয় সাহিত্যতে নহয়, পৃথিৱীৰ সাহিত্যতো এটা আপুৰুগীয়া বস্তু। জলা, টেঙা, কেহা, তিতা গৰু ঘিঁউ আৰু মিঠাৰ বাৰমিহলি "পৌপুৰি" (pot-pourri). *

* লেখকৰ Satire and Sarcasm in Sanskrit Literature নামে অপ্ৰকাশিত গ্ৰন্থৰ এটুকুৰা।

৩৪ পৃষ্ঠাৰ পিছৰ পৰা

ৰিক। পিছে কলেজত বা হোষ্টেলত নিজৰ বন্ধু-বান্ধৱীৰ লগত তেনেকুৱা এটা বাতাবৰণ গঢ়ি ল'ব পাৰি। মনত কিছু উচ্চাকাংক্ষা আৰু দৃঢ়তা থাকিলে এনে ধৰণৰ এটা পৰিবেশ গঢ়ি তোলাটো একো ডাঙৰ কথা নহয়। সাক্ষাৎকাৰবোৰত সাধাৰণতে বৰ জটিল প্ৰশ্ন সোধা নহয়। সমসাময়িক ঘটনা প্ৰবাহৰ দুই-চাৰিটা প্ৰশ্ন সোধা হয়। নিজৰ পঢ়ি অহা বিষয়ৰো প্ৰাথমিক প্ৰশ্ন দুটা-এটা সোধা হ'ব পাৰে। উদাহৰণ হিচাপে বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীক মেণ্ডেলৰ সূত্ৰটো কি, কেলকুলাছ মানে কি, ডয়টেৰিয়াম কি— এনে ধৰণৰ প্ৰশ্ন সোধাটো নিতান্তই স্বাভাৱিক। ঠিক তেনেকৈ, কলা শাখাৰ ছাত্ৰ-ছাত্ৰীক মালথাছৰ তত্ত্ব, মেক্ৰো-মাইক্ৰো ইকনমিকছ, নাগৰিকৰ মৌলিক অধিকাৰ মানে কি— এনে ধৰণৰ প্ৰশ্ন সুধিলে উত্তৰ দিয়াটো নিশ্চয় একো টান নহয়। মুঠতে সেইখিনি সময়ত নাৰ্ভাছ হ'ব নালাগে। ইণ্টাৰভিউ ব'ৰ্ডত সাধাৰণতে চাৰি-পাঁচজনমান সদস্য থাকে। সেইখিনি সময়ত "মই একো নাজানো" এনে ভাব এটা মনলৈ নানি, "মইতো বহুত কথা জানো" এনে ভাব এটা আনিব পাৰিলে বহুখিনি সাহস পোৱা যায়। সাক্ষাৎকাৰৰ বাবে প্ৰস্তুত হবলৈ বহুতো কিতাপ পোৱা যায়। সাময়িক ঘটনাৰাজিৰ বাবে Illustrated weekly of India, India today, Times of India আৰু ৰেডিঅ'ৰ বাতৰিৰ ওপৰত নিৰ্ভৰ কৰিব পাৰি।

মুঠতে এনেধৰণে কিছু শৃংখলাবদ্ধভাৱে চেষ্টা কৰিলে আমাৰ মাজৰ-পৰাই বহুতো উচ্চখাপৰ চাকৰিয়াল ওলাব পাৰে। অসমৰ বাহিৰলৈ ওলাই আহিলে গম পোৱা যায়, সময়ৰ তুলনাত আমি কিমান পিছ পৰি আছোঁ। ভাৰতবৰ্ষৰ বাকীবোৰ প্ৰদেশৰ লগত তাল মিলাই আগ বাঢ়িবলৈ আমি ভালেখিনি কষ্ট কৰিব লগীয়া আছে।





# আনন্দ উৎসৰ সন্ধানত

কল্যাণ দেশমুখ্য

## এক

আমি আজি একবিংশ শতিকাৰ সিংহদ্বাৰত আহি উপস্থিত হৈছোঁ। বিংশ শতিকা মহাকাশৰ অতল তলত প্ৰায় সমাধিস্থ। নতুন শতিকাৰ আগমণিয়ে মানুহৰ মনলৈ কেনে আশাৰ পোহৰ কঢ়িয়াই আনিব আৰু আজিয়েই ঠিৰাংকৈ ক'ব নোৱাৰিম। কিন্তু এইটো ঠিক যে নতুন জীৱনৰ শুভলগ্নৰ আগমনৰ লগে লগে মানুহৰ ওপৰত পাপৰ বোজাৰ ভৰ বেছি হ'বলৈ আৰম্ভ কৰিছে। পাপ? এই ৰবটৰ যুগক কিমান মানুহেই বা তাৰ হিচাপ ৰাখিছে। আজিৰ মানুহে ইচ্ছা শক্তিৰে বলিয়ান হৈ যি ইচ্ছা তাকেই কৰি গৈছে। শাৰীৰিক সুখৰ বাবে আমি আজি কি কৰা নাই? পাপৰ কথা চিন্তা কৰি থাকিলে আমি জানো সভ্যতাক হত্যা নকৰিম? পাপৰ কথা চিন্তা কৰি থাকিলে দেখোন আমাৰ জীয়াই থকাৰ অৱলম্বনখিনিও হেৰাই যাব! ইত্যাদি, ইত্যাদি।

পাপ বুলিলে আমি বুজোঁ অসৎ আচৰণ, হিংসা, ক্ৰোধ, স্বাৰ্থপৰতা;— কথাত কবলৈ হ'লে ভগৱানৰ ইচ্ছাৰ বিৰুদ্ধ কাম। ইয়াত ভগৱানৰ প্ৰশ্নৰ অৱতাৰণা কৰি হয়তো ভুল কৰিলো। কাৰণ আজিৰ যুগত মানুহে নিজৰ অস্তিত্বকহে সত্য বুলি ভাবে। কোন পগলাৰ মনত ভগৱানৰ অস্তিত্বৰ প্ৰশ্ন কেতিয়াযে উদয় হৈছিল, তাৰ অশুভ প্ৰভাৱ আজিও যে পৃথিৱীৰ বুকুত বিৰাজ কৰিছে,— তাকে লৈ সহস্ৰ-প্ৰশ্নই আজিও অস্তিত্বকেন্দ্ৰিক মানুহৰ মনত তোলপাৰ লগাই আছে। পাঠকে হয়তো প্ৰশ্ন কৰিব— আপুনি ভগৱানক কেতিয়াবা দেখিছেনে? ভগৱানে আমাৰ কাৰণে আজিলৈকে কি কৰিছে? এইটো এটা বৰ জটিল প্ৰশ্ন। ইয়াৰ উত্তৰ বিচাৰি কত তৰ্কযুদ্ধৰ অৱতাৰণা হৈছে তাৰ সীমা-সংখ্যা নাই। মাথোন ক'ব পাৰোঁ— বহুতৰ মনত ভগৱান আজিও এটি অলীক কল্পনা মাত্ৰ।

যি আনন্দৰাজ্যলৈ ভাই-ভনীসকলক লৈ যাবৰ উদ্দেশ্যে এই আলোচনাৰ পাতনি মেলিছোঁ, তাৰ মূল ৰসকেন্দ্ৰটিও হৈছে ভগৱান। অৱশ্যে এই ভগৱানৰ প্ৰাণ নাই, মন নাই আৰু আকাৰো নাই। উপনিষদত এই পৰমপুৰুষজনাক ব্ৰহ্মণ আখ্যা দিয়া হৈছে। আনন্দ যি দৰে নিৰাকাৰ এটি অনুভূতি মাত্ৰ, আমাৰ এই ব্ৰহ্মণো এটি অনুভূতি মাত্ৰ। আপুনি যদি একান্ত নাস্তিকো হয়, তথাপি নিৰাশ নহ'ব এই আলোচনাৰ লগে লগে আগবাঢ়ি আহক। শেষত অৰ্জুনে শ্ৰীকৃষ্ণক কোৱাৰ দৰে আপুনি হয়তো ভাবিব পাৰিব,—"এতিয়া মোৰ সকলো সন্দেহ দূৰ হৈছে। মই বাৰে বাৰে আনন্দৰ শিহৰণ উপলব্ধি কৰিব পাৰিছোঁ।

পাঠকক এইখিনিতে জনাই থওঁ যে মই ভগৱানৰ সেৱকৰূপ এই আলোচনাটি তেখেতসকলৰ আগত দাঙি ধৰিবলৈ ওলাইছোঁ।

## দুই

আনন্দৰ স্বৰূপ কি প্ৰথমে সেইটো বুজি পোৱাটো আৱশ্যক। সংস্কৃত পৰিভাষাৰ 'আনন্দম' শব্দটিৰ অনবদ্য ঝংকাৰ মাধুৰ্যৰ মাজত যে এই স্বৰূপটিৰ এক অনন্য আৰু অসাধাৰণ গূঢ়াৰ্থ লুকাই আছে তাক আমি দুই কৰিব নোৱাৰোঁ। অনন্য অদ্বিতীয়, অজ অৰ্থাৎ জন্মহীন, অমৰ বা মৃত্যুহীন, অক্ষয় বা যাৰ ক্ষয় নাই ইত্যাদি শব্দৰে বিভূষিত কৰি এই ব্ৰহ্মণক উপনিষদত পুনঃ পুনঃ বৰ্ণনা কৰা হৈছে। এই পৰম ব্ৰহ্মণৰ এটি মৌলকোষ বা উপাদান হৈছে 'আনন্দম'। আকাশৰপৰা সৰি পৰা বৰষুণৰ টোপালবিলাক দেখি এটা সৰু ল'ৰাৰ মন যিদৰে আনন্দত নাচি উঠে, সেইদৰে ভয় খালে সি কান্দি পেলায়। ডাঙৰ হৈ অহাৰ লগে লগে তাৰ সাংসাৰিক বুদ্ধি প্ৰসাৰিত হয় যদিও তাৰ আনন্দ কাৰ্য-কাৰণ সম্পৰ্কৰ ওপৰত নিৰ্ভৰ কৰে। পৰীক্ষাত উত্তীৰ্ণ হোৱা, ভাল চাকৰি লাভ কৰা ইত্যাদিয়ে যিদৰে তাৰ মন উৎফুল্ল কৰে, প্ৰিয়জন বা আপোনজনৰ মৃত্যুত তাৰ মন সেইদৰে শোকাকুল হৈ পৰে। ভাল লগা বা বেয়া লগা এয়াই হৈছে মানুহৰ কাৰ্য-কাৰণ সম্বন্ধ। ইয়াকেই আমি আনন্দ বা দুখ বুলি ভুল কৰোঁ। আচলতে দুখ হৈছে মানুহৰ অজ্ঞানতাৰ কাৰণ। প্ৰকৃত সত্য হৈছে আনন্দ। এই আনন্দৰ পৰাই বিশ্বৰ সৃষ্টি আৰু ইয়েই চিৰন্তন সত্য। এই আনন্দৰ বিন্দুমাত্ৰও হ্ৰাস বৃদ্ধি ঘটিব নোৱাৰে। এই আনন্দময় মাধ্যমৰ মাজত বিশ্বৰ স্থিতি; বিশ্বৰ ধ্বংস হ'লেও এই আকাশ চিৰদিন থাকিব।

সুন্দৰ ফুল দেখি ভাল লাগে। কেতিয়াবা অজানিতে কৈ পেলাওঁ— বাঃ, ইমান সুন্দৰ ৰং! তাৰ সুন্দৰ ৰংটোৱে বিমোহিত কৰে আমাৰ মন। কিন্তু ফুলপাহৰ সুন্দৰ ৰংটোৰ ভিতৰত লুকাই থকা প্ৰকৃত সত্যক কেতিয়াবা উপলব্ধি কৰিবলৈ জানো চেষ্টা কৰিছোঁ? প্ৰকৃতাৰ্থত সুন্দৰ ফুলপাহৰ ৰং হৈছে আনন্দময় ব্ৰহ্মণৰ এটা মায়াময় ৰূপ আৰু এই মায়াৰ কুহক জাল ভেদ কৰি যদি ব্ৰহ্মণৰ চিন্তন মনলৈ আহে তেতিয়াই আমাৰ মনত মৃত্যুহীন, জন্মহীন আনন্দৰ আস্বাদন হ'বলৈ আৰম্ভ কৰে। বিজ্ঞানত কোৱা হৈছে— সূৰ্যৰ সাতটি ৰঙৰ যি ৰংটো কোনো পদাৰ্থই গ্ৰহণ নকৰি বিচ্ছুৰণ কৰে, সেই ৰংটোৱেই হৈছে পদাৰ্থটোৰ ৰং। সেয়ে ৰঙা ফুল সূৰ্যৰ কাৰণেই ৰঙা। ইয়াত প্ৰকৃত সত্য হৈছে সূৰ্য বা তাৰ পোহৰৰ ৰশ্মি। ব্ৰহ্মণো হৈছে পৰম দিব্যজ্যোতি স্বৰূপ পুণ্য পোহৰৰ ৰশ্মি। সেয়ে মনে যদি কেতিয়াবা দৃশ্যমান ৰূপৰ ভিতৰৰ অদৃশ্য কিন্তু উপলব্ধ সত্য, অৰ্থাৎ আনন্দৰ মনন-চিন্তন কৰিব পাৰে, তেতিয়াই মনে সকলো মায়াময় বেৰাজাল অতিক্ৰম কৰিব পাৰিব। কোনো



OKDISCD

কাৰণত যদি সুন্দৰ ৰঙা ফুলপাহ মৰহি যায়, বা তাৰ পাপৰিবিলাক খহি পৰে, তেতিয়া মুহূৰ্তৰ কাৰণে হ'লেও মনটো জোকাৰ খাই উঠে। এনে কিয় হয়? প্ৰকৃত জ্ঞানৰ উন্মেষ নোহোৱা কাৰণেই মুহূৰ্তৰ কাৰণে হ'লেও মন বেয়া লাগে। ফুলপাহ মৰহি গলেও যি পোহৰে চাৰিওফালে সুন্দৰৰ ৰচনা কৰিছে আৰু তাৰ শাশ্বত আনন্দময় ৰূপটি যদি সকলো সময়তে মনত ধৰি ৰাখিবপৰা হয়, তেনেহলে মনৰ এই পৰিবৰ্তন সম্ভৱপৰ নহ'ব। এই আনন্দময় কোষটো অতি সূক্ষ্ম। তাৰ ওপৰত বহি আছে ইন্দ্ৰিয়াদিৰ অনেক অতি কঠিন কোষৰ তৰপ। মানব দেহৰ মাজতেই ইয়াৰ নিবাস। মানব দেহৰ চাৰিওফালে থকা অনন্ত মহাশূন্যত তাৰ বিস্তাৰ। সত্য যেতিয়া আত্মচেতনাত স্বপ্ৰকাশিত হ'ব, তেতিয়াই এই আনন্দধাৰা উৎসৰিত হ'ব।

## তিনি

মনত যেতিয়া শান্তিৰ নিস্তব্ধতাই বিৰাজ কৰে, তেতিয়াই আনন্দধাৰা বৰলৈ আৰম্ভ কৰে; মন-প্ৰাণ জুৰুৱা এক শীতল আনন্দধাৰা। হিমালয়ৰ শিখৰত গোট খোৱা স্তুপীকৃত বৰফৰ ওপৰত ৰ'দৰ কিৰণে শুভ্ৰ বৰফৰ শুভ্ৰতা বঢ়াই তোলে। এই কঠিন বৰফৰ কিছু তলেদি হিমবাহ ধীৰ পদক্ষেপে নামি আহে। আকৌ বৰফৰ গলা পানী বিচিত্ৰ সুৰেৰে নাচি নাচি পাহাৰৰপৰা নামি আহে প্ৰচণ্ড বেগে তললৈ, সমতললৈ। এই শান্ত বৰফৰ পাহাৰত বিৰাজ কৰিছে এক অব্যক্ত আনন্দ। এই আনন্দই পগলাৰ অট্টহাস্য কিম্বা মানবৰ দুঃখমিশ্ৰিত অগভীৰ হাঁহিৰ আনন্দক ম্লান কৰি পেলায় তাৰ অব্যক্ত গভীৰতাত, নিৰৱতাত। পাঠকে হয়তো প্ৰশ্ন কৰিব— বৰফ-আবৃত শৈলশিখৰ যে মৃত্যুৰ দৰে শীতল! আপুনি এই মৃত শীতলতাৰ মাজত কেনেকৈ আনন্দ দেখা পালে? কথা কব নোৱাৰে কাৰণেই মৃত— এয়া মাথোন মানব বিজ্ঞানতহে সম্ভৱ। কিন্তু আধ্যাত্মিক বিজ্ঞানত 'ভাব'কেই প্ৰাধান্য দিয়া হয়। শীতল পাহাৰৰপৰাতো মৃতদেহৰ দুৰ্গন্ধ উটি নাহে! বৰফ-আবৃত পাহাৰে ধৰি ৰখা শান্তি আৰু আনন্দ আৰু এই বৰফেই অগ্নিৰ সান্নিধ্যলৈ আহি পানীলৈ ৰূপান্তৰিত হৈ বিচিত্ৰ শব্দবিন্যাসেৰে সুললিত কল্লোলেৰে সমতললৈ ধাবিত হয়— শান্তিধাৰা হৈ, আনন্দধাৰা হৈ। শান্তি, আনন্দ আৰু অগ্নি ব্ৰহ্মণৰ অন্য এক নাম বা অনুভূতি আৰু শব্দ শক্তি প্ৰকাশিনী। শান্তিকেই শিৱ বা কল্যাণময় বুলি কোৱা হৈছে। সংস্কৃত 'শম্' শব্দৰপৰা শান্তি। আকৌ 'শম্'-অৰপৰ শম্ভু আৰু শংকৰ। 'শম্'-অৰ মাজত যাৰ জন্ম তেৱেঁই 'শম্ভু'। যি 'শম্ভু' হৈ ভক্তক 'শম' দান কৰে তেৱেঁই 'শংকৰ'। অৰ্থাৎ দুয়োজনাই পৰম কল্যাণময় অৰ্থাৎ শিৱ। হিমালয়ৰ স্বৰ্গীয় শান্তি যেন শিৱৰ এটি ধ্যানমগ্নৰূপ। এই শান্তিৰপৰাই জীৱন অৰ্থাৎ জল। আমাৰ জীৱনৰ মূল হৈছে শান্তি আৰু এই শান্তিয়েই আমাৰ কাম্য। আমি যদি আমাৰ জাগতিক কামনা-বাসনাখিনিক শান্তিৰ মহাসাগৰত নিমজ্জিত কৰিব পাৰোঁ, তেনেহলে কামনা-বাসনাৰ জোৱাৰে আমাৰ জীৱনতৰণী কেতিয়াও ডুবাব নোৱাৰিব।

## চাৰি

কামনা-বাসনাৰ ধুমুহা মানবজীৱনৰ লক্ষ্য ভ্ৰষ্টকাৰী দুটি অদমনীয় ৰিপু। আধ্যাত্মিক জগততো এই দুই শত্ৰুৰ পৰাক্ৰম নুই কৰিব নোৱাৰি। দুয়ো যেন লক্ষ্যভ্ৰষ্টকাৰী বেগবান ঘোঁৰা। আনন্দ আস্বাদনৰ সময়ত অন্যান্য বহুত শত্ৰুৰ লগতে মনে এই দুই শত্ৰুকো দমন কৰিব লগা হয়। আনন্দৰ পৰমাণু আমাৰ চাৰিওফালে পৰিব্যাপ্ত হৈ আছে। মাথোন জ্ঞান চক্ষু খোল নোখোৱাত আমাৰ আনন্দ উপলব্ধি হোৱা নাই, আমাৰ ওচৰত আনন্দৰ পৰমাণু থাকিও নাই।

আমাৰ ঘৰৰ বাগিছাত লহপহকৈ বাঢ়ি অহা ওলকবিটো আমাৰ তমসাচ্ছন্ন ক্ষুধা অগ্নিত আহুতি দিবৰ কাৰণেই জন্মিছে নেকি? পাঠকে ভাবিব— অতি অদ্ভুত প্ৰশ্ন! প্ৰকৃততে প্ৰেমৰ জলসিঞ্চন আৰু ধৰিত্ৰী আইৰ আদৰ যত্নত ওলকবিটোৱে আনন্দৰ পৰমাণু এটি এটি কৰি গোটাই লৈ ডাঙৰ হৈছে, অৰ্থাৎ তাৰ সমস্ত শৰীৰত আনন্দৰ পৰমাণু সঞ্চিত হৈ আছে। এই আনন্দই আহাৰ ৰূপে আমাৰ শৰীৰত প্ৰবেশ কৰে। ইয়াৰপৰা আমি এইটো নিশ্চিত কৰিব পাৰোঁ যে আনন্দৰ কেৱল সংক্ৰমণহে ঘটে, ইয়াৰ বিনাশ নহয়।

ভাৱ আৰু অভাৱ— আধ্যাত্মিক পৰিভাষাত ইয়াৰ স্বৰূপ অতি তাৎপৰ্যপূৰ্ণ। অভাৱ বুলিলে আমি সংসাৰীসকলে মাথোন টকা-পইচা-সম্পদ ইত্যাদিৰ অভাৱকহে বুজি পাওঁ। আধ্যাত্মিক ছাত্ৰৰ কাৰণে কিন্তু য'ত ভাৱ নাই সেয়ে অভাৱ। তেওঁৰ কাৰণে অভাৱ সকলো সময়তে পৰিত্যাজ্য। আধ্যাত্মিক ছাত্ৰ ভাৱত তন্ময় হৈ আত্মস্থ হয় আৰু শান্তিৰ প্ৰকোষ্ঠত প্ৰবেশ কৰে; আৰু তেওঁৰ চেতনাক কিছু সময়ৰ ভিতৰতেই আনন্দৰ শীতল বায়ুৱে আপ্লুত কৰি পেলায়।

প্ৰেমৰ অবিহনে আনন্দ বা শান্তি জানো সম্ভৱ? প্ৰেমবিহীন আনন্দ অসম্ভৱ। কাৰণ পৰিশুদ্ধ প্ৰেমৰ সঞ্চাৰ হয় আত্মাত। এইখিনিতে 'আত্মা' সম্বন্ধে এটা আভাসৰ প্ৰয়োজন। উপনিষদৰ পাতত ব্ৰহ্মণ বা পৰমাত্মন প্ৰজাপতি হৈ ক্ষুদ্ৰাতি-ক্ষুদ্ৰৰূপত সৰু-ডাঙৰ সকলো প্ৰাণীৰ দেহত প্ৰৱেশ কৰিছে। সেয়ে প্ৰতিটো প্ৰাণীৰ ভিতৰত যি আত্মা স্থিত হৈছে সি পৰমাত্মনৰ এটি অংশ মাথোন। জন্মৰ লগে লগে কৰ্মফলৰ ছাপস্বৰূপ ভাল আৰু বেয়া সংস্কাৰ আমাৰ গোপন অংশত অৱস্থান কৰে আৰু তাৰ মাজৰপৰাই আমাৰ স্বভাৱ প্ৰস্তুত হয়। আত্মন যিহেতু আকাৰহীন অৱস্থাত থাকে, সেয়ে পাপ-পুণ্যই তাক স্পৰ্শ কৰিব নোৱাৰে। অগ্নিত ই দগ্ধ নহয় বা বায়ুয়ে তাক শোষণ কৰিব নোৱাৰে। আত্মন অবিনশ্বৰ। প্ৰত্যেক প্ৰাণীৰ আত্মনক পৰমাত্মনৰ অংশ জ্ঞান কৰিব পাৰিলে প্ৰেমৰ সঞ্চাৰ হয়। এই প্ৰেম আনন্দসাগৰৰ পৰা উৎসৰিত হৈ পুনৰ আনন্দ সাগৰত মিলি যায়।

## পাঁচ

আত্মাৰ আত্মাৰ প্ৰতি থকা যি প্ৰেম, তাৰ মাজত যদি কোনো ৰিষয়গত, ইন্দ্ৰিয়গত বা স্বাৰ্থপ্ৰসূত দোষ নাথাকে, তাক আমি ঈশ্বৰপ্ৰেম বুলিও কব পাৰোঁ; কিয়নো পৰমাত্মনৰ অংশৰূপ আত্মনৰ প্ৰেম ব্ৰহ্মণ বা ঈশ্বৰ প্ৰেমৰ সমতুল্য। প্ৰেমৰপৰাই ভক্তিৰ উদ্ৰেক আৰু ভক্তিৰপৰা ভাবৰ জন্ম। এই ভাৱেই আমাক পৰম আনন্দময় ঈশ্বৰ বা ব্ৰহ্মচেতনাৰ ওচৰ চপাই নিয়ে।

প্ৰেমে কোনো প্ৰতিদান নিবিচাৰে বা কৃতজ্ঞতাও দাবী নকৰে। এই প্ৰেমে মানব হৃদয়লৈ কঢ়িয়াই আনে ভক্তিৰ, আনন্দৰ জোৱাৰ। স্বাৰ্থপৰতাৰ ক্ষুদ্ৰাতিক্ষুদ্ৰ ছাঁ যেতিয়া ইয়াৰ ওপৰত পৰে তেতিয়া প্ৰেমৰ পৰিণাম দুখময় হৈ উঠে। মানুহে এই প্ৰেম বুজি নাপালেও পশু-পক্ষীয়ে এই প্ৰেম বুজি পায়। বহুত চৰাইক আনন্দত বিভোৰ হৈ ভক্তিভৰা গান শুনি থকা দেখা পাইছোঁ। প্ৰেমে মানুহৰ জীৱনৰ কুভাব আঁতৰাই পেলায়। অন্ধকাৰৰ পৰা পোহৰলৈ আনে। সেয়ে পাপীক ঘৃণা কৰাৰ কোনো যৌক্তিকতা নাই। সমৰ্থন বা অনুসৰণ নকৰিলেও ঘৃণা কৰা উচিত নহয়। কাৰণ আত্মাক পাপে চুব নোৱাৰে। মানব জীৱনত যেতিয়া সহজভাৱে এই প্ৰেমৰ প্ৰকাশ ঘটে, তেতিয়া কামৰ মাজেদি প্ৰেমীজনাৰ সেৱা পৰমাত্মন বা ঈশ্বৰে গ্ৰহণ কৰে, অৰ্থাৎ তেওঁ প্ৰসন্ন হয়। আমি মাথোন ভাব হিচাপে "প্ৰসন্ন হোৱা" কথাটি উপলব্ধি কৰাৰ চেষ্টা কৰিব পাৰোঁ। প্ৰেমৰ উৎসৰ পৰাই আনন্দৰ ফল্গুধাৰা বৰলৈ আৰম্ভ কৰে আৰু এই আনন্দ সাগৰত জাগতিক সকলো কামনা-বাসনাৰ অন্ত হয়। সেয়ে আহক, আমি হিংসা-প্ৰতিহিংসা পাহৰি প্ৰেমৰ বন্যাত পৃথিৱীৰপৰা সকলো দুখ উটুৱাই দি আনন্দৰ বাৰিধাৰা পৃথিৱীলৈ নমাই অনাৰ কাৰণে চেষ্টা কৰোঁ।

## ছয়

প্ৰেমৰপৰা ভাব, ভাবৰপৰা আনন্দ। আকৌ আনন্দৰপৰা ব্ৰহ্মণ। পৰমব্ৰহ্মণ বা পৰমাত্মনৰ অপাৰ কল্যাণময় প্ৰকাশ আমি যদি অনুভৱ কৰিব পাৰোঁ, তেতিয়া সেই কল্যাণময় সত্যৰ প্ৰতি এক অসাধাৰণ শ্ৰদ্ধাৰ ভাব আমাৰ মনত উৎসৰিত হয়। এই বিশ্বৰ বুকুত অন্ন, জল, বায়ু, বিবিধ ফলমূল ইত্যাদি কত ধৰণৰ ভোগ্য সামগ্ৰী যে আমি নিবিচৰাকৈ পাইছোঁ তাৰ সীমা সংখ্যা নাই। এই সকলোবিলাক আধুনিক বিজ্ঞানাগাৰত তৈয়াৰ কৰা জানো সম্ভৱ। বিজ্ঞানীসকলে প্ৰকৃতিৰ বুকুত যি ঘটিছে তাৰে বৈজ্ঞানিক বিশ্লেষণ মাথো আমাৰ মাজত দাঙি ধৰিব পাৰিছে। ৰাসায়নবিদসকলে কয়— হাইড্ৰ'জেন গেছৰ দুটি পৰমাণু অক্সিজেন গেছৰ এটি পৰমাণুৰ লগত মিলিত হ'লে পানীৰ এটি অণু হয়। হাইড্ৰ'জেন গেছ নিজে জ্বলে অৰ্থাৎ ই দাহ্য পদাৰ্থ, অক্সিজেনে জ্বলাত সহায় কৰে। আকৌ দুয়ো মিলি যেতিয়া পানীলৈ ৰূপান্তৰিত হয় তেতিয়া সি জুই নুমুৱাই পেলায়। এই পানীয়েই হৈছে আমাৰ জীৱনীশক্তি। কি বিচিত্ৰ নিয়ম! সেয়েহে উপনিষদত কোৱা হৈছে— অগ্নিৰপৰা জল আকৌ জলৰ পৰা অগ্নি। এক অগ্নি বহু ব্যাম— মই এক, বহু হ'ম। ইয়াকে কৈ হিৰণ্যগৰ্ভৰূপে ব্ৰহ্মণে অসংখ্য প্ৰাণীৰ ভিতৰত প্ৰৱেশ কৰিলে। সৃষ্টিৰ বিচিত্ৰৰূপে সেয়েহে আমাক অভিভূত কৰি তোলে। কিন্তু যি প্ৰাণী অজ্ঞানতাৰ আন্ধাৰত অন্ধ, যি জাগতিক অনিত্যমোহত মোহাচ্ছন্ন, তাৰ এই বিচিত্ৰ সৃষ্টিৰ আনন্দময় ৰূপ-ৰস উপভোগ কৰাৰ সময়েই বা ক'ত? আধ্যাত্মিক জগতত নিত্য আৰু অনিত্য এই দুটি কথা অতি তাৎপৰ্যপূৰ্ণ। এই বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব পাৰিলে আনন্দ আস্বাদনৰ পথ আৰু বেছি উজ্জ্বল হৈ উঠিব।

## সাত

যাৰ জন্ম নাই, মৃত্যু নাই সিয়েই নিত্য আৰু শাশ্বত। ব্ৰহ্মণেই হৈছে নিত্য। সেয়েহে আনন্দত নিত্য। জাগতিক সকলো খিনি আনকি জগতখনো অনিত্য। কাৰণ এই সকলোবিলাকৰ জন্ম আৰু বিনাশ আছে। জীৱবিজ্ঞানত কোৱা হৈছে— প্ৰাণীমাত্ৰৰেই জন্ম, বৃদ্ধি আৰু বিনাশ আছে। আধ্যাত্মবিদ্যাত এই সকলোখিনিক অনিত্য বুলি কোৱা হৈছে। কামনাৰ পৰা যাৰ জন্ম সিয়েই অনিত্য। কেৱল শুদ্ধ চেতনাই নিত্য। ইয়াক ধাৰণ কৰিবৰ কাৰণে কোনো দেহ বা আধাৰৰ প্ৰয়োজন নাই। এই চেতনাই সূক্ষ্মৰূপে আমাৰ দেহৰ মাজত বিৰাজ কৰিছে। অজ্ঞানতাৰ কাৰণে আমি ইয়াক বুজি নাপাওঁ। আন্ধাৰত যি দৰে ৰজ্জুক সাপ বুলি ভুল কৰা হয়, সেইদৰেই মায়াৰ প্ৰভাৱত অনিত্যক নিত্য বুলি ভবা হয় আৰু তাৰ প্ৰতি আমি সহজেই আসক্ত হৈ পৰোঁ। নিত্যক স্থূল চক্ষুৰে দেখা পোৱা নাযায়। ধ্যান চক্ষুৰেহে ইয়াক অনুভৱ কৰিব পাৰি। সাধনালব্ধ সম্পদ সহজে পাবৰ কাৰণে মানুহ উৎসুক নহয়। কাৰণ পঞ্চেন্দ্ৰিয় কাৰাগাৰত মানুহ সদায়েই বন্দী। ল'ৰা-ছোৱালী, ভাই-বন্ধু ইত্যাদিৰ নাম-ৰূপৰ দ্বাৰা বাহিৰৰ দৃশ্যমান জগতত মানুহ আসক্ত বা দ্বেষান্বিত হয়। কালৰ গতিত এই সকলোখিনি লয় পাব বুলি জানিও মানুহে তাৰ অস্তিত্বকেই বিশ্বাস কৰে। কেৱল আত্মা বা আত্মনৰ অস্তিত্বই থাকি যায় যি শেষত পৰাত্মন বা শুদ্ধচেতনাত লীন হয়। এই আসক্তি আৰু দ্বেষজনিত কাৰ্যৰ কাৰণে মানুহে বহুবাৰ জন্ম গ্ৰহণ কৰি যাতনা বা ক্লেশ ভোগ কৰিব লাগিছে। সেয়েহে অনিত্যক বাদ দি নিত্যক ধাৰণ কৰিব লাগে আৰু তাৰ উপলব্ধিৰ একমাত্ৰ উপায় হৈছে ধ্যান।



OKDISCD

# গুৱাহাটী দৰ্শনে পুণ্যং

ড° বিক্ৰাশ বৰুৱা

শুকান মাছৰ গেলা ভেকেটা-ভেকেট গোন্ধ পাইছে নেকি ? অ' তেনেহলে আপুনি গুৱাহাটী পালেহিয়েই। এতিয়া বাছৰপৰা নামিব পাৰে। পিছে আপুনি ভবাৰদৰে এইখন মাছৰ বজাৰ নহয় দেই। বা ৰাজহুৱা প্ৰস্ৰাৱগাৰো নহয়। গুৱাহাটীৰ চৰকাৰী বাছ-ষ্টেণ্ডহে।

ভেকুলীৰ নিচিনাকৈ জপিয়াই পানীৰ ডোঙাবোৰ পাৰ হৈ এতিয়া বাহিৰলৈ ওলাই আহক।

অট'ৰিক্সাৰ লাইনটো দেখি মনটো চাগে' ভাল লাগি গ'ল ? পিছে যাব-নেকি নোসোধাই ভাল। নাযায়। যুঁৰ জোকৰাৰ লগতে যদি মুখেৰে 'নাযাওঁ' বুলি ক'লে, তেনেহলে আপুনি ভাগ্যবান।

ফুটপাথত উঠিব খুজিছে নেকি ? চেষ্টা নকৰিব। প্ৰথম কথা তাৰ আগতে এটা পাহাৰ বগাব লাগিব। ভাগৰে-জুগৰে আহিছে, কি পাহাৰ বগাব ? অ' পাহাৰটোৰ নাম ? হেঃ হেঃ ? কি কি পাহাৰৰ নাম শুনিছে—গাৰো পাহাৰ, নগা পাহাৰ, মিকিৰ পাহাৰ— ? এইটো জাবৰ-পাহাৰ। সাৱধান, ৰাতি নাইবা নিচেই পুৱাতে এই পাহাৰটোৰ গুৰিলৈ নাহিব। গৰুৱে খেদে। এদিন ডুজনক খেদি নি উৰ্বশীনে অপসৰা ছিনেমা হ'লত সুমুৱালেগৈ !

দ্বিতীয় কথা,— ফুটপাথটোৰেদি আপুনি বেছি দূৰ যাব নোৱাৰিব। কাৰণ ডুজনমানে তাৰ ওপৰতে টৌ-খুটি মাৰি ভাত ৰান্ধি আছে।

বৰচোন, আপুনি যাব কলৈ ? উজানবজাৰ, নদী পাৰলৈ ! ৰিক্সা এখনত উঠক। পল্টনবজাৰৰ কাষেদি হুট-কাট এটাৰে ৰিক্সাৱালাই আপোনাক লৈ যাব। পুনৰ গাঁৱলৈ বা বস্তিলৈ ঘূৰি যোৱা যেন লাগিব, কিন্তু গৈ থাকক, ধৈৰ্য নেহেৰুৱাব। ৰাস্তাটো দেখি আপুনি আচৰিত নহ'ব আৰু ঘনে ঘনে কাষৰ ৰিয়াগোম থ্ৰি ষ্টাৰ হোটেলকেইখনলৈ চাব। চাওক, একো নহয়। চবেই চায়। হোটেললৈ অহা-বিলাক ৰাস্তাত নানামে।

বাটত এখন অ'ভাৰ ব্ৰিজ পাব। ৰিক্সাৰপৰা নামি দিয়ক। কাৰণ অসমীয়া মানুহবোৰ প্ৰায় নামেই।

ইস্ ৰাম কি কয়হে আপুনি! ব্ৰহ্মপুত্ৰখননো ইমান ঠেক হ'ব পাৰেনে ? আচল ব্ৰহ্মপুত্ৰলৈ এক কিল'মিটাৰ মান আছে। নাই নাই, ব্ৰহ্মপুত্ৰৰ উপনদীও নহয়। এইটো এটা ৰাস্তা। পোনে পোনে আগলৈ শিলপুখুৰী, চান্দমাৰী আদি হৈ নুন-মাটিৰ ফালে গৈছেগৈ। আৰু বাঁও-ফালে চেনিকুঠি, বাৰৈাৰাৰী হৈ আপোনাৰ নদীৰপাৰ। ঘটনাটো সামান্য, কালি এজাক বৰষুণ দিছিল। বাচ, ৰাস্তা গুচি নদী হৈ পৰিল। ছিষ্টেম-বিলাক বেলেগ ধৰণৰ। কাষৰ পাহাৰ আৰু মানুহৰ বাৰীৰপৰা পানী ৰাস্তালৈ গুচি আহে। চিন্তা নকৰিব, এটা টান ৰ'দ মাৰি দিলেই আকৌ সোঁ-সোঁৱাই ধুলি উৰিবলৈ ধৰিব। কেৱল ধুলিয়েই নহয়, পাহাৰ-পৰ্বতৰ পৰা উটি অহা সমস্ত জাবৰ, গেলা বোকা আৰু বানপানীৰ পাছত পৰি ৰোৱা পলস খৰালি শুকাই কৰ্কটি মাৰিব আৰু ধূলি ৰূপেৰে আহি আপোনাৰেই নাকে-মুখে সোমাবহি। আপুনি হাঁচি মাৰিব, শেওঁন অচিৰ, জ্বৰ গাৰ আৰু চিকিৎসা ব্যৱসায়ক ধনী কৰিব। কিন্তু তেনেকৈয়ে ৰাস্তা চাফা হৈ যাব।

পৌৰ প্ৰশাসন, চৰকাৰ, বুদ্ধিজীৱী ৰাইজ···সেইবোৰ শব্দ বৰ্তমান মনলৈ আনি মগজ গৰম নকৰিব। কাৰণ ইতিমধ্যে কেতিয়াবাই আহি আপুনি নদীৰ পাৰ পালেহি। এতিয়াৰ দিন বুলিহে ইমান গপচত এইটো ৰাস্তাইদি আহি আছে দেই ! প্ৰাচীন কালত হোৱা হলে আপোনাৰ দৰে ঘটিৰাম ইমান সহজে এই পথত টিকিবই নোৱাৰিলেহেঁতেন। নাম মহাত্মাগান্ধী পথ। ৰাইজে জানে ভি. আই. পি ৰ'ড বুলি। কেছাৰী ঘাটৰপৰা বেলি-ভিউ হোটেললৈকে এই ৰাস্তাটো একালত সাধাৰণ পথালি চকুৰা নৰমনিচৰ বাবে একপ্ৰকাৰ নিষিদ্ধই আছিল। বৰ বৰ ৰিয়াগোম ব্যক্তিসকলেহে ইয়াত বিচৰণ কৰিছিল। আগে পিছে উনৈছ বিছখন মটৰগাড়ীৰ ধুলি উৰুৱাই তেৰাসৱে এইফালেদি দিনটোত বাসত্তৰ বাৰ ধুমুহাৰ দৰে অহাযোৱা কৰিছিল। ছাইৰেনৰ বিকট শব্দই তেৰাসৱৰ আগমণ ঘোষণা কৰিছিল। সেই শব্দ কাণত পৰাৰ লগে লগেই ক্ষুদ্ৰ বুদ্ধিৰ নৰমনিচ, কুকুৰ-মেকুৰী, গছাগলী আটায়ে—ফৰিং ছিটিকা দিছিল। এই পথচাৰী জীৱ জন্তুবোৰে আক্ৰমণ কৰে বুলি পুলিছে আগে-আগে বন্দুক টোৱাই আহিছিল।

গুৱাহাটীত জলপ্ৰপাত আছে বুলি ক'লে আপুনি বিশ্বাস কৰিব ? আহক দেখুৱাইছোঁ। বেছি দূৰ যাবই নালাগে, এয়া উজান বজাৰতে আছে। মহাত্মা গান্ধীৰ পথৰ ঠিক যিখিনিতে সতী ৰাধিকা পথ আহি উঠিছেহি, সেই চুকটোতে এটা পানীৰ কল আছে। অন্য ক'তো নথকাৰ দৰে এই কলটোতো সোপা বা ঠিলাৰ ব্যৱস্থা নাই। গতিকে পানী ফ্ৰিলি হোহোৱাই ওলাই থাকে। সেই পানী গৈ পকা গড়াইদি তলৰ নাওজানত পৰিছে। এয়েই বিখ্যাত উজানবজাৰ জলপ্ৰপাত। এনেকুৱা জলপ্ৰপাত গুৱাহাটীত বহুত আছে।

অপঘাত-মৃত্যু বৰণ কৰিবলৈ ইচ্ছা থাকিলে ফাঁচীবজাৰলৈ যাব পাৰে। বিনা-আদালত আৰু বিনা ৰায়দানেৰে ফাঁচীবজাৰত ফাঁচী দিব পাৰি। দোকান, ফুটপাথ আৰু আলিবাটৰ মাজত কোনো নিৰ্দিষ্ট সীমাৰেখা নাই। যিকোনো মুহূৰ্তত লৰীৰপৰা এমোনীয়া বস্তা সৰি পৰি আপোনাৰ ডিঙি মুচৰি পেলাব পাৰে ; নতুবা বিহাৰী ভৈয়াহঁতৰ কান্ধত উঠি অহা দীঘল লোহা বা টিনপাতে জয়দ্ৰথৰ মূৰটোৰ নিচিনাকৈ আপোনাৰ মূৰটো ডিঙিতে ছিঙি ক'ৰবালৈ লৈ যাব পাৰে। সাধাৰণ জ্ঞানৰ বাবে জানি ৰখা ভাল যে এইবিলাক অঞ্চল গুৱাহাটীৰ মাজমজিয়াতে যদিও ৰাজ্য হিচাপে অসমৰ ভিতৰত নপৰে। ঘাই অংশ ৰাজস্থানত, আৰু বাকী অংশ পশ্চিম বংগ, বিহাৰ, পঞ্জাব, হাৰিয়ানা, উত্তৰ-প্ৰদেশ আদিত পৰে।

মাছখোৱা-ভৰলুমুখৰ ফালে নিশাৰ ভাগত ভ্ৰমণানন্দ লভিলে ভূত দেখি পলাব পাৰে। পিছে টৰ্চলাইট হাতত থাকিলে মাৰি চাব,—ভূত নহয়, —আগৰ কেইবাবছৰৰ কন্‌ডেম্ বিশ্ব-কৰ্মাহে।

নিশাৰ ভাগত আৰু এটা কথা চাব— পাণবজাৰৰপৰা ফাঁচীবজাৰলৈ সোমোৱাৰ ঠিক আগমুহূৰ্তত এটা অঞ্চল সদায় অন্ধকাৰ হৈ থাকে। এই অঞ্চলটোৰ মাজেদি যাবৰ সময়ত আপোনাৰ ফাঁচী দিয়াৰ আগমুহূৰ্তত পিন্ধাই লোৱা ক'লা কাপোৰখনলৈ মনত পৰিব।

দীঘলীপুখুৰীৰ ফালে নোযোৱাকৈ নাথাকিব। চাবলগীয়া আছে। অৱশ্যে গোপীনাথ বৰদলৈ উদ্যানৰ মাজত ৰাধাগোবিন্দৰ মূৰ্তি দেখি আচৰিত নহব। খেলিমেলিৰ সমষ্টিয়েই মানুহৰ জীৱন।

খানাপাৰালৈ সদায়েই ফায়াৰ ব্ৰিগেড যোৱা দেখি নাভাবিব যে তাত অনবৰত জুয়েই লাগি থাকে ! ডাঙৰ মানুহৰ ঘৰত গা-পা ধুবলৈ পানী-টোপা যোগান ধৰাটোও ফায়াৰ ব্ৰিগেডৰেই কাম।

আলিবাটেদি ঘূৰি ফুৰোঁতে প্ৰায়েই আপোনাৰ গাৰ কাষেদি গুলীৰ নিচিনাকৈ এটা বস্তু পাৰ হৈ যাব। আপুনি ভাবিব সেইটো ফ্লাইং ছছাৰ বা ইউ. এফ. অ'। নাভাবিব। সেইবিলাক গুৱাহাটীৰ ছিটিবাছ। মন কৰিলে দেখিব, চাৰি আলিত ৰঙা লাইট দেখি জোৰেৰে বৈ দিওঁতে তাৰ পৰা ন-দহটা জীৱন্ত নৰতনু থলথলকৈ' সৰি পৰিছে !

ঘূৰি ফুৰোঁতে আৰু এটা ঘটনা ঘটিব। আপোনাৰ দেহৰ পৰা প্ৰকৃতিৰ আহ্বান আহিব। ডাঙৰ বিধ হলে চিন্তা নাই,—ব্ৰহ্মপুত্ৰলৈ দৌৰ মাৰিব। তাতে বহুতো সংগী লগ পাব। সৰু বিধ হলেও চিন্তা নকৰিব। চৰকাৰে জনগণৰ কল্যাণৰ নিমিত্তে মহাত্মা গান্ধী, তৰুণৰাম ফুকন আদি ভাল ভাল মানুহৰ নামত ভালেমান ডাঙৰ মূৰ্তি সাজি থৈছে। তাৰ তলতে আঁৰ জেগা আছে।

বাৰু হ'ব। গুৱাহাটী বৰ ডাঙৰ চহৰ। একেদিনাই মই বলে নোৱাৰিমগৈ। এমাহ, ডেৰমাহ যি লাগে লাগিব,—আপুনি নিজেই চাই লব।

আজিলৈ আহিছোঁ। নমস্কাৰ।

## সম্পাদকৰ কোঠালিত

বন্ধু :তোমালোকে যিমানেই ইণ্টাৰ-নেশ্যনেল লেভেলত সিদ্ধান্ত নোলোৱা কিয়, কিছুমান সিদ্ধান্ত একদম কমন ছেন্‌ছৰ লেভেলতে ভুল। মাত্ৰ এটা মানুহে মাত্ৰ দহ-বাৰ ছেকেণ্ড দৌৰি এটা মেডেল পায়, আৰু এঘৰটা মানুহে বাৰ-চৈধ্যলাখ ছেকেণ্ড দৌৰিও মাত্ৰ এটা মেডেল পায় ! ই কেনে কথা ? যিমানজন প্লেয়াৰে খেলে, জিকিলে দলটোৱে সিমানটা মেডেল পাব লাগে। যেনে, হকিত ভাৰতে এঘাৰত ব্ৰঞ্জ মেডেল। মই এইটো "বক্তব্য ৰাখিলো"। তোমালোকৰ কিবা প্ৰবল জনমত গঢ়ি তোলাৰ উপায় আছে নে কি ? চাবাচোন।

ৰংকাৰৰ অন্যান্য কেছেট সমূহঃ—
নৱৰঙ A0014
আজলী A0016
জোনাকৰ গান আমিও গাম A0015
মৰমে চিনাকি থলে A0018
মৰমী A0010
আপোনাৰ কেছেটবোৰ আজিয়েই সংগ্ৰহ কৰক
পৰিবেশনাত মেঃ ৰয় চাইকেল মাৰ্ট
তিনিচুকীয়া

ৰমেশ কলিতাৰ এক বিতৰ্কমূলক গ্ৰন্থ ঃ
ভাৰতৰ স্বাধীনতা আন্দোলনত অসমীয়া ছাত্ৰৰ ভূমিকা = ২৫·০০ টকা

শশী শৰ্মাৰ প্ৰবন্ধ সংকলন ঃ
সাহিত্যত বিবৰ্তন ২০·০০ টকা

সমীৰ তাঁতীৰ কবিতা গ্ৰন্থ ঃ
যুদ্ধ ভূমিৰ কবিতা = ১০·০০ টকা

প্ৰকাশক : সমন্বয় গ্ৰন্থালয়
পি. এন. চি. ৰ'ড
নলবাৰী—৭৮১৩৩৫

OLDISCD

# সখা দামোদৰ

নগেন্দ্ৰ নাথ বৰুৱা



সখা দামোদৰ কোন সেই কথা মই নকওঁ।

ধৰি লওক সখা দামোদৰ আপোনাৰ গাঁৱৰে এজন মানুহ। এজন হোজা মানুহ। ধৰি লওক, সখা দামোদৰৰ এখন দোকান আছিল। আৰু আপোনাৰ নিচিনা বহুত মানুহে বাকী খাই খাই দোকানখন দেৱলীয়া কৰিলে।

সখা দামোদৰ আচলতে তেনে এজন মানুহেই আছিল। আমি সৰুতে দেখাৰেপৰাই সখা দামোদৰ এজন আপোনভোলা সহজ-সৰল মানুহ আছিল। তেওঁ সম্ভৱ ষষ্ঠ কি সপ্তম শ্ৰেণীলৈকে পঢ়িছিল। সেয়ে তেওঁ ক্ৰিয়াবিহীন ইংৰাজী কৈছিল আৰু সেয়া আমাৰ আনন্দৰ খোৰাক আছিল। আমি পাঠশালাত পঢ়া কালত তেওঁৰ এখন দোকান আছিল আৰু সেই দোকানৰপৰা আমি সৰুতে মাটি পেনছিল, কাগজ, কেঁকোৰা বিস্কুট আৰু ভজা বাদাম কিনিছিলো। তাৰ পাছত এদিন দেখিলো,—দোকানৰ চিৰি নোহোৱা হ'ল। এসময়ত তেওঁৰ পত্নী বিয়োগ হ'ল আৰু তেতিয়াৰেপৰা সখা দামোদৰ উদাস হৈ পৰিল। যিদিনাখন তেওঁৰ পত্নী বিয়োগ হ'ল সেইদিনা দেখিলো শৱদাহ কৰি আহি সখা দামোদৰে নিজেই গোবৰ মাটি লিপি ঘৰৰ কাঁথি চাফা কৰিছে— মুখত তেওঁৰ এক হাঁহি।

ইয়াৰ পাছত সখা দামোদৰৰ জীৱনত কেৰোণে দেখা দিলে। তেওঁৰ দোকান ঘৰত এটা ডাঙৰ তলা ওলমিল। দোকান বন্ধ হ'ল। তেওঁ অ'ত-ত'ত হাজিৰা কাম কৰি পেটৰ ভাত যোগলায়। ডাঙৰ ল'ৰা পৰীমে দেউতাক আহি পালেই কিবা খাবলৈ দিগদাৰী কৰে। ডাঙৰ ছোৱালী মাইচেনা অৱশ্যে গহীন ; ভাই সকলো সহ্য কৰি মৰু ভায়েক কেইটাক বুজাবলৈ চেষ্টা কৰে।

কিন্তু সৰু ল'ৰা-ছোৱালীয়ে বুজে কি ? দিনতে দেউতাক আহিলেই আগুৰি ধৰে। টোপোলা-টোপলিবোৰ চায়। গাত লগা জুৰে হাত কেইখন শুভি চায় আৰু কয়,— "দে'তা, তোৰ হাত কেইখন মছলা মছলা গোন্ধাইছে। কিবা খালি নেকি অ'। মোৰো বৰ ভোক লাগিছে অ'—মোকো খাবলৈ দেনা।"

কেতিয়াবা আকৌ খোৱালৈ তিনিওটাৰে মাজত কাজিয়া লাগে। সৰু ভায়েক ছুটাই বায়েকক দোষাৰোপ কৰে—"এইৰ এইৰ থালি যেন পেট। ভৰাই মানে নাটে।"

সখা দামোদৰে মাথো বিষাদ মনেৰে সকলো চাই থাকে।

এইদৰে সখা দামোদৰৰ কিছুদিন গ'ল। তেওঁ হাজিৰা কৰি সংসাৰখন ভালেই চলাইছিল। কিন্তু ইয়াৰ পাছত তেওঁৰ দেহৰ বল পৰি আহিল। তেওঁ কান্ধত এখন জোলোঙা ললে। তাত থাকিল এখন কীৰ্তন পুথি, এখন সৰু গীতা আৰু এখন সহস্ৰ নাম। গাঁৱত কাৰোবাৰ সকাম হলে দামোদৰ গৈ তাত উপস্থিত হয়। তাতে ছুই-এক অধ্যায় কীৰ্তন পঢ়িলে বা বিষ্ণু সহস্ৰ নাম পাঠ কৰিলে দামোদৰৰ সৰু সিধা এটাও মিলে আৰু দিনটোৰ সাজো হৈ যায়।

গ্ৰাম্যজীৱনত তেনে ছুই-এক ঘটনা ধৰ্তব্য নহয়। যেনে আমাৰ কিনাৰাম। তাৰো জীৱন বৰ ছুখৰ। সুখৰ সংসাৰ এখন পাতোঁ বুলি সি মনে মিলা মানুহজনীক আনি ঘৰ সুমুৱাইছিলহি। কিন্তু যেতিয়া দেহৰ কষ্ট আৰু মনৰ কষ্ট পাই মানুহজনীয়ে কিনাৰামক এৰি বাপেকৰ ঘৰলৈ গুচি গ'ল তেতিয়া কিনাৰাম পগলাৰ দৰে হ'ল, অথচ কিনাৰাম পঢ়া-শুনাত চোকা ল'ৰা আছিল। তেতিয়াৰেপৰা সি য'তে-ত'তে খাই ফুৰিবলৈ ধৰিলে ; তাৰ লগত এখন সৰু নোটবহী আৰু এডাল সৰু পেনছিল থাকে। তাৰ নিয়ম হ'ল গাঁৱৰ কোনোবা মানুহে বজাৰত বেছিকৈ শাক-পাচলি, মাছ কিনিলে সি তেওঁৰ ওচৰ চাপে আৰু সোধে,— "ককাইদেউ, কাজটো কেতিয়া ?"

"কাইলৈকে।"

তৎক্ষণাৎ কিনাৰামে জেপৰ নোটবহী উলিয়ায় আৰু কথাটো টুকি ৰাখে। সময়ত সেইমতে গৈ সি কাজত হাজিৰ হয়গৈ। কেতিয়াবা আকৌ গাঁৱৰ ছুষ্ট ল'ৰাই তাৰ লগত ছুষ্টামিও কৰে। গৈ থকা কিনাৰামক মাতি ৰখাই কয়,—"কিনা কাইটি শুনা, এটা বৰ ডাঙৰ সকাম।"

সকামৰ নামত কিনাৰাম ঘূৰি আহে,—"কচোন ক বোপাই, সকামটো ক'ত ?"

"অহা শনিবাৰে ছুল বৰাৰ দেউতাকৰ অন্নপ্ৰাশন, ছুটা খাহী আনিছে। মাছো পঞ্চাছ কেজি।"

কিনাৰামে তৎক্ষণাত নোটবহী উলিয়াই লিখি লয়। পিছে সময়ত গৈ বিফল মনোৰথ হৈ কিনাৰাম আকৌ ল'ৰাজাকৰ ওচৰলৈ ঘূৰি আহে। খং নকৰি সি হাঁহি মুখেই কয়,—"হেৰি নহয় ; তোমালোকৰ ইনফৰমেছন ঠিক নাই। ছুল বৰাৰ দেউতাক বোলে আজি ছুবছৰ আগতেই ঢুকাল। তেওঁৰ অন্নপ্ৰাশনো বোলে ষাঠী বছৰৰ আগেয়েই হৈ গ'ল। অলৰাইট ভাইটি, গুডনাইট।"

"এতিয়া কলৈ যাবা ?"

"নোট বুকত আৰু ছুটা কে'ছ লিখা আছে। চাওঁ,—তাতে ট্ৰায়েল দিওঁগৈ।"

কিনাৰামৰ লগত অৱশ্যে সখা দামোদৰৰ তুলনা নহয়। কিনাৰামে বিনা পৰিশ্ৰমে খাবলৈ বিচাৰে। সখা দামোদৰে কিন্তু ছুঅধ্যায় কীৰ্তন গাই, সহস্ৰ নাম পাঠ কৰি, হয়তো ভোজ ঘৰত ছুবাল্টি পানীৰ দৰকাৰ হৈছে তাকো আনি দি, অথবা ৰান্ধনীয়ে খৰি কেইডাল শকত পাইছে যদি তাকো সৰু কৰি দি— পৰিশ্ৰম কৰি ভাতসাজ খায়। সখা দামোদৰ সদায় সন্তুষ্ট ;— ভোজনৰ শেষত চৰতীয়া এটা পালেও সন্তোষ নাপালেও সন্তোষ। মাজে-সময়ে অৱশ্যে সখা দামোদৰৰ পইচাৰ অভাৱ হয়। তেওঁ সেয়া খুজিবলৈকো সংকোচ নকৰে,— "ৱাবু, ওৱান চাৰিঅনা হেজ ?"

"কি কৰিব চাৰি অনাৰে ?"

'এই বিড়ি স্মকিং অভ্যাসটো থাকি গ'ল, তাতে আজি ছুদিন ন' এনগেজমেণ্ট,— ন' টু পাইছ ফৰ মেইনটেনেন্স।"

সিকিটো পালেও পালে নাপালেও অলৰাইট। তেওঁৰ ইংৰাজীখিনিয়েই আমাৰ কাৰণে আমোদৰ বস্তু।

সেইবাৰ সৰস্বতী পূজা। আমি ৰাতি পূজাৰ প্ৰতিমা সজাই আছোঁ, এনেতে দেখোঁ সখা দামোদৰ আহি উপস্থিত। তেওঁক কোনেও পাত্তা নিদিয়া দেখি তেওঁ আমাৰ ছেক্ৰেটেৰি যোগেনৰ ওচৰ চাপি কলে,— "যোগেন আই হিদাৰ এণ্ড হিদাৰ, ন' ৱৰ্ক। —এনগেজিং ?"

"আমাৰ লগত কাম কৰিলে আপুনি কি ল'ব ?"

"অনলি টি এণ্ড বিড়ি।"

সেই অনলি টি এণ্ড বিড়ি লৈয়েই সখা দামোদৰে আমাৰ লগতে গোটেই ৰাতি কটাই দিলে।

অথচ এই সখা দামোদৰৰ জীৱনৰ কত ছুৰ্যোগৰ কথা আমি জানো। তেতিয়া তেওঁৰ নাজল-নাথল অৱস্থা। পত্নী বিয়োগ হোৱা কেইমাহমান হৈছেহে। অৱত পৰি তেওঁৰ মাজু ল'ৰাটো ঢুকাই থাকিল। ইপিনে ঘোৰ বাৰিষা,— বৰষুণ। এহাতে ল'ৰাটো, এহাতে কোৰখন লৈ তেওঁ পানীৰ মাজে মাজে এটুকুৰা শুকান মাটি বিচাৰি বিচাৰি তৰণী মাষ্টৰৰ ঘাটৰ একোণত কোনোমতে মৰা ল'ৰাটো পুতিলেহি। কোনোবাই গৈ তৰণী মাষ্টৰক কথাটো লগালেগৈ। আৰু পায় কোনে' তৰণী মাষ্টৰে ইংলিছ গালি পাৰি সোকা বেত লৈ ওলাই আহিল— "নন্ছেন্স ! তোৰ মৰা ল'ৰা মোৰ ঘাটত পুতিছহি ? এতিয়াই খান্দি নে ; নহ'লে তোৰ ওপৰত মই কেছ কৰিম ; হুলিয়াজাৰি কৰিম।"

অগত্যা সখা দামোদৰ আকৌ গাঁত খন্দাত লাগিল, তাৰ পাছত বোকাই-মাটিয়ে বিবৰ্ণ দেহটো তুলি আনি জংঘলৰ মাজে মাজে মাটি বিচাৰি সখা দামোদৰ আগ বাঢ়িল।

ল'ৰা পুতি উভতি অহা সখা দামোদৰৰ দলত তেতিয়া এজনো নাই। মাথো জুতি বায়ে মুখামুখি হৈ কলে, "কি কৰিবি বোপাই, লিখন। ব্ৰহ্মাণ্ডৰ ঠায়ে মোক নাটে মোৰ গুৰু ঐ নসয় মোৰ দেহাৰে ভাৰ। জীয়াই আছোঁ মানে লাগে, মৰিলে কি লগত যাব ?"

ইয়াৰ পাছত সখা দামোদৰৰ লগত বহুদিন দেখা দেখি নাই। আমিও স্কুল-কলেজ শেষ কৰি গাঁও এৰিলো। তাৰ পাছত চাকৰিত সোমাই দিহিঙে-দিপাঙে। এবাৰ কেইদিনমানৰ কাৰণে গাঁৱত থাকিবলগীয়া হ'ল সেয়ে সখা দামোদৰকো লগ পালো, সখা দামোদৰ তেতিয়া আৰু উদাস আৰু জ্ঞানী হৈ পৰিছে। কিন্তু কি কথাত জানো তেওঁ মোক ভাল পালে! সময় নাই অসময় নাই মোৰ ঘৰ আহি ওলাবহি, —"ৱাবু, এইচ অনা হেজ ? ন' স্মকিং ফৰ টু নাইটছ।"

তাৰ পাছত আধলি এটা লৈ, চাহপানী খাই সখা দামোদৰ ওলাই যায়। মাজতে কৈ যায়,—"ৱাবু, এটা সকাম পাত্তা। মই ফ্ৰি কীৰ্তন ৰিডিং কৰি দিম।" কিন্তু মোৰ যিহে অৱস্থা, সকাম পাতোঁ কি সাহসত ?

সেইদিনা দেওবাৰ। খাই-বৈ মই বাগৰ দিছোঁ, শ্ৰীমতীও ওলাই গৈছে এঠাইলৈ। টোপনিটো আহিছিলহে, এনেতে ওলালহি সখা দামোদৰ। —"ৱাবুজী আছা ? অ' ৱাবুজী !"

খং এটা উঠি আহিছিল, গোটেই সপ্তাহটো কাম কৰি মাথো এটা দিন পাওঁ, তাকো সুখেৰে কটাব নোৱাৰোঁ।

দামোদৰক দেখা পাই অলপ টানকৈয়ে কলো,— "কি হ'ল ?"

"অলপ চাহ খাম বুলি আহিলো।"

"এই মই শুবলৈ ওলাইছোঁহে।"

"বেয়া নাপাবা বাবু। ওচৰতে হৰি বাপুৰ ঘৰত এটা কীৰ্তন সেৱা আছিল। ভাবিলো বাবুৰ ঘৰতো অলপ সোমাই যাওঁ।"

ছুৱাৰমুখত কামকৰা ল'ৰাটো আহি হাজিৰ হ'লহি। তাক চাহ ছুকাপ কৰিবলৈ দি মই তেওঁক বহিবলৈ দিছোঁহে, এনেতে দামোদৰে মোক কলে,— "ৱাবু, ল'ৰাটোক ছুখন প্লেট আনিবলৈ দিয়াচোন।"

"কি কৰে ? প্লেট কেলেই ?"

"ইমান দিনেতো বাবুৰেই খালো, আজি ভাল বস্তু এটা পাইছোঁ, —বোলো বাবুকো খুৱাওঁ, ময়ো খাওঁ।"

জোলোঙাৰপৰা দামোদৰে কল পাতেৰে সযতনে বন্ধা এটা টোপোলা উলিয়ালে। মোৰ আগতে খুলিলেও। দেখিলো, তাত কেইটামান ৰসগোল্লা আৰু কেইখনমান ফুলাম লুচি।

"এইবোৰ কি কৰিছে ? ঘৰলৈ লৈ যাওক, ল'ৰা-ছোৱালীয়ে খাই ভাল পাব।"

"এ সিহঁতে সদায়েই খায়। আজি তুমিও খোৱাচোন বাবু।"

সখা দামোদৰৰ মুখলৈ চালো। মুখখনত এটা আচৰিত ধৰণৰ পোহৰ আৰু আনন্দ বিয়পি পৰিছে।





OKDISCD

## প্ৰস্তুতি

নীলিমা দত্ত

প্ৰতিটো দিনৰ
প্ৰতিটো পুৱাতে
নতুনকৈ আকৌ পাহি মেলে
ৰক্ত জবাৰ
প্ৰস্ফুটিত জীৱনৰ বাবে
ধ্বংস-স্তূপ গছকি গছকি ।
আকাশৰ অৰুণিমাৰে
দোকমোকালি সেউজী পথাৰত ।
দৃঢ়তাৰ জিলমিলনি এইবাৰ
কপালৰ ঘামত জনতাৰ
হাতৰ মুঠিত ৰ'দৰ তাপ
অনিৰুদ্ধ সূৰ্যৰ ।
প্ৰচণ্ড ধুমুহাৰ কম্পন
থকাসৰকা কামিহাড়ত ।
ৰুদমখোজৰ লহৰত মুখৰ
প্ৰতিধ্বনি— 'ভয় নাই আৰু'
সমুখত পোহৰৰ বাট
আনন্দত উচুলি-মুচুলি ।
ক্ষত-বিক্ষত হৃদয়েৰে
বেদনাৰ চকুলো মচি
দিলো হাত তোমাৰ হাতত
পাম বুলি পৰম নিৰ্ভৰ
জীৱনৰ সত্য-সন্ধানত
অ'ত ত'ত থমকি থমকি ।




## গছবোৰৰ সতে' মোৰ এটা নিবিড় সম্পৰ্ক আছে

ভূপেন দাস

গছবোৰে ৰলাগি মোলৈ চাই থাকে
মই ৰলাগি গছবোৰলৈ চাই থাকোঁ
গছবোৰ ক্ৰমাৎ মোৰ ওচৰ চাপি আহে
মই ক্ৰমাৎ গছবোৰৰ ওচৰ চাপি আহোঁ
গছবোৰৰ সতে' মোৰ এটা নিবিড় সম্পৰ্ক আছে
মই গছবোৰৰ সতে' সুখ-দুখৰ কথা-বতৰা পাতোঁ
গছবোৰে মোৰ সতে' দুখ-সুখৰ কথা-বতৰা পাতে
গছবোৰৰ সতে' মোৰ, এটা নিবিড় সম্পৰ্ক আছে বাবে
এনেদৰে পাৰ হয় মোৰ সুখ-দুখৰ ৰাতি-দিন দিন-ৰাতি
এনেদৰে পাৰ হয় গছবোৰৰ দুখ-সুখৰ ৰাতি-দিন দিন-ৰাতি
গছবোৰ ক্ৰমাৎ মোৰ ওচৰ চাপি আহে
মই ক্ৰমাৎ গছবোৰৰ ওচৰ চাপি আহোঁ







শীলভদ্ৰ

# অনুসন্ধান আঠ

[২২]

প্ৰেম প্ৰীতি ইত্যাদি হ্ৰাস নাপালেও দীৰ্ঘদিনৰ ব্যৱধানত ব্যক্তিগত সম্পৰ্কলৈ কিছু আড়ষ্টতা আহি যায়। প্ৰতিক্ৰিয়াবোৰে স্বয়ংক্ৰিয়তা হেৰুৱাই পেলায়। ভাব প্ৰকাশ কৰিবলৈ গৈ অলপ ভাবি চাব লাগে, জুখি চাব লাগে। একেলগে থাকিলে এজনৰ সূক্ষ্ম পৰিবৰ্তনৰ লগত অইন জনে নিজৰ অজ্ঞাতেই নিজকে খাপ খুৱাই লৈ গৈ থাকে। এইটো এটা ধাৰাবাহিক প্ৰক্ৰিয়া। কিন্তু বহুদিনৰ অদৰ্শনৰ পাছত পৰিবৰ্তনখিনি চকুত লগা ধৰণৰ হৈ পৰে। নিজৰ ল'ৰাকো অচিনাকি যেন লাগে, নিজৰ ছোৱালীকো অচিনাকি যেন লাগে।

ভৃগু চৌধুৰীৰ ছোৱালী মামণি বিয়াৰ আগলৈকে কি ছটফটীয়া আছিল! কিছুদিন আগতে আহিছিল, গহীন গম্ভীৰ ভদ্ৰমহিলা। ল'ৰা-ছোৱালীহালক যেনেকৈ ডাবি দিয়ে শুনি ভৃগু চৌধুৰীৰ ভয়েই লাগি যায়। ল'ৰা-ছোৱালী দুটাই কিবা দোষ কৰিলে তেওঁ দোষ ঢাকিবৰ কাৰণে সিহঁতৰ লগত সহযোগিতা কৰে।

ল'ৰাটোক লগ পালে প্ৰতিবাৰেই ভৃগু চৌধুৰীয়ে তাক বেলেগ যেন দেখে। ভংগীত নিশ্চয়তা, কথা-বতৰাত অধিকতৰ প্ৰত্যয়। নিজেই নিজৰ দায়িত্ব লোৱাৰ সামৰ্থ্য আছে, ভৃগু চৌধুৰীৰ নিৰ্দেশৰ প্ৰয়োজন নাই। তেওঁ ৰঞ্জনৰ ফালে চাই গৰ্ব, ঠিক গৰ্ব নহয়, আনন্দ বোধকৰে। প্ৰতিজন মানুহে নিজস্ব ধৰণে জীয়াই থাকে। কাৰো হৈ অইন কোনেও জীয়াই থাকিব নোৱাৰে। ভৃগু চৌধুৰীয়ে বুজি পালে যে ৰঞ্জন এতিয়া আৰু তেওঁৰ ছাঁ হৈ থকা নাই। তাৰ নিজস্ব স্বতন্ত্ৰ ব্যক্তিত্ব গঢ়ি উঠিছে। সৰুতে বাটলৈ ওলালে ৰঞ্জনে ভৃগু চৌধুৰীৰ হাতত ধৰি লৈছিল। গোটেই বাটছোৱা কিমান বিচিত্ৰ ধৰণৰ প্ৰশ্ন! বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই গধূলিৰ আগে-আগে চুৰিয়া পিন্ধি হাতত এডাল লাঠী লৈ ফুৰিবলৈ ওলাইছিল।

"বাবা, মানুহজনে লাঠি লৈছে কিয়?"

"এনেয়ে লৈছে।"

"আমাক কোবাব নেকি?"

"নোকোবায়।"

"যদি কোবায়? কি কৰিবা?"

"কিয় কোবাব? নোকোবায়।"

"যদি কোবায়?"

এইবেলি ৰঞ্জন বহুত দিনৰ মূৰত আহিছে। সৰ্বভাৰতীয় ছেমিনাৰ এখনৰ পৰিচালনাৰ দায়িত্বত থকা কাৰণে প্ৰমীলা আহিব পৰা নাই। ৰঞ্জন আগতকৈ অলপ শকত হৈছে। চৌধুৰী আৰু ৰঞ্জনে একেলগে বহি চাহ খাই আছিল। ৰঞ্জনৰ খালী গা, কেৱল এটা পায়জামা পিন্ধি আছে। চৌধুৰীয়ে লক্ষ্য কৰিলে যে তাৰ পেটটো বেচ ওলাই আহিছে।

"তোৰ পেটটো অলপ ওলাইছে নেকি?" ৰঞ্জনে পোন হৈ বহি পেটটো অলপ ভিতৰৰ ফালে টানি ল'লে। সেই অৱস্থাত সি নিজৰ পেটটোৰ ফালে চালে।

"নাইতো, ঠিকেই আছে।"

চৌধুৰীয়ে এই বিষয়ে আৰু একো নামাতিলে। ৰঞ্জনে নিজৰ পেটটো সদায় দেখি আছে, চৌধুৰীয়ে বহুত দিনৰ মূৰত দেখিলে। পিছে ইয়াৰ পাছত ৰঞ্জনে ঘৰতো সদায় এটা কামিজ পিন্ধি থকা কৰিলে। কোনেও স্বীকাৰ নকৰিলেও সম্বন্ধত কিছু পৰিমাণে আড়ষ্টতা আহি যায়েই।



OKDISC

বিয়াৰ দিন ঠিক হৈ গৈছে। ভৃগু চৌধুৰী, তেওঁৰ পৰিবাৰ আৰু ৰঞ্জনে তিনিচুকীয়া মেইলত গৈ বিয়াৰ দিনা এঘাৰমান বজাত দিল্লী পাব গৈ। ৰিজাৰ্ভেশ্যন হৈ গৈছে, চিন্তাৰ কোনো কাৰণ নাই। ট্ৰেইনখন দুই বজাত গুৱাহাটী ষ্টেছন এৰে, জালুকবাৰী গৈ পাওঁতে পোন্ধৰ মিনিটমান লাগে। কিবাকিবি অলপ বস্তু কিনিবলগীয়া আছে, ৰঞ্জনে বস্তুখিনি কিনি লৈ গুৱাহাটী ষ্টেছনতেই ট্ৰেইনত উঠিব। ভৃগু চৌধুৰী আৰু তেওঁৰ পৰিবাৰে যথেষ্ট সময় হাতত ৰাখি ডেৰমান বজাত জালুকবাৰী ষ্টেছন পালে গৈ। ষ্টেছনত মানুহ-দুনুহ নাই, নিৰ্জন। মুটিয়া এজনো নাই। সিমূৰৰপৰা এজনক ধৰি অনাত সি প্ৰশ্ন কৰিলে :

"আভি কাহা যায়েগা? কৌন গাড়ী হায়?"

"তিনচুকীয়া মেইল।"

"তিনচুকীয়া মেইল? উ তো চলা গিয়া।"

"কি চলা গিয়া? দুই বজাই নাই এতিয়াও।"

"হায় ৰাম! 'কালছে তো ট্ৰেনকা টাইম চাৰে ৰাঢ় হো গিয়া।"

বিশ্বাস কৰাৰ ইচ্ছা নাথাকিলেও উপায় নাই। ষ্টেছন মাষ্টৰেও ক'লে অক্টোবৰৰ পহিলা তাৰিখৰপৰা ট্ৰেইনৰ সময়ৰ সলনি হৈছে। ঠিকেই, অক্টোবৰৰ এক তাৰিখৰপৰা ট্ৰেইনৰ সময়ৰ সলনি হয়। কিন্তু এতিয়া উপায়? ৰঞ্জন যাব পাৰিলে নে নাই? সি যদি যাব পাৰিছে তথাপিও ৰক্ষা। বিয়াৰ কাৰণে দৰাজন অন্ততঃ থাকিব।

চৌধুৰীৰ পৰিবাৰ ধপকৈ হল্ডলটোৰ ওপৰত বহি পৰিল আৰু চৌধুৰী হতবুদ্ধি হৈ বেকুবৰ দৰে প্লেটফৰ্মত থিয় হৈ ৰ'ল। তেওঁ একো কথাই চিন্তা কৰিব নোৱৰা হ'ল। এনেতে ৰঞ্জন আহিল। সি তাৰ সৰু মোমায়েকৰ গাড়ীখন লৈ আহিছে। তাৰো সেই একেই অৱস্থা; মগজুৱে একো কাম নকৰা হৈছে।

চৌধুৰীৰ পৰিবাৰে ক'লে, "ইমানকৈ কৈ আছিলো, এদিন আগতে গ'লে নো কি হয়? ইমান ফাইন কাট দিয়াৰ কি দৰকাৰ? ভালেই হৈছে; খুব ভাল হৈছে।"

"একো ভাল হোৱা নাই। ৰ'বা-চোন ৰ'বা, অলপ ভাবিবলৈ দিয়া।"

"ইয়াত এনেকৈ বৈ থাকি কি লাভ? ব'লা ঘৰলৈ যাওঁ। ঘৰত গৈ যিমান ইচ্ছা ভাবি থাকিবা।"

ৰঞ্জনৰ মোমায়েকে পৰামৰ্শ দিলে।

"কাইলৈ প্লেনত নাযায় কিয়?"

"হুঃ, প্লেনতেইতো যাম বুলি ভাবি আছিলো। অহা সাত দিনৰ ভিতৰত টিকট পোৱাৰ কোনো আশা নাই।"

ৰঞ্জনে ট্ৰেইনৰ টিকেটো পোৱা নাছিল। শেষ পৰ্যন্ত ৰেলৰ উচ্চপদস্থ বিষয়া এজনৰ জৰিয়তে ভি. আই. পি কোটাৰপৰা তিনিখন টিকট পাইছে। কিছুদিন আগতে সি ট্ৰেইনত দিল্লীলৈ গৈছিল। তেতিয়া ট্ৰেইন এৰাৰ সময় আছিল দুই বজাত। ইতিমধ্যে যে সময়ৰ সলনি হৈছে সেইটো সি খেয়াল কৰা নাই।

চৌধুৰীৰ পৰিবাৰৰ গাটো খুব বেয়া লাগিছে। তেওঁ তিক্ত কণ্ঠে ক'লে, "ইয়াত এনেকৈ থৰ লাগি থিয় হৈ থাকি কি হ'ব। তোমালোক থাকা যদি থাকা, মোক কিবা এখন ঠিক কৰি দিয়া, মই ঘৰলৈ যাওঁ।"

ষ্টেছন মাষ্টৰজনে ভাল পৰামৰ্শ এটা দিলে।

"মল্লিক চাহাবক কওক বঙাইগাঁৱলৈ ফোন কৰি দিয়ক, কিছু সময় গাড়ী তাত ৰখাব। আপোনালোক গাড়ীৰে বঙাইগাঁৱলৈ যাওক। চেষ্টা কৰি চাব পাৰে।"

ৰঞ্জনৰ মোমায়েকৰ গাড়ীৰ অৱস্থা তেনেকুৱা, গুৱাহাটীৰপৰা আহোঁতেই বাটত তিনিবাৰ বন্ধ হৈছে। টেক্সি এখন পালে, কিন্তু তাৰ স্পেয়াৰ টায়াৰ নাই। ইমান দূৰ যোৱাৰ সাহস নাই। ৰঞ্জনৰ মোমায়েকৰ গাড়ীত এটা স্পেয়াৰ টায়াৰ আছিল। তেওঁ সেইটোকেই দিলে। ইতিমধ্যে আৰু এহাল যাত্ৰী আহি পালে। তেওঁলোকেও একেই ভুল কৰিছে। তেওঁলোকেও চৌধুৰীহঁতৰ লগ ল'লে।


নলবাৰী পাৰ হোৱাৰ পাছত চকা এটা ফুটিল। স্পেয়াৰটো লগাই আগবাঢ়ি যোৱাটোৱেই উচিত হ'ব নে নলবাৰীত চকাটো ঠিক কৰি লোৱা হ'ব। এতিয়াও গোটেই বাট পৰি আছে। চকা মেৰামতি কৰি আকৌ যাত্ৰা। মাণিকপুৰ পাওঁতে আন এটা চকা একেবাৰে ফাটি গ'ল। আকৌ পলম। টায়াৰ সলনি কৰি আকৌ যাত্ৰা। এইবেলি টায়াৰ ফাটিলে বা ফুটিলে একোৱেই কৰিবৰ নাই। চৌধুৰীয়ে ট্ৰেইন ধৰাৰ আশা এৰি দিছে। ইফালে আন্ধাৰ হৈ আহিছে। ড্ৰাইভাৰে তীব্ৰ বেগেৰে গাড়ী চলাই আছে।

"যাঃ।"

"কি হ'ল?"

"ডাইনামোৱে কাম কৰা নাই।"

আন্ধাৰ ৰাতি, এতিয়াও বহুতো বাট যাবলৈ বাকী। বেটাৰিৰ ওপৰত ইমান দূৰ যোৱা অসম্ভৱ। কিন্তু ইতিমধ্যে ড্ৰাইভাৰজনৰ মনতো উত্তেজনাৰ সঞ্চাৰ হৈছে। মুহূৰ্তৰ কাৰণে হে'ড লাইট জ্বলাই তৎক্ষণাৎ আকৌ নুমাই দিয়ে। ঘিটঘিট কৰে আন্ধাৰ; পিচ দিয়া ৰাস্তাৰ পিচ উঠি গৈ বিৰাট বিৰাট গাঁত হৈছে, ওখোৰা-মোখোৰা বাট। একো একোটা জোকাৰণিত মূৰটোৱে চালত খুন্দা মাৰে। গাড়ীখন বাটৰপৰা বাগৰি পৰে নে ক'ৰবাত খুন্দা মাৰে নে খণ্ড-বিখণ্ড হৈ বাটতে পৰি থাকে ঠিক নাই। মুহূৰ্তৰ কাৰণে হে'ড লাইটৰ পোহৰ, আকৌ সূচীভেদ্য অন্ধকাৰ। ষ্টেছন প্ৰায় পাইছেই। চৌধুৰীয়ে আচৰিত হৈ দেখিলে যে ত্ৰডগঞ্জ লাইনত তেতিয়াও ট্ৰেইনখন বৈ আছে। ইতিমধ্যে ছঘণ্টা পলম হৈছে। মল্লিকৰ ফোনৰ কাৰণে নিশ্চয় নহয়। পাছতহে চৌধুৰীয়ে গম পালে যে লোকোষ্টাফৰ লগত অসামৰিক প্ৰতিৰক্ষা বাহিনীৰ কিছুমানৰ কাজিয়া লাগিছিল। ফলত



ৰেল কৰ্মীবোৰে তৎক্ষণাৎ ধৰ্মঘট কৰাত ট্ৰেইনখন বৈ আছিল। কিবা এটা নিষ্পত্তি হোৱাৰ পাছতহে ট্ৰেইনখন এৰিছে।

যাঃ। চৌধুৰীৰ পৰিবাৰে টেক্সিখনৰ ওচৰত মাটিত বহি পৰিল। সকলো হতাশ। হৈয়ো নহ'ল। ড্ৰাইভাৰজন আটাইতকৈ হতাশ। "ধুচ্ চালা, ইমানখিনি হৈয়ো একো নহ'ল।"

হঠাতে আকৌ ট্ৰেইনখন বৈ গ'ল। লৰ, লৰ। কুলি, কুলি? বাদ দিয়ক কুলি। ড্ৰাইভাৰজনে তৎক্ষণাৎ বিছনাখন মূৰত তুলি ল'লে। চৌধুৰীৰ পৰিবাৰে অৱলীলাক্ৰমে ডাঙৰ ছুটকেছ এটা দাঙি ল'লে। বাকীখিনি ৰঞ্জন আৰু চৌধুৰীৰ হাতত। লাইনৰ ওপৰেদি উৰ্ধশ্বাসে লৰ। চৌধুৰীয়ে এতিয়াও ভাবিলে আচৰিত হয়। ঘৰত এই ছুটকেছ তেওঁৰ পৰিবাৰে দুয়োহাতেৰে দাঙিব নোৱাৰিব। এই ছুটকেছ দাঙি লৈ ওখোৰা-মোখোৰা লাইনৰ মাজেৰে তীৱবেগে লৰ। শেষ পৰ্যন্ত তেওঁলোক ট্ৰেইনত উঠিল।

গোলমাল মিটমাট হোৱাৰ কোনো সম্ভাৱনা নাই বুলি গম পাই যাত্ৰী এজনে ওচৰৰ বজাৰখন চাবলৈ গৈছিল। তেওঁ আহি পোৱাৰ আগতে হঠাতে ট্ৰেইন এৰি দিয়াত লগৰবোৰে চেইন টানি ট্ৰেইনখন ৰখাই দিছে।

শেষ পৰ্যন্ত ভৃগু চৌধুৰীয়ে ট্ৰেইন ধৰিব পাৰিলে। শেষ পৰ্যন্ত সকলো ঠিক হৈ যায়। তেওঁৰ জীৱনলৈ ঘাত-প্ৰতিঘাত, বিপদ বিপৰ্যয় কম অহা নাই। অকল ভাগ্যই নহয়, জীৱনত অজস্ৰ মানুহৰপৰা অযাচিতভাৱে তেওঁ সহায়-সহানুভূতি পাই আহিছে। আত্মীয় স্বজনৰ কথা বাদেই, সম্পূৰ্ণ অপৰিচিত মানুহেও নিস্বাৰ্থভাৱে তেওঁক সহায় কৰি আহিছে। আগ্ৰা বিশ্ববিদ্যালয়ৰ হিন্দীৰ অধ্যাপক এজনে নিজে আগবাঢ়ি তেওঁৰ গল্প হিন্দীলৈ অনুবাদ কৰিছে।

তেওঁলোকে ফুৰিবলৈ গৈ চণ্ডীগড়ৰ হোটেল এখনত উঠিছিল। কেৱল থকাৰ কাৰণে কোঠা এটাৰ ভাৰা দৈনিক এশ দহ টকা। মহেন্দ্ৰ মোহন চৌধুৰী তেতিয়া পাঞ্জাবৰ ৰাজ্যপাল। চৌধুৰীয়ে তেওঁক এবাৰ লগ ধৰিলে। কথাই কথাই তেওঁ সুধিলে,—

"ক'ত উঠিছা?"

"হোটেল এখনত।"

"কিমানকৈ লয়?"

"কমভাৰা দিনে এশ দহ টকা।"

"বহুত টকা হৈছে তোমাৰ, নহয়?" মালাকৰ, এটা কাম কৰাচোন। এছেমব্লি হোষ্টেল খালী আছে নহয়? গাড়ী এখন লৈ গৈ এওঁলোকক তাতে আনি থোৱা।"

বিৰাট কোঠা, ৰাজসিক ব্যৱস্থা। ফোন, টি. ভি., গৰম পানী। দৈনিক মাত্ৰ পাঁচ টকা দিব লাগে। এইটো এটা উদাহৰণহে। হঠাতে ঘটনাটো ভৃগু চৌধুৰীৰ মনত পৰি গ'ল।

ব্যতিক্ৰম যে নাই তেনেকুৱা নহয়। এতিয়া আৰু সেইবোৰ সুঁৱৰি উত্তেজিত হৈ লাভ নাই, আক্ষেপ কৰিও লাভ নাই। ৰবি ঠাকুৰৰ গানৰ এশাৰী ভৃগু চৌধুৰীৰ মনত পৰি গ'ল।

"কি পাইনি তাৰ হিসাব মেলাতে মন মোৰ নহে ৰাজী।"

বোৱাৰীজনী ভাল, সঁচাকৈ ভাল। অৰ্থনীতিত ডক্টৰেট পাই দিল্লীৰ কলেজ এখনত কাম কৰে। ৰঞ্জনৰ লগত তাতেই পৰিচয়।

ৰঞ্জনে চৌধুৰীক খোলাখুলিভাৱে সকলো কথা কৈছিল।

"তোমালোকৰ আপত্তি থাকিলে খুলি কোৱা। ঘটনাৰ তেনেহ'লে ইয়াতেই ইতি।"

"আপত্তিৰ কি আছে? শ্বি ছিমছ টু বি এ ভেৰি নাইছ গাৰ্ল। তুমি কি কোৱা?"

ভৃগু চৌধুৰীয়ে পৰিবাৰৰ ফালে চালে। তেওঁৰ পৰিবাৰৰো কোনো আপত্তি নাই। আপত্তি নাই কি? পাৰিলে তেওঁ পাছদিনাই বিয়াখন পাতি দিয়ে। শ্বি ইজ এ নাইছ গাৰ্ল। সঁচাকৈ বৰ ভাল ছোৱালী। ধুনীয়া, মাৰ্জিত আৰু ভদ্ৰ। বোৱাৰী নহয়, ছোৱালী। ঘৰখনক তৎক্ষণাৎ তাই আপোন কৰি ল'লে। এইটোও ভৃগু চৌধুৰীৰ এটা মনোৰম অভিজ্ঞতা। শিক্ষিতা ছোৱালীবোৰ সঁচাকৈ মাৰ্জিত, ৰুচিসম্পন্ন হয়। সুযোগ পালেই তাই তৎক্ষণাৎ দিল্লীৰ পৰা গুচি আহে। ৰঞ্জনৰ ছুটি নাই, তাই অকলেই আহে। দিনটো চৌধুৰীৰ পৰিবাৰৰ লগে লগে থাকে। কাম কৰা মানুহ নাথাকিলে জোৰ কৰি তেওঁৰ হাতৰ পৰা বাঢ়নী কাঢ়ি নিয়ে। এবাৰ আহিলে যাব নোখোজে। জোৰকৈ পঠিয়াব লাগে।

"দুদিন পলম হ'লে একো নহয়, বহুত ছুটি পাওনা হৈ আছে।"

যাবৰ সময়ত দুয়োজনৰ ফোঁচ-ফোঁচনি আৰম্ভ হয়। এগৰাকী পুৰণি দিনৰ মহিলা আৰু এজনী উচ্চশিক্ষিতা আধুনিকা, কলেজৰ অধ্যাপিকা।

ভৃগু চৌধুৰীৰ বেলেগ চিন্তা। ইমানদূৰ বাট ছোৱালীজনী অকলে নো কেনেকৈ যায়? ৰঞ্জনৰ ওপৰত পেটেপেটে খং উঠে। নিজে আহিতো লগত লৈ যাব পাৰে! চিনাকি মানুহ কোনোবা দিল্লীলৈ যায় নেকি তাকেই বিচাৰি ফুৰে। প্ৰমীলাক নানাধৰণৰ উপদেশ দিয়ে। তাই মনেমনে শুনি যায়। তাই অকলে ইউৰোপ, আমেৰিকাৰপৰা ঘূৰি আহিছে; চৌধুৰীৰ এইবোৰ কথা মনত নপৰে। অৱশ্যে এইটোৱেই তেওঁৰ স্বভাৱ। পৰিবাৰকো অকলে ওলাবলৈ দিবলৈ তেওঁৰ ভয়। মটৰ ছাইকেলে খুন্দা মাৰি বগৰাই দিব পাৰে, বাটত পিছল খাই পৰি ভৰি ভাগিব পাৰে, কিমান বিভিন্ন ধৰণৰ দুৰ্ঘটনাৰ সম্ভাৱনা। তেওঁ বাৰে-বাৰে প্ৰমীলাক নিৰ্দেশ দিয়ে।

"গৈ পায়েই পুলিৰ তালৈ ট্ৰাংক কল কৰি দিবা। নম্বৰটো মনত আছে? ৰ'বা, লিখি দিওঁ।"

এতিয়া নাতি ল'ৰা দীপু ডাঙৰ হৈছে। ডাঙৰ মানে উৎপাত কৰি ফুৰিব পৰা হৈছে। চৌধুৰীৰ খেলিমেলি লাগি যায়, এইটো ৰঞ্জন নে দীপু।

"ককা, তোমাৰ মূৰত চুলি নাই কিয়? ককা তুমি ইমান কিতাপ পঢ়ি থাকা কিয়? ককা তুম দপ্তৰমে নাহি যাতা কিঁউ?"

অজস্ৰ প্ৰশ্ন। সিও আহিলে যাবলৈ নিবিচাৰে। বিভিন্ন ওজৰ-আপত্তি, ভৰি বিষাইছে, দাঁত বিষাইছে, অসংখ্য অজুহাত।

প্ৰমীলাই এবাৰ দীপুক ইয়াতেই থৈ যাবলৈ বিচাৰিলে। দীপুতো তৎক্ষণাত ৰাজী। কিন্তু ভৃগু চৌধুৰীয়ে এই লোভনীয় প্ৰস্তাৱ মাত্ৰাধিক জোৰ দি প্ৰত্যাখ্যান কৰিলে।

"ওহোঁ। ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক এৰি থকা উচিত নহয়। অকল বুঢ়া মানুহৰ লগত থকাটো ভালো নহয়।"

কিবা পালেই কাঙালৰ দৰে হাত মেলি দিয়া উচিত নহয়। চৌধুৰীৰ পৰিবাৰে উৎসুক দৃষ্টিৰে চৌধুৰীৰ মুখৰ ফালে চাই আছিল। তেওঁৰ মুখখন শেতা পৰি গ'ল। পিছে কোনো প্ৰতিবাদ নকৰিলে। চৌধুৰীৰ কোনো কথাতে কোনো দিনেই তেওঁ প্ৰতিবাদ কৰা নাই।

[২৩]

ভৃগু চৌধুৰীয়ে ফাঁচীবজাৰত মহেন্দ্ৰ দাসক লগ পালে। তেওঁ হেনো কাহিলিপাৰাৰ ভিতৰুৱা ঠাইত ঘৰে-মাটিয়ে কিনি লৈছে। ভগা-ছিগা সৰু ঘৰ এটা তাতে থাকি তেওঁ ডাঙৰকৈ ঘৰ এটা সাজিবলৈ লৈছে। অকলশৰীয়া মানুহ, ল'ৰা দুজন বিদেশত; ভতিজা ল'ৰাবোৰৰ লগতো বেয়া হৈছে। চৌধুৰীতকৈ বয়সত বেছ ডাঙৰ। ঘৰ বন্ধা শেষ হোৱালৈ তেওঁ জীয়াই থাকিব নে? কোনে কব পাৰে? হয়তো এইটোৱেই তেওঁৰ জীয়াই থকাৰ পন্থা। ঘৰ বান্ধিবৰ কাৰণে এই কৰ্মব্যস্ততা।

জালুকবাৰীত থাকোঁতেই চৌধুৰীয়ে ইয়াত ঘৰ সাজিছিল। কিছুদিন এই ঘৰত আছিলো। যানবাহনৰ সুবিধা নথকাত ভাল ঘৰ এটা পাই আকৌ তালৈ গুচি গ'ল। চৌধুৰীৰ বাহিৰে অইন কাৰো লগত মহেন্দ্ৰ দাসৰ ভাল নাছিল। চৌধুৰী অধ্যাপক মানুহ, পুতৌৰ পাত্ৰ, এইটো এটা কাৰণ হ'ব পাৰে। তদুপৰি চৌধুৰীক তেওঁ চমজদাৰ মানুহ বুলি ভাৱে; কাৰণ যিমানে উদ্ভট নহওক কিয়, চৌধুৰীয়ে তেওঁৰ মতামত শুনি কোনো ধৰণৰ প্ৰতিবাদ নকৰে। তাত বাদেও দাসৰ ৰসৰ কথা শুনি একো ৰস নাপালেও চৌধুৰীয়ে দুৰ্বলভাৱে হাঁহিবৰ চেষ্টা কৰে!

"বুজিছে চৌধুৰী, বলং বলং বাহু বলং! যিখিনি কৰিছোঁ নিজৰ বলতেই কৰিছোঁ। নিজৰ বলতেই কৰিছোঁ। জীৱনত কাৰোপৰা একতিল সহায় পোৱা নাই। পিতাৰ নাম আছিল শুক্‌না দাস, আমিহে পাছত শুকৰাম দাস কৰিছোঁ। ইয়াৰপৰাই গম পাব কেনেকুৱা পৰিয়ালৰপৰা আহিছোঁ।"

দাসৰ কথা শুনি চৌধুৰীয়ে অস্বস্তি বোধ কৰে।

"ল'ৰাবোৰক ৰুটি লাগে, মাখন লাগে। বুজিছে চৌধুৰী, আমি সৰুতে ভাতৰ বাহিৰে অইন একো খোৱাই নাছিলো। দিনত ছবাৰ কেৱল ভাত।"

"ছবাৰ!"

"আন্ধাৰে পোহৰে পঁইতা ভাত খাই হাল লৈ পথাৰলৈ গৈছিলো, পথাৰৰপৰা আহি ভাত খাই কিতাপ লৈ বহিছিলো! তাৰ পাছত ভাত খাই স্কুল, আহি আকৌ ভাত খাই পথাৰ। পথাৰৰপৰা আহি ভাত, আৰু ৰাতি ভাত। কেইবাৰ হ'ল?"

দাসৰ কথাবোৰ মিছা নহয়। অবিশ্বাস্য হ'লেও সঁচা। যিমান কষ্ট কৰি লিখা পঢ়া শিকিছে সেইটো এটা ভাবিব নোৱৰা কথা। বংশৰ অইনবোৰক যেতিয়া অৰ্ধ উলংগ অৱস্থাত হাল বাই থকা দেখে বা হাজিৰা কাম কৰি থকা দেখে তেতিয়া দাসৰ মনত গৰ্ব নহয়, আতংক সৃষ্টি হয়।

সত্য গোস্বামীৰ ঘৰত চাকৰৰ নিচিনাকৈ থাকি তেওঁ বি. এ. পাছ কৰিছে। চাকৰ কিয়? চাকৰৰো অধম। শেষ ৰাতি আন্ধাৰ হৈ থাকোঁতেই উঠি লেম জ্বলাই তেওঁ গোহালি চাফা কৰিছিল, গৰুবোৰৰ পৰিচৰ্যা কৰিছিল। প্ৰথম জীৱনত পোৱা লাঞ্চনা আৰু বঞ্চনাই তেওঁৰ সত্তাত এটা স্থায়ী ছাপ ৰাখি থৈছে। মনৰ স্বাভাৱিক বিকাশত বাধাৰ সৃষ্টি কৰি ক'ৰবাত অলপ বিকৃতি ঘটাইছে।

পৰিবাৰ, ল'ৰা, চুবুৰীৰ মানুহ কাৰো লগত মহেন্দ্ৰ দাসৰ ভাল নাছিল। কাৰো লগত বেছিদিন তেওঁ ভালে থাকিব নোৱাৰে। মিছা কথাতে মানুহৰ লগত কাজিয়া কৰি ফুৰে।

ল'ৰাবোৰে পঢ়ি থাকোঁতে কোনোবা লগৰ ল'ৰাই সিহঁতক বিচাৰি আহি তেওঁৰ আগত পৰিলে তেওঁ উকীলৰ জেৰা আৰম্ভ কৰি দিছিল :

"ৰবীনক কিয় লাগে, কি দৰকাৰ?

"নাই, এনেয়ে লগ পাবলৈ আহিছোঁ।"

"এনেয়ে লাগে? পঢ়াশুনাৰ নাম নাই, চৌবিছ ঘণ্টা আড্ডাবাজী। নিজে তো নষ্ট হৈছা, ইহঁতকো নষ্ট কৰাৰ মতলব?"

ল'ৰাবোৰে অপমান বোধ কৰিছিল। ৰবীন আৰু যতীনে গম পালে খং আৰু লাজতে মৰি যোৱা যেন হৈছিল। দেউতাকক একো কব নোৱাৰিছিল। কিন্তু মনেমনে সিহঁতে দেউতাকৰ সম্বন্ধে যেনেকুৱা ধাৰণা পোষণ কৰিছিল, দেউতাকৰ সম্বন্ধে কোনো সন্তানৰেই তেনেকুৱা ধাৰণা পোষণ কৰা সমীচীন নহয়।

ওচৰৰ বেজবৰুৱাই চৌহদৰ দেৱাল দিবলৈ লৈছিল। মহেন্দ্ৰ দাসে মিস্ত্ৰীবোৰক ডাবি দি কাম বন্ধ কৰি দিলে। দেৱালখন হেনো কেই ইঞ্চিমান




OKDISCD

# "যি টুথপাউদাৰত লং তেল নাই, সি মোৰ কোনো কামত নাহে।"



"সেয়ে মোৰ মনেবিচৰা টুথপাউদাৰ হৈছে প্ৰমিছ। লং তেলেৰে ভৰা। গাঁৱে-নগৰে নাম কৰা। লং তেলৰ আছে দুটা বিশেষ গুণ। এটা হ'ল ই দাঁতক সৰু-সুৰা ৰোগৰ পৰা সুৰক্ষিত ৰাখে। ইয়াৰ প্ৰভাবত দাঁতৰ ক্ষতিসাধন কৰিব পৰা জীৱাণু বিয়পিব নোৱাৰে। ফলত আপোনাৰ দাঁত দৃঢ় মজবুত হৈ থাকে। আৰু দ্বিতীয়তে ই আপোনাৰ শ্বাস সজীৱ সুগন্ধিত কৰি ৰাখে। সেয়ে আপোনাৰ সৈতে বাৰ্ত্তালাপ কৰা লোকে আপোনাৰ পৰা মুখ ঘূৰাই নিনিয়ে।


আটাইতকৈ ডাঙৰ কথা হৈছে দাম যি পৰে সেই অনুসৰি প্ৰমিছ টুথ-পাউদাৰৰ গুণৰ তুলনা নাই। আপুনি যিখিনি খৰচ কৰে তাৰ প্ৰতিটো পইচা কামত আহে।

মোৰ কথা মানে যদি প্ৰমিছ টুথপাউদাৰহে লব। লং তেলেৰে ভৰপূৰ। বালচাৰাৰ চিন্তাধাৰাৰ অনন্য উৎপাদন।"




লং তেলৰ এক অসাধাৰণ উৎপাদন

**প্ৰমিছ**
**টুথপাউদাৰ**



বালচাৰা
টুথপেষ্ট বিশেষজ্ঞ

CHAITRA-B BLS 828 ASM


ৰাস্তাৰ ফালে আগবাঢ়ি আহিছে। সকলো মানুহ বেয়া, সকলোৰে দোষ। কোনোবাই ঘৰৰ কোঠা এটা বঢ়াই ল'লেও খং, টি· ভি· কিনিলেও খং, গাড়ী কিনিলেও খং।

"কওকচোন চৌধুৰী, প্ৰফেছৰ হিচাপে আপুনি কিমান টকা দৰমহা পাইছিল?"

"কিয়?"

"কওকচোন।"

চৌধুৰীয়ে ক'লে।

"তেনেহ'লে? ইমান টকা দৰমহা পাই আপুনি কি কৰিব পাৰিছে? আপোনাতকৈ কম দৰমহা পাই এওঁলোকে এইবোৰ কেনেকৈ কৰে? দেশখন লুটিপুটি খালে।"

মাটিঘৰ বিক্ৰি কৰি চুবুৰী এৰি যোৱাৰ আগতেও এই বুঢ়া বয়সতো মহেন্দ্ৰ দাসে বিৰাট হুলস্থূল কৰি গ'ল। আগতে কিনি থোৱা পাঠকৰ খালী মাটি এডোখৰ পৰি আছিল। কিবা ছিলিঙৰ মাটি নে কি চৌধুৰীয়ে এইবোৰ ভালকৈ বুজি নাপায়। হঠাতে মহেন্দ্ৰ দাসৰ মনত ৰাজহুৱা কাম কৰাৰ স্পৃহাৰ উদয় হ'ল। সেই খালী ঠাইডোখৰত চুবুৰীৰ ল'ৰা-ছোৱালীৰ কাৰণে এখন শিশুউদ্যান কৰিব লাগে। কৰ্পোৰেশ্যন, চৰকাৰ চাৰিওফালে লিখালিখি আৰম্ভ কৰি দিলে। প্ৰয়োজন হ'লে অধিগ্ৰহণ কৰিও উদ্যানখন পাতিব লাগে। পাঠকে গম পাই ব্যস্ত হৈ উঠিল। তেওঁ সকৈকে তাত ঘৰ এটা সাজিবলৈ ল'লে। গাড়ী যাব পৰাকৈ তেওঁ সমুখৰ নৰ্দমাটোৰ ওপৰত তক্তা পাতি দিলে। ইটা লৈ ট্ৰাক অহাত মহেন্দ্ৰ দাসে দীঘল দি তক্তাৰ ওপৰত শুই দিলে। পাঠকৰ ল'ৰা দুজনে দাঙি লৈ বহুত দূৰত তেওঁক থৈ আহিল গৈ। তেওঁ থানাত গৈ মাৰপিটৰ অভিযোগ দিলে।

মিছা কথাতে মানুহজন সকলোৰে লগত লাগি ফুৰে। এইটো এক ধৰণৰ মানসিক ব্যাধি। ঘৰতে। পৰিবাৰৰ দোষ, ল'ৰাবোৰৰ দোষ। কথাই প্ৰতি অভিযোগ।

ৰ'দত ঘামিজামি প্ৰকাণ্ড মোনা এটা লৈ মহেন্দ্ৰ দাস বজাৰৰপৰা আহি আছিল। চৌধুৰীক লগ পাই বাটত বেঁকা হৈ থিয় দি বাওঁহাতেৰে কপালৰ ঘাম মচিলে।

"এই হ'ল কপাল। ডেকা ল'ৰা ঘৰত থাকোঁতে নিজে বজাৰ নকৰিলে খোৱা বন্ধ।"

পিছে ল'ৰাবোৰে বজাৰ কৰি বস্তু আনিলে অসংখ্য অভিযোগ। বস্তু বেয়া আনিছে, দাম বেছি হৈছে ইত্যাদি। ল'ৰা দুজনে বিৰক্ত হৈ বজাৰ কৰিবলৈ ইচ্ছা নকৰে। ভৃগু চৌধুৰীয়ে মহেন্দ্ৰ দাসক বজাৰ কৰা দেখিছে। অস্বস্তিকৰ পৰিস্থিতি। প্ৰতিজন দোকানীৰ লগত কাজিয়া। দাম লৈ কাজিয়া, ওজন লৈ কাজিয়া। দোকানীয়ে হাতৰ পৰা বস্তু কাঢ়ি লয়।

"হব দিয়ক, নালাগে লব।"

ভৃগু চৌধুৰীয়ে হঠাতে ফাঁচী-বজাৰত মহেন্দ্ৰ দাসক লগ পালে। খুব ব্যস্ত। কাহিলিপাৰাত ঘৰ সাজি আছে। উৎসাহেৰে তেওঁ চৌধুৰীক ঘৰৰ বিন্যাসটো বুজাই দিবলৈ ল'লে। পাঁচতলা ঘৰৰ উপযুক্ত ভেটি, একেবাৰে চিৰস্থায়ী বন্দবস্ত।

"আপুনি তো জানে মই কেতিয়াও বাহুল্য কৰা নাই। গোটেই জীৱন ধৰি কম কষ্ট কৰি টকা গোটাইছোঁ নে? কাৰ কাৰণে ৰাখি যাম?"

সংগত প্ৰশ্ন। ল'ৰা দুজনে আমেৰিকাৰ নাগৰিকত্ব লৈছে। সিহঁত উভতি নাহে। ভতিজাবোৰৰ লগতো বেয়া। কিন্তু প্ৰশ্নটোত কিবা এটা যেন বিসংগতি আছে; চৌধুৰীয়ে তৎক্ষণাত ধৰিব নোৱাৰিলে।

ৰজত কলিতাই গোটেই জীৱনৰ সঞ্চয় ব্যয় কৰি এখন উচ্চ মানৰ আলোচনী উলিয়াবলৈ লৈছে। ৰুগ্ন অক্ষম দেহ, কিন্তু উৎসাহৰ অন্ত নাই। অধ্যাপক অনন্ত দাসে মহা উৎসাহেৰে বিনা পইচাত দলেদলে ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাই আছে। তেওঁ ভালকৈ খোজ-কাঢ়িব নোৱাৰে; এখন ভৰি টানি টানি খোজকাঢ়ে। প্ৰত্যেকে একো-একোটা নিজস্ব পথেৰে নিশ্চিতভাৱে আগবাঢ়ি গৈ আছে। তেওঁলোকে জানে তেওঁলোকে কি বিচাৰে; গন্তব্য স্থান সম্বন্ধেও তেওঁলোকৰ স্পষ্ট ধাৰণা আছে। চৌধুৰীহে অনিশ্চিতভাৱে বাটৰ কাষত থিয় হৈ আছে।

সুখ আৰু দুখৰ মাজেৰে জীৱনটো পাৰ হৈ গ'ল। পৃথিৱীখন সৃষ্টি হোৱাৰ আগৰেপৰাই সময়ৰ আৰম্ভণি আৰু পৃথিৱীখন হিম শীতল হৈ যোৱাৰ পাছতো সময়ৰ অন্ত নপৰে। এই অনন্ত কোটি বছৰৰ তুলনাত জীৱনৰ এই সীমিত কালছোৱা অতি উপেক্ষণীয় কালখণ্ড। গোটেইখিনিয়েই কি তেনেহ'লে অপ্ৰাসংগিক? শূন্যৰ পৰা উত্তৰ হৈ শূন্যতে বিলীন? তেনেহ'লে কিহৰ কাৰণে এই কান্দোন, কিহৰ কাৰণে এই হাঁহি? খন্তেকৰ কাৰণে কিয় এই অসংখ্য বিপৰীতমুখী আবেগ আৰু অনুভূতিৰ উদ্দাম আলোড়ন?

(আগলৈ)


হে অৰণ্য হে মহানগৰ—
নৱকান্ত বৰুৱা— ৫ টকা
এলবিএছ পাব্লিকেশ্বন
আমবাৰী : গুৱাহাটী-১



১২ পৃষ্ঠাৰ পিছৰ পৰা

স্থিতি সবল কৰাৰ প্ৰস্তুতি চলিল। কিন্তু এলেণ্ডি চৰকাৰৰ সাফল্যৰ দিন চমু চাপি আহিল। সপ্তম দশকৰ আৰম্ভ-ণিতে বিশ্বব্যাপি দেখা দিয়া অৰ্থনৈতিক স্থবিৰতা, বিদেশী সাহায্য আৰু বিনিয়োগৰ হ্ৰাসমান গতি, বিশ্বৰ বজাৰত চিলিৰ মুখ্য ৰপ্তানি সামগ্ৰী তামৰ মূল্য হ্ৰাস, নিম্নগামী উৎপাদন, আৰু লগতে বনুৱাসকলে অধিক মজুৰীৰ বাবে তোলা দাবীৰ হেঁচাত ভাগি পৰিবলৈ ওলোৱা দেশৰ অৰ্থনীতিক মুদ্ৰাস্ফীতিয়ে অধিক শোচনীয় কৰি তুলিলে। এনে অৱস্থাত নব প্ৰতিষ্ঠিত চৰকাৰ সোঁ পন্থী ৰক্ষণশীল আৰু উগ্ৰ বাঁওপন্থী— এই দুয়োটা পক্ষৰে তীব্ৰ সমালোচনাৰ সন্মুখীন হ'ল। ফল-স্বৰূপে সামৰিক বাহিনীয়ে ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে। এক সামৰিক অভ্যুত্থানত প্ৰেছিডেণ্ট এলেণ্ডি নিহত হ'ল আৰু সামৰিক শাসক গোষ্ঠী এটাই চিলিত একনায়কত্ববাদী শাসন চলোৱাৰ বাট মুকলি হৈ পৰিল।

সামৰিক শাসনৰ প্ৰথম পদক্ষেপ হিচাপে জংগী প্ৰশাসনে চিলিত এক প্ৰকাৰ জৰুৰী অৱস্থা ঘোষণা কৰিলে। পূৰ্বৰ শাসনাধিষ্ঠ পপুলাৰ ইউনিটি পাৰ্টিক বেআইনী ঘোষণা কৰি জাতীয় সংসদ ভংগ, জনসাধাৰণৰ মৌলিক অধিকাৰ নাকচ, সভা-সমাৰেশৰ লগতে অ-মাৰ্ক্সীয় দলসমূহৰ ওপৰত নিষেধাজ্ঞা জাৰি, ট্ৰেড ইউনিয়নৰ কাৰ্য কলাপ নিষিদ্ধকৰণ, বাতৰি কাকতৰ ওপৰত কঠোৰ নিষেধাজ্ঞা আৰু বিশ্ববিদ্যালয়-সমূহক সামৰিক নিয়ন্ত্ৰণ আৰোপৰ পাছত চিলিৰ ইতিহাসত এক অভূত-পূৰ্ব সন্ত্ৰাসবাদে দেখা দিলে।

দেশখনৰ বিষয়ে বা-বাতৰি ৰখা সকলৰ দৃষ্টিত স্বৈৰাচাৰী শাসনৰ পূৰ্ণাংগৰূপ এটাই চিলিত আত্ম প্ৰকাশ কৰিলে। ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত মাৰ্ক্সবাদী আদৰ্শৰ কণ-কঠীয়া মাৰিবৰ বাবে সকলোধৰণৰ উপায় অৱলম্বন কৰা হ'ল। স্বৈৰতন্ত্ৰ আৰু জাতীয়তাবাদক লক্ষ্য হিচাপে গ্ৰহণ কৰি এক নতুন ৰাজনৈতিক মতাদৰ্শ প্ৰতিষ্ঠাৰ চেষ্টা চলিল। প্ৰাক্তন চৰকাৰৰ জাতীয়কৰণ নীতিক পোনপটীয়াভাৱে নাকচ কৰি ব্যক্তিগত মূলধনৰ বিনিয়োগ আৰু ঔদ্যোগিক বিকেন্দ্ৰীকৰণত গুৰুত্ব আৰোপ কৰি কৃষি সংস্কাৰৰ আঁচনি বাতিল কৰি দিয়া হ'ল। বাস্তৱিকতে হ্ৰস্বম্যাদী ফলাফলেৰে চিলিৰ অৰ্থনীতিত কিছু পৰিমাণে উন্নতি পৰিলক্ষিত হল। একে-ৰাহে কেইবা বছৰো ধৰি চলা মুদ্ৰা-স্ফীতি আৰু নিবনুৱা সমস্যাৰ পট-ভূমিত সাময়িকভাৱে অনুভূত হোৱা অৰ্থনৈতিক স্বচ্ছলতালৈ আঙুলিয়াই জেনেৰেল পিন'চেটে সগৌৰৱে ঘোষণা কৰিলে যে ৰাজনৈতিক মতাদৰ্শতকৈ চিলিবাসীয়ে নিজৰ অৰ্থনৈতিক মান উন্নত কৰাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰে। ইয়াৰ লগতে নতুন প্ৰশাসনৰ সমৰ্থক কিছু অৰ্থনীতিবিদে প্ৰচাৰ কৰিলে যে বাস্তৱিকতে চিলিয়ে অৰ্থ-নৈতিক দিশত এক যাদুৰ সৃষ্টি কৰিছে। কিন্তু লগতে তেওঁলোকে এই কথা কবলৈও নাপাহৰিলে যে ৰাজনৈতিক স্বাধীনতা নহ'লে আৰু সামৰিক চৰকাৰৰ দ্বাৰা চলোৱা জংগী শাসনৰ অৱসান নঘটিলে মুক্ত বাণিজ্যৰ অৰ্থনৈতিক সুফল স্থায়ী হ'ব নোৱাৰে। সামৰিক শাসকগোষ্ঠীও এই বিষয়ে সম্পূৰ্ণ অৱগত যে গণতন্ত্ৰৰ চহকী ঐতিহ্য থকা চিলিৰ নিচিনা দেশ এখনত বেছি দিন বেয়নেটৰ শাসন নচলে। সামৰিক একনায়কত্ববাদ চিলিৰ বাবে গ্ৰহণযোগ্য নহয়। সেয়েহে স্বৈৰাচাৰী শাসনৰ প্ৰাথমিক সময়ছোৱা পাৰ হোৱাত, বিশ্বজোৰা সবল প্ৰতি-বাদৰ পটভূমিত, কতৃত্বৰ সৈতে স্বাধীনতাৰ ভিত্তিত ৰক্তাক্ত চিলিত ৰক্ষণাত্মক গণতন্ত্ৰৰ পৰীক্ষা-নিৰীক্ষাৰে এক নৰম প্ৰলেপ দিয়াৰ প্ৰস্তুতি চলিল। সেইমতে তিনিটা স্তৰৰ মাজেদি সামৰিক প্ৰশাসনে চিলিত এক বেসামৰিক চৰকাৰ প্ৰতিষ্ঠাৰ আশ্বাস দিলে। পূৰ্বৰ গণতান্ত্ৰিক সংবিধান নাকচ কৰি এক সংবিধান প্ৰণয়নৰ যোগেদি ১৯৮১ চনৰ মাৰ্চ মাহত প্ৰথমটো স্তৰৰ সামৰণি পেলোৱা হ'ল। দ্বিতীয় পৰ্যায়ত কাৰ্যবাহী ক্ষমতা নিজৰ হাতত ৰাখি সামৰিক প্ৰশাসনে পাঁচ বছৰীয়া ম্যাদেৰে এক বিধায়িনী পৰিষদ নিয়োগ আৰু গণৰাজ্যৰ বাবে প্ৰেছিডেণ্ট মনোনীত কৰিব। অৱশ্যে এই ক্ষেত্ৰত কেৱল অ-মাৰ্ক্সীয় ৰাজ-নৈতিক দল সমূহৰহে ৰাজনৈতিক বিবৰ্তনত অংশ গ্ৰহণৰ সুযোগ থাকিব। উক্ত আঁচনি মতে ১৯৮৬ চনৰ পৰা গণতন্ত্ৰলৈ প্ৰত্যাবৰ্তনৰ তৃতীয় পৰ্যায় আৰম্ভ হোৱাৰ কথা। এই সময়ছোৱাত জাতীয় সংসদলৈ আঞ্চলিক প্ৰতিনিধি-সকলৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। জাতীয় কংগ্ৰেছে ছবছৰীয়া ম্যাদেৰে প্ৰেছি-ডেণ্ট নিৰ্বাচিত কৰিব। এই পৰ্যায়ৰ সামৰণি পৰিলে ১৯৯১ চনত পূৰ্ণাংগ নিৰ্বাচন অনুষ্ঠিত হোৱাত কোনো বাধা নাথাকিব। অৱশ্যে জেনেৰেল পিন'চেটে হেনো এই বুলি কৈছে যে নতুন সংবিধানে তেওঁক নিজকে চৰ-কাৰী সমৰ্থন লাভ কৰা একমাত্ৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দিবৰ ক্ষমতা প্ৰদান কৰিছে। ১৯৮৯ চনলৈকে তেওঁ ক্ষমতাত থাকিব আৰু যোৱা জুলাই মাহত ঘোষণা কৰা মতে পুনৰ ৮ বছৰৰ বাবে নিৰ্বাচিত হ'বলৈ জন-সাধাৰণৰ ৰায় বিচাৰিব।

তথ্যাভিজ্ঞ মহলৰ মতে পূৰ্বৰ প্ৰতি-শ্ৰুতি অনুযায়ী ১৯৮৯ চনত গণতন্ত্ৰলৈ প্ৰত্যাবৰ্তনৰ প্ৰস্তাৱ নাকচৰ দ্বাৰা মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰা আহি থকা হেঁচাক আওকাণ কৰি, আনে বিচৰা-মতে তেওঁ ক্ষমতা হস্তান্তৰ নকৰোঁ বুলি ঘোষণা কৰাত মাৰ্কিন প্ৰশাসনে বিব্ৰত বোধ কৰিছে। কিয়নো আজি এই কথা কাৰো অবিদিত নহয় যে সশস্ত্ৰ বাহিনী আৰু খৃষ্টিয়ান ডেম-ক্ৰেটিক বিৰোধী পক্ষই মাৰ্কিন পৃষ্ঠ-পোষকতা লাভ নকৰা হ'লে চিলিত গণতন্ত্ৰৰ এনে বিপৰ্যয় নঘটিলেহেঁতেন। কমিউনিষ্ট প্ৰভাৱ দূৰ কৰি চিলিত

৫৭ পৃষ্ঠাত চাওক






# ডুবি দেৱালয় আৰু দেৱদাসী নৃত্য

পাঠশালাৰপৰা তিনি কিল'মিটাৰ দক্ষিণত ডুবি দেৱালয় বা বুঢ়া গোসাইৰ থান অৱস্থিত। কুমাৰ ভাস্কৰ বৰ্মাৰ দিনৰ পৰাই ডুবি দেৱালয়ৰ অস্তিত্বৰ কথা জনা গলেও যি কোনো কাৰণতেই নহওক মাজভাগত ইয়াৰ প্ৰভাৱ হ্ৰাস পাইছিল। কিন্তু অষ্টাদশ শতিকাত স্বৰ্গদেও শিৱসিংহৰ (১৭১৪-৪৪ খৃঃ) পৃষ্ঠপোষকতাত ডুবি দেৱালয়ৰ অস্তিত্ব পুনৰ লোকচক্ষুত ধৰা পৰে। স্বৰ্গদেও শিৱসিংহই দেৱালয়ৰ বাবে ৭৬০ পুৰা মাটি দান কৰিছিল। এই মাটিৰ এপুৰাকৈ প্ৰত্যেক নটীয়ে বা দেৱদাসীয়ে খাজনা দিব নলগীয়াকৈ পাইছিল। ৰজাই মন্দিৰটো সুচাৰু-ৰূপে চলিবৰ বাবে ব্ৰাহ্মণ, পুৰোহিত পাইক, মালাকৰ, মালী আদিৰ নিযুক্তি দিছিল। তেওঁলোকৰ ভিতৰত গায়ন-বায়নো আছিল। নৃত্যৰ সময়ত দেৱ-দাসীসকলৰ লগত তাল, বাদ্য আদি সংগত কৰা হৈছিল।

অসমৰ নানা ঠাইৰ শিৱমন্দিৰ বা দেৱালয়ত শিৱপূজা আৰু তাৰ লগে লগে নটীৰ নাচ বা দেৱদাসী নৃত্যৰ প্ৰচলন প্ৰাচীন কালৰ পৰাই চলি আহিছিল। বজালীৰ ডুবিৰ পৰিহৰেশ্বৰ দেৱালয়, হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰ, শোণিতপুৰৰ হাটকেশ্বৰ শিৱ মন্দিৰ, দেৰগাঁৱৰ নাৰ্ঘেৰিটিং শিৱ মন্দিৰ আদিত এই নৃত্যৰ প্ৰচলন আছিল। ডুবিৰ তামৰ ফলিত হিউৱেন-চাঙে ভাস্কৰ বৰ্মাৰ ৰাজসভাৰ কামৰূপী নৃত্য-সংগীত দেখি ভূয়সী প্ৰশংসা কৰিছিল বুলি উল্লেখ আছে। কাম-ৰূপৰ শিৱ দেৱালয় মন্দিৰবোৰত দেৱদাসীয়ে বিগ্ৰহক নৃত্যেৰে আৰাধনা কৰাৰ কথা পৰিব্ৰাজক এলটেবাৰীয়েও উল্লেখ কৰি গৈছে।

**পুনৰুদ্ধাৰৰ প্ৰচেষ্টা:** প্ৰাচীন কামৰূপৰ প্ৰাকবৈষ্ণৱী যুগৰ এই নৃত্য-সম্পদৰ কথা ক্ৰমান্বয়ে লোকে পাহ-



দেৱদাসী নৃত্যৰ গুৰুঘাতৰ প্ৰণাম

ৰিয়েই গ'ল। সমাজক নৈতিক আৱ-ৰণ দিবলৈ যাওঁতে ইয়াৰ মূল আত্মা-টোকে পৰিহাৰ কৰা হ'ল। বহুবছৰ পাছত পাঠশালাৰ শিল্পী (স্বৰ্গীয়) ৰত্ন তালুকদাৰৰ অহোপুৰুষাৰ্থৰ ফলত এই নৃত্যৰ কিছু অংশৰ উদ্ধাৰ হয়। প্ৰথ-মতে কৌশল্যা আৰু বৈয়াবালাৰপৰা জয়া পাটগিৰী, ৰেণু দেৱী, লীলা দাস, আৰু বীণা চৌধুৰীৰ সহযোগত এই নৃত্যটো শিকিবলৈ চেষ্টা কৰা হয়। খোল শিকিলে ৰত্নকান্ত তালুকদাৰে। শিকালে স্বৰ্গীয় বেচাৰাম বায়নে। ১৯৫৪ চনৰ শেষৰ ফালে বিষ্ণুপ্ৰসাদ

স্বৰ্গীয় ৰত্নকান্ত তালুকদাৰ



ৰাভা পাঠশালালৈ আহে আৰু ৰত্নকান্ত তালুকদাৰৰ সৈতে লগলাগি তেখেতে ইয়াক পূৰ্ণৰূপত প্ৰকাশ কৰে।

দেৱদাসী নৃত্য লাস্যনৃত্যৰ এক সুন্দৰ নিদৰ্শন। সুৰেশ চন্দ্ৰ গোস্বামীৰ মতে এই লাস্যপ্ৰধান নৃত্যটিত হস্ত-মুদ্ৰাৰ অৰ্থ, গমন, বুলন পাদভেদা, ভক্তিৰস আদিৰ প্ৰকাশ সুন্দৰ। বৰ্ত-মানে প্ৰদৰ্শিত এই নৃত্যটোৰ ভাবাৰ্থ বিষ্ণুৰাভাই ব্যাখ্যা কৰা মতে এনে-কুৱা ঃ দেৱদাসীসকলে মন্দিৰৰ ওচৰৰ কোনো খটখটি থকা পুখুৰীত গা ধুই পানীত নিজৰ প্ৰতিবিম্ব চাই, সাজ-পাৰ পিন্ধি, দাপোনত নিজৰ মুখ চাই ফণিৰে মূৰ ফণিয়াই নিজৰ সৌন্দৰ্যত নিজে আত্মহাৰা হৈ উপাস্য দেৱতা শিৱৰ সন্তুষ্টিৰ কাৰণে নানা লয়লা-সেৰে নৃত্য কৰে আৰু শেষত প্ৰণাম জনাই গুচি যায়। নৃত্যটোৰ লগত আৰম্ভণিৰেপৰাই খোল আৰু তাল ব্যৱহাৰ কৰি অহা হৈছে। অন্য বাদ্য বা গীতৰ ব্যৱহাৰ নাই। নৃত্যটোৰ আৰম্ভণিতে খোলত গুৰুঘাত বজোৱা হয়। গুৰুঘাত আৰু সামৰণিৰ বোলৰ বাহিৰেও নৃত্যটোত বাৰটা বিভিন্ন 'চৰাঘাত' সহ বোল আৰু সেই অনুসৰি নৃত্যৰ



OKDISCD

মুদ্ৰা আছে। বৰ্তমানে ডুবিৰ যি নৃত্য প্ৰদৰ্শন কৰা হয় তাত অঞ্জলি, পতাক, ত্ৰি পতাক, মুকুল, অৰ্ধচন্দ্ৰ, হংসাস্য আদি হস্তমুদ্ৰাসমূহ দেখা যায়। দেৱদাসীসকলে নৃত্যত ব্যৱহাৰ কৰা সাজপাৰ হ'ল বগা ৰঙৰ ধুৰিৰ দৰে মেখেলা, হাতৰ সৰু গাঠিলৈকে পৰা বগা গা-চোলা (এতিয়া হালধীয়া), বুকুৰপৰা নাভিৰ ওচৰলৈকে এফালৰ কান্ধৰ ওপৰেৰে বগা মখমল কাপোৰৰ মেৰ। লগতে আছে অসমীয়া সাঁচত গঢ়া সোণৰ নানাবিধ অলংকাৰ; যেনে গামখাৰু গলপতা, মাদুলি, নাকফুল, আঙঠি আৰু ভৰিত জুনুকাৰ শব্দ কৰা খাৰু (নূপুৰ?)

স্বৰ্গীয় তালুকদাৰৰ নেতৃত্বত প্ৰথমে দেৱদাসী নৃত্য ১৯৫৫ চনত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ সাংস্কৃতিক অনুষ্ঠানত আনুষ্ঠানিকভাৱে প্ৰদৰ্শন কৰা হয়। তাৰ পাছত ১৯৫৯ চনত গুৱাহাটীত বহা অসম সংগীত নাটক একাডেমিৰ অধিবেশনত এই নৃত্য প্ৰদৰ্শন কৰা হয়। ১৯৬১ চনত দেৱদাসী নৃত্য সাংস্কৃতিক বিনিময় আঁচনিৰ অধীনত উৰিষ্যাৰ কটক ভুৱনেশ্বৰ, পুৰী আদি ঠাইত প্ৰদৰ্শিত হয়। ১৯৬৫ চনত কলিকাতাৰ অসম ভৱনৰ উদ্বোধনী অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল এই দেৱদাসী নৃত্য। সেই একে যাত্ৰাতে দলটোৱে ভাৰতৰ ৰাজধানী দিল্লীত এই নৃত্য প্ৰদৰ্শন কৰি বিশেষ সুখ্যাতি অৰ্জন কৰে। এনেকৈয়ে অকল অসমতে নহয় গোটেই ভাৰততে দেৱদাসী নৃত্যই অসমৰ শাস্ত্ৰীয় নৃত্য সম্পদহিচাপে কলা-অনুৰাগীসকলৰ দৃষ্টি আকৰ্ষণ কৰে। কিন্তু ৰত্নকান্ত তালুকদাৰৰ বয়স বাঢ়ি অহাৰ লগে লগে এই নৃত্যৰ প্ৰসাৰ কিছু পৰিমাণে হ্ৰাস পাবলৈ ধৰে। সকলোৱে আশংকা তালুকদাৰৰ মৃত্যুৰ পাছত এই ঐতিহ্যপুৰ্ণ নৃত্য যেন আকৌ হেৰাই যাব। সেয়েহে ইয়াৰ বিলুপ্তিৰ আশংকালৈ লক্ষ্য ৰাখি তালুকদাৰৰ জীৱনৰ শেষ সময় ছোৱাত তেখেতৰ ওচৰত খোলৰ প্ৰশিক্ষণ লওঁ। তেখেতৰ মৃত্যুৰ পাছত তেখেতৰ লগত বহু বছৰ আগৰ পৰাই খোল সংগত কৰি অহা শ্ৰীগিৰীশ তালুকদাৰৰ সহায়ত ১৯৬৪ চনতে জন্ম লাভ কৰা দেৱদাসী শিল্পী সমাজক পুনৰ পোহৰলৈ অনা হয়, আৰু এটাৰ পিছত আন এটা দলক এই নৃত্যৰ প্ৰশিক্ষণ দি ইয়াক পুনৰ সঞ্জীৱিত কৰি তোলা হয়। বৰ্তমান এই দলৰ লগত ওতপ্ৰোতভাৱে জড়িত থকা শিল্পীসকল হ'ল: খোলত (শ্ৰী) গিৰিশ তালুকদাৰ, দিলীপ কাকতি; তালত ৰমেশ তালুকদাৰ; নৃত্যত গীতা পাটগিৰি, সৰোজ কাকতি, প্ৰমীলা দাস, সুৰভি লহকৰ, লুকী পাটগিৰী, পিংকুমণি দাস আৰু ইনা কলিতা। এই দলটিয়ে অসম সাহিত্য সভাৰ তিনিচুকীয়া বঙাইগাঁও, কামপুৰ অধিবেশনত, আৰু লক্ষীমপুৰ, গুৱাহাটী আদি অসমৰ বিভিন্ন ঠাইত এই নৃত্য প্ৰদৰ্শন কৰি ৰাইজৰ প্ৰশংসা পাবলৈ সমৰ্থ হৈছে। কিন্তু চৰকাৰ আৰু ৰাইজৰ উদাসীনতাৰ বাবেই হওক বা উপযুক্ত সাংস্কৃতিক কৰ্মীৰ অভাৱতেই হওক, ইয়াক জীয়াই ৰখাৰ বাবে এতিয়াও স্থায়ী আখৰা ঘৰ তথা আনুষংগিক পৰিৱেশ গঢ়ি উঠা নাই।

—দিলীপ কাকতি,
"দেৱদাসী শিল্পী সমাজ,
পাঠশালা

১১ পৃষ্ঠাৰ পিছৰ পৰা

কৰি দিছে সঁচা। কিন্তু চান কঢ়া ধন হিচাপে বিদেশৰপৰা টকা-পইচা যে আহি আছে সেই কথাটো অস্বীকাৰ কৰা টান।

দেশৰ অনুষ্ঠানবোৰ আৰু প্ৰমূল্যসমূহ ধ্বংস কৰি যোৱা ইন্দিৰা গান্ধীৰ যন্ত্ৰবোৰ আৰু মানুহবোৰ ৰাজীৱ গান্ধীয়ে উত্তৰাধিকাৰ সূত্ৰে পাইছে। এটা সময়ত তেওঁ মাকৰপৰা নিজকে নিলগ কৰা যেন লাগিছিল কিন্তু এই আশাটো পূৰণ কৰিবলৈ তেওঁ এই পৰ্যন্ত কাৰ্যত একো কৰা নাই। তেওঁৰ কাৰ্যনিৰ্বাহ কৰাৰ ক্ষেত্ৰতো সেই মাকৰ দিনত পোৱাবোৰেই অগ্ৰাধিকাৰ পাইছে আৰু মাকৰ দিনত কৰাবোৰ ভুলেই হৈছে। ৰাষ্ট্ৰই খৰচ কৰা প্ৰতিটো পইচা কি ধৰণে খৰচ কৰা হৈছে সেই বিষয়ত শাস্ত্ৰী পুংখানুপুংখৰূপে মনোযোগী আছিল। নেহৰুৰ "অত্যাধিক ব্যয়"ৰ তেওঁ সমালোচনা কৰিছিল। এটা দুখীয়া পৰিয়ালৰ মানুহ আছিল কাৰণে তেওঁ টকা পইচাৰ অপব্যয় কৰাটো পচন্দ নকৰিছিল। বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰটো কি ধৰণে ব্যৱহাৰ কৰা হৈছে সেই বিষয়ত তেওঁ সতৰ্কভাৱে চকু ৰাখিছিল। তাৰ বিপৰীতে ৰাজীৱ গান্ধীৰ বিদেশ ভ্ৰমণত ইতিমধ্যে ১০ কোটিৰো অধিক টকা ব্যয় হৈছে।

নিজকে লোকচক্ষুৰ আগত জাহিৰ কৰিবলৈ নিবিচৰা শাস্ত্ৰীয়ে তেওঁৰ গুণাৱলীৰ জোখাৰে যিখিনি গুৰুত্ব তেওঁৰ প্ৰাপ্য তাতকৈ নিজক গুৰুত্ব কমকৈ দিছিল। তেওঁৰ আদৰ্শ আছিল মহাত্মা গান্ধী, নেহৰু নহয়——নেহৰু আছিল তেওঁৰ বাবে কামকাজৰ বিধান দিওঁতা। শাস্ত্ৰীয়ে প্ৰায়েই গান্ধীৰ এষাৰ কথা সুঁৱৰিছিল: "ভাৰতে আৰু ভাৰতৰ যোগেদি বিশ্বয়ো প্ৰকৃত স্বাধীনতা অৰ্জন কৰিলে এদিন নহয় এদিন এটা সত্য স্বীকাৰ কৰিবই লাগিব যে জনসাধাৰণ গাঁৱত থাকিব, নগৰত নহয়; জুপুৰী পজাত থাকিব, ৰাজ অট্টালিকাত নহয়।"

শাস্ত্ৰী আৰু ৰাজীৱ গান্ধীৰ মাজত পাৰ্থক্যটো হ'ল এয়ে যে শাস্ত্ৰী ভাৰতৰ আৰু ৰাজীৱ গান্ধী ইণ্ডিয়াৰ। দুই অক্টোবৰৰ অনুষ্ঠানবোৰত এটা কথা আগতকৈও বেছি অনুভূত হৈছে যে বৰ্তমান চৰকাৰৰ মানত নিৰ্বাচনী ৰণনীতিত বাদে আন বিষয়ত ভাৰত গণ্য হ'বলৈ এৰিছে। সেইদেখি আজিৰ শাসকসকলে শাস্ত্ৰীৰ সৰলতা আৰু তেওঁৰ চাদাচিধা ৰাজনীতি পাহৰণিৰ গৰ্ভত লীন হৈ যোৱাটো বিচৰাত আচৰিত হ'ব লগা নাই।





# ১৯৮৬ ৰ এছিয়াডত ভাৰতৰ ব্যৰ্থতা

এইবাৰৰ এছিয়াডত ভাৰতৰ সামগ্ৰিক ফলাফল হতাশজনক। চীন, জাপান আৰু দক্ষিণ কোৰিয়াই দুই হাতেৰে সোণৰ মেডেল সংগ্ৰহ কৰিলে। বিশেষকৈ দক্ষিণ কোৰিয়াই পুৰুষৰ হকি ফাইনেলত পাকিস্তানক পৰাজিত কৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। মহিলাৰ হকিতো কোৰিয়া দল চেম্পিয়ন হৈছে। আনকি টেবল টেনিছ, বেডমিণ্টনতো চীনৰ আধিপত্য কোৰিয়া দলে খৰ্ব কৰিছে।

এছিয়ান গেমছত ইতিহাস সৃষ্টি কৰিছে জাপানৰ হেমাৰ থ্ৰ'ৱাৰ ছিগিনোবু মুৰোফুছিয়ে। ১৯৬৬ চনৰ বেংকক এছিয়াডত ৰূপৰ পদক পোৱাৰ পাছত '৭০ চনৰ এছিয়াডৰ পৰা '৮৬ ৰ এছিয়াডলৈকে যোৱা পাঁচটা এছিয়াডত ছিগিনোবুয়ে সোণৰ পদক লাভ কৰিলে। ৪২ বছৰ বয়সীয়া মুৰোফুছিয়ে '৯০ চনৰ এছিয়াডতো তেওঁ ভাগ লব বুলি আশা কৰিছে। ছিউল এছিয়াডত 'এছিয়াৰ দ্ৰুততম ব্যক্তিৰ' সন্মান লাভ কৰিছে কাতাৰৰ তালাল মনছুৰে। তেওঁ ১০০ মিটাৰ দৌৰত গেমছ ৰেকৰ্ডসহ প্ৰথম হৈছে (১০·৩০ ছেকেণ্ড) পুৰ্বৰ ৰেকৰ্ড আছিল ১০·৪২ ছেকেণ্ড।

যোৱা দিল্লী এচিয়াডত ভাৰতে ১৩ টা সোণৰ, ১৯ টা ৰূপৰ আৰু ২৫ টা ব্ৰঞ্জৰ পদক লাভ কৰিছিল; কিন্তু চাৰিশজন সদস্য বিশিষ্ট ভাৰত হকি, টেবলটেনিছ, টেনিছ, সাতোঁৰ ইকোয়েষ্ট্ৰিয়ান, আৰু ফুটবলত শোচনীয়ভাৱে ব্যৰ্থ হৈছে। শ্যুটিঙত সোমা দত্তই এটা ৰূপৰ আৰু এটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। সাঁতোৰত একমাত্ৰ সফল প্ৰতিযোগী আছিল খাজান সিং। তেওঁ ২০০ মিটাৰ বাটাৰ ফ্লাইত দ্বিতীয় স্থান লাভ কৰে। এইবাৰৰ এছিয়াডত ভাৰতীয় ভলিবল দলে ভাল খেলিছে; বিশেষকৈ যোৱা বাৰৰ চেম্পিয়ন জাপানক পৰাজিত কৰি তেওঁলোকে চাঞ্চল্যৰ সৃষ্টি কৰিছিল।

জাপানৰ ছুছুমু টাকানোৱে পুৰুষৰ ৪০০ মিটাৰ ৪৫·০০ ছেকেণ্ডত অতিক্ৰম কৰি বিজয়ীৰ সন্মান লাভ কৰিছে। তেওঁ পুৰ্বৰ ৪৫·৩০ ছেকেণ্ডৰ ৰেকৰ্ড ভংগ কৰে। চীন আৰু কোৰিয়াৰ আধিপত্যৰ মাজতো জাপানৰ হেমাৰ থ্ৰ'ৱাৰ ছিগিনোবু আৰু ছুছুমু তাকানোৰ ৪০০ মিটাৰ দৌৰত এছিয়াৰ ৰেকৰ্ড ভংগৰ ঘটনা বিশেষভাৱে উল্লেখযোগ্য। দক্ষিণ কোৰিয়াৰ কৃতকাৰ্য প্ৰশংসনীয়——বিশেষকৈ হকিত। বৰ বেছি দিনৰ



অনন্যা পি. টি. উষা

ভাৰতৰ 'ট্ৰেক সাম্ৰাজ্ঞী' পি.টি. উষাই একক এথলেটিকছ প্ৰতিযোগিতাসমূহত তিনিটা সোণৰ আৰু এটা ৰূপৰ পদকৰ লগতে মহিলাৰ ৪×৪০০ মিটাৰ ৰিলে দৌৰত সোণৰ পদক লাভ কৰি দেশখনৰ বাবে হতাশাৰ মাজতো সুখৰ বতৰা কঢ়িয়াই আনিছে। ২২ বছৰীয়া ভাৰতীয় ৰেলৱেৰ এই কল্যাণ বিষয়াগৰাকীয়ে ইয়াৰ দ্বাৰাই এছিয়াৰ শ্ৰেষ্ঠতম এথলিটৰূপে নিজকে প্ৰতিষ্ঠিত কৰিছে।

পৰা দক্ষিণ কোৰিয়াই হকি খেলা আৰম্ভ কৰা নাই; কিন্তু ভাৰতৰ লগত পুৰুষ বিভাগত ড্ৰ খেলা, পাকিস্তানক ফাইনেলত বিধ্বস্ত কৰা নাইবা মহিলা বিভাগত ভাৰতক শোচনীয়ভাৱে পৰাজিত কৰাৰ পৰা এইটো কথা প্ৰমাণিত হৈছে যে, এটা সুনিৰ্দিষ্ট ৰাষ্ট্ৰীয় ক্ৰীড়ানীতিৰ অধীনত ৰাজনীতি মুক্ত কৰ্মকৰ্তাসকলে নিষ্ঠা আৰু কঠোৰ অনুশীলনৰ মাজেৰে খেলুৱৈসকলক প্ৰস্তুত কৰিছে। চীনদেশৰ সমকক্ষৰূপে দ. কোৰিয়াই নিজকে প্ৰতিষ্ঠিত কৰিলে।

ভাৰতীয় ফুটবল দলে গ্ৰুপ লিগত এটাও পইণ্ট সংগ্ৰহ কৰিব নোৱাৰিলে। দক্ষিণ কোৰিয়াৰ লগত ৩-০, চীনৰ লগত ১-১ আৰু বাহৰিনৰ লগত ৩-০ গ'লত দলটো পৰাজিত হয়। হকি দলে ব্ৰঞ্জ পদকতে সন্তুষ্ট থাকিবলগীয়া হয়। এছিয়াডতে যদি এই অৱস্থা হয়, তেনেহ'লে অলিম্পিক বা বিশ্ব কাপত আমাৰ হকি দলৰ কি অৱস্থা হ'ব সেইটো সহজেই অনুমেয়। হকি আৰু ফুটবল দলৰ লগত দুগৰাকীকৈ প্ৰশিক্ষক গৈছিল (হকিত হৰমিক সিং আৰু অজিত পাল সিং, ফুটবলত পি. কে. বেনাৰ্জি আৰু অৰুণ ঘোষ); কিন্তু সাতোঁৰত অনেলডক যাবলৈ অনুমতি দিয়া নহ'ল। বেংকৰপৰা ৪ লাখ টকা ধাৰ কৰি ইমান নিম্নমানৰ ফুটবল দল পঠোৱাৰ কি যুক্তি থাকিব পাৰে?

প্ৰায় চাৰিশজনীয়া প্ৰতিনিধি দলটো যেন পি. টি. উষাৰ ওপৰতে নিৰ্ভৰ কৰিহে এছিয়াডলৈ গৈছিল! এক বৃহৎ দেশৰ সন্মান আৰু দক্ষতাৰ দিশৰপৰা ভাবিলে কথাটো তেনেকুৱা যেনহে লাগে। উষাই ৪০০ মি. হাৰ্ডলছত সোণৰ পদক লাভ কৰে ৫৬·০৮ ছেকেণ্ডত। তেওঁ পূৰ্বৰ ভালছাম্মাৰ ৫৮·৪৭ ছেকেণ্ডৰ ৰেকৰ্ড ভংগ কৰে। উষাই ২০০ মিটাৰ দৌৰতো পূৰ্বৰ ৰেকৰ্ড ভংগ কৰি (২৩·৪৪ ছেকেণ্ডত) লাভ কৰে সোণৰ পদক। ফিলিপাইনছৰ লিডিয়া ডিভেগা ২৩·৪৭



OKDISCD





ছেকেণ্ডত দ্বিতীয় হয়। মহিলাৰ ৮০০ মিটাৰ দৌৰত ভাৰতৰ ছাইনি আব্ৰাহামে ২ মিনিট ০৩'৩৬ ছেকেণ্ডত প্ৰথম হৈও পদক লাভৰপৰা বঞ্চিত হয় নিজৰ দোষত। দৌৰৰ প্ৰথমৰ পৰাই ছাইনিয়ে আন প্ৰতিযোগীতকৈ বহুত আগুৱাই আছিল। তেওঁৰ লেন নম্বৰ আছিল ৮। নিয়ম অনুযায়ী ৮০০ মিটাৰ দৌৰৰ প্ৰথম এশ মিটাৰ নিজৰ লেনত দৌৰিব লাগে, কিন্তু ৯০ মিটাৰ দৌৰাৰ পাছতেই ছাইনি ৭ নম্বৰ লেনলৈ গুচি যায়। কিন্তু পাছ মুহূৰ্ততে ভুল বুজিব পাৰি নিজৰ লেনলৈ উভতি আহিছিল আৰু কোৰিয়াৰ লিন ছেন আহতকৈ ২০ মিটাৰ আগুৱাই থাকি দৌৰ শেষ কৰিছিল। আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাগ লোৱাৰ অভিজ্ঞতা থকা ছাইনিয়ে কেনেকৈ যে এনেধৰণৰ মাৰাত্মক ভুলটো কৰিলে সেইটো ভাৱিলে আচৰিত লাগে।

## মাৰ্গাৰেট আলভাৰ ক্ষোভ

ছৌল এছিয়াডলৈ চাৰিশজনৰ বিৰাট দল প্ৰেৰণৰ যুক্তিযুক্ততা সম্পৰ্কে কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী মাৰ্গাৰেট আলভাক কৰা এটি প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে, এওঁলোকে কমনৱেলথ গেমছলৈ যোৱাৰ অনুমতি পোৱা নাছিল; —সেই ভাবিয়ে এছিয়াডত কিছু শিথিল হৈছিলোঁ। তেতিয়া জানিব পৰা নাছিলো যে খেলুৱৈ নিৰ্বাচনত পক্ষপাতিত্বই প্ৰাধান্য লাভ কৰে। সেই বাবে এইবাৰ ঘূৰি গৈ ভাবিছোঁ বহুখিনি অদল-বদল কৰিম। এটা ৰাষ্ট্ৰীয় নিৰ্বাচক কমিটি গঠন কৰা হ'ব বিভিন্ন খেলৰ বিশেষজ্ঞসকলক লৈ। ক্ৰীড়া-সংস্থাসমূহে নিৰ্বাচন কৰা খেলুৱৈ ৰাষ্ট্ৰীয় কমিটিয়ে অনুমোদন দিয়াৰ পাছতহে বিদেশলৈ পঠোৱা হ'ব। এইবাৰৰ নিৰ্বাচন সম্বন্ধে বহুতো অভিযোগ মোৰ হাতলৈ আহিছে। ৰাটাৰ প'ল'ৰ দলটোৰ এজন খেলুৱৈ এজন কৰ্মকৰ্তাৰ পুত্ৰ; —দলত স্থান লাভৰ বাবে তেওঁ কোনো যোগ্যতাই নাই; —এনে অভিযোগো পাইছোঁ। ইয়ালৈ আহি মোৰ চকু মুকলি হৈছে। এইবাৰৰ ব্যৰ্থতাই আমাক ভৱিষ্যতলৈ কঠোৰ হ'বলৈ শিকালে। একোয়াষ্ট্ৰিয়ানৰ প্ৰসংগত শ্ৰীমতী আলভাই কয়, "১০ লাখ টকা ব্যয় কৰি অষ্ট্ৰেলিয়াৰপৰা ঘোঁৰা অনাৰ অনুমতি দিয়া হৈছিল; —কিন্তু এনেকুৱা ঘোঁৰা বাছি অনা হ'ল যে তাৰে দুটা মৰিয়েই থাকিল। মই বাৰু আৰু কাক বিশ্বাস কৰিম? এইবাৰ স্থিৰ কৰিছোঁ যে, টকা দিয়েই কৰ্তব্য শেষ নকৰোঁ। ভাবিছোঁ—দহটা খেল বাছি লম,— যি কেইটাত আমাৰ সাফল্য সুনিশ্চিত। আৰু সেই নিৰ্বাচিত খেলৰ খেলুৱৈসকলৰ ওপৰতে জোৰ দিম। দৰকাৰ অনুযায়ী টকা ব্যয় কৰাত মই কাৰ্পণ্য নকৰোঁ,— যদিহে তাৰদ্বাৰা সুফল লাভ কৰা যায়।"

পুলক লাহিড়ী

৫২/ পৃষ্ঠাৰ পিছৰ পৰা

মাৰ্কিন মহলৰ বাবে গ্ৰহণযোগ্য গণতন্ত্ৰ প্ৰতিষ্ঠাৰ অৰ্থে দেশখনক প্ৰস্তুত কৰি তোলাৰ মাৰ্কিন আশা পূৰণ নহ'ল। পিন'চেট এতিয়া ক্ষমতা হস্তান্তৰৰ বাবে ৰাজি নহয়। গণতন্ত্ৰলৈ খৰতকীয়া প্ৰত্যাবৰ্তনৰ প্ৰতিশ্ৰুতি দি ক্ষমতা দখল কৰাৰ পাছত আন যি কোনো স্বৈৰাচাৰী শাসকৰ দৰে যিমানদূৰ সম্ভৱ শাসনৰ গাদীত ভিত্তি থাকিবলৈ তেওঁ অবিৰাম চেষ্টা চলাইছে। চিলিৰ প্ৰাক্তন চৰকাৰৰ এজন কৰ্মকৰ্তাৰ মতে জেনেৰেল পিন'চেটক হত্যা কৰিবলৈ চলোৱা ঘটনাটো হৈছে এক ভুৱা প্ৰচাৰ। ইয়াৰ প্ৰকৃত উদ্দেশ্য হ'ল চিলিত সামৰিক গোষ্ঠীয়ে অধিক নিষ্পেষণ চলোৱাৰ বাট মুকলি কৰাৰ লগতে মাৰ্কিন যুক্তৰাজ্যক এই কথাত পতিয়ন নিয়াবলৈ চেষ্টা কৰা যে দেশখনত বৰ্তমান গণতন্ত্ৰ প্ৰতিষ্ঠা কৰাটো অসম্ভৱ কথা। পিন'চেটৰ প্ৰতিটো কাৰ্যকলাপে মাৰ্কিন প্ৰশাসনক এতিয়া ইমানেই ব্যতিব্যস্ত কৰি তুলিছে যে নাগৰিক অধিকাৰ খৰ্ব কৰি বিৰোধী মতাৱলম্বীসকলক হত্যা কৰাৰ প্ৰতিবাদ জনাই ৰাষ্ট্ৰসংঘৰ মানব অধিকাৰ আয়োগৰ বৈঠকত মাৰ্কিন প্ৰতিনিধিয়ে এক প্ৰস্তাৱ দাঙি ধৰিবলৈ বাধ্য হৈছে। মাজনিশা দুৱাৰত টুকৰিয়াই সামৰিক প্ৰশাসনৰ বিৰোধীসকলক অচিনাকি সশস্ত্ৰলোকে কোনো অজ্ঞাত স্থানলৈ লৈ যোৱাটো চিলিত এতিয়া সাধাৰণ ঘটনা। উল্লেখযোগ্য যে যোৱা জুলাই মাহত ৰাজধানী ছাণ্টিয়াগোত দিনদুপৰতে প্ৰকাশ্য ৰাজপথত সৈন্য বাহিনীৰ লোকে এহাল তৰুণ-তৰুণীৰ গাত পেট্ৰল ঢালি জুই লগাই দিয়াৰ ঘটনাই পিন'চেটৰ শাসনৰ মুখা খুলি দিলে। গণতন্ত্ৰৰ পথ ৰুদ্ধ হৈ পৰাত স্বাভাৱিকভাৱে চিলিত হিংসাত্মক কাৰ্যকলাপ বৃদ্ধি পাইছে। দেশখন বৰ্তমান প্ৰশাসনৰ সমৰ্থক আৰু বিৰোধী —এই দুটা শিবিৰত বিভক্ত হৈ পৰিছে। সামৰিক গোষ্ঠী এটাৰ হাতত শাসনভাৰ তুলি দিয়াটো সহজ; কিন্তু তাৰ পৰা অব্যাহতি পোৱাটো বৰ কঠিন। জেনেৰেল পিন'চেটৰ ঘনিষ্ঠ ফিলিপাইনৰ প্ৰেছিডেণ্ট মাৰকোছৰ পতনৰ পাছত মাৰ্কিন মহলৰ দ্বাৰা সমৰ্থিত আন আন স্বৈৰাচাৰী শাসকসকলৰ অনিশ্চিত ভৱিষ্যতৰ বাবে ৰেগান প্ৰশাসন চিন্তিত হোৱা বুলি কুটনৈতিক বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। চিলিত সম্প্ৰতি গণতান্ত্ৰিক বিফলতাৰ অভাৱ। বেআইনী কমিউনিষ্ট দলৰ সামৰিক বাহিনীস্বৰূপ বাওঁপন্থী গেৰিলাসকল (F. P. M. R.) এতিয়া সক্ৰিয় হৈ পৰিছে। কিয়নো পিন'চেটৰ তেৰ বছৰীয়া বৰ্বৰোচিত শাসনে বাওঁপন্থী শক্তিসমূহক অধিক দৃঢ়তাৰে সৈতে সামৰিক শাসন ওফৰাই দিবলৈ অনুপ্ৰাণিত কৰিছে। ফলস্বৰূপে পিন'চেটৰ চিলি মাৰ্কিন প্ৰশাসনৰ ঠেক, ত্ৰুটীপূৰ্ণ, কমিউনিষ্ট-বিৰোধী কৌশলৰ শোচনীয় ব্যৰ্থতাৰ আন এক জ্বলন্ত উদাহৰণলৈ পৰিণত হৈছে।

# অপদস্থ গ্ৰাহক, অপদস্থ দাতা

চৰকাৰে কিবা নিষেধাজ্ঞা জাৰি কৰিলে, বা কিবা নীতি-নিয়মৰ কথা ঘোষণা কৰিলে সাধাৰণতে লগে লগে উলংঘাকাৰীক কি শাস্তি দিয়া হ'ব তাৰো উল্লেখ থাকে। কিন্তু লগে লগে, কোনে ক'ত সেইবোৰ উলংঘা কৰিছে, সেয়া চাবলৈ এটা ব্যৱস্থা গ্ৰহণ কৰা হয় নে কৰিছে, সেয়া চাবলৈ এটা ব্যৱস্থা গ্ৰহণ কৰা হয় নে নহয়? নে কোনোবাই উলংঘাকাৰীৰ বিষয়ে গোচৰ দিব, তেতিয়া সেই ঘটনাটোক এটা "কে'ছ" বুলি গণ্য কৰা হ'ব, আৰু "কে'ছ"ৰ সাধাৰণতে যি হয় সময়ত সেয়ে হ'ব,—ব্যৱস্থাটো এনেকুৱা? ধৰি লওক, চৰকাৰী ঘোষণাই মাছৰ দাম বান্ধি দিলে;—ৰৌ মাছ—গোটা—প্ৰতি কেজিত চৌত্ৰিছ টকা, কটা—চল্লিছ টকা। তাৰ পাছত বজাৰত আপোনাক দোকানীয়ে ক'লে—কটা পঞ্চাছ টকা। এতিয়া আপুনি কি কৰিব? সচেতন, নিয়ম মানি চলা নাগৰিক হৈয়ো আপুনি কিমান দূৰলৈ যাব পাৰে? এজন শান্তিপ্ৰিয় গ্ৰাহক হিচাপে সময়, শক্তি, মান-সন্মানৰ আপুনি কিমান খৰচ কৰিব পাৰে? বজাৰৰ মাজতে এখন ব'ৰ্ডত চৰকাৰে বান্ধি দিয়া দামৰ তালিকাখন আছে; আপুনি সেইখনলৈ দোকানীজনৰ দৃষ্টি আকৰ্ষণ কৰক; তেওঁ ক'ব—"সেইখন যোনে লিখিছে তেওঁক সোধকগৈ।" তাৰ পাছত? সাধাৰণ জ্ঞানেৰেই আপুনি আশা কৰিব,—বজাৰখনত উলংঘাকাৰীক ধৰিবলৈ এজন চিপাহী থাকক; চৰকাৰৰ যদি বজাৰেপ্ৰতি দিবলৈ চিপাহী নাই, তেন্তে অন্ততঃ এই ঘোষণা কাৰ্যকৰী কৰিবলৈ বুলি বিশেষভাৱে আহৰণ কৰা এখন গাড়ীত কেইজনমান চৰকাৰৰ লোকে গোটেই চহৰখনৰ সকলো বজাৰ সদায় এবাৰ-দুবাৰকৈ পৰিদৰ্শন কৰক। সেইখিনিও যদি কৰা নহয়, তেনেহলে এনেকুৱা ঘোষণাই গ্ৰাহকক বিপদ আৰু অসুবিধাতহে পেলায়! চৰকাৰৰ ঘোষণা মাছ বজাৰত অপদস্থহে হয়!

এই প্ৰসংগটো মনলৈ অহাৰ কাৰণ হ'ল;—অলপতে কামৰূপ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে দান, বৰঙণি, পুঁজি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত এটা নিষেধাজ্ঞা জাৰি কৰিছে বুলি বাতৰি-কাকতত পঢ়িলো। চৰকাৰে কি অভিজ্ঞতা আৰু উপলব্ধিৰ ভেটিত এই নিষেধাজ্ঞা জাৰি কৰিছে ক'ব নোৱাৰোঁ, কিন্তু "চান্দা" সম্পৰ্কীয় কিছুমান ঘটনাই বহু:তা নাগৰিক আৰু পথচাৰীক অতীষ্ঠ কৰিছে। বিশেষকৈ, অসমৰ ঘাই পথকেইটাত গাড়ীৰে অহা-যোৱা কৰা লোকৰ কিছুমান বৰ অশান্তিকৰ অভিজ্ঞতা হৈছে। বিশ্বকৰ্মা পূজা, ক্লাব, বিহুৰাভা, পুথিভঁৰাল, মন্দিৰ, সংঘ অসংখ্য কাৰণত কোনে ক'ত বাটত গাড়ী ৰখাই চান্দা তুলিছে তাৰ হিচাপ নাই। চান্দাতোলাসকলৰ কিছুমানৰ আচৰণ ইমান অশোভনীয় যে যি কাৰণত তেওঁলোকে চান্দা তুলিছে বুলি কয়, সেই কাৰণৰ লগত তেওঁলোকৰ সম্পৰ্ক স্থাপন কৰাই টান। বিহুৰাভা দিবসৰ বাবে চান্দা বিচাৰি যি চেহেৰাৰ মানুহে ট্ৰাকৰ পাঞ্জাবী ড্ৰাইভাৰৰ লগত যেনেকৈ তৰ্ক কৰে, তাৰ বৰ্ণনা শুনিলে বিষ্ণুৰাভা দিবসৰ প্ৰতিহে দাতাৰ অশ্ৰদ্ধা জন্মে। আনকি অসমীয়া মানুহেও সময় আৰু মান-সন্মান বচাবলৈ এওঁলোকক চান্দা দি পাছত যিখিনি শব্দ উচ্চাৰণ কৰে, সেইখিনি অভিশাপৰে তুল্য। সেই অভিশাপৰ একাংশত যদি বাস্তৱত ৰূপায়িত হলহেঁতেন, তেনেহলে এই চান্দাতোলাসকল থিতাতে ৰসাতললৈ গ'লহেঁতেন। "আনকি অসমীয়া মানুহেও" বোলাৰ কাৰণ হ'ল— এই চান্দা তোলাসকলৰ প্ৰায় সকলোৱেই অসমীয়া মানুহ। ট্ৰাকৰ ড্ৰাইভাৰকে আদি কৰি অনা-অসমীয়াসকলে এওঁলোকৰ বিষয়ে কি ভাবে, সেইটো অনুমেয়। অসমৰ আচল কথাবোৰ বাহিৰৰ জনা বুজা, শিক্ষিত মানুহেও ঠিককৈ নুবুজে। সাধাৰণ মানুহে বিদেশী সংক্ৰান্ত আন্দোলনৰ সময়ত বাটত দেখা মানুহবোৰ, নেলীৰ হত্যাকাণ্ড ঘটোৱা মানুহবোৰ, এতিয়া চান্দা তোলা মানুহবোৰ— সকলো একে মানুহ বুলি ভাবে। বৰঞ্চ সেইবোৰ মানুহৰে একাংশই বৰ্তমানে ৰাজ্যখনত শাসন কৰি আছে বুলি ভাবি এই ট্ৰাক চলাই অসমৰ ভিতৰত সোমোৱা মানুহবোৰ বেছি শংকিত হৈ থাকে; বেছি বিৰক্ত হয়, বেছি বীতশ্ৰদ্ধ হয়। এইটো কম ক্ষতিকৰ কথানে? শাসনত থকা ডেকাইতে এইটো সহ্য কৰিব পৰা কথানে?

যদি বাটত (হাই-ৱে'ত) চান্দা তোলাসকলৰ ঘোষিত উদ্দেশ্যৰ লগত সঁচাকৈয়ে সৰল সম্পৰ্ক আছে, তেনেহলে তেওঁলোকে উদ্দেশ্যটোৰ মহত্ব ৰক্ষা কৰিবলৈ বাছ-ষ্টেছনত, পেট্ৰল পাম্পত, চাহ-ভাতৰ দোকানত, ধাবাত— একোটা ফুটা থকা, ওপৰত অসমীয়া-হিন্দী-পাঞ্জাবী আদি ভাষাৰে উদ্দেশ্য লিখি থোৱা, তলালগোৱা বাকচ থৈ নাচায় কিয়? তেনে কৰিলে তেওঁলোকে তেওঁলোকৰ উদ্দেশ্যৰ প্ৰতি মানুহৰ কিমান শ্ৰদ্ধা-সহানুভূতি আছে তাৰ উমান পাব আৰু মানুহক আমনি কৰাৰ অপবাদৰ পৰা মুক্তি পাব। তেওঁলোকে বিশ্বাস কৰা উচিত— তেওঁলোকৰ এই "আমনি"ক বহুতে এক প্ৰকাৰ "হাই-ৱে' ৰবাৰি" (ডকাইতি) বুলি, আৰু তেওঁলোকক বহুতকে এক শ্ৰেণীৰ ডকাইত বুলি গণ্য কৰে। আৰু তেওঁলোকৰ কাৰণেই সৎ উদ্দেশ্য লৈ চান্দা তোলাসকলো সমানে ক্ষতিগ্ৰস্ত হয়।

অকল কামৰূপ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে কিয়, অসম চৰকাৰে সমগ্ৰ অসমতে, অন্ততঃ বাটত গাড়ী ৰখাই চান্দা তোলাটো বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু সেই ব্যৱস্থা এনে হ'ব লাগে যাতে চান্দা নিদিয়াসকল প্ৰহৃত, অপমানিত আৰু ক্ষতিগ্ৰস্ত হোৱাৰ উপায় নাথাকে। চৰকাৰৰ কোনো নিষেধাজ্ঞাই জনসাধাৰণক অশান্তিৰ সন্মুখত উন্মুক্ত কৰি দিব নালাগে, আৰু কোনো নিষেধাজ্ঞা মাছ বজাৰত হোৱাদি অপদস্থ হ'ব নালাগে।

৮।১০।৮৬



OKDISCD